জাতিৰ সেৱাত উৎসৰ্গিত ৬২ বছৰ

newsdaily24.in
সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
https://dainikasam.in

Yoga Teacher's Training Program
DIPLOMA & ADV. DIPLOMA
NEW BATCH FROM NOV'2026
UNIVERSITY CERTIFIED PROGRAMS
Arunima Dutta's
The Yoga Studio
CHANDMARI, GUWAHATI
91019-71499 97060-77977

RN-11989/65 । ৬২ বছৰ । ৬৬ সংখ্যা, ২২ আহিন, শনিবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 62 NO. 66। GUWAHATI, SATURDAY, OCTOBER 10, 2026 । পৃষ্ঠা ১৬ (Pages 16) ৯.০০ টকা (Rs. 9.00)

মানৱ অধিকাৰৰ সুৰক্ষা, যুদ্ধ অপৰাধবিৰোধী দৃষ্টান্তমূলক পদক্ষেপলৈ স্বীকৃতি

'আপোনালোকে জোৰেৰে হাত চাপৰি দিলে এই পুৰস্কাৰ ট্ৰাম্পৰে ভগাই ল'ম'



## ভাৰতীয় বংশোদ্ভৱ নৱনীতম নৱী পিল্লেলৈ শান্তিৰ ন'বেল

**ষ্টকহ'ম, ৯ অক্টোবৰ ঃ** যুদ্ধ অপৰাধ আৰু নৰসংহাৰত জড়িত শাস্তি বিহা আৰু আন্তঃৰাষ্ট্ৰীয় আইনক শক্তিশালী কৰি তোলাৰ প্ৰয়াসৰ বাবে ভাৰতীয় মূলৰ নৱনীতম নৱী পিল্লেক এই বছৰৰ শান্তিৰ ন'বেল আগবঢ়োৱা হৈছে। মানৱতাৰ হকে আৰু শান্তি-সুস্থিৰতাৰ লক্ষ্যৰে দীৰ্ঘদিন ধৰি কাম কৰি অহাৰ স্বীকৃতিস্বৰূপে ন'বেল কমিটীয়ে ভাৰতীয় মূলৰ আইনজ্ঞ তথা ২ পৃষ্ঠাত চাওক

## জুবিন গাৰ্গ হত্যা গোচৰৰ প্ৰথমগৰাকী অভিযুক্তলৈ চৰ্তসাপেক্ষ জামিন গুৱাহাটী উচ্চ ন্যায়ালয়ৰ

মুকলি আকাশৰ তললৈ অহাৰ পথ প্ৰশস্ত অমৃতপ্ৰভা মহন্তৰ

পৰৱৰ্তী আইনী পদক্ষেপ সন্দৰ্ভত অসম চৰকাৰৰ পৰা স্পষ্টীকৰণ দাবী লুৰীণজ্যোতিৰ



দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ৯ অক্টোবৰ ঃ** অৱশেষত মুকলি আকাশৰ তললৈ ওলাই অহাৰ পথ প্ৰশস্ত হ'ল প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ হত্যাকাণ্ডৰ গোচৰত অভিযুক্ত অমৃতপ্ৰভা মহন্তৰ। দীৰ্ঘদিন ধৰি হোৱা শুনানিৰ অন্তত গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি মহন্তৰ জামিন মঞ্জুৰ কৰে। তেওঁ দাখিল কৰা ২২১২/২০২৬ নম্বৰত জামিন আবেদনৰ ৰায়দান কৰি ন্যায়াধীশ প্ৰাঞ্জল দাসৰ বিচাৰপীঠে ৫০ হাজাৰ টকা আমানত ধন আৰু দুজন জামিনদাৰৰ বিনিময়ত মহন্তক চৰ্তসাপেক্ষ জামিন মঞ্জুৰ কৰে। ইয়াৰ লগে লগে প্ৰাণৰ শিল্পী ৬ পৃষ্ঠাত চাওক



বিচাৰ প্ৰক্ৰিয়াত সহযোগ কৰিব লাগিব অমৃতপ্ৰভাই

নগাঁও উপ-নিৰ্বাচনত বিপুল ভোটত বিজয়ী দেৱাশিস শৰ্মা, নিৰ্লজ্জ পৰাজয়েৰে তৃতীয় স্থানত শিৰামণি বৰা



| | |
|---|---|
| দেৱাশিস শৰ্মা<br>বিজেপি | ৭,১০,৬২২ |
| বদৰুদ্দিন আজমল<br>এ আই ইউ ডি এফ | ৫,৭০,৪১৩ |
| শিৰামণি বৰা<br>কংগ্ৰেছ | ১,২৮,৭৪৩ |

# কংগ্ৰেছৰ দুৰ্গ দখল বিজেপিৰ

৪,৯৭,৪৫৩ ভোট লাভ কৰি দ্বিতীয় স্থানত বদৰুদ্দিন আজমল ■ প্ৰধানমন্ত্ৰীৰ শুভেচ্ছা

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি/প্ৰতিনিধি

**নগাঁও, ৯ অক্টোবৰ ঃ** অৱশেষত কংগ্ৰেছৰ দুৰ্গ দখল কৰিলে বিজেপিয়ে। কংগ্ৰেছৰ প্ৰদ্যুৎ বৰদলৈৰ প্ৰায় ৭ বছৰীয়া কাৰ্যকালৰ পাছত নগাঁও লোকসভা সমষ্টিটো পুনৰুদ্ধাৰ কৰিবলৈ সক্ষম হ'ল বিজেপিয়ে। আজি ঘোষিত উপ-নিৰ্বাচনৰ ফলত প্ৰত্যাশিতভাৱেই জয়ী হ'ল দেৱাশিস শৰ্মা নগাঁও-মৰিগাঁও জিলাত আয়ুক্ত হিচাপে ২ পৃষ্ঠাত চাওক



বাজপেয়ী ভৱনত আৱতৰীয়া দীপাৱলী

## সংখ্যালঘুৰ ভোট পালেও বিজেপিৰ নীতি-আদৰ্শ সলনি নহয় ঃ মুখ্যমন্ত্ৰী

সকলো শ্ৰেণীৰ জনতাৰ উন্নয়নৰ বাবে কাম কৰাৰ ফল পাইছে বিজেপিয়ে

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ৯ অক্টোবৰ ঃ** 'জাতি-ধৰ্ম-ভাষা-বৰ্ণ নিৰ্বিশেষে সকলোৱে বিজেপিক ভোটদান কৰিছে। আনহে নালাগে, শেহতীয়াকৈ বিজেপিৰ প্ৰতি ধৰ্মীয় সংখ্যালঘু লোকৰ আকৰ্ষণ বৃদ্ধি পাইছে। সংখ্যালঘুৰ ভোট পালেও কিন্তু বিজেপিৰ নীতি-আদৰ্শ সলনি নহয়।' নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ বৃহৎ জয়ৰ পাছতে সংবাদ মাধ্যমৰ ২ পৃষ্ঠাত চাওক

'গেম চেঞ্জাৰ'ৰ ৰূপত অৱতীৰ্ণ হ'ল এ আই ইউ ডি এফ

## আজমলৰ ভূমিকাই ভেটি খহালে কংগ্ৰেছৰ

২০২৪ত জয়ী হোৱা সমষ্টিত দুবছৰৰ ভিতৰতে অৱনমিত, শাসক দলৰ ৰণকৌশলৰ অংশ হিচাপেই যুঁজত নামিছিল নেকি বদৰুদ্দিনে?



দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ৯ অক্টোবৰ ঃ** নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ফলাফলে অসমৰ ৰাজনীতিত এক নতুন সমীকৰণৰ ইংগিত দিছে। ২০২৪ চনৰ লোকসভা নিৰ্বাচনত যিটো সমষ্টিত কংগ্ৰেছে বিপুল ভোটৰ ব্যৱধানত জয়লাভ কৰিছিল সেই সমষ্টিতে দুবছৰৰ ভিতৰতে দলটোৰ প্ৰাৰ্থী তৃতীয় স্থানলৈ অৱনমিত হ'ল। আনহাতে বিজেপিৰ দেৱাশিস শৰ্মাৰ জয়ে ৰাজনৈতিক মহলত বিশেষ চৰ্চাৰ সৃষ্টি কৰিছে। কিন্তু এই জয়ৰ সমান্তৰালকৈ আটাইতকৈ বেছি চৰ্চিত হৈছে এ আই ইউ ডি এফৰ সভাপতি বদৰুদ্দিন ৬ পৃষ্ঠাত চাওক

'এই বিজয়ে অধিক শক্তিশালী কৰিব উন্নয়ন-সুশাসন-জনকল্যাণৰ যাত্ৰা'



## পৰাজয়ক লৈ কংগ্ৰেছক তুলা ধুনা অখিলৰ বিজেপি-এ আই ইউ ডি এফৰ যুগলবন্দীৰ পৰিণতি ঃ গৌৰৱ

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ৯ অক্টোবৰ ঃ** নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিৰোধীৰ, বিশেষকৈ কংগ্ৰেছৰ শোচনীয় পৰাজয়ৰ বাবে সম্পূৰ্ণৰূপে কংগ্ৰেছক জগৰীয়া কৰি দলটোৰ নেতৃত্বক আজি তুলা ধুনা দিলে এসময়ৰ কংগ্ৰেছৰ মিত্ৰ ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে। আনহাতে বিজেপি আৰু এ আই ইউ ডি এফৰ মাজত ২ পৃষ্ঠাত চাওক

## উৎফুল্লিত সোণোৱাল, ভোটাৰ-দলীয় কৰ্মী-নেতাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ



দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ৯ অক্টোবৰ ঃ** নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত এন ডি এ সমৰ্থিত বিজেপিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ বিজয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ জনকল্যাণমুখী নীতি আৰু 'বিকশিত ভাৰত'ৰ সংকল্পৰ প্ৰতি জনসাধাৰণৰ গভীৰ আস্থা আৰু বিশ্বাসক পুনৰবাৰ প্ৰতিফলিত কৰিছে। —নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপিৰ ৬ পৃষ্ঠাত চাওক

নাজিৰাৰ বিদ্যালয়ত ১১৮ শিক্ষাৰ্থীৰ বাবে মাত্ৰ ৩২খন যোগান

## প্ৰশ্নকাকত নাই, হাতে লিখা প্ৰশ্ন জেৰক্স কৰি চৰকাৰী বিদ্যালয়ত ছমহীয়া পৰীক্ষা

ধুবুৰীত ১০০ টকা নিদিয়া শিক্ষাৰ্থীয়ে পোৱা নাই প্ৰশ্নকাকত ■ প্ৰথমৰ পৰা অষ্টমলৈ ব্লেকব'ৰ্ডত লিখা প্ৰশ্নৰে পৰীক্ষাৰ চৰকাৰী নিৰ্দেশনা পোহৰলৈ

দৈনিক অসমৰ বাতৰি/প্ৰতিনিধি

**গুৱাহাটী/আমগুৰি/ধুবুৰী, ৯ অক্টোবৰ ঃ** ৰাজ্যৰ শিক্ষা ব্যৱস্থাত আমূল পৰিৱৰ্তন হোৱা বুলি চৰকাৰে দাবী উত্থাপন কৰি অহাৰ সময়তে চৰকাৰী বিদ্যালয়ৰ ফোঁপোলা স্বৰূপ পুনৰ এবাৰ উন্মোচিত হৈছে। ৬ পৃষ্ঠাত চাওক

কাঁহুদী



— এতিয়া কংগ্ৰেছীয়ে ক'ব— আমিয়েই কেৱল নহয়, বিজেপিয়েও মিঞাৰ ভোটত জিকে। ইন্‌চাআল্লাহ...!



ঘোঁৰাত উঠি মৰ্ত্যলৈ নামিব দেৱী দুৰ্গা

## আজি মহালয়া

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ৯ অক্টোবৰ ঃ** কাইলৈ সমগ্ৰ ৰাজ্যতে পালন কৰা হ'ব মহালয়া। মহালয়া হ'ল দুৰ্গাপূজাৰ আগমনী বতৰা কঢ়িয়াই অনা এক পৱিত্ৰ দিন। মহালয়া কেৱল এটা ধৰ্মীয় অনুষ্ঠানেই নহয়, ই হৈছে শৰৎকালৰ শেৱালিৰ গোন্ধ, বতাহৰ শীতলতা আৰু মা দুৰ্গাৰ আগমনৰ মাদকতাৰে ২ পৃষ্ঠাত চাওক



## হিংগলত দেৱী পক্ষ বেলুচিস্তানতো আজি মহালয়া

■ সঞ্জীৱ প্ৰকাশ

ৰাৱণ বধৰ পাছত মানসিক শান্তি সমূলি হেৰুৱাই পেলাইছিল শ্ৰীৰামচন্দ্ৰই। কাৰণ ৰাৱণ এজন ব্ৰাহ্মণ ৬ পৃষ্ঠাত চাওক

## আজাৰাত চৰকাৰী কাৰ্যালয়ত মহিলা অধিবক্তাক নিৰ্যাতন



দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১০ অক্টোবৰ ঃ** মহানগৰৰ আজাৰা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত আজি অনিন্দিতা দাস নামৰ এগৰাকী অধিবক্তাক শাৰীৰিকভাৱে অপদস্থ কৰাৰ গুৰুতৰ ২ পৃষ্ঠাত চাওক



# ২১ বছৰৰ মূৰত নলবাৰীত ৬ বলাৎকাৰীক ১৫ বছৰৰ সশ্ৰম কাৰাদণ্ড

## কেকনৰ দুই ভগ্নীৰ বলাৎকাৰৰ গোচৰৰ ঐতিহাসিক ৰায়

**দৈনিক অসমৰ প্ৰতিনিধি**

**নলবাৰী, ৯ অক্টোবৰ ঃ** নলবাৰী জিলাৰ মুকালমুৱাৰ এক গধৰ্ষণৰ ঘটনা সন্দৰ্ভত আজি জিলা সত্ৰ ন্যায়াধীশ আদালতে এক ঐতিহাসিক ৰায়দান কৰে। উক্ত ৰায়ত ৬জন অভিযুক্তক ১৫ বছৰৰ সশ্ৰম কাৰাদণ্ড বিহে জিলা আৰু সত্ৰ ন্যায়াধীশ মল্লিকা দত্তৰ আদালতে। ২০০৪ চনত মুকালমুৱা থানাৰ অধীনৰ কেকন অঞ্চলত সংঘটিত হৈছিল দলবদ্ধ ধৰ্ষণৰ ঘটনাটো। অঞ্চলটোৰ এটা পৰিয়ালৰ দুই বাই-ভনী আত্মীয়ৰ গৃহলৈ গৈছিল। নিশা শুই থকা অৱস্থাত কেইবাজনো যুৱকে গৃহৰ পৰা উঠাই নিছিল দুই বাই-ভনীক। যুৱতী দুগৰাকীক পথাৰৰ মাজত গধৰ্ষণ কৰিছিল আটাইকেইটা পাষণ্ডই। আক্ৰান্ত দুই বাই-ভনীৰ ভিতৰত এগৰাকী কিশোৰী আছিল। এই ঘটনাটোৱে সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছিল। মুকালমুৱা থানাত ৰুজু হৈছিল ৩/২০০৪ নম্বৰৰ এটি গোচৰ। পৰৱৰ্তী সময়ত নলবাৰী সত্ৰ ন্যায়াধীশৰ আদালতত ৰুজু হোৱা ৫৬/২০০৭ নং গোচৰৰ সুদীৰ্ঘ ২১ বছৰৰ অন্তত আজি ঐতিহাসিক ৰায়দান দিয়ে আদালতে। জিলা আৰু সত্ৰ ন্যায়াধীশ মল্লিকা দত্তৰ আদালতে এই ঐতিহাসিক ৰায়দানৰ জৰিয়তে কেকন অঞ্চলৰ দানিয়াৰ আলী, ৰুবুল আলী, জলিল আলী, খজুৰ আলী, খলিলুৰ ৰহমান আৰু সোনাবৰ আলীক ১৫ বছৰৰ সশ্ৰম কাৰাদণ্ড বিহাৰ কথা উল্লেখ কৰে।

### কৃতিত্ব



নলবাৰী গোপালবজাৰ নিবাসী যুতিমালা মিশ্ৰই কটন বিশ্ববিদ্যালয়ৰ পৰা "Metal and Metal Technology in Pre-Colonial Assam : An Archaeological Study" শীৰ্ষক বিষয়ত উক্ত অনুষ্ঠানৰ প্ৰত্নতত্ত্ব বিভাগৰ সহযোগী অধ্যাপক ড° মঞ্জিল হাজৰিকাৰ তত্ত্বাৱধানত গৱেষণা কৰি সন্মানীয় ডক্টৰেট ডিগ্ৰী (PhD) লাভ কৰিছে। তেওঁ ইউনিয়ন বেংক গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ শাখা প্ৰবন্ধক স্বৰ্গীয় দুলাল চন্দ্ৰ মিশ্ৰ আৰু নলবাৰীৰ দাহুদী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী মিনতি গোস্বামীৰ কনিষ্ঠা কন্যা। তেওঁ শ্ৰুতিমালা মিশ্ৰ আৰু হিমাঞ্জন প্ৰৱাল মিশ্ৰৰ ভগ্নী আৰু শ্ৰী মনোজ গোস্বামীৰ খুলশালী।

# অসমত বিশ্ব ডাক দিৱস পালন

**দৈনিক অসমৰ প্ৰতিনিধি**

**গুৱাহাটী, ৯ অক্টোবৰ ঃ** ডাক বিভাগৰ অসম চক্ৰই আজি বিশ্ব ডাক দিৱস পালন কৰে। ১৮৭৪ চনত চুইজাৰলেণ্ডৰ বাৰ্নত সাৰ্বজনীন ডাক সংঘ (ইউপিইউ) প্ৰতিষ্ঠা হোৱাৰ স্মৃতিত প্ৰতিবছৰে এই দিৱস পালন কৰা হয়। মহাসঞ্চালক মেঘদ্ৰ ভত্তৰ অনুষ্ঠিত এখন সংবাদমেলত মুখ্য প্ৰধান ডাক মহাধ্যক্ষ শচীন কিশোৰ আৰু ডাক হিচাপৰ সঞ্চালক শশাংক ভৰদ্বাজে ১৫ পৰা ১৫ অক্টোবৰলৈ অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় ডাক সপ্তাহৰ কাৰ্যসূচী ঘোষণা কৰে। ঘোষণা অনুসৰি, ১২ অক্টোবৰত ডাকটিকট সংগ্ৰহৰ আনন্দ দিৱস, ১৩ অক্টোবৰত বিত্তীয় অন্তৰ্ভুক্তি আৰু চিটিএচ দিৱস, ১৪ অক্টোবৰত চিঠি-পত্ৰ আৰু পাৰ্চেল দিৱস আৰু ১৫ অক্টোবৰত প্ৰযুক্তি আৰু উদ্ভাৱন দিৱস পালন কৰা হ'ব। অসমত ইণ্ডিয়া পোষ্ট পেমেণ্টছ বেংকৰ ৪৭ লাখৰো অধিক একাউণ্ট আছে আৰু এই একাউণ্টসমূহত জমা ধনৰ পৰিমাণ ৬০০ কোটি টকাতকৈ অধিক। অসম ডাক চক্ৰৰ অধীনত ১.১৫ লাখ সক্ৰিয় ডাক জীৱন বীমা আৰু ২.৫৫ লাখ সক্ৰিয় গ্ৰামীণ ডাক জীৱন বীমা আঁচনি আছে। তদুপৰি, ডাক বিভাগে ৰাজ্যখনত ১৫টা পাছপ'ৰ্ট সেৱা কেন্দ্ৰ আৰু ২১৪টা আধাৰ কেন্দ্ৰ পৰিচালনা কৰি আহিছে। এই কেন্দ্ৰসমূহৰ জৰিয়তে প্ৰতিদিনে প্ৰায় ৩০০জন নাগৰিকক পাছপ'ৰ্ট সেৱা আৰু ৩,০০০জন নাগৰিকলৈ আধাৰ সেৱা আগবঢ়োৱা হয়। অসমত প্ৰথমবাৰৰ বাবে ড্ৰোনৰ জৰিয়তে ডাক বিতৰণৰ ব্যৱস্থা চালু কৰা হৈছে। যাৰ ১১ আগন্তুক হাজাৰো আহৰ্তা কৰা হয়। এই ব্যৱস্থা অধীনত সংযোগ স্থাপনৰ বাবে প্ৰস্তাৱিত ৪০টা ডাকঘৰৰ ভিতৰত ইতিমধ্যে ২৭টা শাখা ডাকঘৰ সংযুক্ত কৰা হৈছে। ইফালে, যোৱা চেপ্টেম্বৰ মাহত ২২টা উদ্যোগৰ প্ৰতিনিধিৰ সৈতে অনুষ্ঠিত বৈঠকৰ পাছত ডাক বিভাগে স্থানীয় ব্যৱসায়িক প্ৰতিষ্ঠানসমূহলৈ লজিষ্টিক সেৱা আগবঢ়োৱাৰ ব্যৱস্থা আৰম্ভ কৰিছে। ইয়াৰ জৰিয়তে স্থানীয় ব্যৱসায়ীসকলৰ সামগ্ৰী পৰিবহণ আৰু বিতৰণ ব্যৱস্থা অধিক সুচল কৰাৰ লক্ষ্য লোৱা হৈছে। দীনদয়াল স্পৰ্শ যোজনাৰ অধীনত বছৰি ৪০জন ছাত্ৰ-ছাত্ৰীক ৬,০০০ টকাকৈ জলপানি প্ৰদান কৰা হয়। আনহাতে, সাৰ্বজনীন ডাক সংঘৰ উদ্যোগত অনুষ্ঠিত পত্ৰ লিখন প্ৰতিযোগিতাত নগাঁৱৰ হৰ্ষিতা গায়নে ২৫,০০০ টকা, নগাঁৱৰ দৰ্শিতা ডেকাই ১০,০০০ টকা আৰু শিৱসাগৰৰ আৰাধ্যা জোনাক বৰ্মিয়াই ৫,০০০ টকাৰ পুৰস্কাৰ লাভ কৰে। আনহাতে, 'ধৰিত্ৰী মাতৃলৈ চিঠি ঃ প্ৰকৃতি সুৰক্ষাৰ বাবে মোৰ প্ৰতিশ্ৰুতি' শীৰ্ষক বিষয়বস্তুৰে অনুষ্ঠিত 'ঢাই আখৰ' পত্ৰ লিখন প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে অহা ৩১ অক্টোবৰক অন্তিম তাৰিখ হিচাপে নিৰ্ধাৰণ কৰা হৈছে।



## অৱসৰপ্ৰাপ্ত অধ্যক্ষ ফুলেন কলিতাৰ মৃত্যু

**দৈনিক অসমৰ প্ৰতিনিধি**

**মঙলদৈ, ৯ অক্টোবৰ ঃ** দৰং জিলাৰ দলগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, এসময়ৰ সুদক্ষ ফুটবল খেলুৱৈ, মঙলদৈ য়ুথ ক্লাবৰ প্ৰতিষ্ঠাপক সদস্য সৰ্ববৰহী ব্যক্তি, মঙলদৈ শইকীয়াপাৰা নিবাসী তথা মঙলদৈ ৰজাপাম ৯ নং ৱাৰ্ড নিবাসী প্ৰয়াত লহৰ কলিতাৰ পুত্ৰ ফুলেন কলিতাৰ আজি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৬ বছৰ। প্ৰাপ্ত তথ্য মতে পৰহি সন্ধিয়া তেওঁ নামঘৰৰ পৰা ওলাই অহাৰ সময়তে মজিয়াত পিছলি পৰি মূৰত গুৰুতৰভাৱে আঘাত পায়। ততাতৈয়াকৈ গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও আজি তেওঁৰ চিকিৎসাধীন অৱস্থাত মৃত্যু ঘটে। তেওঁ কৃষ্ণগুৰু সেৱা আশ্ৰমৰ সৈতেও ওতপ্ৰোতভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে দুই পুত্ৰক এৰি যায়।

১ পৃষ্ঠাৰ পৰা

# ভাৰতীয় বংশোদ্ভৱ নৰনীতম নৰী পিল্লেলৈ

মানৱাধিকাৰ বিশেষজ্ঞগৰাকীলৈ এই পুৰস্কাৰ আগবঢ়োৱাৰ কথা আজি ঘোষণা কৰিছে। পিল্লেলৈ ২০২৬ চনৰ ন'বেল প্ৰদানৰ কথা ঘোষণা কৰি ন'বেল কমিটিয়ে কয়— সমগ্ৰ বিশ্বজুৰি যুদ্ধ আৰু সংঘৰ্ষ বৃদ্ধি পাইছে। এনে পৰিস্থিতিত সাম্প্ৰতিক বৰ্তাই কথা আৰু আন্তঃৰাষ্ট্ৰীয় আইন পালন কৰা তথা ইয়াক শক্তিশালী কৰি তোলাটো জৰুৰী হিচাপে বিবেচিত হৈছে। এই লক্ষ্যৰে দীৰ্ঘদিন ধৰি সমাজলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই অহাৰ স্বীকৃতিস্বৰূপে নৰনীতম নৰী পিল্লেক শান্তিৰ ন'বেলৰ স্বীকৃতি প্ৰদান কৰা হৈছে। উল্লেখ্য যে আজি ন'বেল লাভৰ খবৰ পোৱাৰ পাছতেই পিল্লেই নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মাৰ্কিন ৰাষ্ট্ৰপতি ট্ৰাম্পক কটাক্ষ কৰে। ন'বেল লাভৰ খবৰ প্ৰকাশ হোৱাৰ পাছতেই তেতিয়া তেওঁৰ সহযোগীসকলে হাত চাপৰিৰে তেওঁক অভিনন্দন জ্ঞাপন কৰিছিল, তেতিয়া ধেমালিৰ ছলেৰে তেওঁ কৈছিল— আপোনালোকে যদিহে আৰু অলপ জোৰে হাত চাপৰি দিয়ে, তেন্তে মই হয়তো ট্ৰাম্পৰ সৈতে এই পুৰস্কাৰ ভগাই ল'ম। মানৱ অধিকাৰৰ হৈ সুদীৰ্ঘ দিন কাম কৰি অহা মানৱাধিকাৰ উচ্চায়ুক্ত আৰু আন্তঃৰাষ্ট্ৰীয় অপৰাধ আদালতৰ ন্যায়াধীশ হিচাপেও দায়িত্ব পালন কৰিছিল। ২০০৮ চনৰ পৰা ২০১৪ চনলৈ তেওঁ ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ উচ্চায়ুক্তৰূপেও সেৱা আগবঢ়াইছিল। উল্লেখ্য যে ১৯৪১ চনৰ ২৩ ছেপ্টেম্বৰত দক্ষিণ আফ্ৰিকাৰ ডাৰবানত পিল্লেৰ জন্ম হৈছিল। তেওঁৰ পূৰ্বপুৰুষ ভাৰতৰ তামিল মূলৰ লোক। তেওঁৰ ককাক ১৮৯০ চনত ভাৰতৰ পৰা শ্ৰমিক হিচাপে দক্ষিণ আফ্ৰিকালৈ প্ৰব্ৰজন কৰিছিল। তাত তেওঁ কুঁহিয়াৰ খেতিত শ্ৰমিক হিচাপে নিয়োজিত হৈছিল। তাৰ পাছত প্ৰজন্মৰো সংগ্ৰামৰ মাজেৰে জীৱন অতিবাহিত কৰিছিল দক্ষিণ আফ্ৰিকাত। পিল্লেৰ পিতৃ নাগাপ্পনস্বামী নাইডুৱে বাছচালক হিচাপে জীৱিকা অৰ্জন কৰিছিল। দৰিদ্ৰ পৰিয়ালৰ আঠটাকৈ সন্তানৰ ভিতৰত পঞ্চম নৰনীতমৰ আৰ্থিক সংকটৰ মাজত নিজৰ অধ্যয়ন অব্যাহত ৰাখে। ১৯৬৩ চনত তেওঁ স্নাতক ডিগ্ৰী লাভ কৰাৰ লগতে ১৯৬৫ চনত আইনৰ ডিগ্ৰী লাভ কৰে। ১৯৮২ চনত হাৰ্ভাৰ্ড ল স্কুলৰ পৰা স্নাতকোত্তৰ আৰু ১৯৮৮ চনত আইন বিষয়ত তেওঁ ডক্টৰেট ডিগ্ৰী লাভ কৰে। ১৯৬৭ চনত পিল্লেই নাটাল প্ৰান্তত নিজৰ ন্যায়িক প্ৰতিষ্ঠান আৰম্ভ কৰিছিল। সেই সময়তো বৰ্ণবিদ্বেষ আৰু বৰ্ণবাদী বিভাজনৰ বাবে তেওঁ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। নাটাল প্ৰান্তত নিজৰ ন্যায়িক প্ৰতিষ্ঠান স্থাপন কৰা তেওঁ প্ৰথমগৰাকী মহিলা। তেওঁ ন্যায়িক সেৱাৰ দিশত ভালেমান গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছিল। বিশেষকৈ বৰ্ণ বিভাজনৰ বিৰুদ্ধে যুদ্ধ কৰাৰ লগতে দেশৰ নৰনাৰীক অধিকাৰ প্ৰদান আৰু শান্তি দিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ১৯৭৩ চনত পিল্লেই ৰবেন দ্বীপৰ কাৰাগাৰত বন্দী হৈ থকা ৰাজনৈতিক বন্দীসকলক আইনী সাহায্য প্ৰদান কৰিছিল আৰু তেওঁলোকক ন্যায়িক অধিকাৰ প্ৰদান কৰিছিল। এইসকলৰ ভিতৰত বিশ্ববিখ্যাত বৰ্ণবাদবিৰোধী নেতা নেলচন মেণ্ডেলাও আছিল অন্যতম। অৱশ্যে কাৰাবন্দী অৱস্থাত নেলচন মেণ্ডেলাৰ সৈতে তেওঁৰ কেতিয়াও সাক্ষাৎ হোৱা নাছিল। ১৯৯৫ চনত মেণ্ডেলা দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি হোৱাৰ পাছত পিল্লেক দক্ষিণ আফ্ৰিকাৰ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হয়। দক্ষিণ আফ্ৰিকাৰ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ দায়িত্ব গ্ৰহণ কৰা তেওঁ আছিল প্ৰথমগৰাকী অশ্বেতাংগ মহিলা। ১৯৯৪ চনত ৰুৱাণ্ডাত হোৱা নৰসংহাৰৰ সময়ত তেওঁ ন্যায় প্ৰদানৰ বাবে গ্ৰহণ কৰা পদক্ষেপ আছিল অতি গুৰুত্বপূৰ্ণ। ১৯৯৫ চনত ৰাষ্ট্ৰসংঘই নৰসংহাৰৰ দোষীসকলক শাস্তি বিহাৰ বাবে আন্তৰ্জাতিক অপৰাধী ন্যায়াধিকৰণ ৰুৱাণ্ডা গঠন কৰে। এই ন্যায়াধিকৰণৰ ন্যায়াধীশ নিযুক্ত হয় পিল্লে। পিল্লেই নিজৰ কাৰ্যকালত ভালেমান গুৰুত্বপূৰ্ণ ৰায়দান কৰে। ইয়াৰ ভিতৰত বলাৎকাৰক নৰসংহাৰৰ অংশ হিচাপে চিহ্নিত কৰে। ১৯৯৮ চনত ৰুৱাণ্ডাৰ টাবা চহৰৰ মেয়ৰ জ্যা পল আকায়েছুক টুটছি সম্প্ৰদায়ৰ লোকৰ বিৰুদ্ধে হিংসাত জড়িত থকাৰ দোষত আৰু নৰসংহাৰৰ গোচৰত দোষী হিচাপে চিহ্নিত কৰা হয়। পিল্লেকে ধৰি এনে তিনিগৰাকী ন্যায়াধীশৰ বিচাৰপীঠে এই ৰায়ত স্পষ্ট কৰে যে যুদ্ধৰ সময়ত মহিলাৰ ওপৰত হোৱা যৌন নিৰ্যাতন কেৱল অপৰাধৰ সাধাৰণতে গভীৰভাৱে নোলোৱা তথা আওকাণ কৰাৰ পৰম্পৰা নস্যাৎ কৰাৰ বাবে ন্যায়াধীশগৰাকীয়ে গ্ৰহণ কৰা এই পদক্ষেপ যুগান্তকাৰী হিচাপে বিবেচিত হৈ আহিছে। এই ৰায়দানৰ পাছত পিল্লেই কৈছিল যে দীৰ্ঘসময়ৰ পৰা বলাৎকাৰক যুদ্ধৰ পুৰস্কাৰ হিচাপে বিবেচনা কৰা হৈ আহিছে। এতিয়াৰ পৰা ইয়াক যুদ্ধ অপৰাধ হিচাপে গণ্য কৰা হ'ব; কিয়নো বলাৎকাৰ যুদ্ধৰ পদক নহয়। ২০০৩ চনত একেই ন্যায়াধিকৰণখনে ৰুৱাণ্ডাৰ নৰসংহাৰৰ সময়ত ঘৃণা বিয়পোৱা আৰু জনগণক হিংসাৰ বাবে উচটনি দিয়াৰ গোচৰত সংবাদ মাধ্যমৰ সৈতে জড়িত তিনিজন লোকক দোষী সাব্যস্ত কৰে। এইসকলৰ ভিতৰত ৰেডিঅ' ষ্টেচনৰ অন্যতম সংস্থাপক ফাৰ্ডিনেণ্ড নাহিমানা আন এগৰাকী প্ৰতিষ্ঠাপক সদস্য জ্যা বস্কো বাৰায়াগিজা আৰু কাংগুৱা নামৰ সংবাদপত্ৰৰ সম্পাদক হাছান নগেজেও আছিল। তিনিওজনকে দৃষ্টান্তমূলক শাস্তি বিহিছিল ন্যায়াধিকৰণে। এই ৰায়ৰ জৰিয়তে নৰসংহাৰৰ দৰে জঘন্য অপৰাধৰ বাবে উচটনি দিয়া সংবাদ মাধ্যমকো শাস্তি বিহাৰ দৃষ্টান্ত স্থাপন হয়। এনেকুৱা দৃষ্টান্তমূলক পদক্ষেপ আৰু যুদ্ধ অপৰাধবিৰোধী সংগ্ৰামৰ স্বীকৃতিস্বৰূপে আজি ভাৰতীয় মূলৰ নৰনীতম নৰী পিল্লেক শান্তিৰ ন'বেল প্ৰদানেৰে স্বীকৃতি প্ৰদান কৰা হয়। পিল্লেই ১৯৯৯ চনৰ পৰা ২০০৩ চনলৈকে আন্তঃৰাষ্ট্ৰীয় অপৰাধ আদালতৰ অধ্যক্ষ হিচাপেও দায়িত্ব পালন কৰিছিল। উল্লেখ্য যে পিল্লেকে ধৰি এতিয়ালৈকে মুঠ ছগৰাকী ভাৰতীয় মূলৰ বৰেণ্য ব্যক্তিয়ে ন'বেলৰ স্বীকৃতি লাভ কৰিছে। তেওঁলোক হৈছে ভাৰতীয় মূলৰ মাৰ্কিন নাগৰিক হৰগোবিন্দ খুৰাণা, সুব্ৰহ্মণ্যন চন্দ্ৰশেখৰ, ভাৰতীয় মূলৰ বৃটিছ নাগৰিক ভেংকী ৰামকৃষ্ণন, ভাৰতীয় মূলৰ মাৰ্কিন অৰ্থনীতিবিদ অভিজিৎ বেনাৰ্জী আৰু ভাৰতীয় মূলৰ বৃটিছ লেখক ভি এছ নাইপল।

### PUBLIC NOTICE

শিৱসাগৰ জিলাৰ আমগুৰি ৰাজহ চক্ৰৰ দোপদৰ মৌজাৰ নামতি থানাৰ জোলা গাঁৱৰ নিবাসী হুছেইন আলি, পিতৃ প্ৰয়াত তৈয়ব আলি আব্দুল হুছেইন পিতা প্ৰয়াত তৈয়ব আলি একেজন ব্যক্তিয়েই হয়। তেওঁৰ মাটিৰ পট্টাত 'আব্দুল হুছেইন' বুলি উল্লেখ আছে। শুদ্ধ ৰূপত তেওঁৰ নাম সকলো নথিপত্ৰত 'আব্দুল হুছেইন' হ'ব লাগে।

DA/PN/1415/1

I, Latibar Ali, S/o- Late Abdul Majid, resident of Vill-Pachim Bhadragaon, P.O.-Bidyapur, P.S. & Dist- Bongaigaon, Assam do hereby declare that I have changed my name from Latibar Ali to Latibar Rahman and henceforth I shall be known as Latibar Rahman in all purpose, vide Affidavit No. IN-AS69660747177129Y sworn before the Notary Public at Bongaigaon, Assam on 07.10.2026. Latibar Rahman and Latibar Ali both are same and one identical person.

DA/PN/1414/1

I, CHAYANIKA BARUAH, aged about 48 years, C/o- Late Monuvi Nath Baruah, resident of Changmai Gaon, in the district of Sibsagar, Assam, PIN-785696 have declared vide an affidavit before the Notary Public Kamrup (M), on 09.10.2026 that, due to an inadvertent error in my Aadhaar Card records, my name has been recorded as "CHAYANIKA BORUAH instead of " CHAYANIKA BARUAH .

Therefore, CHAYANIKA BARUAH and CHAYANIKA BORUAH refer to one and same person.

DA/PN/1416/1

I, Bachidhar Mazhi , S/o Hari Majhi, R/o Vill-Maj Line No.1 To 4, P.O.-Teok, Dist. Jorhat, (Assam) have changed my name for all purposes including my all documents from Basidhor Majhi to Bachidhar Mazhi vide affidavit Magistrate at Jorhat, Dated 05/10/2026

DA/PN/1417/1

I, Roshmi Saikia, W/o Krishna Saikia, R/o Vill - Matak Gaon, P.O.-Koliapani, Dist.-Jorhat, (Assam) have changed my name for all purposes including my all documents from Rashmirekha Saikia to Roshmi Saikia vide affidavit Notary Public at Titabor, Dated 09/10/2026

DA/PN/1418/1

I, DIPA DAS, W/O SHISHURAM DAS, R/O Village-SUTIMUKH, P.O.-JALBHARI, P.S. Dhakuakhana, Dist.-Lakhimpur, Assam, do hereby declare vide Affidavit No. IN-AS69875393344115Y, sworn before Notary, Dhakuakhana, on 08/10/2026, that my correct name is DIPA DAS, but SBI, Secretariat Branch, Kamrup Metro, Guwahati, issued a Multi-city Cheque in my name bearing A/c No. 00000042878273830, wherein my name has been recorded as TARALI DAS instead of DIPA DAS. DIPA DAS and TARALI DAS are one and the same person, i.e., myself.

DA/PN/1419/1

I, Jadu Goswami S/o-Late Loknath Goswami, R/o-Moran Basti, P/O.-Premhora, & P/S.- Barpathar in the District of Golaghat, Assam That in my PAN card vide no. DXLPG4566C my name has been printed as Hari Nath Goswamy instead of Jadu Goswami in my PAN card. Vide affidavit before the Judicial Magistate Dhansiri, Sarupathar dt. 3/10/2026

DA/PN/1420/1

১ পৃষ্ঠাৰ পৰা

# সংখ্যালঘুৰ ভোট পালেও

সন্মুখত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই মন্তব্য কৰে। তেওঁ কয়, আদৰ্শ-নীতিৰ লগত আমি আপোচ নকৰোঁ। বিজেপিয়ে সংখ্যালঘুক বেয়া নাপায়, তেওঁলোকে কৰা অপৰাধহে বেয়া পায়। আনকি এটা কথা স্পষ্টকৈ ক'ব পাৰোঁ যে যদি কোনোবাই বেদখল কৰে তাত উচ্ছেদ হ'বই। বাংলাদেশীক ধমক দি শৰ্মাই কয়, এছআইআৰৰ জৰিয়তে বাংলাদেশীৰ নাম কৰ্তন কৰা হ'ব। ভোটাৰ তালিকা আৰু বিদেশী নাগৰিকৰ প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰীয়ে দাবী কৰে যে যোৱা ২০ দিনত আমি ১০০জন বাংলাদেশীক আটক কৰিছোঁ। সেই লোকসকলক আটক নকৰা হ'লে তেওঁলোকৰ নামো ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হোৱাৰ সম্ভাৱনা আছিল। প্ৰসংগক্ৰমে ভোটাৰ তালিকাৰ পৰা নাম অন্তৰ্ভুক্ত কৰা আৰু বাদ দিয়াৰ দায়িত্ব নিৰ্বাচন আয়োগৰ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যদি ভোটাৰ তালিকাত নাম সুমুওৱাটো নিৰ্বাচন আয়োগৰ দায়িত্ব, তেন্তে ভোটাৰ তালিকাৰ পৰা নাম উলিওৱাটোও নিৰ্বাচন আয়োগৰে দায়িত্ব। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপিৰ জয়ক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ প্ৰতি নগাঁওবাসীৰ আশীৰ্বাদ বুলি অভিহিত কৰাৰ লগতে কংগ্ৰেছ নেতা গৌৰৱ গগৈ আৰু ৰাহুল গান্ধীকো তীব্ৰ সমালোচনা কৰে। নগাঁৱৰ জনগাঁথনিৰ প্ৰতি লক্ষ্য ৰাখিলে বিজেপিৰ জয় সহজ কথা নাছিল। তথাপি সকলো বিধায়কৰ সন্মিলিত প্ৰচেষ্টাৰ ফলতে বিজেপিয়ে জয় সাব্যস্ত কৰিবলৈ সক্ষম হোৱা বুলি তেওঁ দাবী কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে নগাঁৱৰ নিৰ্বাচনী ফলাফল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ প্ৰতি জনসাধাৰণৰ আস্থা আৰু আশীৰ্বাদৰ প্ৰতিফলন। বিজেপিয়ে সকলো শ্ৰেণীৰ জনসাধাৰণৰ উন্নয়নৰ বাবে কাম কৰি আহিছে বুলি উল্লেখ কৰি তেওঁ কয়, সকলো শ্ৰেণীৰ জনসাধাৰণৰ উন্নয়নেই আমাৰ কাম্য। পূৰ্বে কংগ্ৰেছৰ দখলত থকা এই সমষ্টিত বিজেপিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাই জয়লাভে এক বিশেষ তাৎপৰ্য বহন কৰিছে। বিজেপিৰ জনপ্ৰিয়তা বৃদ্ধিৰ পাছত এইবাৰ কংগ্ৰেছ তৃতীয় স্থানলৈ অৱনমিত হৈছে। কংগ্ৰেছ আৰু এআইইউডিএফ একত্ৰিত হ'লেও বিজেপিয়ে জয়লাভ কৰিলেহেঁতেন বুলি দাবী কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। কংগ্ৰেছৰ প্ৰসংগ টানি আনি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, ২০৩১ চনৰ অসম বিধানসভা নিৰ্বাচনত কংগ্ৰেছ নহয়, বদৰুদ্দিন আজমলহে হ'ব প্ৰতিদ্বন্দ্বী। গৌৰৱ গগৈক লৈ কংগ্ৰেছৰ ভিতৰৰে একাংশ লোকে কাৰ্টুন প্ৰস্তুত কৰা বুলি দাবী কৰি তেওঁ কয় যে কংগ্ৰেছৰ ইতিহাসত এই নিৰ্বাচন আটাইতকৈ বেয়া নিৰ্বাচন হিচাপে বিবেচিত হ'ল। এতিয়া আৰু আমাক দূৰ দূৰলৈ গৌৰৱ গগৈয়ে ঢুকি নাপায়। আজিৰ পৰিৱেশলৈ চাই ২০৩১ চনৰ নিৰ্বাচনত বিজেপিয়ে ১২৬খন আসন লাভ কৰিলেও সেয়া আচৰিত হ'বলগীয়া নহ'ব বুলি দাবী কৰে। নিৰ্বাচন আয়োগৰ বিৰুদ্ধে ৰাহুল গান্ধীয়ে গ্ৰহণ কৰা প্ৰতিবাদী স্থিতিৰো সমালোচনা কৰি তেওঁক অসমলৈ আহি ইয়াৰ বাস্তৱ পৰিস্থিতি পৰ্যৱেক্ষণ কৰিবলৈ আহ্বান জনায়। ইপিনে নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থীগৰাকীয়ে বৃহৎ বিজয় সাব্যস্ত কৰাৰ পাছতেই বিজেপিৰ বশিষ্ঠস্থিত ৰাজ্যিক কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনত আনন্দ-উৎসৱৰ উদ্‌যাপন কৰা দেখা যায়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী পীযূষ হাজৰিকাকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকি ফটকা ফুটাই, মিঠাই খাই আনন্দ-উল্লাস কৰা দেখা যায়। আজিৰ বিজয়ে প্ৰতিফলিত কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ প্ৰতি প্ৰতিটো স্তৰৰ জনসাধাৰণৰ আস্থা তথা এখন বিকশিত ভাৰত গঢ়াৰ তেওঁৰ দূৰদৰ্শী সংকল্পৰ প্ৰতি অসমৰ ৰাইজৰ অবিচল বিশ্বাস যে হৈছে সেয়া পুনৰ প্ৰমাণিত হ'ল। নগাঁও সমষ্টিবাসীয়ে প্ৰদান কৰা এই বিপুল জনাদেশৰ বাবে প্ৰতিগৰাকী ভোটাৰক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে ডঃ শৰ্মাই। ৰাইজৰ এই আস্থা আৰু আশীৰ্বাদক সাৰথি কৰি আমি অধিক উদ্যমেৰে অসমৰ বিকাশৰ যাত্ৰা আগুৱাই নিয়াৰ সংকল্প গ্ৰহণ কৰা বুলিও উল্লেখ কৰে।

# বিজেপি-এ আই ইউ ডি এফৰ

থকা বন্ধুত্ব আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু বদৰুদ্দিন আজমলৰ যুগলবন্দীৰ পৰিণাম এই নিৰ্বাচনৰ ফলাফলত প্ৰতিফলিত হৈছে বুলি প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে। ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে দিছপুৰৰ অনশনথলীত আজি সাংবাদিকক কয়, 'নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ এই ফলাফল ৰাজ্যৰ বিৰোধীৰ বাবে আটাইতকৈ দুৰ্ভাগ্যজনক। কংগ্ৰেছে তেওঁলোকৰ নেতৃত্বৰ অহমিকা, অহংকাৰ আৰু মইমতালিৰ বাবেই সংখ্যালঘুপ্ৰধান আৰু নিজৰ দখলত থকা সমষ্টিটোত ইতিহাসৰ আটাইতকৈ বেয়া প্ৰদৰ্শন কৰিলে। ইয়াৰ বিপৰীতে দুই সাম্প্ৰদায়িক দল বিজেপি আৰু এ আই ইউ ডি এফে ভাল প্ৰদৰ্শন কৰিলে।' তেওঁ কয় যে সমগ্ৰ দেশতে বিজেপিৰ বিৰুদ্ধে সৃষ্টি হোৱা এক পৰিৱেশৰ সময়তে কংগ্ৰেছৰ ভুলৰ বাবেই ৰাজ্যত বিৰোধী দলসমূহৰ বাবে এই পৰাজয়ে পুনৰ এক প্ৰতিকূল পৰিৱেশ সৃষ্টি কৰিলে। বিৰোধীৰ তথা কংগ্ৰেছৰ এই পৰাজয়ৰ বাবে দুজন ব্যক্তিয়েই মূলতঃ দায়ী বুলি মন্তব্য কৰি অখিল গগৈয়ে কয়, প্ৰথমজন হৈছে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈ আৰু দ্বিতীয়জন হৈছে চামগুৰিৰ প্ৰাক্তন বিধায়ক তথা ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন। প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ অহংকাৰ আৰু মইমতালিয়েই এই পৰাজয়ৰ প্ৰধান কাৰণ। কংগ্ৰেছে নিজৰ দখলত থকা আৰু সংখ্যালঘু ভোটাৰৰ আধিপত্য থকা সমষ্টি এটাত সংখ্যালঘু সম্প্ৰদায়ৰ ব্যক্তিক প্ৰাৰ্থিত্ব নিদি সংখ্যাগুৰুক প্ৰাৰ্থিত্ব দিয়াৰ বাবেই এ আই ইউ ডি এফৰ দৰে সাম্প্ৰদায়িক শক্তিয়ে গা কৰি উঠিবলৈ সুবিধা পালে। কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকী অযোগ্য আছিল বুলি অভিযোগ কৰি গগৈয়ে কয় যে কংগ্ৰেছ কৰ্মীসকলেই এই প্ৰাৰ্থীগৰাকীৰ বিৰোধিতা কৰিছিল যদিও প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে অহংকাৰ আৰু মইমতালিৰে কৰ্মীসকলৰ ওপৰত তেওঁৰ হিটলাৰী সিদ্ধান্ত জাপি দিছিল। আনহাতে নিজকে সংখ্যালঘুসকলৰ অবিসম্বাদী নেতা বুলি ভাবি থকা ৰকিবুল হুছেইনৰ অহংকাৰক সমষ্টিটোৰ সংখ্যালঘু আৰু সংখ্যাগুৰু সকলোৱে ঘৃণা কৰে। প্ৰায় ৯৮ শতাংশ সংখ্যালঘু ভোটাৰ থকা আৰু ৰকিবুল হুছেইনৰ পুত্ৰ বিধায়ক হৈ থকা চামগুৰি সমষ্টিটোতে কংগ্ৰেছ তৃতীয় স্থানলৈ অৱনমিত হ'ল। প্ৰথম স্থানত থাকিল এ আই ইউ ডি এফ। প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈক কটাক্ষ কৰি অখিল গগৈয়ে কয় যে গৌৰৱ গগৈৰ সভাপতিত্বতে কংগ্ৰেছে অসমত আটাইতকৈ কম, মাত্ৰ ১৯খন আসন লাভ কৰিছে। ২০২৬ চনৰ নিৰ্বাচনত গৌৰৱ গগৈয়ে কংগ্ৰেছৰ কফিনত শেষ গজালটো মাৰিছিল আৰু নগাঁও লোকসভাৰ উপ-নিৰ্বাচনত তেওঁ কংগ্ৰেছৰ মৃতদেহ থকা কফিনৰ ওপৰত উঠিহে দপদপাই আছিল। ২০২৬ৰ শোচনীয় পৰাজয়ৰ পাছতেই গৌৰৱ গগৈয়ে পদত্যাগ কৰা উচিত আছিল। এই উপ-নিৰ্বাচনৰ পৰাজয়ৰ পাছত গৌৰৱ গগৈ আৰু ৰকিবুল হুছেইন দুয়োজনে কংগ্ৰেছৰ পৰা আৰু সাংসদ পদো ত্যাগ কৰিব লাগে বুলি ৰাইজৰ দলৰ সভাপতিজনে মন্তব্য কৰে। ইপিনে নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ফলাফলৰ পাছত নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে এই পৰাজয়ৰ কাৰণ দলীয় পৰ্যায়ত পৰ্যালোচনা কৰা হ'ব বুলি সদৰি কৰে। তেওঁ কয় যে পূৰ্বৰ নিৰ্বাচন আৰু বৰ্তমানৰ নিৰ্বাচনৰ ফলাফলৰ তথ্য তুলনা কৰি নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে বিতং পৰ্যালোচনা কৰিব। অৱশ্যে ইয়াৰ সমান্তৰালকৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতিজনে এই ফলাফলক বিজেপি আৰু এ আই ইউ ডি এফৰ বন্ধুত্ব আৰু হিমন্ত বিশ্ব শৰ্মা আৰু বদৰুদ্দিন আজমলৰ যুগলবন্দীৰ পৰিণতি বুলি প্ৰতিক্ৰিয়া ব্যক্ত কৰে। গগৈয়ে কয় যে বিজেপি আৰু এ আই ইউ ডি এফে বন্ধুত্বৰে ৰচনা কৰা পৰিকল্পনাক দেশজুৰি বিতৰ্কৰ কেন্দ্ৰবিন্দুত থকা নিৰ্বাচন আয়োগে বাস্তৱায়িত কৰাত সহায় কৰিলে। এই নিৰ্বাচনত বিজেপিয়ে যিজন ব্যক্তিক প্ৰাৰ্থী হিচাপে থিয় কৰালে তেওঁক নিৰ্বাচনৰ পূৰ্বেই আয়োগে নিলম্বিত কৰিব লাগিছিল। কাৰণ প্ৰশাসনীয় পদত থকা এই ব্যক্তিজনে বহু আগৰ পৰাই বিজেপিক সহায় কৰি আছিল বুলি ৰাজহুৱা মন্তব্য কৰিছিল। আনহাতে এ আই ইউ ডি এফৰ সভাপতি বদৰুদ্দিন আজমলে অত্যন্ত সাম্প্ৰদায়িক কথা-বতৰা কৈ আৰু প্ৰাৰ্থীৰ ধৰ্মৰ নামত ভোট বিচাৰি প্ৰচাৰ চলাইছিল। এইবোৰৰ বিৰুদ্ধে কংগ্ৰেছে বাৰে বাৰে অভিযোগ দিয়াৰ পাছতো নিৰ্বাচন আয়োগে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাছিল। কংগ্ৰেছক পৰাজিত কৰাটোৱেই বিজেপি আৰু এ আই ইউ ডি এফৰ প্ৰধান উদ্দেশ্য আছিল বুলি মন্তব্য কৰি গগৈয়ে কয় যে এ আই ইউ ডি এফে বিজেপিক ৰাজনৈতিক শত্ৰু হিচাপে গণ্য কৰাই নাই, শত্ৰু জ্ঞান কৰিছে কংগ্ৰেছকহে। বিজেপি এ আই ইউ ডি এফৰ অভিভাৱক আৰু বদৰুদ্দিন আজমল হিমন্ত বিশ্ব শৰ্মাৰ লাখুটি বুলি গগৈয়ে অভিযোগ কৰে।

# কংগ্ৰেছৰ দুৰ্গ দখল বিজেপিৰ

কাৰ্যনিৰ্বাহ কৰাৰ সময়ত দুয়োখন জিলাৰ সকলো জাতি-জনগোষ্ঠী, ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৰে লগত সম্পৰ্ক গঢ়ি তোলা দেৱাশিস শৰ্মাই উপ-নিৰ্বাচনৰ সময়ত সকলোৰে আস্থা আৰু বিশ্বাস লাভ কৰিবলৈ সক্ষম হৈছিল। যাৰ বাবে প্ৰত্যাহ্বান থকাৰ পাছতো দেৱাশিস শৰ্মা বিপুল ভোটত জয়ী হ'বলৈ সক্ষম হ'ল। সমষ্টিটোত ১৯,০২,০০৯গৰাকী ভোটাৰ আছে। ইয়াৰে ১১ লাখ ৪৮ হাজাৰৰো অধিক ধৰ্মীয় সংখ্যালঘু ভোটাৰ। ৭.৫৮ লাখৰো অধিক হিন্দু ভোটাৰ। ধৰ্মীয় সংখ্যালঘু ভোটাৰ হিন্দু ভোটাৰতকৈ প্ৰায় চাৰি লাখ বেছি। সংসদীয় সমষ্টিটোত ধৰ্মীয় সংখ্যালঘু ভোটাৰে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি আহিছে। স্বাভাৱিকতে এই ভোটাৰসকলৰ অধিকাংশ কংগ্ৰেছৰ পক্ষত আছে। সকলোকে আচৰিত কৰি নগাঁও সংসদীয় সমষ্টিৰ উপ-নিৰ্বাচনত এইসকল ভোটাৰে বিজেপিক আঁকোৱালি লোৱাটো এক উল্লেখনীয় পৰিঘটনা হিচাপে পৰিগণিত হ'ল। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ ৫দিনীয়া ধাৰাবাহিক প্ৰচাৰে বিজেপি প্ৰাৰ্থীগৰাকীৰ বিজয়ত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। বিজেপিৰ কৌশলী ৰণনীতি আৰু আগ্ৰাসী প্ৰচাৰে কংগ্ৰেছ, এ আই ইউ ডি এফ আদি বিৰোধীৰ সকলো প্ৰয়াস তচনচ কৰি পেলালে। সমষ্টিটোত ১৫জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছিল। নিৰ্বাচনী ফলাফল অনুসৰি এই উপ-নিৰ্বাচনত মূল যুঁজ হয় বিজেপিৰ দেৱাশিস শৰ্মা আৰু এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমলৰ মাজত। কংগ্ৰেছৰ শিৰামণি বৰা তৃতীয় স্থানত থাকিব লগা হয়। এইবাৰ উপ-নিৰ্বাচনত ১৪,৪৯,৪৭৯গৰাকীয়ে ভোটাধিকাৰ সাব্যস্ত কৰে। ইয়াৰে বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাই ৭,১০,৬২২টা ভোট লাভ কৰি জয়ী হয়। দ্বিতীয় স্থানত থকা এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমলে ৫,৭০,৪১৩টা ভোট লাভ কৰাৰ বিপৰীতে তৃতীয় স্থানত থকা কংগ্ৰেছৰ শিৰামণি বৰাই ১,২৮,৭৪৩টা ভোট লাভ কৰে। বিজেপিৰ দেৱাশিস শৰ্মা ১,৪০,২০৯টা ভোটৰ ব্যৱধানত বিজয়ী হয়। সমষ্টিটোৰ উপ-নিৰ্বাচনত কংগ্ৰেছ দলে বাৰুকৈয়ে মুখথেকেচা খালে। আনহাতে আনসকল প্ৰাৰ্থী ক্ৰমে আৰ চি পি আইৰ ইনামুল হুদাই ২০৫৩টা, এছ ইউ চি আই (চি)ৰ বৰ্ণালী শৰ্মাই ১৬৭৫টা, নেচনেল ৰোড মেপ পাৰ্টী ইণ্ডিয়াৰ হাফিজ বুৰহানুদ্দিনে ১,৫৩০টা, মনিৰুল হুছেইনে ৬,৭৩৮টা, মোস্তাকিম আলীয়ে ২,৩১৯টা, নজৰুল ইছলামে ১,৩০৯টা, ছাবিনা ইয়াছমিনে ৪,০৭৮টা, ছফিকুৰ ৰহমানে ৩,৬৩৩টা, ইউনিচ তামুলীয়ে ২,৬০০টা, আয়ুষ কুমাৰ সিঙে ৭৯৯টা আৰু ইমৰান হুছেইনে ১,০৬২টা ভোট লাভ কৰে। ইপিনে ন'টাত ভোট পৰিল সৰ্বমুঠ ৯,২২৮টা। উল্লেখ্য যে নগাঁও উপ নিৰ্বাচনৰ আজি ফল ঘোষণাৰ লগে লগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অসম বিজেপিৰ প্ৰতি অভিনন্দন-শুভেচ্ছা জ্ঞাপন কৰে।

**জয়লাভৰ পাছতেই দেৱাশিস শৰ্মাৰ মন্তব্য ঃ উন্নয়ন আৰু পৰিৱৰ্তনক আঁকোৱালি লৈছে সংখ্যালঘু ভোটাৰে**

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত জয়লাভ কৰাৰ পাছতে বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাই আজি সংবাদ মাধ্যমৰ আগত সংসদীয় সমষ্টিটোৰ ভোটদাতা ৰাইজক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। সমষ্টিবাসীয়ে যি মৰম, আদৰ আৰু সহায়-সহযোগিতা আগবঢ়ালে তাৰ বাবে সকলোৰে ওচৰত চিৰকৃতজ্ঞ বুলি মন্তব্য কৰে। তেওঁ চাৰিটা সংখ্যালঘু সমষ্টিৰ ভোটদাতা ৰাইজক ধন্যবাদ জনাই কয়, তেওঁলোকে প্ৰমাণ কৰি দিলে যে উচিত পৰিৱেশ আৰু পৰিস্থিতি পালে তেওঁলোকে মৰম কৰে। চৰকাৰৰ পলিচী কেতিয়াও একপক্ষীয় নাছিল। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত মৰিগাঁও আৰু জাগীৰোড দুয়োটা সমষ্টিক মিলাই যিসকল মহিলাই উদ্যমিতা আঁচনিৰ ধন লাভ কৰিছে তাতকৈ লাহৰীঘাটৰ মহিলাই বেছি ধন লাভ কৰিছে। উন্নয়ন আৰু পৰিৱৰ্তন এইখন চৰকাৰে যিটো হাৰত কৰিছে সেইটো সংখ্যালঘুৰ ফালেও কৰিছে। তেওঁলোকে উপলব্ধি কৰিছে। তেওঁলোকে নতুনত্ব আপোন কৰি ল'ব বিচাৰিছে। তেওঁলোকে উন্নয়ন আৰু পৰিৱৰ্তনক আঁকোৱালি ল'ব বিচাৰিছে আৰু সেইকাৰণে চৰকাৰৰ লগত একেলগে হাত মিলাই চলিবলৈ চেষ্টা কৰিছে। বিজয় প্ৰাৰ্থী শৰ্মাই লগতে কয়, আমি এই হাৰত জিকিম বুলি ভবা নাছিলোঁ। কিন্তু জিকিম বুলি নিশ্চিত আছিলোঁ। আনহাতে আজি শৰ্মাৰ জয়লাভৰ পাছতেই নগাঁও জিলা বিজেপিৰ কাৰ্যালয়ত আৱতৰীয়া দীপাৱলী উদ্‌যাপন কৰা হয়। জিলা বিজেপিৰ কাৰ্যালয়ত বিধায়ক ৰূপক শৰ্মা, বিধায়ক প্ৰদ্যুৎ বৰদলৈ আদিকে ধৰি বিজেপিৰ জ্যেষ্ঠ কাৰ্যকৰ্তাসকলে নাচি-বাগি, ফটকা ফুটাই আনন্দ-উল্লাস প্ৰকাশ কৰে।

**চামগুৰিৰ শিঙিমাৰীত বিজেপি সমৰ্থকৰ আতছবাজীৰে বিজয়োল্লাস !**

**ৰূপহীহাটৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাই বৃহৎ ভোটৰ ব্যৱধানত জয়লাভ কৰাৰ পাছতে চামগুৰি সমষ্টিৰ শিঙিমাৰীত বিজেপি সমৰ্থকৰ মাজত ব্যাপক আনন্দ-উছাহৰ সৃষ্টি হয়। প্ৰাৰ্থীগৰাকীৰ জয়ৰ আনন্দত বিজেপি সমৰ্থকসকলে ফটকা ফুটায় আৰু ডিজে বজাই ৰাজপথত বিজয়োল্লাস কৰে। দেৱাশিস শৰ্মাৰ জয়ক কেন্দ্ৰ কৰি শিঙিমাৰীত সৃষ্টি হোৱা এই উৎসৱমুখৰ পৰিৱেশৰ মাজতে বিজেপি কৰ্মীসকলে কংগ্ৰেছক তীব্ৰ সমালোচনা কৰে। তেওঁলোকে কয় যে আজিৰ পৰা চামগুৰিত কংগ্ৰেছ ধূলিসাৎ হৈছে। আগন্তুক দিনত কোনো ৰাজনৈতিক দলে সংখ্যালঘু লোকসকলক লৈ ৰাজনীতি কৰিব নোৱাৰিব।

**মৰিগাঁৱৰ ৩ বিধানসভা সমষ্টিত বিজেপিৰ জয়যাত্ৰা**

**মৰিগাঁৱৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ আজি অনুষ্ঠিত ভোটগণনাৰ অন্তত মৰিগাঁও জিলাৰ তিনিওটা বিধানসভা সমষ্টিত বিজেপিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাই মুঠ ৩,৪৬,৩৬৯টা, এআইইউডিএফৰ প্ৰাৰ্থী মৌলানা বদৰুদ্দিন আজমলে ১,৬৩,৬৮৮টা আৰু কংগ্ৰেছৰ প্ৰাৰ্থী শিৰামণি বৰাই ৬১,১৯৯টা ভোট লাভ কৰি তৃতীয় স্থানত থাকে। মৰিগাঁও মহাবিদ্যালয়ৰ গণনা কক্ষত পুৱা ৮ বজাৰ পৰা অনুষ্ঠিত ভোট গণনা সন্ধিয়া প্ৰায় ৭ বজাত শান্তিপূৰ্ণভাৱে সামৰণি পৰে। ঘোষিত ফলাফল অনুসৰি মৰিগাঁও বিধানসভা সমষ্টিত বিজেপিৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাই ১,১৩,৬৩৬টা, এআইইউডিএফৰ মৌলানা বদৰুদ্দিন আজমলে ১২,৩২৩টা আৰু কংগ্ৰেছৰ প্ৰাৰ্থী শিৰামণি বৰাই ১৯,১০১টা ভোট লাভ কৰে। আনহাতে জাগীৰোড বিধানসভা সমষ্টিত অন্তিম ৰাউণ্ডৰ অন্তত বিজেপিয়ে ১,৫৪,২৩৫টা, এআইইউডিএফে ১৮,১৯৩টা আৰু কংগ্ৰেছে ১৬,০৩৪টা ভোট লাভ কৰে। ইফালে লাহৰীঘাট বিধানসভা সমষ্টিত বিজেপিয়ে ৭৮,৪৯৮টা, এআইইউডিএফে ১,৩৩,১৭২টা আৰু কংগ্ৰেছৰ শিৰামণি বৰাই ২৬,০৬৪টা ভোট লাভ কৰিবলৈ সক্ষম হয়।

**দেৱাশিস শৰ্মাৰ জয়ত পাঠশালাত ফটকা ফুটাই আনন্দ-উল্লাস**

**বজালীৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপি প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ বৃহৎ জয়ত ফটকা ফুটাই আনন্দ-উল্লাস কৰে বিজেপিৰ কাৰ্যকৰ্তাসকলে। বজালী বিজেপিৰ কাৰ্যকৰ্তাসকলে আজি সন্ধিয়া পাঠশালাস্থিত বিজেপিৰ বজালী জিলা সমিতিৰ মুখ্য কাৰ্যালয়ৰ সন্মুখৰ লগতে পাঠশালা নগৰ চাৰিআলিত ফটকা ফুটাই আনন্দ-উল্লাস কৰাৰ উপৰি ভাৰত মাতা কী জয়, হিমন্ত বিশ্ব শৰ্মা জিন্দাবাদ আদি ধ্বনিৰে পৰিৱেশ মুখৰ কৰি তোলে। অনুষ্ঠানত বজালী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়, বজালী বিজেপিৰ সভাপতি মুকুট কলিতা, উপ-সভাপতি সুৰজিৎ পাটগিৰি, পাঠশালা নগৰ মণ্ডলৰ সভাপতি দিগন্ত তালুকদাৰকে ধৰি বিজেপিৰ কাৰ্যকৰ্তাসকল উপস্থিত থাকি এই জয় ৰাইজৰ জয়ৰ লগতে বিজেপিৰ প্ৰতি থকা সদ্ভাৱৰ ফল বুলি মন্তব্য কৰে।

# শিৱসাগৰত চাঞ্চল্যকৰ লুট

**দৈনিক অসমৰ প্ৰতিনিধি**

**জয়সাগৰ, শিৱসাগৰ, ৯ অক্টোবৰ ঃ** শিৱসাগৰ নগৰৰ মাজমজিয়াত যোৱানিশা সংঘটিত হোৱা চাঞ্চল্যকৰ লুটপাতৰ ঘটনা এটিয়ে সকলোকে হতচকিত কৰি তুলিছে। এই চুৰিকাণ্ড সংঘটিত হৈছে প্ৰতিষ্ঠিত বস্ত্ৰ ব্যৱসায়ী শ্ৰীগোপাল মুন্ধ্ৰাৰ বাসগৃহত। বৰ্ডিং ৰোডৰ নাট্য মন্দিৰৰ সন্মুখৰ নিবাসী ৰুবুল বৰুৱাৰ ভাৰাঘৰৰ পৰা প্ৰায় ১০ লাখ টকাৰ সোণৰ আ-অলংকাৰ, ৰূপ আৰু নগদ প্ৰায় ৭ লাখ টকা চুৰি কৰি নিয়া বুলি শ্ৰীগোপাল মুন্ধ্ৰাই জানিবলৈ দিছে। আজি পুৱতিনিশা ৫ বজাতহে গৰাকীয়ে টোপনিৰ পৰা সাৰ পাই ঘটনাটোৰ বিষয়ে অৱগত হয়। বিভিন্ন ৰোগত আক্ৰান্ত দম্পতী সচৰাচৰ নিশা কেইবাবাৰো সাৰ পায় যদিও যোৱানিশা এবাৰো সাৰ নোপোৱালৈ চাই দুৰ্বৃত্তৰ দলে চেতনানাশক স্প্ৰে' ব্যৱহাৰ কৰা বুলি সন্দেহ কৰা হৈছে। আৰক্ষীয়ে ইতিমধ্যে ঘটনাটোৰ ক্ষিপ্ৰ তদন্ত আৰম্ভ কৰিছে।

# আজি মহালয়া

ভৰপূৰ এক অনন্য অনুভৱ। আহিন মাহৰ কৃষ্ণপক্ষৰ অমাৱস্যা তিথি উপলক্ষে কাইলৈ পুৱা সূৰ্যোদয়ৰ পৰা আৰম্ভ হৈ নিশা ৯.২০ বজালৈ মহালয়া পালন কৰা হ'ব। এই দিনটোৰ পৰাই দেৱীপক্ষৰ সূচনা হয় আৰু পিতৃপক্ষৰ সমাপ্তি ঘটে। কাইলৈ মৰ্ত্যলৈ ঘোঁৰাত দেৱীৰ আগমন ঘটিব আৰু ২১ অক্টোবৰত নৌকাত দেৱীয়ে গমন কৰিব। হিন্দু পৌৰাণিক শাস্ত্ৰ মতে, এই দিনটোতেই দেৱী দুৰ্গাই মহিষাসুৰক বধ কৰিবলৈ অৱতাৰ লৈছিল আৰু যুদ্ধৰ বাবে প্ৰস্তুতি চলাইছিল। ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ তেজৰ পৰা দেৱী শক্তিৰ আৱিৰ্ভাৱ হৈছিল। এই অমাৱস্যা তিথিত হিন্দু ধৰ্মাৱলম্বী লোকসকলে নদীৰ ঘাটত বা ঘৰত পূৰ্বপুৰুষসকলৰ বা পিতৃপুৰুষৰ আত্মাৰ সদ্গতিৰ বাবে পিণ্ড দান কৰে। বিশ্বাস কৰা হয় যে এই দিনটোতে পিতৃপুৰুষসকলে মৰ্ত্যলৈ নামি আহে। গুৱাহাটীৰ শুক্ৰেশ্বৰ ঘাট, লাচিত ঘাট, কছাৰী ঘাট, পাণ্ডু ঘাট, উজান বজাৰ ঘাট আদিত বিভিন্ন লোকে নিজৰ পিতৃপুৰুষ বা পূৰ্বপুৰুষসকলক পিণ্ড অৰ্পণ কৰিবলৈ ভিৰ কৰা দেখা যায়। আনহাতে মহানগৰীৰ বিভিন্ন প্ৰান্তৰ নামঘৰ, সাংস্কৃতিক অনুষ্ঠান আৰু পূজাস্থলীত মহালয়া উপলক্ষে বিশেষ ব্ৰত, পূজা-অৰ্চনা আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। তদুপৰি বিভিন্ন ঠাইত প্ৰাচীন কালৰে পৰা চলি অহা পৰম্পৰা অনুসৰি পুৱা ভক্তিগীতেৰে মহালয়াৰ দিনটো পালন কৰা হয়।

# আজাৰাত চৰকাৰী কাৰ্যালয়ত মহিলা অধিবক্তাক

অভিযোগ উত্থাপন হৈছে। অধিবক্তাগৰাকীয়ে এই সন্দৰ্ভত থানাত এজাহাৰ দাখিল কৰিছে। ঘটনাৰ বিৱৰণী মতে, অধিবক্তা অনিন্দিতা দাসে আন এগৰাকী অধিবক্তাৰ সৈতে আজি আজাৰা ৰাজহ চক্ৰৰ কাৰ্যালয়লৈ গৈছিল। এটা গোচৰৰ শুনানি সন্দৰ্ভত অনিন্দিতা দাস ৰাজহ চক্ৰ কাৰ্যালয়লৈ গৈছিল। দাস উপস্থিত হোৱাৰ সময়ত কাৰ্যালয়ত কিছু কথাত তৰ্কা-তৰ্কি হৈছিল। তাৰ পাছতেই মহিলা অধিবক্তাগৰাকীক শাৰীৰিকভাৱে আতিশয্য কৰাৰ অভিযোগ উঠিছে। সমগ্ৰ ঘটনা সন্দৰ্ভত অধিবক্তা অনিন্দিতা দাসে 'দৈনিক অসম'ক কয়, এটা গোচৰ সন্দৰ্ভত শুনানিৰ কামত চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ গৈছিলোঁ যদিও আজি শুনানি গ্ৰহণ কৰিব বিচৰা নাছিল। তেতিয়া প্ৰশ্ন কৰাত উপস্থিত বিষয়াই তৰ্কত লিপ্ত হয়। তৰ্কা-তৰ্কি লগাৰ সময়তে ম'বাইল কাঢ়ি লৈছিল। পৰৱৰ্তী সময়ত মোক শাৰীৰিকভাৱে আতিশয্য চলায়। অনিন্দিতা দাসে আৰু কয়, সমগ্ৰ ঘটনা মোৰ সৈতে যোৱা অধিবক্তাই ভিডিঅ' কৰিছে। ভিডিঅ'ত শাৰীৰিকভাৱে আতিশয্য চলোৱা আপোনালোকে দেখিবলৈ পাব। তেওঁ আৰু কয়, আতিশয্য চলোৱা বাবে চক্ৰ বিষয়া বিপ্লৱ শৰ্মা বৰদলৈ আৰু বিপুল ডেকাৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা হৈছে। মহিলা এগৰাকীক অত্যাচাৰ চলোৱাসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অৱশ্যে চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ ফালৰ পৰাও অধিবক্তা অনিন্দিতা দাসৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা হৈছে। স্থানীয় ৰাইজে অধিবক্তা অনিন্দিতা দাসৰ বিৰুদ্ধে আজাৰা থানাত এখন এজাহাৰ দাখিল কৰিছে। লক্ষণীয় যে অধিবক্তাগৰাকীয়ে চৰকাৰী কাৰ্যালয়ত অভব্য আচৰণ কৰাৰ অভিযোগ উত্থাপন কৰা হৈছে। চক্ৰ বিষয়া কাৰ্যালয়ৰ অভিযোগ মতে, দাসে অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰিব বিচাৰিছিল। তদুপৰি চক্ৰ বিষয়া বিপ্লৱ শৰ্মা বৰদলৈৰ কোঠাত অধিবক্তাগৰাকীয়ে জোৰ-জুলুমকৈ প্ৰৱেশ কৰিছিল। লক্ষণীয় যে অনিন্দিতা দাসক শাৰীৰিকভাৱে আতিশয্য কৰা ভিডিঅ' ভাইৰেল হোৱাত ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৰাজ্যৰ চৰকাৰী কাৰ্যালয়ত মহিলা সুৰক্ষিত নোহোৱাত ক্ষোভৰ সৃষ্টি হৈছে।

বিজ্ঞাপন সেৱা

'দৈনিক অসম'ত শ্ৰেণীবদ্ধ বিজ্ঞাপন
(Classified Advertisement)
প্ৰকাশৰ বাবে কাৰ্যালয়ৰ নিম্নোক্ত ব্যক্তিসকলৰ ফোন নম্বৰত যোগাযোগ কৰিব পাৰে—
97060 21101 (অনুপমা দত্ত, মাৰ্কেটিং হেড)
98642 63627 (লক্ষী দাস, সহকাৰী মেনেজাৰ)
91015 17218 (মানস প্ৰতিম বৰা)

অসম কোষ

‘বহুদিন বকুলৰ গোন্ধ পোৱা নাই’— চিৰসেউজ অসমীয়া গীত। কণ্ঠ আৰু সুৰ বীৰেন্দ্ৰ নাথ দত্তৰ। গীতটো লিখিছিল তফজ্জুল আলিয়ে। ‘মন্দাক্ৰান্তা’, ‘সোণালী চৰাই’, তেওঁৰ গীতৰ পুথি।



# দৈনিক অসম


দিনটোৰ তাপমান (ডিগ্ৰী চেলচিয়াছ)

| | সৰ্বাধিক | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৮.৬ | ২০.৯ |
| ডিব্ৰুগড় | ২৬.২ | ২০.৯ |
| যোৰহাট | ২৮.৩ | ২০.১ |
| শ্বিলং | ২১.০ | ১৫.৩ |


৬২ বছৰ। ৬৬ সংখ্যা, গুৱাহাটী, ২২ আহিন, শনিবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 62 NO. 66। GUWAHATI, SATURDAY, OCTOBER 10, 2026



# শিলনীজানৰ ৬,০৫০ বিঘা ভূমি বহুৰাষ্ট্ৰীয় কোম্পানীক

**তদন্তৰ দাবীৰে জিলা আয়ুক্তলৈ স্মাৰকপত্ৰ যুৱ-ছাত্ৰ পৰিষদৰ**

দৈনিক অসমৰ প্ৰতিনিধি

**বোকাজান, ৯ অক্টোবৰ ঃ** কাৰ্বি আংলং জিলাৰ নিলিপ খণ্ডৰ শিলনীজান ৰাজহ চক্ৰৰ অধীনৰ কয়লামাটি অঞ্চলৰ মাইতিমুং এলেকাত থকা প্ৰায় ৬,০৫০ বিঘা ভূমি বহুজাতিক কোম্পানী এটাক বিক্ৰী বা হস্তান্তৰ কৰা বুলি প্ৰকাশ পোৱা বিষয়টোৰ তদন্ত আৰু উপযুক্ত ব্যৱস্থা গ্ৰহণৰ দাবী তুলি আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দেওপানী আঞ্চলিক সমিতিয়ে জিলা আয়ুক্তলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। স্মাৰকপত্ৰত উল্লেখ কৰা অনুসৰি জনস্বাৰ্থ *১১ পৃষ্ঠাত চাওক*



## ‘দৈনিক অসম’ৰ জ্যেষ্ঠ সাংবাদিক হেমাংগ গোস্বামীলৈ ‘সংবাদ জ্যোতি বঁটা’

### ২৩ অক্টোবৰত যোৰহাটত বঁটা প্ৰদান অনুষ্ঠান

দৈনিক অসমৰ প্ৰতিনিধি

**যোৰহাট, ৯ অক্টোবৰ ঃ** সদৌ অসম সত্ৰ মহাসভাই চলিত বৰ্ষৰ কেন্দ্ৰীয় সেতু বন্ধন সমাৰোহ আৰু বাৰ্ষিক অধিৱেশন অনুষ্ঠিত কৰিব যোৰহাটৰ কৰেঙাৰ কাঠবাপু সত্ৰত। চলিত বৰ্ষৰ বাবে *১১ পৃষ্ঠাত চাওক*

## ২৫ বছৰীয়া জনসেৱাৰ বাবে প্ৰধানমন্ত্ৰী মোডীলৈ অসম কেবিনেটৰ অভিনন্দন-কৃতজ্ঞতাৰ প্ৰস্তাৱ

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ৯ অক্টোবৰ ঃ** প্ৰথমে গুজৰাটৰ মুখ্যমন্ত্ৰী, তাৰ পৰৱৰ্তী সময়ত দেশৰ প্ৰধানমন্ত্ৰী হিচাপে চৰকাৰৰ মুৰব্বীৰ ৰূপত ধাৰাবাহিক জনসেৱাৰ ২৫ বছৰ সম্পূৰ্ণ কৰা আৰু এই সময়ছোৱাত অসমৰ প্ৰতি আগবঢ়োৱা উল্লেখযোগ্য আৰম্ভণিৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক ৰাজ্য *১১ পৃষ্ঠাত চাওক*

## এটকা প্ৰিমিয়ামত পলাশবাৰীত বক্সিং একাডেমীৰ বাবে লাভলীনালৈ ৩ বিঘা ভূমি

### স্বৰ্ণ কন্যাই ক্ৰীড়াক্ষেত্ৰত উৎকৃষ্টতা অৰ্জনৰ বাবে নৱপ্ৰজন্মক অনুপ্ৰেৰণা যোগাইছে ঃ মুখ্যমন্ত্ৰী



**লংকাৰ পিপলপুখুৰী অঞ্চলত ভয়ংকৰ ঘটনা**

## শুই থকা অৱস্থাত নিশা মাতৃ-কন্যাক আক্ৰমণ

দৈনিক অসমৰ প্ৰতিনিধি

**লংকা, ৯ অক্টোবৰ ঃ** হোজাই জিলাৰ লংকাৰ নিকটৱৰ্তী দুই নং পিপলপুখুৰী অঞ্চলৰ এটা বাসগৃহত যোৱা নিশা সংঘটিত এক আক্ৰমণৰ ঘটনাই সমগ্ৰ অঞ্চলটোতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ঘৰত শুই থকা অৱস্থাত এগৰাকী বিধৱা মহিলা আৰু তেওঁৰ কন্যাক কোনো অজ্ঞাত দুৰ্বৃত্তই হাতুৰীৰে মৰিয়াই আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰা বুলি জানিব *১১ পৃষ্ঠাত চাওক*


পঞ্জাব নেশনল বেংক punjab national bank ...the name you can BANK upon! ...भरोसे का प्रतीक!

গুৱাহাটী চক্ৰ কাৰ্যালয় (ডি. নং ৩৭৯৬০০), নীলগিৰি মেনচন, প্ৰথম মহলা, ভঙাগড়, জি. এছ. ৰোড, গুৱাহাটী- ৭৮১০০৫ ই-মেইলঃ coguwsamd@pnb.co.in

নিলামৰ প্ৰসংগ নং. CO-SAM /AUCTION/Q3/02/2026-2027 তাৰিখঃ ০৩.১০.২০২৬

স্থাৱৰ/অস্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ বলবৎকৰণ আইন, ২০০২ৰ সৈতে আমানত সুদ (বলৱৎকৰণ) নিয়মাৱলী ২০০২ৰ নিয়ম ৮(৬)ৰ অধীনত স্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী।

ইয়াৰ দ্বাৰা জনসাধাৰণক সাধাৰণভাৱে আৰু বিশেষকৈ ঋণী (সকল)/অংশীদাৰ (সকল)/স্বত্বাধিকাৰী (সকল)/বন্ধকদাৰ (সকল) আৰু জামিনদাৰ (সকল)ক জাননী দিয়া হৈছে যে ছিকিউৰ্ড ক্ৰেডীটৰ ওচৰত বন্ধকীকৃত/নিৰিখিত নিম্ন উল্লিখিত স্থাৱৰ সম্পত্তিসমূহৰ বেংক/ছিকিউৰ্ড ক্ৰেডীটৰৰ অনুমোদিত বিষয়াৰ দ্বাৰা নিৰ্মাণমূলক/কায়িক/প্ৰতীকী অধিগ্ৰহণ কৰা হৈছে আৰু সংশ্লিষ্ট ঋণী (সকল) আৰু জামিনদাৰ (সকল)ৰ পৰা বেংক/ছিকিউৰ্ড ক্ৰেডীটৰৰ বকেয়া ধন পুনৰ আদায়ৰ বাবে “য’ত আছে ততে”, “যি আছে সেই” আৰু “যেনে আছে তেনেহ” নিম্ন তালিকাত উল্লিখিত তাৰিখত বিক্ৰী কৰা হ’ব। প্ৰতিটো সম্পত্তিৰ বাবে সংৰক্ষিত মূল্য আৰু আমানত ধন জমাৰ পৰিমাণ তলত উল্লেখ কৰা তালিকা মতে হ’ব।

সুৰক্ষিত সম্পদসমূহৰ সূচী

| ক্ৰ নং | শাখাৰ নাম<br>একাউণ্টৰ নাম<br>ঋণী আৰু জামিনদাৰৰ নাম আৰু ঠিকনা | বন্ধকী থকা স্থাৱৰ সম্পত্তিৰ বিৱৰণ/গৰাকীৰ নাম (সম্পত্তি সমূহৰ বন্ধকদাতা) | ক) চাৰফেইচী (SARFAESI) আইন ২০০২ৰ ধাৰা ১৩(২) ৰ অধীনত দাবী জাননীৰ তাৰিখ খ) পাবলগীয়া ধন গ) চাৰফেইচী (SARFAESI) আইন ২০০২ৰ ধাৰা ১৩(৪) ৰ অধীনত দখলীকৰণৰ তাৰিখ ঘ)দখলীকৰণৰ ধৰণ প্ৰতীকী/কায়িক/নিৰ্মাণমূলক | ক) সংৰক্ষিত মূল্য (টকা লাখত)<br>খ) ই এম ডি (ইএমডি জমা দিয়াৰ শেষ তাৰিখ)<br>গ) ডাক বৃদ্ধিৰ পৰিমাণ | ই-নিলামৰ তাৰিখ/সময় | চিকিউৰ্ড ক্ৰেডিটৰৰ জ্ঞাত দায়বদ্ধতাৰ বিৱৰণ |
|---|---|---|---|---|---|---|
| ১ | গুৱাহাটী শাখা (০০০২২০)<br>দিগ্বিজয় মেধি (ঋণী) টাইপ- বি, দ্বিতীয় মহলা, ব্লক এ, পেনোৰামা এপাৰ্টমেণ্ট, আৰ. জি. বৰুৱা ৰোড, গুৱাহাটী কমাৰ্চ কলেজৰ বিপৰীতে, চান্দমাৰী, গুৱাহাটী, অসম ৭৮১০০৩ | আৱাসিক ফ্লেট নং- ১০৩-ৰ সমগ্ৰ অংশ আৰু অংশবিশেষ, ব্লক-এ, টাইপ-বি, দ্বিতীয় মহলাত অৱস্থিত, যাৰ মাটিকালি ১০৮৫ বৰ্গফুট, জি+৫ আৰচিচি ভৱনত অৱস্থিত, যিটো ‘পেনোৰামা এপাৰ্টমেণ্ট’ নামেৰে পৰিচিত, লগতে ১ বিঘা ১ কঠা ৮ লেচা মাটিকালিৰ ভূমিখণ্ডৰ ওপৰত অৱস্থিত, কে. পি. পট্টা নং- ২৩২ (পুৰণি)/১৬৭৮ (নতুন)-ৰ অন্তৰ্গত দাগ নং- ১৬ (পুৰণি)/৭ (নতুন)-ৰ অধীনস্থ ভূমিৰ ৩.২ লেচা মাটিকালিৰ অবিভক্ত আনুপাতিক অংশসহ, গাঁও ২ নং জাপৰিগোগ, বেলতলা মৌজাৰ অধীনত, জিলা- কামৰূপ (মহানগৰ), অসমত অৱস্থিত, শ্ৰী দিগ্বিজয় মেধি, পিতৃ প্ৰয়াত ছবিন মেধিৰ নামত থকা সম্পত্তি। | (ক) ১০.১০.২০২৩ (খ) ০৯.১০.২০২৩ তাৰিখ পৰ্যন্ত ১৪,৪৭,১৭০.২৯ টকা আৰু ১০.১০.২০২৩ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ পৰৱৰ্তী সুদ আৰু তাৰ ওপৰত অন্যান্য খৰচ। (গ) ০৮.০১.২০২৪ (ঘ) প্ৰকৃত দখল | (ক) ৪৮.০০ লাখ টকা (খ) ৪.৮০ লাখ টকা (২৬.১০.২০২৬ তাৰিখে বিয়লি ছয় বজালৈ) (গ) ০.৫০ লাখ টকা | দিনাংকঃ ২৭.১০.২০২৬ সময়ঃ পুৱা ১১.০০ বজাৰ পৰা সন্ধিয়া ০৪.০০ বজালৈ | বেংকৰ জ্ঞাত নহয় |
| ২ | গোৱালপাৰা শাখা (১৯৫৯১০)<br>হেমন্ত খাখলাৰী (ঋণী), পিতৃ- প্ৰয়াত আনন্দ মোহন খাখলাৰী, গাঁওঃ চেঁচাপানী, ডাকঘৰ- চেঁচাপানী, জিলাঃ গোৱালপাৰা, অসম, পিন-৭৮৩১৩৪ | ০ বিঘা ০২ কঠা ০০ লেচা মাটিকালিৰ ভূমিখণ্ডৰ সমগ্ৰ অংশ আৰু অংশবিশেষ, দাগ নং- ২৩৫, পট্টা নং- ৩২-ৰ অন্তৰ্গত, ৰাজহ গাঁও-কুশধোৱা চেঁচাপানী পাৰ্ট- ৩, ডাকঘৰ- বিদ্যাপাৰা, দুধনৈ ৰাজহ চক্ৰ, মৌজা- দুধনৈ, ডাকঘৰ- দুধনৈ, থানা- দুধনৈ, জিলা- গোৱালপাৰা, অসমত অৱস্থিত, শ্ৰী হেমন্ত খাখলাৰীৰ নামত থকা সম্পত্তি, যাৰ চাৰিসীমা হৈছেঃ উত্তৰেঃ আনন্দ মোহন কছাৰীৰ ভূমি, দক্ষিণেঃ অৰুণ বসুমতাৰী আৰু গাঁৱৰ পথৰ ভূমি, পূবেঃ উত্তৰা বসুমতাৰী আৰু গাঁৱৰ পথৰ ভূমি, পশ্চিমেঃ আনন্দ মোহন কছাৰীৰ ভূমি। | (ক) ১২.০৭.২০২১ (খ) ৩০.০৬.২০২১ তাৰিখ পৰ্যন্ত ১৪,৫৭,৫৫১.৮০ টকা আৰু ০১.০৭.২০২১ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ পৰৱৰ্তী সুদ আৰু তাৰ ওপৰত অন্যান্য খৰচ। (গ) ২৪.১১.২০২১ (ঘ) প্ৰকৃত দখল | (ক) ২.৩২ লাখ টকা (খ) ০.২৩ লাখ টকা (২৬.১০.২০২৬ তাৰিখে বিয়লি ৪ বজালৈ) (গ) ০.৫০ লাখ টকা | দিনাংকঃ ২৭.১০.২০২৬ সময়ঃ পুৱা ১১.০০ বজাৰ পৰা সন্ধিয়া ০৪.০০ বজালৈ | বেংকৰ জ্ঞাত নহয় |

ই-নিলাম বিক্ৰীৰ নিয়ম আৰু চৰ্তাৱলী

বিক্ৰী প্ৰতিভূতি স্বাৰ্থ (বলবৎকৰণ) নিয়মাৱলী, ২০০২ অধীনত উল্লেখিত নিয়মসমূহ আৰু তলত দিয়া অতিৰিক্ত চৰ্তাৱলীসমূহৰ ওপৰত ভিত্তি কৰি কৰা হ’বঃ

১. সম্পত্তিসমূহ “য’ত আছে ততে”, “যি আছে সেই” আৰু “যেনে আছে তেনে” এই ভিত্তিত বিক্ৰী কৰা হ’ব।

২. ওপৰত উল্লেখিত অনুসূচীত দিয়া সুৰক্ষিত সম্পত্তিসমূহৰ বিৱৰণ অনুমোদিত বিষয়াজনে তেওঁৰ উপলব্ধ সৰ্বোচ্চ তথ্যৰ আধাৰত উল্লেখ কৰিছে, কিন্তু এই ঘোষণা বা প্ৰচাৰণাত কোনো ভুল, ভুল বিৱৰণ বা কোনো তথ্য বাদ পৰিলে তাৰ বাবে অনুমোদিত বিষয়াজন দায়ী নহ’ব।

৩. বিক্ৰীটো নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা https://baanknet.com **ৱেবছাইটত উপলব্ধ ই-নিলাম প্লেটফৰ্মৰ মাধ্যমেৰে ২৭.১০.২০২৬ তাৰিখে পুৱা ১১.০০ বজাৰ পৰা বিয়লি** ০৪.০০ বজালৈ সম্পন্ন কৰা হ’ব।

৪. বিক্ৰী সংক্ৰান্তীয় বিস্তৃত নিয়ম আৰু চৰ্তাৱলীসমূহ জানিবলৈ অনুগ্ৰহ কৰি **https://baanknet.com** ৱেবছাইটটো চাওক।

৫. অনুমোদিত বিষয়াজন বা বেংকে সম্পত্তি (ই-নিলাম)ৰ ক্ষেত্ৰত বেংকৰ অজ্ঞাত যিকোনো চৰকাৰী দাবী, কৰ, লিয়েন, বন্ধক, দায়বদ্ধতা বা আন কোনো পাওনা ধনৰ বাবে দায়ী নহ’ব। নিলামত অংশগ্ৰহণ কৰিব ইচ্ছুক বিডাৰসকলক সম্পত্তিৰ ওপৰত থকা সম্ভাব্য সকলো দায়বদ্ধতা, বৈধ বকেয়া, সম্পত্তি কৰ, বিদ্যুৎ মাচুল আদি সম্পৰ্কে নিজাববীয়াকৈ অনুসন্ধান কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

৬. অনুমোদিত বিষয়াজনে যিকোনো বিড গ্ৰহণ বা সকলো বিড প্ৰত্যাখ্যান কৰাৰ, যদি সেয়া গ্ৰহণযোগ্য নহয়, অথবা কোনো কাৰণ উল্লেখ নকৰাকৈ যিকোনো সময়তে নিলাম স্থগিত, বাতিল, মুলতুবি, বন্ধ বা নিলামৰ চৰ্তাৱলী সংশোধন/পৰিৱৰ্তন কৰাৰ সম্পূৰ্ণ অধিকাৰ সংৰক্ষণ কৰে আৰু এই সম্পৰ্কে তেওঁৰ সিদ্ধান্ত চূড়ান্ত হ’ব।

৭. বিড দাখিল কৰাৰ পূৰ্বে সম্পত্তিখনৰ অৱস্থা আৰু বিৱৰণ সম্পৰ্কে নিজে পৰিদৰ্শন কৰি সম্পূৰ্ণ সন্তুষ্ট হোৱাটো বিডাৰসকলৰ দায়িত্ব হ’ব। আগ্ৰহী বিডাৰে প্ৰদান কৰা বিৱৰণ অনুসৰি দায়িত্বপ্ৰাপ্ত বেংক বিষয়াৰ সৈতে যোগাযোগ কৰি সম্পত্তি পৰিদৰ্শন কৰিব পাৰিব।

৮. ওপৰত উল্লেখিত অনুসূচীত দিয়া সুৰক্ষিত সম্পত্তিসমূহৰ বিৱৰণ অনুমোদিত বিষয়াজনে তেওঁৰ উপলব্ধ সৰ্বোচ্চ তথ্যৰ আধাৰত উল্লেখ কৰিছে, কিন্তু এই ঘোষণা/প্ৰচাৰণাত কোনো ভুল, ভুল বিৱৰণ বা কোনো তথ্য বাদ পৰিলে তাৰ বাবে অনুমোদিত বিষয়াজন দায়ী নহ’ব।

তাৰিখ ঃ ০৩.১০.২০২৬
স্থান ঃ গুৱাহাটী

অনুমোদিত বিষয়া,
পাঞ্জাব নেচনেল বেংক, ছিকিউৰ্ড ক্ৰেডিটৰ


**বৰম্বে অঞ্চলত ধুমুহা-বৰষুণৰ তাণ্ডৱ**

## চলন্ত বাহনত বাগৰি পৰিল গছ, কথমপি ৰক্ষা চালকৰ

**মাৰ্ঘেৰিটাত ধুমুহা-বৰষুণত বিস্তৰ ক্ষতি**



দৈনিক অসমৰ প্ৰতিনিধি

**হাজো, ৯ অক্টোবৰ ঃ** কালি সন্ধিয়া অহা এজাক প্ৰচণ্ড ধুমুহা-বৰষুণে কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বৃহত্তৰ বৰম্বে অঞ্চলত বিস্তৰ ক্ষতিসাধন কৰে। প্ৰাপ্ত খবৰ অনুসৰি, সন্ধিয়া অহা প্ৰচণ্ড ধুমুহা-বৰষুণৰ ফলত অঞ্চলটোৰ বিভিন্ন ঠাইত ডাঙৰ ডাঙৰ গছ-গছনি উভালি পৰে। ইয়াৰে এজোপা প্ৰকাণ্ড গছ চেঁচা-ডিমু-ৰঙিয়া পথত এখন চলন্ত চাৰিচকীয়া বাহনৰ ওপৰত বাগৰি পৰে। এই ঘটনাত বাহনখনৰ *১১ পৃষ্ঠাত চাওক*

**বৃহত্তৰ অঞ্চলত বিদ্যুৎ সেৱা ব্যাহত**



## পৱিত্ৰ ৰাভালৈ আদ্য শৰ্মা শিল্পী বঁটা ঘোষণা

দৈনিক অসমৰ প্ৰতিনিধি

**নলবাৰী, ৯ অক্টোবৰ ঃ** বিশিষ্ট অভিনেতা-পৰিচালক-নাট্যকাৰ-কলা নিৰ্দেশক পৱিত্ৰ ৰাভাক অসম নাট্য সন্মিলনৰ নলবাৰী জিলা সমিতি আৰু নলবাৰী কলেজৰ উদ্যোগত আদ্য *১১ পৃষ্ঠাত চাওক*

### কনজাৰ্ভেচন এছিউৰ্ড টাইগাৰ ষ্টেণ্ডাৰ্ড

## নামেৰী ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চললৈ আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি

দৈনিক অসমৰ প্ৰতিনিধি

**বোকাখাত, ৯ অক্টোবৰ ঃ** ঢেকীয়াপতীয়া বাঘ সংৰক্ষণ আৰু সংৰক্ষিত বন ব্যৱস্থাপনাৰ ক্ষেত্ৰত বিশ্বৰ অতি উচ্চমানৰ কনজাৰ্ভেচন এছিউৰ্ড টাইগাৰ ষ্টেণ্ডাৰ্ড বা *১১ পৃষ্ঠাত চাওক*

### চৰকাৰী ৰাজহো নাই, নাই কটা অংশ

## মঙলদৈ বন বিভাগৰ পৰা হেৰাল ৫৫১ জোপা কটা গছ

দৈনিক অসমৰ প্ৰতিনিধি

**দৰং, ৯ অক্টোবৰ ঃ** শুনিবলৈ আচহুৱা যদিও বাস্তৱ এয়ে যে মঙলদৈ বন বিভাগৰ কাৰ্যালয়ৰ পৰা হেৰাইছে ৫৫১ জোপা কটা গছ। কেৱল ৫৫১ জোপা গছৰ কটা অংশই নহয়, দীৰ্ঘদিনে কাৰ্যালয়টোৰ সমুখত পৰি থকা চেগুণ গছৰ বৃহৎসংখ্যক কুন্দাও অন্তৰ্ধান হৈছে। উল্লেখ্য যে তথ্য জনাৰ অধিকাৰ আইনযোগে লাভ কৰা তথ্য অনুসৰি, পশ্চিম মঙলদৈ ৰাজহ চক্ৰৰ অন্তৰ্গত বইনা ওজা এলেকাৰ ৩১৪ জোপা আৰু পূব মঙলদৈ ৰাজহ চক্ৰৰ অন্তৰ্গত বাঘপৰীৰ ২৩৭ জোপা গছ বাইপাছ নিৰ্মাণৰ সময়ত কটা হৈছিল। এই গছসমূহৰ অধিকাংশই আছিল বহু বছৰীয়া আৰু প্ৰকাণ্ড আকাৰৰ। ৰাইজে বাইপাছ নিৰ্মাণৰ গুৰুত্ব উপলব্ধি কৰি গছ কটাত কোনো *১১ পৃষ্ঠাত চাওক*

## নলবাৰীত আজিৰে পৰা কৰ্মচাৰী পৰিষদৰ দ্বি-বাৰ্ষিক অধিৱেশন

### ৪৮খন জিলা সমিতিৰ প্ৰতিনিধিৰ অংশগ্ৰহণ নিশ্চিত

দৈনিক অসমৰ প্ৰতিনিধি

**নলবাৰী, ৯ অক্টোবৰ ঃ** সদৌ অসম কৰ্মচাৰী পৰিষদৰ ৪১ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনখন নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ আতিথ্যত আৰু বৰপেটা, বজালী, বাক্‌সা আৰু তামুলপুৰ জিলা কৰ্মচাৰী পৰিষদৰ সহযোগত স্থানীয় নাট্য মন্দিৰত কাইলৈৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ’ব। কাৰ্যসূচী অনুসৰি কাইলৈ পুৱা ৯ বজাত গছপুলি ৰোপণেৰে অধিৱেশনৰ *১১ পৃষ্ঠাত চাওক*

**গুৱাহাটীত অসম মহিলা সংঘৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন**

## ‘নাৰীৰ বিৰুদ্ধে হিংসাৰ বিৰোধিতাৰে ঐক্যবদ্ধ হওক’

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ৯ অক্টোবৰ ঃ** গুৱাহাটীৰ নবীন চন্দ্ৰ বৰদলৈ ভৱনত ১৯৭১ চনৰ ৯ অক্টোবৰত জন্মলাভ কৰা প্ৰগতিশীল মহিলা সংগঠন অসম মহিলা সংঘই ৫৫ সংখ্যক প্ৰতিষ্ঠা দিৱস ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ সৈতে গুৱাহাটীতো উদ্‌যাপন কৰে। এই উপলক্ষে গুৱাহাটী জিলা কমিটীৰ *১১ পৃষ্ঠাত চাওক*




পঞ্জাব নেশনল বেংক punjab national bank (A Govt. of India Undertaking)

সম্পত্তি পুনৰুদ্ধাৰ ব্যৱস্থাপনা শাখা (এআৰএমবি) গুৱাহাটী (৮২৩১০০) ১ম মহলা, মণ্ডল কাৰ্যালয়, হেম বৰুৱা ৰোড, পানবজাৰ, গুৱাহাটী- ৭৮১০০১ (অসম), ইমেইলঃ cs8231@pnb.bank.in

দিনাংকঃ ০৬.১০.২০২৬ ই-নিলাম বিক্ৰীৰ জাননী স্থাৱৰ/অস্থাৱৰ সম্পত্তি বিক্ৰীৰ বাবে

নিলামৰ প্ৰসংগ নং ARMB/GUWAHATI/E-Auction/sale-notice/01 & 02/2026-27 তাৰিখঃ ০৯.১০.২০২৬

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ বলবৎকৰণ আইন, ২০০২ৰ সৈতে আমানত সুদ (বলৱৎকৰণ) নিয়মাৱলী ২০০২ৰ নিয়ম ৮(৬)ৰ অধীনত স্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী।

ইয়াৰ দ্বাৰা জনসাধাৰণক সাধাৰণভাৱে আৰু বিশেষকৈ ঋণী (সকল)/অংশীদাৰ (সকল)/স্বত্বাধিকাৰী (সকল)/বন্ধকদাৰ (সকল) আৰু জামিনদাৰ (সকল)ক জাননী দিয়া হৈছে যে ছিকিউৰ্ড ক্ৰেডীটৰ ওচৰত বন্ধকীকৃত/নিৰিখিত নিম্ন উল্লিখিত স্থাৱৰ সম্পত্তিসমূহৰ বেংক/ছিকিউৰ্ড ক্ৰেডীটৰৰ অনুমোদিত বিষয়াৰ দ্বাৰা নিৰ্মাণমূলক/কায়িক/প্ৰতীকী অধিগ্ৰহণ কৰা হৈছে আৰু সংশ্লিষ্ট ঋণী (সকল) আৰু জামিনদাৰ (সকল)ৰ পৰা বেংক/ছিকিউৰ্ড ক্ৰেডীটৰৰ বকেয়া ধন পুনৰ আদায়ৰ বাবে “য’ত আছে ততে”, “যি আছে সেই” আৰু “যেনে আছে তেনেহ” নিম্ন তালিকাত উল্লিখিত তাৰিখত বিক্ৰী কৰা হ’ব। প্ৰতিটো সম্পত্তিৰ বাবে সংৰক্ষিত মূল্য আৰু আমানত ধন জমাৰ পৰিমাণ তলত উল্লেখ কৰা তালিকা মতে হ’ব।

সুৰক্ষিত সম্পদসমূহৰ সূচী

| লট নং | শাখাৰ নাম<br>একাউণ্টৰ নাম<br>ঋণী আৰু জামিনদাৰৰ নাম আৰু ঠিকনা | বন্ধকী থকা স্থাৱৰ সম্পত্তিৰ বিৱৰণ/গৰাকীৰ নাম (সম্পত্তি সমূহৰ বন্ধকদাতা) | ক) চাৰফেইচী (SARFAESI) আইন ২০০২ৰ ধাৰা ১৩(২) ৰ অধীনত দাবী জাননীৰ তাৰিখ খ) পাবলগীয়া ধন গ) চাৰফেইচী (SARFAESI) আইন ২০০২ৰ ধাৰা ১৩(৪) ৰ অধীনত দখলীকৰণৰ তাৰিখ ঘ)দখলীকৰণৰ ধৰণ প্ৰতীকী/কায়িক/নিৰ্মাণমূলক | ক) সংৰক্ষিত মূল্য (টকা লাখত)<br>খ) ই এম ডি (ইএমডি জমা দিয়াৰ শেষ তাৰিখ)<br>গ) ডাক বৃদ্ধিৰ পৰিমাণ | ই-নিলামৰ তাৰিখ/সময় | চিকিউৰ্ড ক্ৰেডিটৰৰ জ্ঞাত দায়বদ্ধতাৰ বিৱৰণ |
|---|---|---|---|---|---|---|
| ১ | কৃষ্ণাই, (০৩৬৭২০)<br>মেছাৰ্ছ ছাহিল এণ্টাৰপ্ৰাইজেছ স্বত্বাধিকাৰীঃ ছবিফুল হক, পিতৃ জয়নুল আবেদিন<br>১. মেছাৰ্ছ ছাহিল এণ্টাৰপ্ৰাইজেছ, স্বত্বাধিকাৰীঃ ছবিফুল হক, পূব বৰাগাঁও, থানা গড়চুক, পিন ৭৮১০৩৫ (ঋণী) ২. মেছাৰ্ছ ছাহিল এণ্টাৰপ্ৰাইজ, স্বত্বাধিকাৰীঃ ছবিফুল হক, জ্যোতিনগৰ, কৃষ্ণাই, গোৱালপাৰা, অসম-৭৮৩১২৬ ৩. ছবিফুল হক, মাৰফৎ জয়নাল আবেদিন, ছালপাৰা, মোলানডুবি পাৰ্ট- ১, গোৱালপাৰা, অসম-৭৮৩১২৬ (ঋণী আৰু বন্ধকদাৰ) | ছবিফুল হক, পিতৃ জয়নাল আবেদিনৰ নামত থকা ১ কঠা ১৬ লেচা মাটিকালিৰ এটা ভূমিখণ্ড, য’ত ১৪১.২৬ বৰ্গমিটাৰ ভূমিতলৰ মাটিকালিৰ এটা অসম আৰ্হিৰ আৱাসিক ভৱন আছে, যিটো গোৱালপাৰা জিলাৰ মাটিয়া ৰাজহ চক্ৰ আৰু গোৱালপাৰা উপ-পঞ্জীয়কৰ কাৰ্যালয়ৰ অধীনত, ৰাজহ গাঁও কৃষ্ণাই ৰাজহ চহৰত, পট্টা নং ৭৪০, দাগ নং ১২৪৫-ৰ অন্তৰ্গত অৱস্থিত। ইয়াৰ চাৰিসীমা হৈছেঃ উত্তৰেঃ পথ, দক্ষিণেঃ ৰহিজুদ্দিন ছেইখ, পূবেঃ নুৰ মহম্মদ, পশ্চিমেঃ পঞ্চায়ত পথ। (মূল পঞ্জীয়নভুক্ত বিক্ৰী দলিল নং ৫১৫, তাৰিখ ১৮.০৩.২০২০ অনুসৰি বিৱৰণ); **সম্পত্তিৰ পৰিচয় নংঃ PUNB7RI60588399** | (ক) ০৬.০৩.২০২৬ (খ) ১৬.০২.২০২৬ তাৰিখ পৰ্যন্ত ১,০৬,৭৮,০৬৭.৪৬ টকা আৰু ১৩.০২.২০২৬ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ পৰৱৰ্তী সুদ আৰু তাৰ ওপৰত অন্যান্য খৰচ। (গ) ১৯.০৫.২০২৬ (ঘ) প্ৰকৃত দখল | ক) ৪৩,৩৫,০০০.০০ টকা খ) ৪,৩৩,৫০০.০০ টকা (২৬.১০.২০২৬ তাৰিখে বিয়লি ৪ বজালৈ) গ) ০.৫০ লাখ টকা | দিনাংকঃ ২৭.১০.২০২৬ সময়ঃ পুৱা ১১.০০ বজাৰ পৰা সন্ধিয়া ০৪.০০ বজালৈ | বেংকৰ জ্ঞাত নহয় |
| ২ | ছয়মাইল, গুৱাহাটী (৪৬৫২০০)<br>শ্ৰীমতী ৰঞ্জিতা বসুমতাৰী (ঋণী) শ্ৰী সৌগ্ৰাকপাম ডোলেন্দ্ৰ সিং (সহ-ঋণী)<br>১. শ্ৰীমতী ৰঞ্জিতা বসুমতাৰী (ঋণী), ঠিকনা ১ঃ স্বামী সৌগ্ৰাকপাম ডোলেন্দ্ৰ সিং, লালমাটি, গেমছ ভিলেজ, ব্লক এ৩, কোঠা নং ৩০২, গুৱাহাটী- ৭৮১০২৯, ঠিকনা ২ঃ ফৰচুন ৰেছিডেন্সি, ছাউথ চিটি এপাৰ্টমেণ্ট, টাৱাৰ ২, ব্লক এ, ফ্লেট নং ২৮১, অষ্টম মহলা, লখৰা ৰোড, গুৱাহাটী-৭৮১০৩৮ ২. শ্ৰী সৌগ্ৰাকপাম ডোলেন্দ্ৰ সিং (সহ-ঋণী), ঠিকনা ১ঃ পিতৃ সৌগ্ৰাকপাম মধুমঙ্গল, লালমাটি, গেমছ ভিলেজ, ব্লক এ৩, কোঠা নং ৩০২, গুৱাহাটী-৭৮১০২৯, ঠিকনা ২ঃ ফৰচুন ৰেছিডেন্সি, ছাউথ চিটি এপাৰ্টমেণ্ট, টাৱাৰ ২, ব্লক এ, ফ্লেট নং ২৮১, অষ্টম মহলা, লখৰা ৰোড, গুৱাহাটী-৭৮১০৩৮ | লখৰা ৰোড, গুৱাহাটী, পিন- ৭৮১০৩৮-ত অৱস্থিত “ফৰচুন ৰেছিডেন্সি, ছাউথ চিটি” নামৰ বহুমহলীয়া ভৱনৰ টাৱাৰ-২, ব্লক-এ-ৰ অষ্টম মহলাত থকা ফ্লেট নং ২৮১-ৰ ৩টা শোৱা কোঠাযুক্ত আৱাসিক ফ্লেটৰ সমগ্ৰ অংশ আৰু অংশবিশেষ, লগতে ব্যক্তিগত ছাদ, যাৰ ছুপাৰ বিল্ট-আপ মাটিকালি ১৬৪৭ বৰ্গফুট, লগতে ৰাজহ গাঁও সৰুসজাই, বেলতলা মৌজাৰ অধীনত, জিলা কামৰূপ (মহানগৰ), অসমত অৱস্থিত কে. পি. পট্টা নং ৬৯, ২১৪ (পুৰণি)/৪৫৪ (নতুন) আৰু ৩২, ৯৮ (পুৰণি)/১৯৬ (নতুন)-ৰ অন্তৰ্গত দাগ নং ১৪৪, ৬৪৭ (পুৰণি)/৮১২ (নতুন) আৰু ১৪৫, ৬৪৮ (পুৰণি)/৮১৩(নতুন)-ৰ অধীনস্থ ভূমিৰ ০.৬০ আৰ মাটিকালিৰ অবিভক্ত আনুপাতিক অংশসহ, উক্ত ভৱনত থকা ১ (এটা) মুকলি গাড়ী ৰখা ঠাই আৰু সাধাৰণ সুবিধাসমূহসহ। ভূমিখণ্ডৰ চাৰিসীমা হৈছেঃ উত্তৰেঃ মঞ্জু ঘোষৰ ভূমি, দক্ষিণেঃ জিতু বে’ৰ ভূমি, পূবেঃ নগেন কিলিঙৰ ভূমি, পশ্চিমেঃ পথ। **সম্পত্তিৰ পৰিচয় নংঃ PUNB465200202501** | (ক) ২১.০৮.২০২৪ (খ) ৩০.০৭.২০২৪ তাৰিখ পৰ্যন্ত ৫৬,৩৯,১৯১.১৬ টকা আৰু ৩০.০৭.২০২৪ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ পৰৱৰ্তী সুদ আৰু তাৰ ওপৰত অন্যান্য খৰচ। (গ) ০৪.১২.২০২৪ (ঘ) প্ৰকৃত দখল | ক) ৫৪,৩০,০০০.০০ টকা খ) ৫,৪৩,০০০.০০ টকা (২৬.১০.২০২৬ তাৰিখে বিয়লি ৪ বজালৈ) গ) ০.৫০ লাখ টকা | দিনাংকঃ ২৭.১০.২০২৬ সময়ঃ পুৱা ১১.০০ বজাৰ পৰা সন্ধিয়া ০৪.০০ বজালৈ | বেংকৰ জ্ঞাত নহয় |

ই-নিলাম বিক্ৰীৰ নিয়ম আৰু চৰ্তাৱলী

বিক্ৰী প্ৰতিভূতি স্বাৰ্থ (বলবৎকৰণ) নিয়মাৱলী, ২০০২ অধীনত উল্লেখিত নিয়মসমূহ আৰু তলত দিয়া অতিৰিক্ত চৰ্তাৱলীসমূহৰ ওপৰত ভিত্তি কৰি কৰা হ’বঃ

১. সম্পত্তিসমূহ “য’ত আছে ততে”, “যি আছে সেই” আৰু “যেনে আছে তেনে” এই ভিত্তিত বিক্ৰী কৰা হ’ব।

২. ওপৰত উল্লেখিত অনুসূচীত দিয়া সুৰক্ষিত সম্পত্তিসমূহৰ বিৱৰণ অনুমোদিত বিষয়াজনে তেওঁৰ উপলব্ধ সৰ্বোচ্চ তথ্যৰ আধাৰত উল্লেখ কৰিছে, কিন্তু এই ঘোষণা বা প্ৰচাৰণাত কোনো ভুল, ভুল বিৱৰণ বা কোনো তথ্য বাদ পৰিলে তাৰ বাবে অনুমোদিত বিষয়াজন দায়ী নহ’ব।

৩. বিক্ৰীটো নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা https://baanknet.com **ৱেবছাইটত উপলব্ধ ই-নিলাম প্লেটফৰ্মৰ মাধ্যমেৰে ২৭.১০.২০২৬ তাৰিখে লট নং ১ আৰু ২ ৰ বাবে পুৱা ১১.০০ বজাৰ পৰা বিয়লি** ০৪.০০ বজালৈ সম্পন্ন কৰা হ’ব।

৪. বিক্ৰী সংক্ৰান্তীয় বিস্তৃত নিয়ম আৰু চৰ্তাৱলীসমূহ জানিবলৈ অনুগ্ৰহ কৰি **https://baanknet.com** ৱেবছাইটটো চাওক।

৫. অনুমোদিত বিষয়াজন বা বেংকে সম্পত্তি (ই-নিলাম)ৰ ক্ষেত্ৰত বেংকৰ অজ্ঞাত যিকোনো চৰকাৰী দাবী, কৰ, লিয়েন, বন্ধক, দায়বদ্ধতা বা আন কোনো পাওনা ধনৰ বাবে দায়ী নহ’ব। নিলামত অংশগ্ৰহণ কৰিব ইচ্ছুক বিডাৰসকলক সম্পত্তিৰ ওপৰত থকা সম্ভাব্য সকলো দায়বদ্ধতা, বৈধ বকেয়া, সম্পত্তি কৰ, বিদ্যুৎ মাচুল আদি সম্পৰ্কে নিজাববীয়াকৈ অনুসন্ধান কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

৬. অনুমোদিত বিষয়াজনে যিকোনো বিড গ্ৰহণ বা সকলো বিড প্ৰত্যাখ্যান কৰাৰ, যদি সেয়া গ্ৰহণযোগ্য নহয়, অথবা কোনো কাৰণ উল্লেখ নকৰাকৈ যিকোনো সময়তে নিলাম স্থগিত, বাতিল, মুলতুবি, বন্ধ বা নিলামৰ চৰ্তাৱলী সংশোধন/পৰিৱৰ্তন কৰাৰ সম্পূৰ্ণ অধিকাৰ সংৰক্ষণ কৰে আৰু এই সম্পৰ্কে তেওঁৰ সিদ্ধান্ত চূড়ান্ত হ’ব।

৭. বিড দাখিল কৰাৰ পূৰ্বে সম্পত্তিখনৰ অৱস্থা আৰু বিৱৰণ সম্পৰ্কে নিজে পৰিদৰ্শন কৰি সম্পূৰ্ণ সন্তুষ্ট হোৱাটো বিডাৰসকলৰ দায়িত্ব হ’ব। আগ্ৰহী বিডাৰে প্ৰদান কৰা বিৱৰণ অনুসৰি দায়িত্বপ্ৰাপ্ত বেংক বিষয়াৰ সৈতে যোগাযোগ কৰি সম্পত্তি পৰিদৰ্শন কৰিব পাৰিব।

৮. ওপৰত উল্লেখিত অনুসূচীত দিয়া সুৰক্ষিত সম্পত্তিসমূহৰ বিৱৰণ অনুমোদিত বিষয়াজনে তেওঁৰ উপলব্ধ সৰ্বোচ্চ তথ্যৰ আধাৰত উল্লেখ কৰিছে, কিন্তু এই ঘোষণা/প্ৰচাৰণাত কোনো ভুল, ভুল বিৱৰণ বা কোনো তথ্য বাদ পৰিলে তাৰ বাবে অনুমোদিত বিষয়াজন দায়ী নহ’ব।

তাৰিখ ঃ ০৯.১০.২০২৬, স্থান ঃ গুৱাহাটী — অনুমোদিত বিষয়া, পাঞ্জাব নেচনেল বেংক, ছিকিউৰ্ড ক্ৰেডিটৰ


**হিমাশ্ৰী বড়োৰ ন্যায়ৰ দাবী ■ ৰে’ল বিভাগৰ বিৰুদ্ধে ক্ষোভ**

## সোণাপুৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ প্ৰতিবাদ

### তদন্তৰ আহ্বানেৰে কেন্দ্ৰীয় ৰে’লমন্ত্ৰী, অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰীলৈ ডঃ শৰ্মাৰ পত্ৰ




### কোকৰাঝাৰত এবছুৰ মমবাতি প্ৰজ্বলন

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

**সোণাপুৰ, ৯ অক্টোবৰ ঃ** অন্ধ্ৰপ্ৰদেশত ৰে’লপথৰ দাঁতিত ৰহস্যজনক অৱস্থাত অসমৰ ছাত্ৰী হিমাশ্ৰী বড়োৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাক কেন্দ্ৰ কৰি ৰাজ্যজুৰি প্ৰতিক্ৰিয়া অব্যাহত থকাৰ মাজতে আজি হিমাশ্ৰী বড়োৰ ন্যায়ৰ দাবীত উত্তাল হৈ পৰে সোণাপুৰ মহাবিদ্যালয়ৰ *১১ পৃষ্ঠাত চাওক*

## স ম্পা দ কী য়

২২ আহিন, শনিবাৰ, ১৯৪৮ শক

# গুৱাহাটীৰ যান-জঁট

অভাৱনীয় যান-জঁটে নতুন প্ৰত্যাহ্বান নমাই আনিছে গুৱাহাটী মহানগৰবাসীলৈ। উত্তৰ-পূবৰ দুৱাৰমুখ স্বৰূপ গুৱাহাটী মহানগৰীত যান-জঁটৰ ভয়ংকৰ সমস্যাক লৈ দৈনিক দুৰ্ভোগ ভুগিবলগীয়া হৈছে মহানগৰবাসী তথা বিভিন্ন কামত মহানগৰীলৈ আহিবলগীয়া হোৱা ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ লোকসকলে। এতিয়া উৎসৱৰ বতৰ। এই সময়ত যান-জঁটৰ সমস্যা হৈ পৰিছে অধিক ভয়াৱহ। বিশেষকৈ দুৰ্গা পূজাৰ প্ৰাক্‌ক্ষণত যান-জঁটৰ সমস্যাৰ বাবে নাগৰিকে দৈনিক ত্ৰাহিমধুসূদন সুঁৱৰিবলগীয়া হৈছে। বৰ্তমান এনে পৰিস্থিতি হৈছেগৈ যে গুৱাহাটী মহানগৰীত এতিয়া মাত্ৰ এক কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিবলৈ এঘণ্টাৰো অধিক সময়ৰ প্ৰয়োজন হয়। দৈনিক হাজাৰ হাজাৰ মানুহ যান-জঁটৰ কৱলত পৰি সময় আৰু শক্তি দুয়োটাই নষ্ট কৰিবলগীয়া হয়। যান-জঁটে কেৱল সময় নষ্ট নকৰে, ইয়াৰ গভীৰ সামাজিক, অৰ্থনৈতিক আৰু পৰিৱেশগত প্ৰভাৱ আছে। মানুহে কামলৈ যাবলৈ অতিৰিক্ত সময় খৰচ কৰিবলগীয়া হয়, যাৰ ফলত উৎপাদনশীলতা হ্ৰাস পায়। ইন্ধনৰ অপচয় হোৱাৰ লগতে বায়ু প্ৰদূষণ বৃদ্ধি পায় আৰু শব্দ প্ৰদূষণে মানসিক স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলায়। বিশেষকৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰী আৰু ৰোগীসকলে এই যান-জঁটৰ বাবে ব্যাপক অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। দেশৰ আন মহানগৰীসমূহৰ দৰে গুৱাহাটীতো এই সমস্যা দিনক দিনে অধিক ভয়াৱহ হৈ উঠিছে। গুৱাহাটী কেৱল অসমৰ প্ৰশাসনিক কেন্দ্ৰই নহয়, ই হৈছে সমগ্ৰ উত্তৰ-পূবৰ অৰ্থনৈতিক, বাণিজ্যিক, শৈক্ষিক আৰু সাংস্কৃতিক জীৱনৰ গুৰুত্বপূৰ্ণ প্ৰাণকেন্দ্ৰ। দৈনিক হাজাৰ হাজাৰ মানুহে কৰ্মসংস্থান, শিক্ষা, চিকিৎসা, ব্যৱসায়-বাণিজ্য আৰু অন্যান্য প্ৰয়োজনত গুৱাহাটী মহানগৰীলৈ অহা-যোৱা কৰে। কিন্তু দ্ৰুত নগৰীকৰণ আৰু জনসংখ্যা বৃদ্ধিৰ সমান্তৰালভাৱে গুৱাহাটীৰ যান-জঁটৰ সমস্যা এতিয়া এক গভীৰ নাগৰিক সংকটত পৰিণত হৈছে। মহানগৰীৰ ব্যস্ত পথত ঘণ্টাৰ পাছত ঘণ্টা আবদ্ধ হৈ থকা বাহনৰ দীঘলীয়া শাৰী এতিয়া দৈনন্দিন জীৱনৰ এক চিনাকি দৃশ্য হৈ পৰিছে। গুৱাহাটীত যান-জঁটৰ মূল কাৰণ বুলি ক'লে জনসংখ্যাৰ লগতে ব্যক্তিগত গাড়ীৰ সংখ্যা বৃদ্ধি, আন্তগাঁথনিৰ অভাৱ আৰু বহু ক্ষেত্ৰত প্ৰশাসনৰ ব্যৰ্থতা বুলিয়েই ক'ব লাগিব। দেখা গৈছে বিগত কেইবছৰমানৰ ভিতৰত গুৱাহাটীলৈ প্ৰব্ৰজন বৃদ্ধি পোৱাৰ লগে লগে ব্যক্তিগত গাড়ী, দুচকীয়া আৰু তিনিচকীয়া বাহনৰ সংখ্যাও অভাৱনীয়ভাৱে বৃদ্ধি পাইছে। কিন্তু তাৰ তুলনাত মহানগৰীৰ অধিকাংশ গুৰুত্বপূৰ্ণ পথৰ বিকাশ সেই অনুপাতে হোৱা নাই। বিগত সময়ছোৱাত গুৱাহাটীত কেইবাখনো উৰণ সেতু নিৰ্মাণ কৰা হ'ল যদিও পথসমূহ বহল কৰা বা মেৰামতিৰ অভাৱত ঠায়ে ঠায়ে ভাগি যোৱাৰ ফলত যাতায়াতৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হৈছে। একেদৰে উত্তৰ-পূবৰ মুখ্য মহানগৰী হোৱা সত্বেও গুৱাহাটীত আজিও ৰাজহুৱা পৰিবহন ব্যৱস্থা বিশেষ উন্নত নহ'ল। বিশেষকৈ অপৰ্যাপ্ত বাছ সেৱা, অনিয়মিত আৰু অসুবিধাজনক হোৱাৰ বাবে মানুহে নিজৰ গাড়ী ব্যৱহাৰ কৰিবলৈ বাধ্য হয়।

গুৱাহাটীত যান-জঁটৰ আন এক কাৰণ হৈছে পথ আৰু ট্ৰেফিক ব্যৱস্থাপনাৰ অভাৱ। বহু ঠাইত সংকীৰ্ণ পথ, অবৈধ পাৰ্কিং আৰু দুৰ্বল ট্ৰেফিক সংকেতৰ ব্যৱস্থাই যান-জঁটৰ সমস্যাক অধিক জটিল কৰি তুলিছে। যান-জঁটৰ এই ভয়ংকৰ সমস্যা সমাধানৰ বাবে চৰকাৰ আৰু প্ৰশাসনে বহুমুখী পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজন আছে। বিশেষকৈ ৰাজহুৱা পৰিবহন ব্যৱস্থাক শক্তিশালী কৰাৰ লগতে নিয়মিত, সুবিধাজনক বাছ সেৱা আৰু মেট্ৰ' বা দ্ৰুত পৰিবহন ব্যৱস্থাৰ বিকাশ ঘটাব লাগিব। তদুপৰি পথৰ বিকাশ আৰু ট্ৰেফিক ব্যৱস্থাপনা উন্নত কৰিবলৈ স্মাৰ্ট ট্ৰেফিক ছিগনেল, কেমেৰা নিৰীক্ষণ আৰু কঠোৰ পাৰ্কিং নিয়ম বলৱৎ কৰাৰ ব্যৱস্থা কৰিব লাগে। সকলোতকৈ গুৰুত্বপূৰ্ণ কথা হৈছে মানুহৰ মাজত সজাগতা বৃদ্ধি কৰিব লাগে যাতে তেওঁলোকে যথাসম্ভৱ ৰাজহুৱা পৰিবহন ব্যৱহাৰ কৰে আৰু ট্ৰেফিক নিয়ম মানি চলে। লগতে ছিকিমৰ দৰে গুৱাহাটীতো ব্যক্তিগত যান-বাহন চলাচলৰ ক্ষেত্ৰত অড-ইভেন ব্যৱস্থা বলৱৎ কৰি যান-জঁটৰ সমস্যা কিছু পৰিমাণে নিয়ন্ত্ৰণ কৰিব পৰাটো সম্ভৱ হ'ব। কাৰণ ২০২১ চনত কোভিডৰ সময়ত গুৱাহাটীত এই ব্যৱস্থা কিছুদিনৰ কাৰণে বলৱৎ কৰিছিল চৰকাৰে। যদি ব্যক্তিগত বাহনৰ চলাচল নিয়ন্ত্ৰণৰ বাবে অড-ইভেন ব্যৱস্থা প্ৰৱৰ্তন কৰা হয়, তেন্তে নিৰ্দিষ্ট সময়ত পথত বাহনৰ সংখ্যা হ্ৰাস পোৱাৰ সম্ভাৱনা থাকে। ইয়াৰ ফলত যান-জঁট কিছু পৰিমাণে কমিব পাৰে আৰু বাহনৰ পৰা নিৰ্গত ধোঁৱাৰ পৰিমাণো হ্ৰাস পাব। কিন্তু লগতে এই কথাও মনত ৰাখিব লাগিব যে অড-ইভেন ব্যৱস্থাৰ সফলতা নিৰ্ভৰ কৰিব ইয়াৰ ৰূপায়ণৰ ওপৰত। ৰাজহুৱা বাছ সেৱা, নিৰাপদ পদপথ, উন্নত যান-ব্যৱস্থাপনা আৰু বিকল্প যাতায়াতৰ সুবিধা পৰ্যাপ্ত নহ'লে সাধাৰণ নাগৰিকৰ বাবে এই নিয়ম অসুবিধাজনক হ'ব পাৰে। আনকি একেটা পৰিয়ালে দুখন বাহন ক্ৰয় কৰি নিয়মৰ প্ৰভাৱ এৰাই চলাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি। গতিকে চৰকাৰে সময় থাকোঁতেই নাগৰিকৰ যৌথ প্ৰচেষ্টাত গুৱাহাটীৰ যান-জঁট সমস্যাৰ সমাধান সূত্ৰ উলিয়াব নোৱাৰিলে অনাগত দিনত মহানগৰবাসীৰ জীৱন যে অধিক দুৰ্বিষহ হৈ পৰিব, তাত কোনো সন্দেহ নাই।

## সময়ৰ শৰ



❖ ❖ ❖

নগাঁৱত ১৯, দৰঙত ৯খন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ স্বীকৃতি বাতিল।

**কিনো লুকা-ভাকুখন খেলি থাকেহে, ক'ৰবাত গণ্ডগোল হৈছে যদি হিচাপ মিলাই লওক, খেলা খতম!**

❖ ❖ ❖

চিয়াঙৰ জনতাৰ ওপৰত জোৰকৈ জাপি দিয়া নহয় বৃহৎ নদীবান্ধ প্ৰকল্প ঃ কিৰেণ ৰিজিজু।

**জনসাধাৰণৰ প্ৰতি এয়া দৰদ নে টানত পৰি ৰাম বুলিছে হয়!**

❖ ❖ ❖

জ্ঞানেশ কুমাৰৰ সমৰ্থনত ৪২ প্ৰাক্তন ন্যায়াধীশৰ পত্ৰ।

**দুয়ো পক্ষ মুকলিকৈ ওলাই আহিছে যেতিয়া আচল খেলখন এইবাৰহে হ'ব!**

❖ ❖ ❖

ৰাইজৰ দলৰ প্ৰতিবাদত দিনটো উত্তাল ৰাজধানী চৌহদ।

**সেয়া বাৰু ঠিকেই আছে, কিন্তু মুখ্যমন্ত্ৰীৰ বাসভৱনত তাণ্ডৱ নৃত্য কেতিয়ালৈ?**

এমাহতে ২,৬০০ কোটিৰ ঋণ ল'ব চৰকাৰে।

**আন যিয়েই নহওক, ঋণং কৃত্বা ঘৃতং পিবেত— এই বাণী চৰকাৰে আখৰে আখৰে পালন কৰি আহিছে!**

❖ ❖ ❖

পাহাৰ কাটি পুতিছে খামব্ৰেংগা বিল।

**বিল-পাহাৰ ধ্বংস নকৰিলে উন্নয়নৰ গংগা জানো বোৱাব পৰা যাব!**





দিব্যজ্যোতি শৰ্মা

# ডুমস্ক্ৰ'লিং

## এক নীৰৱ ঘাতক ?

২০২৫ চনত অক্সফ'ৰ্ডে বছৰটোৰ শব্দ হিচাপে নিৰ্বাচন কৰা শব্দটো আছিল Rage bait (ৰেজ বেইট)। তেওঁলোকে এই শব্দটোৰ অৰ্থ হিচাপে এই কথাখিনি লিখিছে —'online content deliberately designed to elicit anger or outrage by being frustrating, provocative, or offensive, typically posted in order to increase traffic to or engagement with a particular web page or social media content'. —এই কথাখিনি অসমীয়ালৈ ভাঙনি কৰিলে থূলমূলকৈ এনেকুৱা হ'ব যে 'ইণ্টাৰনেটত উপলব্ধ কোনো সমল, যিটো ইচ্ছাকৃতভাৱে মানুহৰ খং, হতাশা, অপৰাধপ্ৰৱণতা আদি বৃদ্ধিৰ উদ্দেশ্যে সাজু কৰি কোনো ৱেব পৃষ্ঠা বা সামাজিক মাধ্যমৰ প্ৰসাৰতাৰ বাবে এৰি দিয়া হয়। অৰ্থাৎ সামাজিক মাধ্যমৰ যিসমূহ সমলে মানুহৰ মনত ঋণাত্মক চিন্তাৰ জন্ম দিয়ে আৰু আমাৰ মগজুত কিছুমান বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে আৰু যিসমূহৰ প্ৰতি মানুহ সহজেই আকৰ্ষিত হয়, সেই সমলসমূহকে এই শব্দটোৱে প্ৰতিনিধিত্ব কৰে।

সামাজিক মাধ্যমৰ লগত মানুহৰ সম্পৰ্ক বাঢ়ি যোৱাৰ লগে লগে মানুহৰ দৈনন্দিন জীৱনৰ কিমান সময় এনে মাধ্যমত ব্যস্ত হৈ থাকোঁতেই গুচি যায় সেই কথা আমি বিচাৰ কৰাৰ চেষ্টা কৰিছোঁনে? আমি নিজৰ ক্ষেত্ৰতেই বহু সময়ত দেখিছোঁ যে ঘৰতেই হওক বা কৰ্মস্থলীতেই হওক যিকোনো এটা কাম কৰি থাকোঁতে হঠাতেই যদি আমাৰ ম'বাইল ফোনত কিবা এটা বাৰ্তা বা এটা ফোন আহে, তেতিয়া আমি সেই ফোনটো ধৰা বা সেই নিৰ্দিষ্ট বাৰ্তাটো চাবলৈ এবাৰ ফোনটো হাতত লোৱাৰ লগে লগে সেই কামটোৰ পিছতে আপোনা আপুনি আমাৰ হাতৰ আঙুলিয়ে ফোনৰ স্ক্ৰীনত ইমান সন্তৰ্পণে আৰু বেগেৰে বিভিন্ন সমল বিচৰাত লাগি যায় আৰু আমাৰ মগজু তাৰ ৰস আচ্ছাদনত এনেভাৱে নিমগ্ন হৈ পৰে যে আমি কিমান সময় সেই ধৰণে অতিবাহিত কৰোঁ সেই কথা পাহৰি যাওঁ। আনহাতে, দিনটোত কিমানবাৰ সেই ধৰণে আমাৰ কামত ব্যাঘাত ঘটে সেই কথা আমি কেতিয়াও ভাবি নাচাওঁ। কিন্তু দিনৰ শেষত যদি আমি এবাৰ পৰ্যালোচনা কৰোঁ, তেতিয়া আমি দেখিম যে দিনটোৰ বহুখিনি সময় আমি ইণ্টাৰনেটত কোনো কামত নহা অথবা অপ্ৰয়োজনীয় সমল খুঁচৰি কটাই দিওঁ। এই যে আমি ম'বাইল ফোন বা কম্পিউটাৰৰ পৰ্দাত এটাৰ পাছত এটাকৈ ছবি বা ভিডিঅ' বা অন্য সমল বিচাৰি আঙুলিৰে পৰ্দাখন উঠা-নমা কৰাই থাকোঁ, এই প্ৰক্ৰিয়াটোকে কোৱা হয় স্ক্ৰ'লিং (Scrolling)। অক্সফ'ৰ্ড অভিধানত এই শব্দটোৰ অৰ্থ দিয়া হৈছে এনেদৰে— "To move text or pictures on a computer screen up or down so that you can read or view different parts of it"। এতিয়া যিকোনো ইলেক্ট্ৰ'নিক গেজেট এটা হাতত লৈ এনেদৰে সামাজিক মাধ্যমত স্ক্ৰ'লিং কৰাটো আমাৰ এক এৰাব নোৱাৰা অভ্যাসত পৰিণত হৈছে, যিটোৱে আমাৰ শৰীৰ আৰু মনত বিৰূপ প্ৰভাৱ পেলাইছে। কোভিড মহামাৰীৰ সময়ত যেতিয়া মানুহে ঘৰৰ ভিতৰতে আবদ্ধ হৈ কামৰ খাতিৰতে হওক বা পঢ়াৰ বাবেই হওক ইলেক্ট্ৰ'নিক মাধ্যমত বেছি সময় ব্যস্ত হৈ থাকিব লগা হৈছিল, তেতিয়া সামাজিক মাধ্যমৰ ব্যৱহাৰো দ্ৰুত হাৰত বাঢ়ি গৈছিল আৰু সমান্তৰালভাৱে বাঢ়ি গৈছিল মানুহৰ স্ক্ৰ'লিঙৰ হাৰ। তাৰ পাছত যদিও মহামাৰীৰ ভয়াৱহতা নোহোৱা হ'ল তথাপি কিন্তু আমাৰ মাজত গঢ় লৈ উঠা অনাৱশ্যক স্ক্ৰ'লিঙৰ মাত্ৰা অধিক বৃদ্ধি হৈ পৰিল।

এই ধৰণৰ স্ক্ৰ'লিঙে মানুহৰ মগজুক এনে এটা পৰ্যায়লৈ লৈ গৈছে যে এতিয়া বেছিভাগ মানুহে অলপ সময়ৰ কাৰণেও ম'বাইল ফোনটো একাষৰীয়া কৰি থৈ শান্তিত থাকিব নোৱাৰে। নিজে গম নোপোৱাকৈয়ে হাতখন বাৰে বাৰে ম'বাইল ফোনটোলৈ যায় আৰু স্বয়ংক্ৰিয়ভাৱে হাতৰ আঙুলিয়ে পৰ্দাত স্ক্ৰ'লিং আৰম্ভ কৰে আৰু সেই এক ছেকেণ্ডৰ আৰম্ভণিৰে কিমান সময় পাৰ হৈ যায় সেই কথা ভবাৰ অৱকাশ নাথাকে। সেই সময়ত স্ক্ৰীণত আহি থকা সমলসমূহ যেনে হাঁহি উঠা ভিডিঅ' অথবা অপৰাধপ্ৰৱণতা থকা কিবা সমল অথবা খন্তেকীয়া উত্তেজনা সৃষ্টি কৰিব পৰা যিকোনো ধৰণৰ সমলৰ প্ৰতি আমাৰ নিচা এনেভাৱে বাঢ়ি যায় যে আমি নিজৰ মানসিক অৱস্থাৰ ওপৰত নিয়ন্ত্ৰণ পাহৰি সেই ধৰণৰ আৰু অধিক সমল বিচাৰি আঙুলি বুলাই থাকোঁ অৰ্থাৎ স্ক্ৰ'লিং কৰি গৈ থাকোঁ। এই ধৰণৰ যিকোনো উত্তেজনা সৃষ্টিকাৰী সমলে আমাক এটাৰ পাছত আনটোলৈ যোৱাৰ প্ৰৱণতা আৰু আসক্তি বঢ়াই গৈ থাকে আৰু আমি মগজুৰ সেই সংকেত মানি অধিক বেগেৰে স্ক্ৰ'লিং আৰম্ভ কৰোঁ। এটা সময়ত পৰিস্থিতি এনে পৰ্যায় পায়গৈ যে আমি এক বা দুই মিনিটৰ এটা কণ্টেটো সম্পূৰ্ণকৈ চোৱাৰ ধৈৰ্য হেৰুৱাই পেলাওঁ আৰু কেৱল এটাৰ পৰা আনটোলৈ স্ক্ৰ'ল কৰি গৈ থকাৰহে চেষ্টা কৰি থাকোঁ।

আমি অনুধাৱন কৰিলে এটা কথা দেখিম যে এই ধৰণৰ বেছিভাগ সমলেই হয়গৈ উত্তেজনা সৃষ্টিকাৰী অথবা ঋণাত্মক ভাবধাৰাৰ সৃষ্টিকাৰী। এই ধৰণৰ ঋণাত্মক সমলৰ বা-বাতৰিৰ আকৰ্ষণত পৰ্দাত স্ক্ৰ'লিং কৰি গৈ থকা এই প্ৰক্ৰিয়াটোক এটা অন্য অভিধাৰে জনা যায়, সেয়া হল ডুমস্ক্ৰ'লিং (doomscrolling)। যাৰ অৰ্থ হ'ল— 'overconsumption of negative short-form content or news, especially on social media platforms that have an infinitely populating feed of new posts'। এই ধৰণৰ ঋণাত্মক সমলৰ অত্যধিক অন্বেষণে মানুহৰ মনত বিৰূপ প্ৰভাৱ পেলায় আৰু মানসিকভাৱে দুৰ্বল কৰি পেলায়, য'ত মানুহে কেতিয়াবা নিজকে অকলশৰীয়া, খঙাল, অৰ্থহীন যেন অনুভৱ কৰিবলৈ লয়। সামাজিক মাধ্যম বা ডিজিটেল ডিভাইচত স্ক্ৰ'লিং আৰু মানৱ দেহত ইয়াৰ প্ৰভাৱ সম্পৰ্কীয় কেইবাটাও অধ্যয়নে ইয়াৰ বিভিন্ন ঋণাত্মক প্ৰভাৱৰ বিষয়ে দেখুৱাইছে। চিকিৎসা বিজ্ঞানৰ এদল ছাত্ৰৰ ওপৰত কৰা এটা অধ্যয়নে দেখুৱাইছে যে ডিজিটেল মাধ্যম ব্যৱহাৰ কৰি পঢ়া-শুনা কৰা ছাত্ৰতকৈ অ-ডিজিটেল মাধ্যম ব্যৱহাৰ কৰি অধ্যয়ন কৰা শিক্ষাৰ্থীৰ মনত ৰাখিব পৰা শক্তি অধিক।

অন্য এটা অধ্যয়নে দেখুৱাইছে যে অতি বেছিকৈ চুটি ভিডিঅ'সমূহ স্ক্ৰ'ল কৰি থকাৰ অভ্যাসে ব্যৱহাৰকাৰীৰ মগজুৰ কিছুমান গুৰুত্বপূৰ্ণ অংশৰ কৰ্মক্ষমতা হ্ৰাস কৰে। যেনে— কোনো কামত গভীৰভাৱে মনোযোগী হোৱাৰ ক্ষমতা, সুস্থিৰ পৰিকল্পনা কৰিব পৰা ক্ষমতা, আত্মসংযম ৰক্ষা কৰাৰ ক্ষমতা আদি। তাৰ লগতে স্মৰণ শক্তিও লাহে লাহে হ্ৰাস হ'বলৈ আৰম্ভ কৰে। বিশ্বৰ কেইবাখনো দেশৰ ২৫ বছৰৰ তলৰ প্ৰায় ৯ নিযুত যুৱক-যুৱতীক সামৰি কৰা শতাধিক অধ্যয়নে দেখুৱাইছে যে স্ক্ৰ'লিং যেতিয়া এৰাব নোৱাৰা নিচাৰ দৰে হৈ পৰে, তেতিয়া ইয়ে মানসিক স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলায়, টোপনিহীনতা বঢ়ায় আৰু শাৰীৰিক শ্ৰমৰ প্ৰতি নিৰাসক্ত কৰি তোলে। আমেৰিকান ব্ৰেইন ফাউণ্ডেচন আৰু হাৰ্ভাৰ্ডৰ এটা যুটীয়া অধ্যয়নে দেখুৱাইছে যে অবিৰতভাৱে কৰা ঋণাত্মক খবৰৰ স্ক্ৰ'লিঙে, যিটোক ইণ্টাৰনেটৰ ভাষাত ডুমস্ক্ৰ'লিং (Doomscrolling) বুলি কোৱা হয়, মগজুৰ এমিগডালা (amygdala) অংশটো অধিক সক্ৰিয় কৰি তোলে, ফলত মানুহৰ দেহত কৰ্টিছল (cortisol) আৰু এড্ৰিনেলিন (adrenaline) হৰম'নৰ নিঃসৰণ বৃদ্ধি হয় আৰু ইয়ে ৰক্তচাপ বঢ়ায় তথা হতাশা আৰু নিৰাশা বৃদ্ধি কৰে।

সাম্প্ৰতিক সময় হৈ পৰিছে ইণ্টাৰনেট আৰু সামাজিক মাধ্যমৰ আগ্ৰাসনৰ সময়। এই সময়ৰ লগত খাপ খুৱাই চলিবলৈ হ'লে মানুহে ইয়াক আদৰি লোৱাৰ গত্যন্তৰ নাই। কিন্তু এই ধৰণৰ মাধ্যমৰ অত্যধিক ব্যৱহাৰে মানুহৰ জীৱনলৈ আনিব পৰা পৰিৱৰ্তনৰ কথাসমূহো আমি বিবেচনালৈ অনাটো দৰকাৰ। মানুহৰ মাজত বাঢ়ি অহা ধৈৰ্যহীনতা, সংযমহীনতা, আৱেগহীনতা, হতাশাগ্ৰস্ততা, নিৰাশাৰ ভাব আদিৰ কাৰণো যে প্ৰত্যক্ষভাৱেই হওক বা পৰোক্ষভাৱেই হওক এই ধৰণৰ মাধ্যমৰ অত্যধিক ব্যৱহাৰেই হৈ পৰিছে সেই কথা এতিয়া দোহৰাৰ প্ৰয়োজন নাই। তাৰো এঢাপ আগলৈ গৈ মানুহৰ মাজৰ সম্পৰ্কবোৰত বাঢ়ি অহা ভাঙোন, আত্মহত্যাৰ বৰ্দ্ধিত ঘটনা, অপৰাধপ্ৰৱণতা আদিৰ বাবেও যে প্ৰকাৰান্তৰে এই ধৰণৰ উপলব্ধ সমলসমূহেই দায়ী সেই কথাও উল্লেখযোগ্য। সেয়েহে সাম্প্ৰতিক সময়ত সামাজিক মাধ্যম বা ইণ্টাৰনেটত উপলব্ধ অন্যান্য সমলসমূহ উপভোগ কৰাৰ ক্ষেত্ৰত যে মানুহে নিজকে নিয়ন্ত্ৰণ কৰিব লগা হৈছে সেই কথাত কাৰোৰে হয়তো দ্বিমত নাথাকিব। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰত এই নিয়ন্ত্ৰণ অতি বেছি দৰকাৰী হৈ পৰিছে।

সামাজিক মাধ্যমৰ এই ধৰণৰ ঋণাত্মক প্ৰভাৱৰ পৰা হাত সাৰি তাক নিয়ন্ত্ৰিতভাৱে ব্যৱহাৰ কৰিবলৈ মানুহে নিজাকৈ কিছুমান অভ্যাস গঢ়ি তোলাটো এতিয়া জৰুৰী হৈ পৰিছে। যেনে— দিনৰ কিছুমান নিৰ্দিষ্ট সময়ত ম'বাইল ফোন নোহোৱাকৈ অতিবাহিত কৰা, প্ৰকৃতিৰ সংগ উপভোগ কৰা, কিতাপ পঢ়াৰ অভ্যাস কৰা, কোনো ইলেক্ট্ৰ'নিক ডিভাইচ লগত নৰখাকৈ বন্ধু-বান্ধৱৰ লগত কথা পতা, ছ'চিয়েল মিডিয়াৰ লগত সংযোগ নোহোৱাকৈ নিজৰ নিজৰ ৰুচিৰ চৰ্চা কৰা আদিৰ দৰে কামবোৰে ছ'চিয়েল মিডিয়াৰ প্ৰতি আসক্তি লাহে লাহে হ্ৰাস কৰাত সহায় কৰিব। বিশ্বৰ বিভিন্ন দেশে এতিয়া শিক্ষাৰ্থীৰ কাৰণে বিদ্যালয়ত ম'বাইল ফোন নিষিদ্ধ কৰাৰ প্ৰস্তুতি চলাইছে, সামাজিক মাধ্যম ব্যৱহাৰ কৰাত বয়সৰ সীমা নিৰ্দ্ধাৰণৰ ব্যৱস্থা কৰিছে, শিক্ষাৰ্থীৰ বাবে নিৰ্দিষ্ট একোটা সময় কোনো ইলেক্ট্ৰ'নিক ডিভাইচ নোহোৱাকৈ আৰু অবিৰতভাৱে কেৱল কিতাপ পঢ়াটো বাধ্যতামূলক কৰিছে।

এই ধৰণৰ পদক্ষেপে আমাক সামাজিক মাধ্যমৰ ঋণাত্মক ব্যৱহাৰৰ পৰা কিছু হ'লেও ৰক্ষা কৰিব যদিও এয়া তেতিয়াহে সফল হ'ব, যেতিয়া আমি নিজেই ইয়াৰ ভয়াৱহতা বুজি উঠিম আৰু নিজে নিজেই এইবোৰৰ ব্যৱহাৰ এটা পৰ্যায়লৈ সংকুচিত কৰি আনিম। আত্মনিয়ন্ত্ৰণ আৰু আত্মসংযমৰ দ্বাৰা আমি যেতিয়া এই ধৰণৰ মাধ্যমৰ অনিয়ন্ত্ৰিত ব্যৱহাৰৰ পৰা মুক্ত হ'ব পাৰিম আৰু নিজকে অন্য ধৰণে ব্যস্ত ৰাখিবলৈ বিভিন্ন উপায় উদ্ভাৱন কৰি ল'ব পাৰিম, তেতিয়া সামাজিক মাধ্যমৰ এই ধৰণৰ ঋণাত্মক প্ৰভাৱে আমাৰ মন-মগজুক প্ৰভাৱিত কৰিব নোৱাৰিব। কিন্তু ইয়াৰ অন্যথা হ'লে সামাজিক বিশৃংখলতা আৰু অধিক বৃদ্ধি হ'ব। কাৰণ ইণ্টাৰনেট বা সামাজিক মাধ্যমৰ প্ৰতি বৰ্দ্ধিত আসক্তি আৰু তাৰ লগত জড়িত স্ক্ৰ'লিং, ডুমস্ক্ৰ'লিং, ৰেজ বেইট আদিৰ দৰে বিষয়বোৰে আমাৰ অগোচৰে আমাৰ মন-মগজুক লাহে লাহে কোঙা কৰি আনিবলৈ আৰম্ভ কৰিছে আৰু হয়তো অনাগত দিনত ই এক মাৰাত্মক আৰু নীৰৱ ঘাতক হৈ পৰিবলৈও বেছি সময় নালাগিব ।

ফোন ঃ ৯৮৬৪৬৯৮১৯৫



> সাম্প্ৰতিক সময় হৈ পৰিছে ইণ্টাৰনেট আৰু সামাজিক মাধ্যমৰ আগ্ৰাসনৰ সময়। এই সময়ৰ লগত খাপ খুৱাই চলিবলৈ হ'লে মানুহে ইয়াক আদৰি লোৱাৰ গত্যন্তৰ নাই। কিন্তু এই ধৰণৰ মাধ্যমৰ অত্যধিক ব্যৱহাৰে মানুহৰ জীৱনলৈ আনিব পৰা পৰিৱৰ্তনৰ কথাসমূহো আমি বিবেচনালৈ অনাটো দৰকাৰ।

## শাৰদীয় দুৰ্গোৎসৱৰ আগমনী পৰ্ব

# মহালয়া





কবিতা কলিতা

> মহালয়া হৈছে পূৰ্বপুৰুষক শ্ৰদ্ধা জনোৱা আৰু দেৱী পক্ষৰ আগমনৰ সৈতে জড়িত এক পৱিত্ৰ তিথি। যুগ যুগ ধৰি চলি অহা ধৰ্মীয় বিশ্বাস আৰু সাংস্কৃতিক পৰম্পৰাই এই দিনটোক বিশেষ তাৎপৰ্য প্ৰদান কৰিছে। মহালয়াৰ আগমনৰ লগে লগে শাৰদীয় দুৰ্গোৎসৱক আদৰিবলৈ মানুহৰ মনত আনন্দ আৰু উৎসাহৰ সঞ্চাৰ হয়।

শাৰদীয় দুৰ্গোৎসৱৰ আগমনী বতৰা দিয়া মহালয়াই বৰ্ষাকালৰ অন্ত পৰি শৰতৰ শুভ্ৰ শেৱালি আৰু কঁহুৱা বনে প্ৰকৃতিক সুন্দৰ কৰি তোলাৰ সময়তে আমাৰ মনলৈ এক উৎসৱমুখৰ পৰিৱেশ কঢ়িয়াই আনে। মহালয়াক মূলত 'দেৱী পক্ষ'ৰ আৰম্ভণি আৰু 'পিতৃ পক্ষ'ৰ সামৰণি হিচাপে পালন কৰা হয়। মহালয়া শব্দটোৰ অৰ্থ হৈছে 'মহান আলয়' বা 'মহান আশ্ৰয়'। এই পৰ্বৰ পৰাই শৰতৰ শেৱালিসিক্ত নিয়ৰে কঢ়িয়াই আনে দুৰ্গা পূজাৰ উলাহ।

সাধাৰণতে আহিন মাহৰ অমাৱস্যা তিথিত মহালয়া উদ্‌যাপন কৰা হয়, যাক পঞ্জিকা অনুসৰি ভাদ বা আশ্বিন মাহৰ অমাৱস্যাও বোলা হয়। আনহাতে, এই অমাৱস্যাক হিন্দু ধৰ্মীয় বিশ্বাস অনুসৰি 'সৰ্বপিতৃ অমাৱস্যা' বা 'মহালয়া অমাৱস্যা' বুলিও কোৱা হয়। হিন্দু চন্দ্ৰ বৰ্ষপঞ্জী অনুসৰি গোটেই বছৰটোক বিভিন্ন 'পক্ষ'ত ভাগ কৰা হৈছে। ইয়াৰে কৃষ্ণ পক্ষৰ ১৫টা দিনক কোৱা হয় 'পিতৃ পক্ষ'। এই পিতৃ পক্ষৰ একেবাৰে অন্তিম দিনটোৱেই হৈছে মহালয়া অমাৱস্যা। ইয়াৰ পিছৰ দিনটোৰ পৰাই শুক্ল পক্ষ হয় আৰু 'দেৱী পক্ষ'ৰ সূচনা হয়, যাৰ অৰ্থ হৈছে দুৰ্গা পূজাৰ আনুষ্ঠানিক আৰম্ভণি।

মহালয়াৰ আৰম্ভণি কেতিয়াৰ পৰা হৈছিল, তাৰ আঁৰত বিভিন্ন লোকবিশ্বাস প্ৰচলিত হৈ আছে। মহালয়াৰ সৈতে দেৱী দুৰ্গাৰ আৱিৰ্ভাৱ আৰু মহিষাসুৰ বধৰ পৌৰাণিক কাহিনীৰো এক বিশেষ সম্পৰ্ক আছে। হিন্দু ধৰ্মৰ প্ৰসিদ্ধ ধৰ্মগ্ৰন্থ 'দেৱী মাহাত্ম্য'ত মহিষাসুৰৰ অত্যাচাৰত দেৱতাসকল বিপৰ্যস্ত হোৱা আৰু তেওঁলোকৰ সন্মিলিত শক্তিৰ পৰা দেৱীৰ আৱিৰ্ভাৱ ঘটাৰ কাহিনী বৰ্ণিত হৈছে। দেৱীয়ে দেৱতাসকলৰ পৰা বিভিন্ন অস্ত্ৰ লাভ কৰি মহিষাসুৰৰ সৈতে যুদ্ধ কৰে আৰু অৱশেষত তেওঁক পৰাস্ত কৰে। এই কাহিনীয়ে অন্যায়ৰ ওপৰত ন্যায়ৰ জয় আৰু অশুভ শক্তিৰ ওপৰত শুভ শক্তিৰ বিজয়ৰ বাৰ্তা বহন কৰে। অসমৰ্থিত কিন্তু ঠায়ে ঠায়ে প্ৰচলিত বিশ্বাস অনুসৰি ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ সন্মিলিত প্ৰয়াসত মহালয়াতেই দেৱী দুৰ্গাৰ আৱিৰ্ভাৱ হৈছিল। দেৱীয়ে এই অমাৱস্যা তিথিতেই দেৱতাসকলৰ পৰা ত্ৰিশূল, চক্ৰ আদি অস্ত্ৰ-শস্ত্ৰ লাভ কৰি মহিষাসুৰ বধৰ বাবে যাত্ৰা আৰম্ভ কৰিছিল বুলি বহুতে ক'ব খোজে। অৱশ্যে, দেৱী দুৰ্গাৰ সৃষ্টি মহালয়াৰ দিনাই হৈছিল বুলি নিশ্চিতভাৱে ক'ব নোৱাৰি। কাৰণ এই সম্পৰ্কত মতভেদ আছে। কিন্তু মহালয়াৰ সৈতে দেৱী শক্তিৰ জাগৰণৰ সম্পৰ্ক ধৰ্মীয় বিশ্বাস আৰু সাংস্কৃতিক পৰম্পৰাৰ মাজত বিশেষভাৱে প্ৰতিষ্ঠিত। মহালয়াৰ সৈতে জড়িত আন এক গুৰুত্বপূৰ্ণ দিশ হৈছে পূৰ্বপুৰুষৰ প্ৰতি শ্ৰদ্ধা নিবেদন। হিন্দু ধৰ্মীয় পৰম্পৰাত পিতৃ পক্ষৰ সময়ছোৱাত মৃত পূৰ্বপুৰুষসকলৰ উদ্দেশ্যে শ্ৰাদ্ধ আৰু তৰ্পণ কৰা হয়। পিতৃ পক্ষৰ অন্তিম অমাৱস্যা তিথি অৰ্থাৎ সৰ্বপিতৃ অমাৱস্যাৰ বিশেষ তাৎপৰ্য আছে। এই দিনটোত বহুতে নিজৰ পূৰ্বপুৰুষসকলৰ স্মৃতিত ধৰ্মীয় ৰীতি-নীতি পালন কৰে। এই পৰম্পৰাই পূৰ্বপুৰুষৰ প্ৰতি কৃতজ্ঞতা, শ্ৰদ্ধা আৰু পাৰিবাৰিক সম্পৰ্কৰ গুৰুত্বৰ কথা সোঁৱৰাই দিয়ে।

আনহাতে, সামাজিক আৰু সাংস্কৃতিকভাৱে আমি আজি যিধৰণে মহালয়া উদ্‌যাপন কৰোঁ, তাৰ সৈতে আকাশবাণীৰ 'মহিষাসুৰমৰ্দিনী' অনুষ্ঠানৰ এক গভীৰ সম্পৰ্ক আছে। বংগীয় সাংস্কৃতিক পৰম্পৰাত এই অনুষ্ঠানৰ বিশেষ স্থান আছে। বাণী কুমাৰৰ ৰচনা, পংকজ মল্লিকৰ সংগীত পৰিচালনা আৰু বীৰেন্দ্ৰ কৃষ্ণ ভদ্ৰৰ গম্ভীৰ কণ্ঠত চণ্ডীপাঠে অনুষ্ঠানটোক এক সুকীয়া পৰিচয় প্ৰদান কৰি আহিছে। সংগীতৰ ক্ষেত্ৰত হৰিশ্চন্দ্ৰ বালীৰ অৱদানৰ কথাও উল্লেখযোগ্য। মহালয়াৰ পুৱা এই অনুষ্ঠান শুনাটো বহু লোকৰ বাবে এক আৱেগিক আৰু সাংস্কৃতিক পৰম্পৰাত পৰিণত হৈছে। এই অনুষ্ঠানৰ ইতিহাস ১৯৩০ৰ দশকৰ আৰম্ভণিৰ ৰেডিঅ' সম্প্ৰচাৰৰ সৈতে জড়িত। ইয়াৰ প্ৰাৰম্ভিক ৰূপ আৰু পৰিচিত অনুষ্ঠানটোৰ প্ৰথম সম্প্ৰচাৰৰ বছৰ সম্পৰ্কে বিভিন্ন ঐতিহাসিক বিৱৰণত পাৰ্থক্য দেখা যায়।

সংক্ষেপে ক'বলৈ গ'লে মহালয়া হৈছে পূৰ্বপুৰুষক শ্ৰদ্ধা জনোৱা আৰু দেৱী পক্ষৰ আগমনৰ সৈতে জড়িত এক পৱিত্ৰ তিথি। যুগ যুগ ধৰি চলি অহা ধৰ্মীয় বিশ্বাস আৰু সাংস্কৃতিক পৰম্পৰাই এই দিনটোক বিশেষ তাৎপৰ্য প্ৰদান কৰিছে। মহালয়াৰ আগমনৰ লগে লগে শাৰদীয় দুৰ্গোৎসৱক আদৰিবলৈ মানুহৰ মনত আনন্দ আৰু উৎসাহৰ সঞ্চাৰ হয়। অসমতো এই সময়ছোৱাত দুৰ্গা পূজাক কেন্দ্ৰ কৰি এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। সামগ্ৰিকভাৱে ক'বলৈ গ'লে অসমত মহালয়াই ধৰ্মীয় ৰীতি-নীতিৰ লগতে সাংস্কৃতিক সমন্বয়, ভাতৃত্ববোধ আৰু উলহ-মালহৰ এক পৰিৱেশৰো প্ৰতিফলন ঘটায়। ই জাতি-জনগোষ্ঠী আৰু ধৰ্ম-বৰ্ণ নিৰ্বিশেষে মানুহৰ মাজত আনন্দৰ অনুভূতি জগাই তুলিব পাৰে। মহালয়াৰ সৈতে জড়িত বিভিন্ন পৰম্পৰাৰ ভিতৰত দেৱী দুৰ্গাৰ প্ৰতিমাৰ চকু অংকন কৰাটোও বিশেষভাৱে উল্লেখযোগ্য। বংগীয় দুৰ্গোৎসৱৰ পৰম্পৰাত এই ৰীতিক 'চক্ষুদান' বুলি কোৱা হয়। অৱশ্যে, এই ৰীতি সকলো অঞ্চলতে একে ধৰণে পালন কৰা নহয়। আনহাতে, পূজাৰ আগমনৰ লগে লগে বজাৰ-সমাৰত মানুহৰ ভিৰ বাঢ়িবলৈ ধৰে আৰু ল'ৰা-ছোৱালীৰ পৰা বৃদ্ধলৈকে সকলোৰে মন পূজাৰ আনন্দ আৰু উৎসাহেৰে ভৰি পৰে।

ফোন ঃ ৮৬৩৮৫০১০১১

দৈনিক অসম



গুৱাহাটী, শনিবাৰ, ১০ অক্টোবৰ, ২০২৬

Guwahati, Saturday, October 10, 2026

# ৰাজস্থান ভ্ৰমণ সামৰি স্বগৃহলৈ পি এম শ্ৰী আদৰ্শ বিদ্যালয়ৰ ছাত্ৰী ভিতালী দাস

■ 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত' আঁচনি ■



দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ৯ অক্টোবৰ ঃ** অসমীয়া সংস্কৃতিৰ গৌৰৱময় ইতিহাস আৰু পৰম্পৰা সৰ্বভাৰতীয় পৰ্যায়ত দাঙি ধৰি তথা ভাৰতীয় পৰম্পৰাৰে শৈক্ষিক সংস্কৃতিৰ বিনিময় সমাপন কৰি ৮ অক্টোবৰত স্বগৃহৰ লগতে নিজ বিদ্যালয়ত উপস্থিত হয় ছাত্ৰী ভিতালী দাস। 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত' আঁচনিৰ অধীনত বৰপেটা জিলাৰ ৰূপসী শিক্ষাখণ্ডৰ অন্তৰ্গত দহলাপাৰা পি এম শ্ৰী আদৰ্শ বিদ্যালয়ৰ পৰা *১৩ পৃষ্ঠাত চাওক*

## 'মায়াৰিনী ৰক্তদাতা সংস্থা'ৰ প্ৰতিষ্ঠা দিৱস যোৰহাটত শতাধিকৰ ৰক্তদান

দৈনিক অসমৰ প্ৰতিনিধি

**যোৰহাট, ৯ অক্টোবৰ ঃ** 'মায়াৰিনী ৰাতিৰ বুকুত' অসম তথা অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ কালজয়ী গীতক সাৰোগত কৰি তথা বিশিষ্ট শিল্পীগৰাকীৰ আদৰ্শক আগত লৈ গঠিত 'মায়াৰিনী ৰক্তদাতা সংস্থা'ৰ প্ৰথম বাৰ্ষিক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আজি শিল্পী জুবিন গাৰ্গক সুঁৱৰি *১৩ পৃষ্ঠাত চাওক*

## বিপণীৰ বাবে প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়া আৰম্ভ
## ১৩ নৱেম্বৰৰ পৰা যোৰহাটত অসম গ্ৰন্থমেলা

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ৯ অক্টোবৰ ঃ** ৰাজ্যত আৰম্ভ হ'ল গ্ৰন্থোৎসৱৰ বতৰ। অসম প্ৰকাশন পৰিষদ আৰু পাব্লিছাৰ্চ এণ্ড বুক ছেলাৰ্চ গীল্ড, নৰ্থ-ইষ্টৰ উদ্যোগত অহা ১৩ নৱেম্বৰৰ পৰা ২২ নৱেম্বৰ ২০২৬লৈ যোৰহাট জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত ১০ দিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া অসম গ্ৰন্থমেলা, যোৰহাটত অংশগ্ৰহণ কৰিব বিচৰা গ্ৰন্থ প্ৰকাশক তথা বিক্ৰেতাসকলৰ বাবে গ্ৰন্থ বিপণীৰ আবেদন প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়া ইতিমধ্যে *১৩ পৃষ্ঠাত চাওক*



## বিদ্যালয় শিক্ষা বিভাগ-সমগ্ৰ শিক্ষা, অসমৰ উদ্যোগ
# আৰোহণ যাত্ৰা ঃ গুৱাহাটীৰ বিভিন্ন স্থান পৰিদৰ্শন তিনিচুকীয়াৰ শিক্ষাৰ্থীৰ

দৈনিক অসমৰ প্ৰতিনিধি

**তিনিচুকীয়া, ৯ অক্টোবৰ ঃ** অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগ আৰু সমগ্ৰ শিক্ষা, অসমৰ উদ্যোগত তিনিচুকীয়া জিলাৰ মেধাসম্পন্ন ৯০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ জ্ঞান অন্বেষণমূলক ভ্ৰমণৰ বাবে অসম চৰকাৰৰ শিক্ষা বিভাগৰ এক অভিলাষী আঁচনি 'আৰোহণ'ৰ অধীনত তিনিচুকীয়া জিলাৰ চৰকাৰী বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ সৰ্বোচ্চনম্বৰপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলৰ সামগ্ৰিক বিকাশ নিশ্চিত কৰাৰ লগতে নিজৰ ৰুচি আৰু কৌশলৰ প্ৰতিভা অনুসৰি ভৱিষ্যতৰ *১৩ পৃষ্ঠাত চাওক*



## বিশিষ্ট শিক্ষাবিদ আনোৱাৰ হুছেইনৰ মৃত্যু মঙলদৈত শোক

দৈনিক অসমৰ প্ৰতিনিধি

**মঙলদৈ, ৯ অক্টোবৰ ঃ** মঙলদৈ চহৰৰ ২ নং ৱাৰ্ডৰ বাসিন্দা তথা বিশিষ্ট শিক্ষাবিদ আনোৱাৰ হুছেইন (৬৬)ৰ আজি দেহাৱসান হয়। যোৱানিশা হঠাতে তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে মৃত ঘোষণা কৰে। অৰুণাচলৰ নিৰজুলিত অৱস্থিত নৰ্থ-ইষ্টাৰ্ন ৰিজিঅ'নেল ইনষ্টিটিউট অব ছায়েন্স *১৩ পৃষ্ঠাত চাওক*

## ধুবুৰীৰ জৈন ষ্টৌৰত এছ জি এছ টিৰ তিনিদিন ধৰি অভিযান
# কৰ ফাঁকিৰে জীৰা মচলাৰ ক'লা বেহা

দৈনিক অসমৰ প্ৰতিনিধি

**ধুবুৰী, ৯ অক্টোবৰ ঃ** বিগত তিনিটা দিন ধৰি ৰাজ্যিক পণ্য সামগ্ৰী আৰু সেৱা কৰ (এছ জি এছ টি) বিভাগৰ বৃহৎ দল এটাই এটা ব্যৱসায়িক প্ৰতিষ্ঠানত ধাৰাবাহিকভাৱে অভিযান চলাই থকাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে ধুবুৰীত। উল্লেখ্য যে বৃহৎ কৰ ফাঁকিৰ এক তথ্যৰ ভিত্তিত যোৱা বুধবাৰৰ পৰা ধুবুৰী চহৰৰ ধানপট্টিত থকা জৈন ষ্টোৰ নামৰ এটা প্ৰতিষ্ঠিত ব্যৱসায়িক প্ৰতিষ্ঠানত আৰম্ভ হোৱা ৰাজ্যিক পণ্য সামগ্ৰী আৰু সেৱা কৰ (এছ জি এছ টি) বিভাগৰ বৃহৎ অভিযানে আজি তিনিটা দিনত ভৰি দিছে। বাতৰি লিখা পৰলৈকে বৰ্তমানেও *১৩ পৃষ্ঠাত চাওক*

**স্বত্বাধিকাৰীৰ গৃহ, ধুবুৰীৰ ৫টাকৈ গুদামতো চলিল তালাচী ঃ ধুবুৰীৰ পৰা বাংলাদেশলৈ মচলাৰ চোৰাং চালান**




## মায়ং থানাৰ আৰক্ষীৰ সফল অভিযান
# পাভকাতিত ৩৮ গৰুসহ বাহন জব্দ

দৈনিক অসমৰ প্ৰতিনিধি

**ভূৰবন্ধা, ৯ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ মায়ং থানাৰ অন্তৰ্গত পাভকাতি অঞ্চলত মায়ং আৰক্ষীৰ এটা দলে যোৱা নিশা এক গোপন সূত্ৰৰ পম খেদি অভিযান চলাই ৩৮টাকৈ গৰুসহ এখন বাহন জব্দ কৰিবলৈ সক্ষম হয়। মায়ং থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জিতুমণি ডেকাই জানিবলৈ দিয়া মতে, যোৱা নিশা একাংশ অচিনাক্ত গো-সৰবৰাহকাৰীয়ে দৰঙৰ পৰা ব্ৰহ্মপুত্ৰ নদীৰে নাওযোগে অবৈধভাৱে গৰুসমূহ আনি মেঘালয়লৈ প্ৰেৰণ কৰাৰ বাবে *১৩ পৃষ্ঠাত চাওক*

## কুলশীৰ প্ৰস্তাৱিত নদীবান্ধ
# সমৰ্থন নিদিয়ে মেঘালয়ৰ তিনি ৰজাই
### যিকোনো মূল্যৰ বিনিময়ত বান্ধ নিৰ্মাণ প্ৰতিৰোধ কৰিবলৈ আহ্বান

দৈনিক অসমৰ প্ৰতিনিধি

**বকো, ৯ অক্টোবৰ ঃ** কুলশী নৈৰ প্ৰস্তাৱিত নদীবান্ধৰ বিৰুদ্ধে আজি প্ৰতিবাদত উত্তাল হৈ পৰে অসম-মেঘালয় সীমাৱৰ্তী উকিয়াম কিৰ্চাই অঞ্চল। বকো-ছয়গাঁও বিধানসভা সমষ্টিৰ *১৩ পৃষ্ঠাত চাওক*

No. E-2032923

**PRESS RELEASE NOTICE**
**INVITING e-TENDER**

Director, Printing & Stationery, Assam invites e-tender in two bid system (Technical & Financial) from Reputed Government Approved Minimum 'B' Category printing presses registered under Information, Public Relations, Printing & Stationery Department for Printing and Supply of 3 (three) nos. of Different Sizes of Service Envelopes.

The details of the tender can be downloaded from the website https://www.assamtenders.gov.in from 09/10/2026 (4:05 PM). Bid is to be submitted through online only before closing date of e-Tender.

**Director**
**Printing & Stationery,**
**Assam, Guwahati-21.**

**DIPR/C/DA/404/10-Oct-26**

## অধ্যক্ষাই হিটলাৰী শাসন চলোৱাৰ অভিযোগ শিক্ষাৰ্থীৰ
# অভিযোগ-প্ৰতিঅভিযোগত উত্তাল চামতা বি এড কলেজ

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

**নলবাৰী, ৯ অক্টোবৰ ঃ** নলবাৰীৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান চামতা বি এড কলেজৰ অধ্যক্ষা ডঃ জয়শ্ৰী দাসৰ হঠাতে পদত্যাগৰ ঘটনাই বি এড কলেজখনত সংঘটিত আভ্যন্তৰীণ খেলিমেলিৰ অভিযোগ শেহতীয়াভাৱে পোহৰলৈ আহিছে। ইতিমধ্যে অধ্যক্ষাগৰাকীয়ে পদত্যাগৰ পাছত এইবাৰ অধ্যক্ষাৰ বিৰুদ্ধে সৰৱ হৈ উঠিছে একাংশ ছাত্ৰ-ছাত্ৰীৰ লগতে একাংশ শিক্ষক-শিক্ষয়িত্ৰী। সঁচাকৈয়ে হিটলাৰী শাসন চলাইছিল নেকি চামতা বি এড কলেজৰ অধ্যক্ষা ডঃ জয়শ্ৰী দাসে? পৰিচালনা সমিতিয়ে কিয় দমন কৰাৰ চেষ্টা চলায় অধ্যক্ষাক? চেকত *১৩ পৃষ্ঠাত চাওক*

**অধ্যক্ষাক হত্যাৰ ভাবুকি পৰিচালনা সমিতিৰ সদস্যৰ**



## জখলাবন্ধাত হাতে-লোটে ধৰা পৰিল চোৰ
### আৰক্ষীৰ নিষ্ক্ৰিয়তাক লৈ কলিয়াবৰত ক্ষোভ

দৈনিক অসমৰ প্ৰতিনিধি

**কলিয়াবৰ, ৯ অক্টোবৰ ঃ** সমগ্ৰ কলিয়াবৰৰ লগতে জখলাবন্ধা অঞ্চলত সম্প্ৰতি চোৰৰ উপদ্ৰৱ অভাৱনীয়ভাৱে বৃদ্ধি পাইছে। প্ৰতি নিশাই অঞ্চলটোৰ কোনোবা নহয় কোনোবা স্থানত গৰু চুৰিৰ লগতে সাধাৰণ মানুহৰ ঘৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানত চুৰিকাণ্ড সংঘটিত হৈ আহিছে। এনে ধাৰাবাহিক ঘটনাৰ পাছতো আৰক্ষী-প্ৰশাসন একপ্ৰকাৰ নিৰ্বিকাৰ হৈ থকাৰ অভিযোগ উঠিছে। আৰক্ষীৰ নিষ্ক্ৰিয়তাৰ বাবে এতিয়া সমগ্ৰ কলিয়াবৰবাসীয়ে প্ৰশাসনৰ ওপৰত আস্থা হেৰুৱাইছে। এনে এক ত্ৰাসৰ *১৩ পৃষ্ঠাত চাওক*

Comp no: I/1796636/2026

**ATAL AMRIT ABHIYAN SOCIETY, ASSAM**

Atal Amrit Abhiyan Society, Assam, under Medical Education and Research Department, Government of Assam is a registered Society under the Societies Registration Act, 1860 and notified by the Government as the implementing agency for Ayushman Bharat-Pradhan Mantri Jan Arogya Yojana and Ayushman Asom- Mukhya Mantri Jan Arogya Yojana, two unique Health Assurance Schemes which aims to provide cashless healthcare coverage to Low Income households in Assam. The Society is also implementing Mukhya Mantri Lok Sevak Arogya Yojana, PM-RAHAT and Vyay Vandana Schemes to different sections of the Society in the State of Assam.

For implementation of the Schemes, Atal Amrit Abhiyan Society, Assam, invites online applications for the following vacant positions on a purely contractual basis:

| Sl No | Name of the Positions | No of Posts |
|---|---|---|
| 1 | Medical Officer | 6 |
| 2 | SAFO - Medical | 1 |
| 3 | Claims Executive | 9 |
| 4 | Operation Executive | 1 |

Candidates having requisite qualification and experience will be shortlisted and called for interview/test at a date, time and venue to be intimated to the shortlisted candidates. The candidates have to attend the interview/test accordingly with the relevant educational, identity and work experience testimonials in original and a set of self-attested photocopy. No TA/DA will be paid for the purpose. Details relating to qualification/ eligibility etc. of the aforesaid positions are available at: www.atalamritabhiyan.assam.gov.in. Salary will be as indicated in the respective ToR of the positions.

Online applications will be received from 10/10/2026 to 25/10/2026. The aspiring candidates may visit the AAAS website for Terms of Reference and other updates.

Sd/-
Chief Executive Officer
Atal Amrit Abhiyan Society, Assam

DIPR/DF/DA/929/10-Oct-26

# মুখা দশম বাৰ্ষিক বিষ্ণু-জ্যোতি ৰাষ্ট্ৰীয় নাট সমাৰোহ
### ৰোহিতচ্ছভ গৌৰ-ৰেখা গৌৰক মুখা বঁটা



দৈনিক অসমৰ প্ৰতিনিধি

**বৰপেটা, ৯ অক্টোবৰ ঃ** ৰাজ্যৰ অন্যতম আগশাৰীৰ অপেছাদাৰী নাট্যদল বৰপেটাৰ 'মুখা'ই যোৱা ৩ অক্টোবৰৰ পৰা *১৩ পৃষ্ঠাত চাওক*

**অভিনেতা প্ৰদীপ নিশিথক অল ইণ্ডিয়া আৰ্টিষ্ট ফাউণ্ডেচনৰ জীৱনজোৰা সাধনা বঁটা প্ৰদান**



*গুৱাহাটীস্থিত এলেন কেয়াৰ ইনষ্টিটিউত অনুষ্ঠিত সজাগতামূলক সভাত ভাষণ দিছে জিএমচিএইচৰ যৌন ৰোগ পৰামৰ্শদাতা জ্যোতিমালা চৌধুৰীয়ে।*

## সেৱা সংকল্প অভিযান
# ২,৭০১গৰাকী ব্যক্তিৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

**গোলাঘাট, ৯ অক্টোবৰ ঃ** সেৱা সংকল্প অভিযানৰ অন্তৰ্গত হিচাপে ইতিমধ্যে চলি থকা কাৰ্যসূচীৰ অন্তৰ্গত স্বাস্থ্য *১৩ পৃষ্ঠাত চাওক*




## বিলাসীপাৰাত চিলনী চোৰে থপিয়াই নিলে সোণৰ চেইন

দৈনিক অসমৰ প্ৰতিনিধি

**বিলাসীপাৰা, ৯ অক্টোবৰ ঃ** চিলনী চোৰৰ উপদ্ৰৱত অতিষ্ঠ হৈ পৰিছে বিলাসীপাৰাবাসী। দিনে দিনে বৃদ্ধি হৈছে চিলনী চোৰৰ উপদ্ৰৱ। চুৰি-ডকাইতি, *১৩ পৃষ্ঠাত চাওক*

**GOVERNMENT OF ASSAM**
**OFFICE OF THE CHIEF ENGINEER (ROADS), PUBLIC WORKS ROADS DEPARTMENT, ASSAM, GUWAHATI-03**

No. CE/DEV/ASOM MALA 3.0/14/2025-26/15

**PRESS NOTICE INVITING TENDER**

The Chief Engineer (Roads), PWRD, Assam, Chandmari, Guwahati-3 invites Bids online on behalf of Governor of Assam online, for 01 (One) no. of package for, "Balance Work for "Improvement and Upgradation of Old AT Road (Old NH-37) starting at Ch. 636.80 Km (Laipuli) and ending at Ch. 653.50 Km (Makum ROB) under Asom Mala 3.0 for the year of 2025-26." amounting to Rs. 3301.57 Lakh. (approx.) including 18% GST & 1% LC etc. from approved & eligible Firm/Contractors registered with PWRD, Assam and having experience in similar nature of work.

Details may be seen from 13.10.2026 at website www.assamtenders.gov.in. Amendment/Addendum to the SBD, if any, and further notifications shall appear in this website and also at the office of the undersigned during office hours. The contractor/bidder must be registered with the Electronic Tendering System (ETS) of PWRD, Assam website www.assamtenders.gov.in.

Note:-
1. The Bid Price may vary at the time of detail tendering for which no claim will be admissible.
2. All terms & condition will be as per Bidding Documents.

**Sd/-**
**Chief Engineer (Roads), PWRD,**
**Assam, Chandmari, Guwahati-3.**

**DIPR/C/DA/406/10-Oct-26**

No. SE(DBC)/SPRTSPG-KRDGR/26-27/606

**RE-TENDER PRESS NOTICE**
**নিবিদা আহ্বান কৰা পুনৰ জাননী**

The Superintending Engineer, PWD, Dibrugarh Building Circle, invites bid on behalf of the Governor of Assam for the following work from registered eligible APWD (Building) contractor/firm.

The details of the bid and detail notice inviting tender may be seen at the PWD portal www.assamtenders.gov.in. The bidders must be registered with the E-tendering system (ETS) of the Govt. of Assam (website http://assamtenders.gov.in)

অসমৰ ৰাজ্যপাল মহোদয়ৰ হৈ অধীক্ষক অভিযন্তা, লোকনিৰ্মাণ বিভাগ, ডিব্ৰুগড় গৃহ মণ্ডলে উল্লেখিত কামসমূহৰ বাবে পঞ্জীয়নভুক্ত যোগ্য অসম লোকনিৰ্মাণ বিভাগে (গৃহ) ঠিকাদাৰ/প্ৰতিষ্ঠানৰ পৰা নিবিদা আহ্বান কৰিছে।

নিবিদাৰ বিৱৰণ আৰু বিতং জাননী লোকনিৰ্মাণ বিভাগৰ প'ৰ্টেল www.assamtenders.gov.in ত চাব পৰিব। নিবিদাকাৰীসকলে অসম চৰকাৰৰ ই-টেণ্ডাৰিং প্ৰণালীত (ETS) পঞ্জীয়নভুক্ত হ'ব লাগিব। (ৱেবছাইট ঃ https://assamtenders.gov.in)

| Name of work কামৰ নাম | Name of Division সংমণ্ডলৰ নাম | Approx. value of work (Rs.) কামৰ আনুমানিক ব্যয় (টকাত) | Time of completion of work কাম সম্পূৰ্ণ কৰাৰ সময়সীমা | Bid Security নিবিদা নিৰাপত্তা | Cost of bid নিবিদাৰ খৰচ |
|---|---|---|---|---|---|
| Construction of Sports Complex at Borgorah Playground, Kordoiguri বৰগৰা খেলপথাৰ, কৰ্দৈগুৰিৰ ক্ৰীড়া কমপ্লেক্স নিৰ্মাণ। | Executive Engineer, P.W.D. Tinsukia District Territorial Building Division, Tinsukia কাৰ্যবাহী অভিযন্তা, লোকনিৰ্মাণ বিভাগ, তিনিচুকীয়া জিলা আঞ্চলিক গৃহ সংমণ্ডল, তিনিচুকীয়া | Rs. 72,11,360.00 ₹ ৭২,১১,৩৬০.০০ | 12 months ১২ মাহ | 2% for general and 1% for reserved Category সাধাৰণ শ্ৰেণীৰ বাবে ২% আৰু সংৰক্ষিত শ্ৰেণীৰ বাবে ১% | Rs. 1500.00 |

Note :
টোকা ঃ
1. NIT value may be changed during uploading of tender in the website, which may be seen in Detailed NIT of the bid document.
১। ৱেবছাইটত টেণ্ডাৰ আপলোড কৰাৰ সময়ত NIT-ৰ মূল্য পৰিৱৰ্তন হ'ব পাৰে, বিশদ নিবিদা(Detailed NIT)ত দেখা যাব।
2. The Press Notice will form a part of Bidding Document.
২। নিবিদা আহ্বান কৰা জাননীখন নিবিদাপত্ৰৰ এটা অংশ হ'ব।

**Sd/-**
**Superintending Engineer, PWD**
**Dibrugarh Building Circle, Dibrugarh.**
**অধীক্ষক অভিযন্তা,**
**লোকনিৰ্মাণ বিভাগ, ডিব্ৰুগড় গৃহ মণ্ডল, ডিব্ৰুগড়**

**DIPR/C/DA/403/10-Oct-26**

মৰঙিৰ ভিন্ন প্ৰান্তত বনৰীয়া হাতীৰ উপদ্ৰৱ

# বিঘাই বিঘাই খাই তহিলং গেঁৰ ধৰা ধান



**দৈনিক অসমৰ প্ৰতিনিধি**
**মৰঙি, ৯ অক্টোবৰ ঃ** গোলাঘাট বন সংমণ্ডলৰ অধীনৰ মৰঙি ৰাজহ চক্ৰৰ বকিয়াল, মুৰফুলনি, জুৰীয়া দলং আদি খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত বিভিন্ন গাঁৱৰ খেতিপথাৰত ধাৰাবাহিকভাৱে চলিছে বনৰীয়া হাতীৰ উপদ্ৰৱ। বনৰীয়া হাতীৰ এটা বৃহৎ জাকে খাদ্যৰ সন্ধানত নিশা হ'লেই কেইবাটাও ভাগত বিভক্ত হৈ জনাঞ্চলত প্ৰৱেশ কৰি ত্ৰাসৰ সৃষ্টি কৰিছে। মৰঙিৰ অৰ্দ্ধশতাধিক গাঁৱৰ কৃষকে মূৰৰ ঘাম মাটিত পেলাই খেতি কৰা গেঁৰ ধৰা ধান নিশাটোৰ ভিতৰতে তহিলং কৰিছে। একাংশ কৃষকে হাতীৰ উপদ্ৰৱৰ পৰা পৰিত্ৰাণৰ বাবে খেতিপথাৰৰ চাৰিওফালে সৌৰচালিত ফেন্সিং ব্যৱহাৰ কৰিছে যদিও হাতীয়ে সেই সৌৰচালিত ফেন্সিঙৰ খুঁটা ভাঙি খেতিপথাৰত প্ৰৱেশ কৰি নিদ্ৰা হৰিছে ৰাইজৰ। বকিয়াল বন খণ্ডৰ অধীনৰ মিৰিপথাৰ, ধলাকছাৰী, পৰজাবস্তি, হালোৱা গাঁও, মিঠাআম চাপৰি, পানীকৰা গাঁও, আবৰঘাট, ৩ নং ভোলাগুৰি, ২ নং কৈৱৰ্ত আদি গাঁৱত কেইবাদি ধৰি উপদ্ৰৱ চলোৱাৰ ফলত বহু হেক্টৰ গেঁৰ ধৰা ধান সম্পূৰ্ণ নষ্ট হোৱাৰ লগতে কেইবাটাও পৰিয়ালৰ বাসগৃহ ভাঙি তহিলং কৰে বনৰীয়া হাতীৰ জাকে। ৰাইজে বন বিভাগক খবৰ দিয়াৰ পাছতো বন বিভাগে হাতী খেদাৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। নিশা বন বিভাগক ফোন কৰিলে সঁহাৰি নিদিয়াৰ অভিযোগ কৰিছে। ৰাইজে শীঘ্ৰে হাতীৰ জাকটোক বনাঞ্চললৈ খেদি পঠিয়াবৰ বাবে বিভাগীয় কৰ্তৃপক্ষ আৰু গোলাঘাট জিলা প্ৰশাসনক দাবী জনাইছে।

## আৰ এছ এছ কৰ্মী সুৰেন ৰাজখোৱাৰ মৃত্যু



**দৈনিক অসমৰ প্ৰতিনিধি**
**কামপুৰ, ৯ অক্টোবৰ ঃ** ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ প্ৰাক্তন বিস্তাৰক-প্ৰচাৰক তথা বিশ্ব হিন্দু পৰিষদৰ প্ৰাক্তন পূৰ্ণকালীন কাৰ্যকৰ্তা কামপুৰ কপিলীপাৰৰ বৰচুং গাঁও নিবাসী সুৰেন ৰাজখোৱা (৫৪)ৰ আজি পুৱা আকস্মিকভাৱে বিয়োগ ঘটে। পুৱা নিজ গৃহতে ৰাজখোৱা হঠাৎ অসুস্থ হৈ পৰাত তেওঁক চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও চিকিৎসকে মৃত ঘোষণা কৰে। জীৱনৰ গুৰুত্বপূৰ্ণ সময়ছোৱা ৰাজখোৱাই ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ আৰু বিশ্ব হিন্দু পৰিষদৰ সাংগঠনিক কাম-কাজত উৎসৰ্গ কৰি নিষ্ঠা আৰু দায়বদ্ধতাৰে নিজৰ কৰ্তব্য পালন কৰিছিল। ৰাজখোৱাৰ মৃত্যুত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত ৰাজখোৱাই পত্নী, এগৰাকী পুত্ৰসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

## আৰ টি আইৰ সাতটা আবেদনৰ শুনানি ৰাজ্যিক তথ্য আয়োগৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**হাইলাকান্দি, ৯ অক্টোবৰ ঃ** সপ্তাহজোৰা তথ্যৰ অধিকাৰ আইন সপ্তাহৰ অংশ হিচাপে বৃহস্পতিবাৰে হাইলাকান্দিত অসম তথ্য আয়োগৰ পৰিচালনাত আৰু হাইলাকান্দি জিলা প্ৰশাসনৰ সহযোগত এখন দিনজোৰা সজাগতা সভা অনুষ্ঠিত হয়। ইয়াৰ সমান্তৰালকৈ সেইদিনা বিভিন্ন বিভাগৰ তথ্যৰ অধিকাৰ (আৰ টি আই)ৰ ৭টা আবেদনৰ শুনানিও অনুষ্ঠিত হয়। আৰ্তৰ ভৱনৰ ৰবীন্দ্ৰনাথ ঠাকুৰ সভাকক্ষত অনুষ্ঠিত সজাগতা সভাত হাইলাকান্দি জিলাৰ আয়ুক্ত জয় বিকাশ, ৰাজ্যিক তথ্য আয়ুক্ত তথা অৱসৰপ্ৰাপ্ত আই এ এছ বিষয়া ভাৰত ভূষণ দেৱচৌধুৰীক ধৰি জিলাখনৰ বিভিন্ন চৰকাৰী বিভাগৰ আৰ টি আই শাখাৰ ভাৰপ্ৰাপ্ত বিষয়াসকল উপস্থিত থাকে। সহকাৰী আয়ুক্ত কিষাণ চৰইয়ে কয় যে বিভিন্ন বিভাগৰ ৰাইজৰ আৱেদনৰ ভিত্তিত মুঠ ৭টা আৰ টি আই গোচৰৰ শুনানি গ্ৰহণ কৰা হৈছে।

জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ

## লখিমপুৰত যুৱ পৰিষদৰ অৱস্থান ধৰ্মঘট



**দৈনিক অসমৰ প্ৰতিনিধি**
**লখিমপুৰ, ৯ অক্টোবৰ ঃ** অসম জাতীয়তাবাদী যুৱ পৰিষদ, লখিমপুৰ জিলা সমিতিৰ উদ্যোগত আৰু উত্তৰ লখিমপুৰ আঞ্চলিক সমিতিৰ সহযোগত আজি লখিমপুৰ নগৰত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। লখিমপুৰ নগৰৰ খেলমাটিৰ হনুমান মন্দিৰৰ সমীপত যুৱ পৰিষদে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি অৱস্থান ধৰ্মঘটস্থলীৰ পৰাই পাঁচদফীয়া দাবীসম্বলিত স্মাৰকপত্ৰ জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। লখিমপুৰ জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি মজিবুৰ ৰহমান, সাধাৰণ সম্পাদক তপন দত্ত, উত্তৰ লখিমপুৰ আঞ্চলিক সমিতিৰ সভাপতি ৰিংকু শইকীয়া, সাধাৰণ সম্পাদক পংকজ হাজৰিকা স্বাক্ষৰিত স্মাৰকপত্ৰত উল্লেখ কৰে যে অত্যাৱশ্যকীয় খাদ্যসামগ্ৰীৰ লগতে অন্যান্য সামগ্ৰীৰ আকাশলংঘী দাম বৃদ্ধিয়ে সৰ্বসাধাৰণক জুৰুলা কৰিছে। ক্ষুদ্ৰ আঁচনিয়ে নিবনুৱা সমস্যা সমাধান কৰিব পৰা নাই। প্ৰতিবাদী কাৰ্যসূচীত পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক মোবিন আহমেদ, জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি মজিবুৰ ৰহমান, সাধাৰণ সম্পাদক তপন দত্ত, সহকাৰী সম্পাদক পৰমা শইকীয়া, উত্তৰ লখিমপুৰ আঞ্চলিক সমিতিৰ উপদেষ্টা জীৱন তালুকদাৰ, সভাপতি ৰিংকু শইকীয়া, সাধাৰণ সম্পাদক পংকজ হাজৰিকা, সহকাৰী সম্পাদক বিপুল নেওগ, ৰাজীৱ চুতীয়া, নাওবৈচা আঞ্চলিক সমিতি, ঘাৰমৰা শাখা সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে।



## বাসুগাঁৱত ৬৬৯ নং থুৰিবাৰী এল পি স্কুলত নিশা দুৰ্বৃত্তৰ তাণ্ডৱ

**দৈনিক অসমৰ প্ৰতিনিধি**
**চিৰাং, ৯ অক্টোবৰ ঃ** চিৰাং জিলাৰ বাসুগাঁও চহৰস্থিত ৬৬৯ নং থুৰিবাৰী এল পি স্কুলত কালি নিশা অচিনাক্ত দুৰ্বৃত্তই তাণ্ডৱ চলায়। আজি পুৱা বিদ্যালয়ত শিক্ষয়িত্ৰীসকলে মুখ্য প্ৰৱেশদ্বাৰ খুলি ভিতৰত প্ৰৱেশ কৰাৰ পাছতে এই চাঞ্চল্যকৰ ঘটনা পোহৰলৈ আহে। ঘটনা সংক্ৰান্তত জানিবলৈ পোৱা মতে নিশাৰ ভাগত কোনো অচিনাক্ত দুৰ্বৃত্তৰ দলে বিদ্যালয়ৰ খিৰিকীৰে প্ৰৱেশ কৰি তিনিটা শ্ৰেণীকোঠাৰ কিতাপ, বহী, আচবাব পত্ৰ, টেবুল-চকী ভাঙি লণ্ড-ভণ্ড কৰি মজিয়াত সিঁচৰতি কৰি থৈ যায়। ইয়াতে ক্ষান্ত নাথাকি দুৰ্বৃত্তৰ দলটোৱে কণ কণ ছাত্ৰ-ছাত্ৰীয়ে বহি পঢ়া প্লাষ্টিকৰ টেবুল-চকী খিৰিকীৰে বাহিৰলৈ দলিয়াই দিয়ে। উল্লেখ্য যে এসপ্তাহৰ ভিতৰত বিদ্যালয়খনত এয়া দ্বিতীয় ঘটনা। ৩ অক্টোবৰত এটা শ্ৰেণীকোঠাত অনুৰূপ ধৰণে ঘটনা সংঘটিত কৰিছিল বুলি বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ঘটনা সংক্ৰান্তত বিদ্যালয় কৰ্তৃপক্ষই বাসুগাঁও থানাত গোচৰ ৰুজু কৰে। বাসুগাঁও থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰাজু মিলি ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। লক্ষণীয় বিষয় যে ৬৬৯ নং থুৰিবাৰী এল পি স্কুলত দুৰ্বৃত্তই শ্ৰেণীকোত লণ্ড-ভণ্ড কৰিলেও শিক্ষানুষ্ঠানৰ পৰা কোনো সামগ্ৰী চুৰি কৰি নিয়া নাই।

## পাঠশালা অসামৰিক চিকিৎসালয়ৰ নতুন ভৱনত বৃহৎ অস্ত্ৰোপচাৰৰ সফলতা

**দৈনিক অসমৰ প্ৰতিনিধি**
**বজালী, ৯ অক্টোবৰ ঃ** বজালী জিলাৰ স্বাস্থ্যখণ্ডলৈ আশাব্যঞ্জক খবৰ কঢ়িয়াই আনিছে পাঠশালাস্থিত শ্বহীদ মদন-ৰাউতা অসামৰিক চিকিৎসালয়ে। চিকিৎসালয়খনৰ নৱোদ্বোধিত ভৱনত কালি প্ৰথমটো বৃহৎ অস্ত্ৰোপচাৰ সফলতাৰে সম্পন্ন কৰা হয়। চিকিৎসালয়খনৰ সাধাৰণ অস্ত্ৰোপচাৰ বিভাগে স্পাইনেল এনাস্থেছিয়াৰ অধীনত এগৰাকী ৰোগীৰ কঁকালৰ (Lumbar region) অংশত থকা বৃহৎ আৰুৰ লিপ'মা অস্ত্ৰোপচাৰৰ জৰিয়তে সফলতাৰে আঁতৰ কৰে। শল্য চিকিৎসক ডাঃ দীনদয়াল সিঙৰ নেতৃত্বত সাধাৰণ অস্ত্ৰোপচাৰ বিভাগৰ চিকিৎসকসকলে এনাস্থেছিয়া, নাৰ্ছিং আৰু অপাৰেচন থিয়েটাৰৰ কৰ্মীসকলৰ সহযোগত এই গুৰুত্বপূৰ্ণ অস্ত্ৰোপচাৰ সম্পন্ন কৰে। নতুন ভৱনত সম্পন্ন হোৱা এই প্ৰথমটো বৃহৎ অস্ত্ৰোপচাৰে পাঠশালা অসামৰিক চিকিৎসালয়ত উন্নত অস্ত্ৰোপচাৰ সেৱাৰ সম্ভাৱনাক অধিক শক্তিশালী কৰি তুলিছে। বিশেষকৈ বজালী জিলাৰ ৰাইজে এতিয়াৰে পৰা নিজৰ অঞ্চলতে অধিক উন্নত, সুলভ আৰু নিৰাপদ অস্ত্ৰোপচাৰ সেৱা লাভ কৰাৰ ক্ষেত্ৰত এই সফলতাই নতুন আশাৰ সৃষ্টি কৰিছে। উল্লেখ্য যে উন্নত অস্ত্ৰোপচাৰ সেৱাৰ বাবে বহু ৰোগী পূৰ্বতে দূৰ-দূৰণিৰ চিকিৎসালয়লৈ যাবলগীয়া হৈছিল। পাঠশালাতে এনে সেৱা অধিক শক্তিশালী হোৱাৰ ফলত ৰোগী আৰু পৰিয়ালৰ সময়, যাতায়াতৰ খৰচ তথা অন্যান্য অসুবিধা বহু পৰিমাণে হ্ৰাস পোৱাৰ সম্ভাৱনা আছে। এই সফলতাৰ বাবে চিকিৎসক, এনাস্থেছিয়া বিশেষজ্ঞ, নাৰ্ছ, অপাৰেচন থিয়েটাৰৰ কৰ্মীসহ চিকিৎসা-স্বাস্থ্যকৰ্মীৰ দলটোক অভিনন্দন জ্ঞাপন কৰিছে ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে। আনহাতে বজালী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়ে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যখনত স্বাস্থ্যসেৱাৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ প্ৰচেষ্টাৰ মাজতে আৰু স্বাস্থ্যমন্ত্ৰী অশোক সিংহলৰ সক্ৰিয় পদক্ষেপৰ সময়ছোৱাত পাঠশালা অসামৰিক চিকিৎসালয়ত এই বৃহৎ অস্ত্ৰোপচাৰৰ সফলতা বজালী জিলাৰ স্বাস্থ্যখণ্ডৰ বাবে এক উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে বুলি মন্তব্য কৰি চিকিৎসাকৰ্মীসকলক শুভেচ্ছা জনায়।

বৰপেটাৰোড ৰাস মহোৎসৱৰ প্ৰস্তুতি

## ১৩খন বিলাসী বাহনৰে বৰঙণি পত্ৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**বৰপেটাৰোড/হাউলী, ৯ অক্টোবৰ ঃ** বিগত বছৰৰ দৰে এইবেলিও বৰপেটাৰোডত ১৯দিনীয়া বৰ্ণিল কাৰ্যক্ৰমণিকাৰে ৯৮ সংখ্যক ৰাস মহোৎসৱ ২৪ নৱেম্বৰৰ পৰা ১২ ডিচেম্বৰলৈ উদ্‌যাপন কৰা হ'ব। ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি অসমৰ ৰাইজেৰে উৎসাহিত হৈ থকা বহুচৰ্চিত বৰঙণি পত্ৰৰ বিপৰীতে ১৩খন বিলাসী বাহনৰে বৰঙণি পত্ৰ বিলাসী বাহন উপহাৰ দিয়া খেলখন এইবেলিও অনুষ্ঠিত কৰা হ'ব। এই উপলক্ষে ৯৮ সংখ্যক বৰপেটাৰোড ৰাস মহোৎসৱ উদ্‌যাপন সমিতিয়ে আজি দুপৰীয়া ভাগত ৰাস মন্দিৰৰ কাৰ্যালয়ত এখন সংবাদমেল অনুষ্ঠিত কৰি বহুমুখী প্ৰকল্পৰ বৰঙণি পত্ৰৰ সবিশেষ অৱগত কৰে সভাপতি মণ্টু ওজাই। সংবাদমেলত ৰাস মহোৎসৱৰ উদ্‌যাপন সমিতিৰ সভাপতি মণ্টু ওজাই কয় যে এই বছৰ বৰঙণিদাতাই উপহাৰৰূপে ১৩খন বিলাসী বাহন লাভ কৰিব। ইয়াৰ ভিতৰত এইবাৰ প্ৰথম উপহাৰ হিচাপে থাকিব বি এম ডব্লিউ স্প'ৰ্ট গাড়ী। যিখনৰ মূল্য প্ৰায় ৫০ লাখ টকাৰো অধিক বুলি বিবেচনা কৰা হৈছে। ইয়াৰ পাছত ক্ৰমে দ্বিতীয় টয়টা ইনোভা হাই ক্ৰছ, তৃতীয় টয়টা হাইৰাইডাৰ, চতুৰ্থ টাটা নেক্সন, পঞ্চম টয়টা টাইজৰ, ষষ্ঠ মাৰুতি ছুজুকি ছুইফট, সপ্তম হুনডাই এক্সটাৰ, অষ্টম টাটা এৰিছ, নৱম মাৰুতি ছুজুকি এক্সপ্ৰেছো, দশম ৰেনল্ড কুইড, একাদশ, দ্বাদশ আৰু ত্ৰয়োদশ মাৰুতি অল্টো কে-১০ একোখনকৈ। সংবাদমেলত সভাপতি মণ্টু ওজাই কয়— এইবেলি দুৰ্গা পূজাৰ ষষ্ঠীৰ দিনাৰ পৰা বৰঙণি পত্ৰ বিতৰণৰ কাম আৰম্ভ কৰিবলৈ চেষ্টা কৰা হ'ব। প্ৰতিখন বৰঙণি পত্ৰৰ মূল্য পূৰ্বৰ দৰে এশ টকাকে সীমাবদ্ধ থাকিব। তদুপৰি বহুমুখী প্ৰকল্পৰ বৰঙণি পত্ৰৰ কোনোধৰণৰ অনলাইন ব্যৱস্থা নাথাকিব বুলিও সভাপতিগৰাকীয়ে স্পষ্ট কৰি দিয়ে। ভক্তিপ্ৰাণ ৰাইজক ক'লা বজাৰৰ পৰা বৰঙণি পত্ৰ সংগ্ৰহ নকৰিবলৈ আহ্বান জনাই সভাপতিগৰাকীয়ে আৰু কয় যে বৰঙণি পত্ৰৰ ক'লা বজাৰ যাতে হ'ব নোৱাৰে তাৰ প্ৰতি সমিতিয়ে তীক্ষ্ণ নজৰ ৰাখিব। ৰাইজৰ সহযোগত বৰঙণি পত্ৰৰ খেলখন শান্তি-শৃংখলাৰ মাজেৰে সফলভাৱে অনুষ্ঠিত হ'ব বুলি সমিতিয়ে সকলোৰে সহযোগিতা বিচাৰে।




## শোলমাৰা আৰক্ষী চকীত সেৱা সংকল্প অভিযান সম্পন্ন




**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**
**নলবাৰী, ৯ অক্টোবৰ ঃ** চাইবাৰ ক্ৰাইম আৰু ড্ৰাগ্‌ছ, মাদক দ্ৰব্যৰ বিৰুদ্ধে শোলমাৰা আৰক্ষী চকীত আজি এখন সজাগতা সভা সম্পন্ন হৈ যায়। বিশিষ্ট সমাজকৰ্মী কৰুণা ভৰালীৰ সভাপতিত্বত অনুষ্ঠিত সভাত ধৰণী দাস, ঘিলাজাৰি গাঁওপ্ৰধান লোহিত দাস, বৰহেলচা গাঁওপ্ৰধান পৰমানন্দ তালুকদাৰ, কৈহাটী গাঁওপ্ৰধান কুমুদ গোস্বামী, চিত্ৰশিল্পী মৃণাল দাস, শিক্ষক দিলীপ ৰাজবংশীৰ লগতে প্ৰায় ৫০গৰাকী জ্যেষ্ঠ ব্যক্তিৰ উপস্থিতিত সভাখন অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি শোলমাৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া চিত্তৰঞ্জন বৰাই ড্ৰাগ্‌ছে কেনেদৰে যুৱ প্ৰজন্মক বিপথে পৰিচালিত কৰি সমাজ ব্যৱস্থা ধ্বংস কৰি পেলাইছে তাৰ বিশদ মন্তব্য আগবঢ়োৱাৰ লগতে সমাজত এনেকুৱা কিবা ঘটনা দেখিলে প্ৰশাসনক অৱগত কৰাৰ আহ্বান জনায়। শিক্ষক দিলীপ ৰাজবংশীয়ে চৰকাৰে দিয়া মদৰ লাইচেঞ্চে সমাজখনক বহু পিছুৱাই লৈ যোৱা বুলি ক্ষোভ ব্যক্ত কৰে।

## শিমলুগুৰিত শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সপ্তদশ অধিৱেশন আৰম্ভ

**দৈনিক অসমৰ প্ৰতিনিধি**
**লাকুৱা, ৯ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ শিমলুগুৰি নাট্যমন্দিৰ প্ৰাংগনত আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সপ্তদশ অধিৱেশন। শিমলুগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ আতিথ্যত দুদিনীয়াকৈ অনুষ্ঠিত অধিৱেশনৰ আজি পুৱা আছুৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকাই। ইয়াৰ পাছতে শ্বহীদ তৰ্পণ কৰে সম্পাদক দীপাংকৰ শইকীয়াই। অধিৱেশনৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভূপেন্দ্ৰ সংগীত আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। গড়গাঁও মহাবিদ্যালয়ৰ অধ্যাপক ডঃ জিতু শইকীয়াই উদ্বোধন কৰা প্ৰতিযোগিতাত শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। সংগীত প্ৰতিযোগিতাত কণ্ঠশিল্পী বুবু দেউঘৰীয়া আৰু প্ৰভাত কোঁৱৰে বিচাৰকৰ আসন শুৱনি কৰে। সন্ধিয়া ন-পুৰণি ছাত্ৰ সন্থাৰ কৰ্মীসকলৰ এক অন্তৰংগ আলাপ অনুষ্ঠানৰ লগতে কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব। অধিৱেশনৰ কাইলৈ দ্বিতীয় তথা অন্তিম দিনা অন্যতম কাৰ্যসূচী হিচাপে সমন্বয় সাংস্কৃতিক শোভাযাত্ৰা, প্ৰতিযোগিতা, প্ৰদৰ্শনী, বিজ্ঞান মেলা, সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন হ'ব।

দৰঙামেলাত আৰনাই এম্প'ৰিয়াম উদ্বোধন আৰু ৱেবছাইট মুকলি

## আন্তঃৰাষ্ট্ৰীয় বজাৰ দখলৰ লক্ষ্য ব্ৰাফেডৰ



**দৈনিক অসমৰ প্ৰতিনিধি**
**তামুলপুৰ, ৯ অক্টোবৰ ঃ** বিটিচিৰ হস্ততাঁত বস্ত্ৰশিল্প বিভাগৰ অধীনস্থ বড়োলেণ্ড আঞ্চলিক শীৰ্ষ শিপিনী আৰু হস্তশিল্পী সমবায় ফেডাৰেচন, চমুকৈ ব্ৰাফেডৰ উদ্যোগত তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ দৰঙামেলাত নৱনিৰ্মিত 'আৰনাই এম্প'ৰিয়াম' আৰু প্ৰতিষ্ঠানটোৰ আনুষ্ঠানিক ৱেবছাইটৰ শুভ উদ্বোধন কৰা হয়। বিটিচি চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ কাৰ্যবাহী সদস্য মহেশ্বৰ বসুমতাৰীয়ে এই বিশেষ এম্প'ৰিয়ামখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ লগতে বড়োলেণ্ডৰ সমৃদ্ধিশালী হস্ততাঁত, হস্তশিল্প আৰু সাংস্কৃতিক ঐতিহ্যক বিশ্ববাসীৰ সন্মুখত তুলি ধৰাৰ লক্ষ্যৰে প্ৰস্তুত কৰা আনুষ্ঠানিক ৱেবছাইটটোও (www.brawfed.org) ৰাইজৰ বাবে মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত ভাষণ দি বসুমতাৰীয়ে কয় যে এই আধুনিক বিপণী আৰু পদক্ষেপৰ জৰিয়তে সীমান্ত অঞ্চলৰ স্থানীয় শিপিনী আৰু হস্তশিল্পীসকল অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ দিশত এক যুগান্তকাৰী বাট মুকলি হ'ব আৰু চুবুৰীয়া ভূটানৰ বিভিন্ন সামগ্ৰীৰ লগতে আমাৰ থলুৱা উৎপাদনে এক সুকীয়া মৰ্যাদা লাভ কৰিব। ইয়াৰ পাছতে ব্ৰাফেডৰ অধ্যক্ষ অনিল বড়োৱে সম্বোধন কৰা এক গুৰুত্বপূৰ্ণ সংবাদমেলত সদৰি কৰে যে ব্ৰাফেডক কেৱল এটা পৰম্পৰাগত অনুষ্ঠান বা খুচুৰা বিক্ৰী কেন্দ্ৰ হিচাপে নাৰাখি বড়োলেণ্ডৰ শিপিনীসকলক আন্তঃৰাষ্ট্ৰীয় বজাৰৰ সৈতে সংযোগ কৰাৰ বাবে সুদূৰপ্ৰসাৰী কাৰ্যপন্থা গ্ৰহণ কৰা হৈছে। অধ্যক্ষগৰাকীয়ে জানিবলৈ দিয়ে যে বৰ্তমান বাক্‌সা জিলাৰ খৰুৱাজানত অৱস্থিত সমন্বিত বস্ত্ৰ উদ্যানত ২৬টা কাৰ্যকৰী শ্বেডৰ ভিতৰত ইতিমধ্যে ১৬টা শ্বেডত শিপিনীসকলে এৰী আৰু কপাহী সূতাৰে উৎপাদন আৰম্ভ কৰিছে আৰু যোৱা জুলাই মাহত দায়িত্ব লোৱাৰ সময়ত উদ্যানখনত মাত্ৰ দুগৰাকী শিপিনী থকাৰ বিপৰীতে বৰ্তমান ২৩গৰাকীলৈ বৃদ্ধি পাইছে, যাক শীঘ্ৰে ৫০গৰাকীলৈ উন্নীত কৰাৰ পৰিকল্পনা কৰা হৈছে। স্থানীয় উৎপাদিত এৰী ৰেচম আৰু হস্তশিল্পক বিশ্বৰ বজাৰত প্ৰতিষ্ঠা কৰাৰ বাবে ১৯ৰ পৰা ১৭ অক্টোবৰলৈ নতুন দিল্লীৰ গ্ৰেটাৰ নয়ডাত অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় হস্তশিল্প মেলাত ব্ৰাফেডে অংশগ্ৰহণ কৰিব। ইয়াৰ সমান্তৰালকৈ জাৰ্মানীৰ ফ্ৰাংকফুৰ্টত অনুষ্ঠিত হ'বলগীয়া এম্বিয়েণ্টে ২০২৭, স্পেইনৰ মাদ্ৰিদৰ ইণ্টাৰগিফ্‌ট আৰু যুক্তৰাজ্যৰ বাৰ্মিংহামৰ স্প্ৰিং ফেয়াৰৰ দৰে বিশ্বমানৰ বাণিজ্য মেলাত বড়োলেণ্ডৰ এৰী আৰু হস্তশিল্প প্ৰদৰ্শন তথা ৰপ্তানি চুক্তিৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে বুলি তেওঁ প্ৰকাশ কৰে।

## মাধৱদেৱ বিশ্ববিদ্যালয়ত আলোচনাচক্ৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**নাৰায়ণপুৰ, ৯ অক্টোবৰ ঃ** উত্তৰ-পূব ভাৰতৰ বৃহৎ ধৰ্মীয় সাংস্কৃতিক সংগঠন শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাহিত্য শাখা সমিতি আৰু মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ জন্মস্থানৰ শতবৰ্ষৰ আদৰণী সমিতিৰ যৌথ উদ্যোগত আৰু মাধৱদেৱ বিশ্ববিদ্যালয়ৰ সহযোগত আজি মাধৱদেৱ বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। দিনৰ ১১ বজাত আলোচনাচক্ৰ শুভাৰম্ভ কৰে মাধৱদেৱ বিশ্ববিদালয়ৰ পঞ্জীয়ক ডঃ ক্ষীৰপদ দত্তই আৰু মঞ্চ মুকলি কৰে মাধৱদেৱ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত সমৱেত বৰগীতেৰে। ইয়াৰ পাছতে 'পঞ্চদশ শতিকাৰ অসমৰ আধ্যাত্মিক আৰু সাংস্কৃতিক জাগৰণৰ পটভূমিত মহাপুৰুষ মাধৱদেৱৰ প্ৰতিভা আৰু সৃষ্টিৰ মূল্যায়ন' শীৰ্ষক বিষয়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। নিৰ্দ্ধাৰিত বিষয়ত বক্তৃতা দিয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক, সাহিত্যাচাৰ্য ডঃ কৰবী ডেকা হাজৰিকাই। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাহিত্য শাখাৰ সভাপতি ডঃ মৃণাল কুমাৰ বৰুৱাৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানত আদৰণী ভাষণ দিয়ে বিধায়ক ভূপেন কুমাৰ বৰাই। শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই উদ্বোধন কৰা অনুষ্ঠানটিত সন্মানীয় অতিথি হিচাপে পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকা, মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ অৰূপজ্যোতি চৌধুৰী আৰু অচ্যুত কৃষ্ণ কলিতাই অংশগ্ৰহণ কৰে।

ড্ৰাগ্‌ছমুক্ত সমাজ গঢ়াত আৰক্ষীক সহযোগ কৰিবলৈ ৰাইজলৈ আহ্বান

## দৈপামত আৰক্ষী চকীৰ নতুন ভৱনটো উদ্বোধন



**দৈনিক অসমৰ প্ৰতিনিধি**
**মঙলদৈ, ৯ অক্টোবৰ ঃ** অসম আৰক্ষীৰ মধ্য পশ্চিম মণ্ডলৰ মহাপৰিদৰ্শক ইন্দ্ৰাণী বৰুৱাই এখন ড্ৰাগ্‌ছমুক্ত, অপৰাধমুক্ত সমাজ গঢ়াত আৰক্ষীক সহযোগ কৰিবলৈ ৰাইজলৈ আহ্বান জনাইছে। আৰক্ষী মহাপৰিদৰ্শকগৰাকীয়ে দৰং জিলাৰ দলগাঁও থানাৰ অন্তৰ্গত দৈপামত ১৯৮৫ চনত স্থাপন কৰা আৰক্ষী চকীৰ নতুন ভৱনটো উদ্বোধন কৰি আজি ৰাইজক উদ্দেশ্যি এই আহ্বান জনায়। তেওঁ কয় যে পূৰ্বতকৈ সাম্প্ৰতিক সময়ত অপৰাধৰ ধৰণ সলনি হৈছে। আগৰ সৰু-সুৰা চুৰিজাতীয় অপৰাধৰ পৰিৱৰ্তে এতিয়া নিষিদ্ধ ড্ৰাগ্‌ছৰ ব্যৱসায়, চাইবাৰ, ডিজিটেল এৰেষ্ট আদি নতুন ধৰণৰ অপৰাধী কাৰ্যকলাপ বৃদ্ধি পাইছে, আৰক্ষীয়ে অপৰাধ ৰোধৰ বাবে নিজাকৈ কাম কৰি যাব কিন্তু ইয়াত সমাজৰো সমানে সহযোগ লাগিব। অবৈধ ড্ৰাগ্‌ছৰ ক্ষেত্ৰত অসম আৰক্ষীয়ে সদায় শূন্য সহনশীলতা বৰ্তাই ৰাখিব বুলি আৰক্ষী মহাপৰিদৰ্শকগৰাকীয়ে লগতে দাবী কৰে। দৰং জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক শৰ্মিষ্ঠা বৰুৱাৰ লগতে জিলা আৰক্ষীৰ উচ্চপদস্থ বিষয়াবৰ্গ, স্থানীয় গাঁওৰক্ষী সংগঠন, থানা পৰ্যায়ৰ নাগৰিক সমিতিৰ প্ৰতিনিধি আদিৰ উপস্থিতিত আৰক্ষী মহাপৰিদৰ্শকগৰাকীয়ে ৯৬ লাখ টকা ব্যয় সাপেক্ষ আধুনিক ভৱনটো মুকলি কৰি উপযুক্তভাৱে কৰ্তব্য সম্পাদন কৰাৰ বাবে আধুনিক সা-সুবিধাযুক্ত আন্তঃগাঁথনিৰ খুবেই প্ৰয়োজন বুলি কয়।

## দুৰ্গা পূজা উপলক্ষে যোৰহাটত সতৰ্কতা সভা

**দৈনিক অসমৰ প্ৰতিনিধি**
**পুলিবৰ (যোৰহাট), ৯ অক্টোবৰ ঃ** যোৰহাটৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা আয়ুক্ত জয় শিৱানীৰ পৌৰোহিত্যত পথ সুৰক্ষা সংক্ৰান্তত এক বিশেষ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাত জিলাখনৰ পথ সুৰক্ষা ব্যৱস্থা আৰু যান-বাহন চলাচল অধিক সুচাৰুৰূপে পৰিচালনা কৰাৰ অৰ্থে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। জিলা আয়ুক্তই ৰাষ্ট্ৰীয় পথ প্ৰাধিকৰণৰ বিষয়াসকলক যোৰহাটৰ পৰা জাঁজীলৈকে ৰাষ্ট্ৰীয় ঘাইপথৰ যিবোৰ স্থানত গাঁত আছে সেইসমূহ শীঘ্ৰে মেৰামতি কৰিবলৈ স্পষ্ট নিৰ্দেশ দিয়ে। তদুপৰি জিলা আয়ুক্তগৰাকীয়ে পৌৰসভা আৰু সংশ্লিষ্ট কৰ্তৃপক্ষক নগৰ অঞ্চল তথা ৰাষ্ট্ৰীয় ঘাইপথৰ বিকল হৈ থকা পথৰ ষ্ট্ৰীট লাইটসমূহ মেৰামতি কৰি কাৰ্যক্ষম কৰি তুলিবলৈ নিৰ্দেশ প্ৰদান কৰে। সভাত জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰা, মৰিয়নিৰ সমজিলা আয়ুক্ত অভিজিৎ গগৈ, তিতাবৰৰ সমজিলা আয়ুক্ত প্ৰীতম কুমাৰ দাস উপস্থিত থাকে।

সুৱনখাটাত বাক্‌সা জিলা বিভাজন প্ৰতিৰোধ সমিতিৰ গণ-সমাৱেশত ৰমেশ চন্দ্ৰ দাস

## বাগানপাৰা অঞ্চলক ৰাজনৈতিকভাৱে ধ্বংসৰ ষড়যন্ত্ৰ কৰিছে

**দৈনিক অসমৰ প্ৰতিনিধি**
**মুছলপুৰ, ৯ অক্টোবৰ ঃ** বাক্‌সা জিলা বিভাজনৰ বিৰোধিতাৰে আজি বাক্‌সা জিলা বিভাজন প্ৰতিৰোধ সমিতিৰ উদ্যোগত সুৱনখাটাত এক বৃহৎ গণ-সমাৱেশ উলিওৱা হয়। প্ৰশাসনৰ বাধা নেওচি কেইবাশ লোকে সমাৱেশত অংশগ্ৰহণ কৰি বাক্‌সা জিলা বিভাজনৰ বিৰোধিতা কৰে। উল্লেখ্য যে বাক্‌সা জিলাৰ ধমধমা উন্নয়ন খণ্ডৰ অন্তৰ্গত গাঁওসমূহ তামুলপুৰ জিলাত অন্তৰ্ভুক্ত কৰিব বিচৰাৰ প্ৰতিবাদত ধাৰাবাহিকভাৱে আন্দোলন চলি থকাৰ সমান্তৰালকৈ প্ৰতিৰোধ সমিতিয়ে আজি গণ-সমাৱেশ উলিয়াই প্ৰতিবাদ সাব্যস্ত কৰে। চৰকাৰে বাক্‌সা জিলা প্ৰতিৰোধ সমিতিৰ দাবী মানি নোলোৱা পৰ্যন্ত আন্দোলন স্তব্ধ নহয় বুলি প্ৰতিবাদকাৰীসকলে হুংকাৰ দিয়ে। বাক্‌সা জিলা বিভাজন প্ৰতিৰোধ সমিতিৰ উদ্যোগত উলিওৱা এই গণ-সমাৱেশত অংশগ্ৰহণ কৰি শৰণীয়া কছাৰী উন্নয়ন পৰিষদৰ প্ৰাক্তন অধ্যক্ষ ৰমেশ চন্দ্ৰ দাসে ভাষণ প্ৰসংগত তিনিখন জিলা অতিক্ৰম কৰি এতিয়া চাৰি নম্বৰ জিলাত অন্তৰ্ভুক্ত হ'বলৈ ওলোৱা প্ৰসংগৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। সুৱনখাটা লক্ষ্মী মন্দিৰ পথাৰত অনুষ্ঠিত গণ-সমাৱেশৰ পৰা প্ৰাক্তন অধ্যক্ষ দাসে বাগানপাৰাক কোনোপধ্যে তামুলপুৰ জিলাত অন্তৰ্ভুক্ত কৰিবলৈ দিয়া নহ'ব বুলি কোৱাৰ লগতে ধমধমা উন্নয়ন খণ্ডৰ অন্তৰ্ভুক্ত ৪৬খন গাঁও তামুলপুৰ জিলাত অন্তৰ্ভুক্ত কৰি বাগানপাৰাক ৰাজনৈতিকভাৱে হত্যা কৰিব বিচাৰিছে বুলি অভিযোগ কৰে।




কাৰ্যসূচীত গোৰ্খা ছাত্ৰ সন্থাৰ নেতা হেমৰাজ সাপকাটায়ো অংশগ্ৰহণ কৰি কোনোপধ্যে তামুলপুৰ জিলাত অন্তৰ্ভুক্ত নহয় বুলি হুংকাৰ দি কয় যে চৰকাৰ ৰাইজৰ প্ৰতিনিধি। ৰাইজৰ মতামতহে আচল। গতিকে জিলা বিভাজন বিষয়টোত ৰাইজৰ মন্তব্য লাগিবই। তেওঁ কয় যে এই আন্দোলন কোনো এটা জনগোষ্ঠী বা এটা সংগঠনৰ বুলি ভাবি ললে ভুল কৰা হ'ব। বাগানপাৰা অঞ্চলৰ প্ৰতিটো জাতীয় সংগঠন জড়িত হৈ আছে। প্ৰতিবাদী কাৰ্যসূচীত বাক্‌সা জিলা এবছুৰ সম্পাদক নিতু কুমাৰ ব্ৰহ্মই অংশ লৈ চৰকাৰক শীঘ্ৰে সমস্যা সমাধান কৰিবলৈ আহ্বান জনায়। প্ৰতিবাদী ৰাইজে কোনোপধ্যে তামুলপুৰ জিলাত অন্তৰ্ভুক্ত নহয় বুলি হুংকাৰ দিয়ে। বাক্‌সা জিলা বিভাজন মানি লোৱা নহ'ব, তামুলপুৰ জিলা আমাক নালাগে, বাক্‌সা জিলা জিন্দাবাদ আদি শ্লোগান দি পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদী ৰাইজে শীঘ্ৰে চৰকাৰক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়, অন্যথা তীব্ৰ আন্দোলন গঢ়ি তুলিব বুলি হুংকাৰ দিয়ে। আজিৰ কাৰ্যসূচীত আছু, এবছু, কোচ ৰাজবংশী ছাত্ৰ সন্থা, মদাহী ছাত্ৰ সন্থা, গোৰ্খা ছাত্ৰ সন্থা, শৰণীয়া কছাৰী ছাত্ৰ সন্থা, বড়ো সাহিত্য সভাৰ বিষয়ববীয়াসকলৰ লগতে স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।

# বিটিচিত বেদখলকাৰীক উচ্ছেদৰ দাবীত ধৰ্ণা

## এবছুকে ধৰি আঠটা জনজাতীয় দল-সংগঠনৰ অংশগ্ৰহণ




**দৈনিক অসমৰ প্ৰতিনিধি**
**কোকৰাঝাৰ, ৯ অক্টোবৰ ঃ** বিটিচিত ট্ৰাইবেল বেল্ট এণ্ড ব্লকক সুৰক্ষা দিয়া, বিটিচিত বেদখলকাৰীক উচ্ছেদ কৰা, বন অধিকাৰ আইন ২০০৬ আৰু ২০১৬ কাৰ্যকৰী কৰা, জনজাতিৰ ভূমি অধিকাৰ নিশ্চিত কৰা ইত্যাদি বিভিন্ন সাতটা দাবীৰ সমৰ্থনত জনজাতি সংগঠনৰ বিটিআৰ সমন্বয় সমিতিৰ উদ্যোগত কালি কোকৰাঝাৰত তিনিঘণ্টীয়া অৱস্থান ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই উপলক্ষে কোকৰাঝাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ খেলপথাৰত দিনৰ ১১ বজাৰ পৰা ২ বজালৈ তিনিঘণ্টীয়া অৱস্থান ধৰ্ণাত এবছুকে ধৰি ৰাভা, গাৰো আৰু হাজং ছাত্ৰ সন্থাৰ উপৰি বড়ো সাহিত্য সভা, ৰাভা সাহিত্য সভা, বড়োলেণ্ড জনজাতি সুৰক্ষা মঞ্চ আৰু ট্ৰাইবেল সংঘকে ধৰি কেইবাটাও জনজাতীয় দল-সংগঠনে অংশ লয়। অৱস্থান ধৰ্ণা কাৰ্যসূচীত শতাধিক প্ৰতিবাদকাৰীয়ে হাতে হাতে প্লে-কাৰ্ড লৈ 'বিটিচিক ৰক্ষা কৰক, বিটিচি ধ্বংসকাৰী হুঁচিয়াৰ, বেদখলকাৰীক উচ্ছেদ কৰক, বেদখলকাৰী হুঁচিয়াৰ, চাৰি লাখ বেদখলকাৰী জনজাতি বেষ্টনীৰ পৰা শীঘ্ৰে উচ্ছেদ কৰক, আমাক ন্যায় লাগে, উচ্ছেদ অবিহনে আমি ক্ষান্ত নহও' ইত্যাদি বিভিন্ন শ্লোগানেৰে উত্তাল কৰি ৰাখে। পাছত অৱস্থান ধৰ্ণাক নেতৃত্ব দিয়া জনজাতি সংগঠনৰ বিটিআৰ সমন্বয় সমিতিৰ সভাপতি নিৰঞ্জন ব্ৰহ্মই সাতদফীয়া দাবীসম্বলিত এখন স্মাৰক পত্ৰ জিলা আয়ুক্তৰ যোগেদি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিটিচিপ্ৰধান হাগ্ৰামা মহিলাৰীলৈ প্ৰেৰণ কৰে। অৱস্থান ধৰ্ণাত প্ৰাক্তন সাংসদ ছানছুমা খুংগুৰ বিছমুথিয়াৰী, জনজাতি সংগঠনৰ সমন্বয় সমিতিৰ ৰাজ্যিক সভাপতি সুকুমাৰ বসুমতাৰীকে ধৰি বহু দল-সংগঠনৰ নেতৃত্ব উপস্থিত আছিল ।

# অন্তহীন সমস্যাৰে জৰ্জৰিত বৃহত্তৰ বৰঘোল-পুৰাণকুছিয়া অঞ্চল

**দৈনিক অসমৰ প্ৰতিনিধি**
**সোণতলী, ৯ অক্টোবৰ ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত বৰঘোল, পুৰাণকুঁছিয়া আদি অঞ্চল আজিও অন্তহীন সমস্যাৰে জৰ্জৰিত হৈ আছে। বৰঘোল তথা পাৰ্শ্বৱৰ্তী ১, ২ নং জ্যোতিয়াৰদিয়া, পুৰাণকুছিয়া, চুতাৰুপাৰা আদি অঞ্চলত নাই যাতায়াত, স্বাস্থ্যসেৱা, শিক্ষা, বিশুদ্ধ খোৱাপানী, জলসিঞ্চন আদিৰ কোনো সুবিধা। অঞ্চলটোত বাট-পথৰ সু-ব্যৱস্থা নথকাত কণ কণ শিশুৱে বোকা-পানী গচকি বিদ্যালয়লৈ অহা-যোৱা কৰিবলগীয়া হৈছে। বছৰৰ অধিকসংখ্যক দিনেই নাও তথা বোকা-পানী গচকি যাতায়াত অব্যাহত ৰাখে। খৰালি কালত জৰাজীৰ্ণ বাট-পথেৰেই গঞা লোকে বহিৰ্জগতৰ সৈতে যোগাযোগ অব্যাহত ৰাখিছে। অতিকৈ দুৰ্গম বৰঘোল, কৰাইট্টাৰী, চুতাৰুপাৰা, পুৰাণকুছিয়া, ১, ২ নং জ্যোতিয়াৰদিয়াকে আদি কৰি পাৰ্শ্বৱৰ্তী অঞ্চলত পঞ্চায়তৰ আবণ্টিত ধনৰ সদ্ব্যৱহাৰ হোৱা নাই বুলি অভিযোগ উত্থাপিত হৈছে। ছমৰীয়া সমষ্টিৰ দুৰ্গম বৰঘোল তথা পাৰ্শ্বৱৰ্তী গাঁওবাসী পৰ্যাপ্ত চিকিৎসাসেৱাৰ পৰাও সম্পূৰ্ণৰূপে বঞ্চিত হৈ আহিছে। মেলেৰিয়া উপদ্ৰুত অঞ্চলটোৰ যিকোনো ৰোগীকে সোণতলী, গৰৈমাৰী নতুবা গুৱাহাটীলৈ নিব লগা হয়। বাট-পথৰ অভাৱত কোনো ৰোগীক উন্নত চিকিৎসাৰ বাবে ততাতৈয়াকৈ নিওঁতে কেতিয়াবা ৰোগীয়ে



আধাবাটতে প্ৰাণ হেৰুৱাবলগা হয়। অঞ্চলটোৰ পূব অংশৰ ছাত্ৰ-ছাত্ৰীসকলে উচ্চশিক্ষাৰ বাবে গৰৈমাৰী তথা পশ্চিমাংশৰ শিক্ষাৰ্থীয়ে সোণতলীলৈ যোৱাৰ বাহিৰে গত্যন্তৰ নাই। আনহাতে, বিশুদ্ধ খোৱাপানীৰ অভাৱত খাল, বিল, পুখুৰী, দমকলৰ আইৰনযুক্ত তথা ব্ৰহ্মপুত্ৰৰ পানীকে গাঁওবাসীয়ে ব্যৱহাৰ কৰিবলগীয়া হৈছে। দুৰ্গম অঞ্চলটোৰ ৯৯ শতাংশ লোকেই কৃষিজীৱী। উপৰিউক্ত অঞ্চলবোৰত বৈজ্ঞানিক পদ্ধতিৰে উন্নত কৃষিকাৰ্যৰ ব্যৱস্থা নথকাত ৰাইজে সমস্যাত পৰা পৰিলক্ষিত হৈছে। আনহাতে, প্ৰতিবছৰে ব্ৰহ্মপুত্ৰ নৈৰ বাঢ়নী পানীয়ে উপৰিউক্ত দুৰ্গম অঞ্চলৰ খেতিপথাৰৰ উৎপাদিত কৃষি সামগ্ৰীৰ ব্যাপক ক্ষতিসাধন কৰি আহিছে। কৃষিপ্ৰধান অঞ্চলৰ কৃষক ৰাইজে পশু চিকিৎসা সেৱাৰ পৰা সম্পূৰ্ণৰূপে বঞ্চিত হৈ আহিছে। বৰঘোল তথা পাৰ্শ্বৱৰ্তী অঞ্চলৰ জ্বলন্ত সমস্যাবোৰ পৰ্যায়ক্ৰমে সমাধান কৰিবলৈ ৰাইজে চৰকাৰৰ ওচৰত দাবী জনাইছে।

# ২৪-২৫ ডিচেম্বৰত মধুপুৰ মহোৎসৱ

**দৈনিক অসমৰ প্ৰতিনিধি**
**বৰপেটা, ৯ অক্টোবৰ ঃ** বিগত বছৰসমূহৰ দৰে এইবছৰো অহা ২৪ আৰু ২৫ ডিচেম্বৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহাপ্ৰয়াণৰ পৱিত্ৰ তীৰ্থভূমি কোচবিহাৰৰ মধুপুৰ সত্ৰত 'মধুপুৰ মহোৎসৱ' অনুষ্ঠিত হ'ব। বৰপেটা সত্ৰৰ একনিষ্ঠ আৰু বিশিষ্ট সেৱক উদ্ধৱ চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত মধুপুৰ মহোৎসৱ উদ্‌যাপন সমিতিৰ এখন সভাত মধুপুৰ মহোৎসৱ উদ্‌যাপন সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। মহোৎসৱৰ এই প্ৰস্তুতি সভাত উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক, প্ৰাক্তন সাংসদ কুমাৰ দীপক দাসে মহোৎসৱ সফলভাৱে উদ্‌যাপন কৰাৰ বাবে সহায়-সহযোগ আগবঢ়াবলৈ আহ্বান জনায়।

# চন্দ্ৰজ্যোতি সংঘৰ উদ্যোগত সদৌ অসম ভিত্তিত সুধাকণ্ঠৰ গীতৰ প্ৰতিযোগিতা

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**
**নগাঁও, ৯ অক্টোবৰ ঃ** নগাঁৱৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান চন্দ্ৰজ্যোতি সংঘৰ উদ্যোগত ৫ নৱেম্বৰৰ পুৱা ৯ বজাৰ পৰা সদৌ অসম ভিত্তিত পঞ্চম বাৰ্ষিক সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতা দুটা শাখাত ক্ৰমে ৬ বছৰৰ পৰা ১৩ বছৰলৈ 'ক' শাখা আৰু ১৪ বছৰৰ উৰ্দ্ধৰ 'খ' শাখাত অনুষ্ঠিত হ'ব। 'ক' শাখাৰ ভৰ্তি মাচুল ৩০০ টকা আৰু 'খ' শাখাৰ ভৰ্তি মাচুল ৫০০ টকা। 'ক' শাখাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্তক ক্ৰমে ৫০০০ টকা, ৩০০০ টকা আৰু ২০০০ টকাৰ লগতে স্মাৰক আৰু মানপত্ৰ প্ৰদান কৰা হ'ব। একেদৰে 'খ' শাখাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্তক ক্ৰমে ১০,০০০ টকা ,৭০০০ টকা আৰু ৫০০০ টকাৰ লগতে স্মাৰক আৰু মানপত্ৰ প্ৰদান কৰা হ'ব। তদুপৰি দুয়োটা শাখাৰ বাবে থাকিব বিচাৰকৰ বিশেষ বঁটা। প্ৰতিযোগিতাত পঞ্জীয়ন কৰাৰ অন্তিম দিন ১ নৱেম্বৰ ধাৰ্য কৰা হৈছে। চন্দ্ৰজ্যোতি সংঘৰ সভাপতি অশোকৰাম ভট্টাচাৰ্য, সংযোজক শান্তনু সভাপণ্ডিত, গৌতম বৰকটকী, স্নেহাংশু গোস্বামী, প্ৰিয়াঙ্কু শৰ্মা, সম্পাদক বিশ্বদেৱ শৰ্মাই ইচ্ছুক প্ৰতিযোগীসকলক সঞ্জিল এণ্টাৰপ্ৰাইজ, প্ৰতাপ শৰ্মা পথ, আমোলাপট্টী, নগাঁও এই ঠিকনাত আৰু ৯৮৬৪১৬৩৯০০ মোবাইল নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# নগাঁও নাট্য সন্মিলনৰ বৰ্দ্ধিত সভা

## গগন চৌধুৰী কাৰ্যকৰী সভাপতি, নগেন শইকীয়া উপ-সভাপতি নিৰ্বাচিত

**দৈনিক অসমৰ প্ৰতিনিধি**
**নগাঁও, ৯ অক্টোবৰ ঃ** অসম নাট্য সন্মিলনৰ নগাঁও জিলা সমিতিৰ এখন বৰ্দ্ধিত সভা ৪ অক্টোবৰত নগাঁও জিলাৰ বেবেজীয়াস্থিত একশৰণ ভাগৱতী সমাজৰ সভাকক্ষত অনুষ্ঠিত হৈ যায়। অসম নাট্য সন্মিলনৰ নগাঁও জিলা সমিতিৰ সম্পাদক পুলকমণি বৰাই আঁত ধৰা সভাখনত অসম নাট্য সন্মিলনৰ খুটিকটীয়া শাখাৰ সভাপতি গগন চৌধুৰীক অসম নাট্য সন্মিলনৰ নগাঁও জিলা সমিতিৰ কাৰ্যকৰী সভাপতি আৰু অসম নাট্য সন্মিলনৰ চলচলি শাখাৰ ভাৰপ্ৰাপ্ত সভাপতি নগেন শইকীয়াক অসম নাট্য সন্মিলনৰ নগাঁও জিলা সমিতিৰ উপ-সভাপতি হিচাপে সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত কৰা হয়। সভাই অসম নাট্য সন্মিলনৰ নগাঁও জিলা সমিতিয়ে প্ৰতিবছৰে অনুষ্ঠিত কৰি অহা শিশুনাট সমাৰোহখন অহা ২৫,২৬ আৰু ২৮ তাৰিখে ডিচেম্বৰত নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাই নগাঁও জিলাৰ বেবেজীয়াত অৱস্থিত অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যালয়টিৰ লগতে নাট তীৰ্থ প্ৰকল্পটি আটকধুনীয়াকৈ নিৰ্মাণ কৰি তুলিবৰ বাবে নগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী পীযূষ হাজৰিকাক সাক্ষাৎ কৰাৰ লগতে নগাঁও জিলাৰ প্ৰতিজন বিধায়কক সাক্ষাৎ কৰি অনুৰোধ জনোৱাৰ লগতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে । সভাত অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি, বিশিষ্ট নাট্যকাৰ, অভিনেতা জয়ন্ত কুমাৰ বৰা, অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ প্ৰধান সম্পাদক, বিশিষ্ট নাট্যকাৰ, অভিনেতা সন্তৰাম দাস তথা নগাঁও জিলাৰ শ্ৰীশ্ৰী জগৰাল সত্ৰৰ সত্ৰাধিকাৰ প্ৰান্তিক গোস্বামী, সাধাৰণ সম্পাদক নাট্যকাৰ/অভিনেতা শৈলেন্দ্ৰ গোস্বামী, নাট্যকাৰ/অভিনেতা গগন চৌধুৰী, নাট্যকাৰ /অভিনেতা পবিত্ৰ কলিতাকে প্ৰমুখ্য কৰি বহুকেইজন বিশিষ্ট নাট্যকাৰ/অভিনেতাই ভাষণ দিয়ে।

# শালবাৰীৰ কমলাবাৰীত হ'ব হস্ততাঁত বস্ত্ৰশিল্পৰ উৎপাদন-বিপণন কেন্দ্ৰ

## লাইখুঁটা স্থাপন পাৰিষদ দিগন্ত গয়াৰীৰ, ব্যয় হ'ব ২৪ কোটি টকা

**দৈনিক অসমৰ প্ৰতিনিধি**
**শালবাৰী, ৯ অক্টোবৰ ঃ** শালবাৰী পৰিষদীয় সমষ্টিৰ অন্তৰ্গত কমলাবাৰী গাঁৱত অঞ্চলটোৰ শিপিনীসকলৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছে। শালবাৰী সমষ্টিৰ অন্তৰ্গত কমলাবাৰী গাঁৱত হস্ততাঁত বস্ত্ৰশিল্পৰ উৎপাদন আৰু বিপণন কেন্দ্ৰ নিৰ্মাণৰ বাবে কালি আনুষ্ঠানিকভাৱে লাইখুঁটা স্থাপন কৰা হয়। শালবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ দিগন্ত গয়াৰীয়ে এই কেন্দ্ৰটোৰ লাইখুঁটা স্থাপন কৰে। লাইখুঁটা স্থাপন কৰি গয়াৰীয়ে কয় যে ২৪ কোটি টকা ব্যয়সাপেক্ষে এই কেন্দ্ৰটো নিৰ্মাণ কৰি উলিওৱা হ'ব। ঠিকাদাৰী প্ৰতিষ্ঠানটোৱে কালিয়েই কামৰ শুভাৰম্ভ কৰিব আৰু নিৰ্দ্ধাৰিত সময়সীমা অনুসৰি ঠিক ২০ মাহৰ ভিতৰতে কেন্দ্ৰটোৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰি বিভাগীয়ভাৱে হস্তান্তৰ কৰিব লাগিব। সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰত পাৰিষদগৰাকীয়ে আৰু কয় যে শালবাৰী সমষ্টিৰ বিভিন্ন প্ৰান্তত ব্যাপক উন্নয়নমূলক কাম-কাজ অব্যাহত আছে। ইয়াৰ অংশ হিচাপে ৰাজঢাকমালত 'বড়োলেণ্ড মুভমেণ্ট মাৰ্টয়াৰ্ছ মিউজিয়াম' নিৰ্মাণৰ কামো শীঘ্ৰে আৰম্ভ হ'ব। পূৰ্বতে কিছু মাটিৰ সমস্যা আছিল যদিও সেয়া বৰ্তমান সমাধান হৈ গৈছে। ইয়াৰ উপৰি শালবাৰী সমষ্টিৰ সাউদৰভিঠাত আন্তঃগাঁথনি উন্নয়নৰ অংশ হিচাপে প্ৰয়াত জনপ্ৰিয় বড়ো গায়ক তথা অনাতাঁৰ শিল্পী কনকলাল স্বৰ্গীয়াৰীৰ নামত এটা প্ৰেক্ষাগৃহ নিৰ্মাণৰ কামো আৰম্ভ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। লাইখুঁটা স্থাপন কাৰ্যসূচীত পাৰিষদ দিগন্ত গয়াৰীৰ লগতে কেইবাগৰাকীও দলীয় নেতা-কৰ্মী আৰু স্থানীয় বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি সহযোগিতা আগবঢ়ায়।




# বজালীত নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে সজাগতা কাৰ্যসূচী




**দৈনিক অসমৰ প্ৰতিনিধি**
**পাটাছাৰকুছি, ৯ অক্টোবৰ ঃ** বজালী জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত নিচামুক্ত ভাৰত অভিযানৰ অন্তৰ্গত আৰু সেৱা সংকল্প অভিযানৰ লগত সংগতি ৰাখি কালি সৰুবড়ী মজলীয়া বিদ্যালয়ত এখন সজাগতা সভা আৰু থিতাতে ৰচনা লিখা প্ৰতিযোগিতা অনুষ্ঠিত হয়। সজাগতা সভাত সভাপতিত্ব কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক আব্দুল মুতালেবে। সভাত জিলা সমাজ কল্যাণৰ তৰফৰ ফালৰ পৰা ৰাজু দাস আৰু কল্পজিৎ কলিতা উপস্থিত থাকে। বিভিন্নজনে ভাষণত সজাগতা সৃষ্টিৰ প্ৰয়াসেৰে বিষয়বস্তুৰ ওপৰত আলোকপাত কৰি কয়— 'কেৱল আইনী পদক্ষেপ বা আৰক্ষীৰ কাঢ়া দৃষ্টিৰেই সামাজিক ব্যাধি নিঃশেষ কৰা সম্ভৱ নহয়; ইয়াৰ বাবে প্ৰয়োজন ৰাইজৰ সক্ৰিয় অংশগ্ৰহণ আৰু সচেতনতা।' প্ৰতিজন অভিভাৱকে সন্তানৰ গতি-বিধিলৈ লক্ষ্য ৰখাৰ বাবে সভাৰ জৰিয়তে অভিভাৱকসকলক আহবান জনোৱা হয়। বৰ্তমান সময়ত সমাজৰ বাবে ডাঙৰ প্ৰত্যাহ্বান হৈ পৰা ড্ৰাগ্‌ছ আৰু বিভিন্ন নিচাজাতীয় দ্ৰব্যৰ ক্ৰমবৰ্ধমান প্ৰভাৱ পৰাৰ সময়ত বিশেষকৈ উঠি অহা যুৱপ্ৰজন্মক লক্ষ্য কৰি অবৈধ চক্ৰই মেলি দিয়া এই মৰণফান্দে বহু পৰিয়ালৰ ভৱিষ্যৎ অন্ধকাৰলৈ ঠেলি দিয়াৰ সময়তে এই ভয়াৱহ সমস্যাক প্ৰতিহত কৰাৰ বাবে 'নিচামুক্ত ভাৰত অভিযান'ৰ অধীনত সমগ্ৰ দেশৰ লগতে বজালী জিলাতো জিলা সমাজ কল্যাণ বিভাগৰ ফালৰ পৰা সজাগতা কাৰ্যসূচী গ্ৰহণ কৰি থকা হৈছে।

# মৃত্যু-শোক

## দুৰ্গা সোণাৰি



**দৈনিক অসমৰ প্ৰতিনিধি**
**ছিপাঝাৰ, ৯ অক্টোবৰ ঃ** বৃহত্তৰ ছিপাঝাৰৰ খলিহৈ আঞ্চলিক আদৰ্শ বিদ্যালয়ৰ ইংৰাজী বিষয়ৰ এগৰাকী দক্ষ শিক্ষক তথা বমনপথাৰ-হিৰাবাৰী চুবা নিবাসী অমায়িক, মৃদুভাষী, কৰ্তব্যপৰায়ণ শিক্ষক দুৰ্গা সোণাৰিৰ যোৱা ৬ অক্টোবৰত ৫৫ বছৰ বয়সত আকস্মিক বিয়োগ ঘটে। তেওঁৰ মৃত্যুত বৃহত্তৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী আৰু তিনি কন্যাসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়। উল্লেখ্য যে বিদ্যালয়খনৰ একালৰ মেধা ছাত্ৰ দুৰ্গা সোণাৰীয়ে শিক্ষকতা বৃত্তিক সেৱা হিচাপে লৈ প্ৰথমে নগালেণ্ডৰ ডিমাপুৰত এখন ইংৰাজী মাধ্যমৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত প্ৰায় ১৫ বছৰ শিক্ষকতা কৰি ২০১০ চনত তাতেই জিলা কৃতী শিক্ষক বঁটা লাভ কৰিছিল। তাৰ পাছত ২০১১ চনত খলিহৈ আঞ্চলিক আদৰ্শ বিদ্যালয়ৰ ইংৰাজী বিষয়ৰ শিক্ষক হিচাপে যোগদান কৰাৰ পৰা আদৰ্শ শিক্ষক দুৰ্গা সোণাৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক গুণগত শিক্ষা প্ৰদানৰ লগতে মানৱীয় প্ৰমূল্যবোধ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁৰ অকাল বিয়োগৰ খবৰ বিয়পি পৰাৰ লগে লগে খলিহৈ আঞ্চলিক আদৰ্শ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু বৃহত্তৰ অঞ্চলৰ অনেক গুণমুগ্ধ লোকে তেওঁৰ বাসভৱনত উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কুৰুৱা আঞ্চলিক ছাত্ৰ সন্থা, বীৰ লাচিত সেনাৰ কুৰুৱা আঞ্চলিক সমিতি, খলিহৈ ইউনাইটেড ক্লাব, খলিহৈ-কুৰুৱা চিৰসেউজ সংঘ, খলিহৈ সমন্বয় স্বৰ্ণ শাখা সাহিত্য সভা, খলিহৈ আঞ্চলিক সাৰ্বজনীন দুৰ্গা পূজা পৰিচালনা সমিতি, শ্ৰীশ্ৰী কালী মন্দিৰ পৰিচালনা সমিতি, দৰং জিলা গোৰ্খা সন্মিলন আদি সংস্থা-সংগঠনৰ প্ৰতিনিধি বিষয়ববীয়াই আহি দুৰ্গা সোণাৰীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# শব্দৰ ধেমালি ঃ ৩৬৮




**থিয়কৈ**

১) এবিধ পেঁপা আকাৰৰ গধূলি সময়ত ফুলি পুৱা মৰহি যোৱা ফুল (৬)
২) আন লোৰ টুকুৰাক আকৰ্ষণ কৰিব পৰা লোৰ টুকুৰা (৩)
৩) নিজৰ কাম বা মতত স্থিৰ হৈ থকা বা সলনি কৰিব নোখোজা (৫)
৫) অকলশৰীয়া (৩)
৬) জৈৱ সাৰ (৫)
৯) পৃথিৱীত বাস কৰা কালত কৰা কাৰ্য (৪)
১০) দুৰ্বল, শক্তিহীন বা ক্ষীণ (৫)
১৩) এক প্ৰকাৰৰ বিয়া গীত (৪)
১৪) মুখস্থ (৩)
১৫) প্ৰয়োজনতকৈ অধিক কথা কোৱা ব্যক্তি (৩)
১৬) এবিধ সেউজীয়া কপৌ জাতিৰ চৰাই (৩)

**পথালিকৈ**

১) অতি উচ্চ, আকাশ চুই থকা (৫)
৩) সাৰ নথকা নৰম কাঠ (৪)
৪) পাঁচশাৰীৰ ব্যংগাত্মক কবিতা (৪)
৫) কোনো অপৰাধত লিপ্ত নথকা ব্যক্তিবিশেষ (৫)
৭) জ্ঞাত, অৱগত (৪)
৮) সকলো দিশ বহলাই বা খৰচি মাৰি কৰা (৪)
১১) বেছিকৈ ডাল-পাত ওলাই বাঢ়া (৫)
১২) সাৰমৰ্ম (৩)
১৩) চন্দ্ৰ আৰু সূৰ্যৰ আকৰ্ষণত হোৱা সমুদ্ৰজলৰ স্ফিতি (৩)
১৪) কলাসন্মত (৪)
১৬) গজৰাজ (২)
১৭) ন্যায়সন্মত (২)
১৮) দীপক (২)
১৯) দুই পৰিমাণ বা মাত্ৰাৰ মাজত হোৱা বা অৱস্থান কৰা। (২)

**শব্দৰ ধেমালি ঃ ৩৬৭ৰ উত্তৰ**

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| কা | চো | ন | ম | তী | | উ | চু | প | নি |
| ক | | য় | | ক্ষ | | জ | | ট | কা |
| তা | ড় | না | | বু | | কি | | | সং |
| লী | | ভি | | দ্ধি | | স্থা | য়ী | | হ |
| য় | | ৰা | | | জো | ন | | য | তি |
| | ৰা | ম | টা | ঙো | ন | | ৰ | ত্ন | |
| সা | জ | | ই | | বি | | | প | |
| | নী | | ৰা | | ৰি | | বি | ৰা | জ |
| ৰ | তি | | ন | ক্সা | | | ল | য় | |
| বি | জ্ঞ | তা | | | না | ৰা | য় | ণ | |

© যুগনন্দন

# সৰভোগত বিকশিত ভাৰত সংকল্প সভা

**দৈনিক অসমৰ প্ৰতিনিধি**
**সৰভোগ, ৯ অক্টোবৰ ঃ** সৰভোগত যোৱা ৭ অক্টোবৰত ভৱানীপুৰ-সৰভোগ সমষ্টিভিত্তিত আয়োজিত বিকশিত ভাৰত সংকল্প সভা অনুষ্ঠিত হয়। এই অনুষ্ঠানত ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক তথা অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাস উপস্থিত থাকে। এই সভাৰ সেৱা জ্যোতি কলহ যাত্ৰাত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীৰ সংকল্পৰ পৰা সিদ্ধিলৈ এই ২৫ বছৰীয়া যাত্ৰাৰ সফলতাৰ সন্দৰ্ভত দাসে বক্তব্য আগবঢ়ায়। তেওঁ কয় যে জনসেৱাক সৰ্বোচ্চ অগ্ৰাধিকাৰ প্ৰদানেৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে দেশৰ উন্নয়ন আৰু প্ৰগতিৰ ক্ষেত্ৰত যি ভূমিকা পালন কৰি আহিছে, সেয়া সমগ্ৰ দেশৰ বাবে অনুপ্ৰেৰণাদায়ক। অনুষ্ঠানত বিজেপিৰ বৰনগৰ মণ্ডলৰ সভাপতি বিপুল তালুকদাৰ, আঞ্চলিক পঞ্চায়তৰ সভাপতি অৰবিন্দ বৰ্মন, জিলা পৰিষদৰ সদস্যা কল্যাণী দাস, সৰভোগ পৌৰসভাৰ উপ-পৌৰপতি সম্পদ দাস, পাঠশালা নগৰ মণ্ডলৰ সভাপতি দিগন্ত তালুকদাৰ আৰু বৰপেটা জিলা অ'বিচি মৰ্চাৰ সভাপতি জয়গুৰু ঘোষ উপস্থিত থাকে।

# কাজলগাঁও পৌৰসভাৰ কাৰ্যালয়ত সেৱা সংকল্প অভিযান

## সেৱা সেতু শিবিৰ অনুষ্ঠিত




**দৈনিক অসমৰ প্ৰতিনিধি,**
**চিৰাং, ৯ অক্টোবৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ জনসেৱাৰ পঁচিশ বছৰ পূৰ্ণ উপলক্ষে পালন কৰি থকা সেৱা সংকল্প অভিযানৰ অংশ হিচাপে কালি চিৰাং জিলাৰ সদৰ কাজলগাঁওস্থিত কাজলগাঁও পৌৰসভা প্ৰাংগণত সেৱা সেতু শিবিৰৰ আয়োজন কৰা হয়। এই সেৱা সেতু শিবিৰ উদ্বোধন কৰে চিদলী-চিৰাং বিধানসভা সমষ্টিৰ বিধায়ক পানীৰাম ব্ৰহ্মই। বিধায়কগৰাকীয়ে কাজলগাঁও পৌৰসভা প্ৰাংগণত সেৱা সংকল্প অভিযানৰ অধীনত বিনামূলীয়া স্বাস্থ্যসেৱা, অৰুণোদয়ৰ অভিযোগ মীমাংসা কেন্দ্ৰ, ৰেচন কাৰ্ড সমস্যা সমাধান কেন্দ্ৰ তথা চৰকাৰী বিভিন্ন আঁচনিৰ সমস্যা সমাধানৰ বাবে পৃথক পৃথক কেন্দ্ৰ উদ্বোধন কৰে। অনুষ্ঠানত বিধায়কগৰাকীয়ে জনসাধাৰণৰ বাবে চৰকাৰে গ্ৰহণ কৰা এই কাৰ্যসূচীৰ জৰিয়তে চৰকাৰী সুবিধাৰ পৰা লাভৱান হ'ব বুলি মত ব্যক্ত কৰে। এই অনুষ্ঠানত কাজলগাঁও পৌৰসভাৰ উপ-পৌৰপতি ছামাদ আলী আহমেদ, চিৰাঙৰ অতিৰিক্ত আয়ুক্ত সৌৰভ কুমাৰ দাস, পৌৰসভাৰ কাৰ্যবাহী বিষয়া আছিক আলী খানে অতিথিৰূপে অংশগ্ৰহণ কৰে। চিকিৎসা শিবিৰকে ধৰি অন্যান্য ষ্টলসমূহত মহিলাৰ অংশগ্ৰহণ আছিল সন্তোষজনক।

# স্মৃতি তৰ্পণ

## হৰি প্ৰসাদ হাজৰিকা

গুৱাহাটীৰ হাতীগড় চাৰিআলি নিবাসী তথা গুৱাহাটী আৰু অসমৰ বিশিষ্ট চাৰ্টাৰ্ড একাউণ্টেণ্ট হৰি প্ৰসাদ হাজৰিকাৰ যোৱা ৩০ ছেপ্টেম্বৰত মৃত্যু হয়। তেওঁৰ মৃত্যুৱে পৰিয়াল তথা পৰিচিত সমাজে এজন অভিভাৱকক হেৰুৱালে। প্ৰয়াত হৰি প্ৰসাদ হাজৰিকা মোৰ স্বামীৰ মামাক প্ৰয়াত নকুল চন্দ্ৰ বৰুৱাৰ অভিন্ন হৃদয়ৰ বন্ধু আছিল। সেই সূত্ৰে এওঁলোকৰ লগতে মৰো তেওঁক মামা বুলি মাতিছিলোঁ। কিন্তু যেতিয়া তেওঁৰ বৰ জীয়ৰী লখীমাৰ বিবাহ মোৰ ভাই গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মনীষ চৌধুৰীৰ লগত হয়, তেতিয়াৰ পৰা সম্পৰ্ক অধিক ঘৰুৱা হৈ পৰিল। পিতৃস্বৰূপ মামাক আমি সুখে-দুখে অভিভাৱকৰূপে পাইছিলোঁ । ১৯৩৭ চনৰ ১ অক্টোবৰত হাজৰিকাৰ জন্ম হৈছিল উত্তৰ গুৱাহাটীৰ শিলসাঁকোত। মামাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতিত এম কম ডিগ্ৰী লৈ কিছুদিন উত্তৰ গুৱাহাটী কলেজত অধ্যাপনা কৰিছিল। সমান্তৰালভাৱে অৰ্থনীতিত আকৌ এম এ ডিগ্ৰী গ্ৰহণ কৰি, ১৯৭০ চনত চাৰ্টাৰ্ড একাউণ্টেচীৰ ডিগ্ৰী লাভ কৰে। তেওঁ অসমৰ চতুৰ্থজন অসমীয়া চাৰ্টাৰ্ড একাউণ্টেণ্ট আছিল। তাৰ পাছত পাণবজাৰত 'চৌধুৰী এণ্ড হাজৰিকা' নামৰ চি এ ফাৰ্ম খুলি স্বাধীন ব্যৱসায়ত মনোনিৱেশ কৰিছিল। এই ফাৰ্মখন এসময়ত অসমৰ এখন উল্লেখযোগ্য চি এ ফাৰ্ম আছিল। ২০০৩ চনৰ পৰা ২০০৬ চনলৈ ষ্টেট বেংক অব ইণ্ডিয়াৰ গুৱাহাটীস্থিত লোকেল হেড অফিচৰ লোকেল ব'ৰ্ডৰ ডাইৰেক্টৰ পদতো তেওঁ আছিল। উত্তৰ গুৱাহাটীৰ সমাজ জীৱনৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ থকা মামাই অকল শিলসাঁকো অঞ্চলৰেই নহয় সমগ্ৰ উত্তৰ গুৱাহাটীৰ মানুহৰ খা-খবৰ ৰাখিছিল আৰু সকলোৰেই সুখ-দুখৰ সমভাগী হৈছিল। তাৰবাবেই ১৯৭৩ চনৰ পৰা ১৯৭৭ চনলৈ উত্তৰ গুৱাহাটীৰ লোকেল ব'ৰ্ডৰ সভাপতিৰ আসন শুৱনি কৰিছিল। মৃত্যু চিৰন্তন সত্য। জন্মিলে মৃত্যু অৱশ্যম্ভাৱী। আজি পৱিত্ৰ আদ্যশ্ৰাদ্ধৰ দিনা মামাক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ।

**কৰবী চৌধুৰী**

# নলবাৰীত ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ

## অনুষ্ঠিত হ'ব ১২-১৩ অক্টোবৰত

**দৈনিক অসমৰ প্ৰতিনিধি**
**নলবাৰী, ৯ অক্টোবৰ ঃ** অসম চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগে প্ৰতিবছৰে আয়োজন কৰা ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ নলবাৰী জিলা সমাৰোহখন অহা ১২ আৰু ১৩ অক্টোবৰত নলবাৰীৰ দেৱীৰাম পাঠশালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হ'ব। ইতিমধ্যে সমাৰোহখনি সুন্দৰভাৱে আয়োজন কৰাৰ বাবে এখনি শক্তিশালী আয়োজক সমিতি গঠন কৰা হৈছে। জিলাখনৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ৰাতুল কুমাৰ দাসক সভাপতি, প্ৰাক্তন শিশু বিজ্ঞানী শৈলেন কলিতাক কাৰ্যকৰী সভাপতি, ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ প্ৰাক্তন জিলা সমন্বয়ক বৰ্তমানৰ প্ৰান্তীয় সমন্নয়ক প্ৰদীপ মহন্তক জিলা মেণ্টৰ সমন্বয়ক, বিজ্ঞান শিক্ষক চিণ্টু কলিতাক জিলা সমন্বয়ক, ডঃ দীনমণি ভাগৱতী শৈক্ষিক সমিতিৰ অধ্যক্ষ, চন্দামিতা শৰ্মাক জিলা মেণ্টৰ শৈক্ষিক সমন্বয়ক, ডঃ ধ্ৰুৱজ্যোতি গগৈক জিলা শৈক্ষিক সমন্বয়ক হিচাপে লৈ এই আয়োজক সমিতিখন গঠন কৰা হয়। অনুষ্ঠানটিৰ আয়োজক সমিতিৰ সভাপতি জিলাখনৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ৰাতুল কুমাৰ দাসে জিলাখনৰ বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলক শিশু বিজ্ঞান সমাৰোহৰ মূল বাণীৰ লগত সংগতি ৰাখি সৰু সৰু একোটা বিষয়ৰ ওপৰত অধ্যয়ন, পৰীক্ষা কৰি কিদৰে নতুন বস্তু বা চিন্তা উদ্ভাৱন কৰি দেশৰ, দহৰ কল্যাণত নিজকে নিয়োজিত কৰিব পাৰি তাৰ বাবে আহ্বান জনায়। তেওঁলোকৰ এই পদক্ষেপত জিলাখনৰ শিক্ষকসকলক মাগদৰ্শক হিচাপে ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰাৰ বাবেও তেখেতে আহ্বান জনায়। আনহাতে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ আৰু জিলাৰ শিক্ষা বিভাগৰ সহযোগত শিক্ষকসকলৰ বাবে দুটাকৈ প্ৰশিক্ষণৰ কাৰ্যসূচী ইতিমধ্যে সম্পন্ন কৰা হোৱা জিলা সমন্বয়ক চিণ্টু কলিতাই জানিবলৈ দিছে। জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা ২৭২টা প্ৰকল্পৰ ৫৪৪গৰাকী শিশু বিজ্ঞানী আৰু ২৭২গৰাকী শিক্ষকে ইতিমধ্যে পঞ্জীয়নৰ কাম সম্পন্ন কৰি উক্ত জিলা সমাৰোহত অংশগ্ৰহণ কৰিব বুলিও তেওঁ জানিবলৈ দিছে। দেৱীৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দুদিনীয়াকৈ অনুষ্ঠিত হ'ব লগীয়া এই সমাৰোহত ভাৰতৰ বিশিষ্ট বিজ্ঞানী তথা অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অধ্যক্ষ ডঃ অৰূপ কুমাৰ মিশ্ৰ, অসম চৰকাৰৰ বন , পৰিবেশ বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, বিধায়ক চন্দ্ৰমোহন পাটোৱাৰী, নাৰায়ণ ডেকা, নলবাৰী জিলা পৰিষদৰ অধ্যক্ষ গীতুমণি বৈশ্য, নলবাৰী পৌৰসভাৰ অধ্যক্ষ জয়শ্ৰী তালুকদাৰ, জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিবেকানন্দ দাসৰ লগতে কেইবাগৰাকী বিশিষ্ট লোকে অংশগ্ৰহণ কৰিব। আনহাতে সমাৰোহৰ লগত সংগতি ৰাখি ডঃ দীনমণি ভাগৱতী সভাপতি আৰু প্ৰদীপ মহন্তই সম্পাদনা কৰা 'উদ্ভাৱন' শীৰ্ষক স্মৃতিগ্ৰন্থখনি জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে উন্মোচন কৰিব।



## আমগুৰিত গাঞ্জাসহ এজনক আটক

**দৈনিক অসমৰ প্ৰতিনিধি**

**আমগুৰি, ৯ অক্টোবৰ ঃ** গোপন সূত্ৰৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত আমগুৰি আৰক্ষীয়ে পেঙেৰা গাঁৱত অভিযান চলাই বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ কৰিবলৈ সক্ষম হৈছে। আৰক্ষীয়ে দীপক দাস নামৰ এজন লোকৰ বাসগৃহত তালাচী চলাই মুঠ ১ কিলোগ্ৰাম ৭২ গ্ৰাম গাঞ্জা উদ্ধাৰ কৰে। আনহাতে, আৰক্ষীয়ে দীপক দাসৰ বাসগৃহৰ পৰা নগদ ২৪,৫০০ টকাও জব্দ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে দীপক দাসক আটক কৰি জব্দ কৰা গাঞ্জাসহ থানালৈ লৈ যায়।

## বাৰপূজীয়াত শিলাবৃষ্টি-ধুমুহাত বিদ্যুৎ যোগান ব্যাহত

**দৈনিক অসমৰ প্ৰতিনিধি**

**বাৰপূজীয়া, ৯ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ বাৰপূজীয়াৰ বিভিন্ন প্ৰান্তত কালি বিয়লি প্ৰায় ৩.৩০ বজাত হঠাতে অহা এজাক প্ৰচণ্ড ধুমুহা-বৰষুণ আৰু শিলা বৃষ্টিৰ ফলত সমগ্ৰ বাৰপূজীয়া, কপাহেৰা, চাবুকধৰা, টেকেলাগাঁও কেউটাগুৰি, ঘুমতি গাঁও, চৰাইবাহী আদি বৃহত্তৰ অঞ্চলত যথেষ্ট ক্ষতিসাধন হয়। জানিব পৰা মতে বহু লোকৰ গছ-গছনি এই ধুমুহাই ভাঙি-ছিঙি চূৰমাৰ কৰি থৈ যোৱাৰ লগতে বিদ্যুতৰ তাঁৰ ছিঙি বিদ্যুৎ যোগান ব্যাহত হয়। এই বাতৰি লিখা সময়লৈকে বিদ্যুৎ যোগান ব্যাহত হৈ আছে।

### নাগৰিক সভা আহ্বান নকৰাকৈয়ে পৌৰসভাই বলৰৎ কৰিলে নতুন কৰ

# ডুমডুমাত এটুপি বিশুদ্ধ খোৱাপানীৰ বাবে হাহাকাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডুমডুমা, ৯ অক্টোবৰ ঃ** অসম পৌৰ আইন ১৯৫৬ আৰু ৭৪সংখ্যক সংবিধান সংশোধনী আইনৰ অধীনত ডুমডুমা পৌৰসভাই ৱাৰ্ড সভা, নাগৰিক সভা বা ৰাজহুৱা সভা আহ্বান কৰাৰ নজিৰ নাই। ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাই যি কয় তাকে ডুমডুমা পৌৰসভাৰ পৌৰপতি আৰু ৱাৰ্ড সদস্যসকলে পৌৰসভাৰ ভৱিষ্যৎ কাৰ্যপন্থা, সিদ্ধান্ত, প্ৰস্তাৱ গ্ৰহণ কৰে বুলি অভিযোগ উঠিছে। শাসকীয় দলৰ ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়কগৰাকীয়ে বিচাৰিলেহে ডুমডুমা পৌৰসভাই কোনো নিৰ্দিষ্ট বিষয়ক লৈ ৰাজহুৱা নাগৰিক সভা আহ্বান কৰে বুলি অভিযোগ উঠিছে। মনকৰিবলগীয়া যে নগৰৰ উন্নয়নমূলক আঁচনিসমূহৰ ৰূপায়ণ আৰু স্বচ্ছতা ৰক্ষাৰ বাবে পৌৰসভাই নাগৰিককেন্দ্ৰিক ৰাজহুৱা সভা অনুষ্ঠিত কৰাটো এক আইনী প্ৰক্ৰিয়াৰ অংশ। পৌৰসভাই নগৰৰ নাগৰিকসকলক লৈ ৰাজহুৱা সভা আহ্বান কৰাৰ স্পষ্ট নীতি-নিৰ্দেশনা আৰু নিয়ম আছে। কিন্তু ডুমডুমা পৌৰসভাই নগৰৰ নাগৰিকসকলক লৈ ৱাৰ্ড সভা বা নাগৰিক সভা আহ্বান নকৰাৰ অভিযোগ উঠিছে। পৌৰসভাই ডুমডুমা নগৰৰ গান্ধীচ'কত ক্লক টাৱাৰ নিৰ্মাণক লৈ এখন ৰাজহুৱা সভা আহ্বান কৰিছিল আৰু নগৰখনত কৰ বৃদ্ধিক লৈ উদ্ভৱ হোৱা নাগৰিকৰ প্ৰতিবাদমুখৰ পৰিস্থিতিক নিয়ন্ত্ৰণ কৰিবলৈ এখন ৰাজহুৱা সভা আহ্বান কৰিবলৈ বাধ্য হৈছিল। উল্লেখ্য যে ভাৰতৰ পৌৰ আইনসমূহ যেনে— আসাম মিউনিচিপালিটী এক্ট ১৯৫৬ আৰু ৭৪সংখ্যক সংবিধান সংশোধনী আইনৰ অধীনত স্থানীয় প্ৰশাসনত নাগৰিকৰ অংশগ্ৰহণ সুনিশ্চিত কৰিবলৈ এই নিয়মসমূহ নিৰ্দ্ধাৰণ কৰি দিছে। নগৰৰ নাগৰিকসকলক লৈ কৰা এইসমূহ সভাক সাধাৰণতে ৱাৰ্ড সভা বা নাগৰিক সভা বুলিও কোৱা হয়। সভা আহ্বানৰ নীতি-নিৰ্দেশনা অনুসৰি যিকোনো সভা অনুষ্ঠিত কৰাৰ অন্তত ৭ৰ পৰা ১০ দিন পূৰ্বে জনসাধাৰণক অৱগত কৰিব লাগে। সভাৰ স্থান, তাৰিখ, সময় আৰু বিষয়সূচী উল্লেখ কৰি পৌৰসভাৰ জাননী ব'ৰ্ড, ৱেবছাইট, স্থানীয় বাতৰিকাকত বা মাইকযোগে নগৰৰ এলেকাত ঘোষণা কৰিব লাগে। সভাৰ কোৰাম বা নূন্যতম লোক উপস্থিতিৰ নীতি অনুসৰি, সভাখন আইনীভাৱে বৈধ হ'বলৈ হ'লে সংশ্লিষ্ট নগৰখনৰ বা ৱাৰ্ডটোৰ মুঠ পঞ্জীভুক্ত ভোটাৰ বা নাগৰিকৰ এটা নিৰ্দিষ্ট শতাংশ (প্ৰায় ১০%) উপস্থিত থাকিব লাগিব। পৌৰসভাই নাগৰিকসকলক লৈ আহ্বান কৰা সভাত মূলত নগৰখন বা ৱাৰ্ডটোৰ উন্নয়নমূলক আঁচনি, বাজেট, অনাময় ব্যৱস্থা, খোৱাপানী যোগান আৰু নতুন কৰ ব্যৱস্থা আদিৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহ আলোচনা কৰিব লাগে। পৌৰসভাৰ প্ৰেক্ষাগৃহৰ বাহিৰত কোনো মুকলি স্থানত বৃহৎ ৰাজহুৱা সমাৰেশ ঘটাই সভা আহ্বান কৰিলে আইন-শৃংখলা বৰ্তাই ৰাখিবলৈ সংশ্লিষ্ট জিলা দণ্ডাধীশ আৰু স্থানীয় আৰক্ষী প্ৰশাসনৰ পৰা আগতীয়াকৈ অনুমতি লোৱাটো বাধ্যতামূলক। কিন্তু ডুমডুমা পৌৰসভাই নতুন কৰ ব্যৱস্থা কৰাৰ পূৰ্বে নগৰৰ নাগৰিকসকলক লৈ নাগৰিক সভা বা ৰাজহুৱা সভা আহ্বান নকৰাকৈ নতুন কৰ ব্যৱস্থা কৰিলে। ইয়াৰ ফলত ডুমডুমা নগৰত কৰ নিয়ন্ত্ৰণ কমিটী এখন গঠন কৰিবলৈ নগৰখনৰ নাগৰিকসকলে ডুমডুমাত নাগৰিক সভা আয়োজন কৰি পৌৰসভাই বলৰৎ কৰা নতুন কৰ ব্যৱস্থাৰ বিৰুদ্ধে পৌৰসভাক ভৰ্ৎসনা কৰিব লগা হৈছিল। উল্লেখ্য যে ডুমডুমা পৌৰসভাই আসাম মিউনিচিপালিটী এক্ট ১৯৫৬ আৰু ৭৪সংখ্যক সংবিধান সংশোধনী আইনৰ অধীনত স্থানীয় প্ৰশাসনত নাগৰিকৰ অংশগ্ৰহণ সুনিশ্চিত কৰি নাগৰিক সভা আহ্বান নকৰাকৈ ডুমডুমা নগৰৰ নাগৰিকৰ পৰা শতকৰা ৫ শতাংশ হল্ডিং হস্তান্তৰিত কৰ সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰিলে। আসাম মিউনিচিপালিটী এক্ট ১৯৫৬ আৰু ৭৪সংখ্যক সংবিধান সংশোধনী আইনৰ অধীনত ডুমডুমা নগৰৰ উন্নয়নমূলক আঁচনিসমূহৰ ৰূপায়ণ আৰু স্বচ্ছতা ৰক্ষাৰ বাবে পৌৰসভাই কোনোদিনেই ৱাৰ্ড সভা বা নাগৰিক সভা আহ্বান কৰা নাই। চৰকাৰী পুঁজিৰে 'গৌৰৱ পথ' নিৰ্মাণ কৰা ডুমডুমা পৌৰসভাই নগৰখনৰ ব্যৱসায়ীসকলক আজিলৈকে ৰাজহুৱা বিশুদ্ধ পানী যোগান ধৰিব নোৱাৰিলে । ডুমডুমা পৌৰসভাই ২,৫৩,৭১,৫০০ টকাৰে নিৰ্মাণ কৰা ৫০০ মিটাৰ দৈৰ্ঘ্যৰ 'গৌৰৱ পথ'ত আজিলৈকে যান-জঁট আৰু অবৈধ কাৰ পাৰ্কিং বন্ধ কৰিব নোৱাৰিলে। শেহতীয়াকৈ ডুমডুমা পৌৰসভাই ডুমডুমা নগৰৰ ডঃ ভূপেন হাজৰিকা উদ্যানখন ব্যক্তিগত খণ্ডক গতাবলৈ প্ৰস্তুতি চলাইছে।

### তিনিচুকীয়াত প্ৰশাসনৰ নিৰ্দেশনাক বুঢ়া আঙুলি একাংশ ব্যৱসায়ীৰ

## গৰুৰ খাদ্যৰ নামত অনুজ্ঞাপত্ৰ লৈ গোপনে চুলাই মদৰ ঘাটীলৈ লালীগুড় যোগান

**দৈনিক অসমৰ প্ৰতিনিধি**

**তিনিচুকীয়া, ৯ অক্টোবৰ ঃ** বাণিজ্যিক চহৰ তিনিচুকীয়াত জিলা প্ৰশাসনৰ নিৰ্দেশনাক আওকাণ কৰি একাংশ অসাধু ব্যৱসায়ীয়ে লালীগুড়ৰ অবৈধ বেহা চলাই অহাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। বিশেষকৈ গৰুৰ খাদ্য হিচাপে লালীগুড় ক্ৰয়-বিক্ৰয়ৰ বাবে অনুজ্ঞাপত্ৰ লাভ কৰা একাংশ ব্যৱসায়িক প্ৰতিষ্ঠানে গোপনে চুলাই মদ প্ৰস্তুতকাৰীক লালীগুড় যোগান ধৰাৰ অভিযোগে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে লালীগুড়ৰ অপব্যৱহাৰ ৰোধ আৰু ইয়াৰ জৰিয়তে চুলাই মদ প্ৰস্তুত তথা অবৈধ বেহা নিয়ন্ত্ৰণৰ লক্ষ্যৰে শেহতীয়াকৈ তিনিচুকীয়া জিলা প্ৰশাসনে লালীগুড়ৰ ক্ৰয়-বিক্ৰয় আৰু মজুতকৰণৰ ক্ষেত্ৰত নীতি-নিৰ্দেশনা জাৰি কৰিছিল। কিন্তু অভিযোগ অনুসৰি, প্ৰশাসনৰ এনে নিৰ্দেশনাৰ পাছতো জিলাখনৰ একাংশ ব্যৱসায়ীয়ে বিভিন্ন কৌশলেৰে লালীগুড়ৰ বেহা অব্যাহত ৰাখিছে। স্থানীয়ভাৱে উত্থাপিত অভিযোগ অনুসৰি, তিনিচুকীয়াৰ ছাইদিং বজাৰ, ন-পুখুৰী আৰু লাইপুলি অঞ্চলৰ একাংশ গুদামত মজুত কৰি লালীগুড় গোপনে চুলাই মদ প্ৰস্তুতকাৰীসকললৈ সৰবৰাহ কৰা হৈছে। সমাগত দুৰ্গাপূজাক কেন্দ্ৰ কৰি চাহ বাগিচা অঞ্চলত থকা অবৈধ চুলাই মদৰ ঘাটীলৈ লালীগুড়ৰ যোগান বৃদ্ধি পোৱাৰো অভিযোগ উঠিছে। লালীগুড়ৰ এই অসাধু ব্যৱসায় নতুন নহয়। ইয়াৰ অবৈধ সৰবৰাহ বন্ধ কৰাৰ দাবী পূৰ্বে বিধানসভাৰ মজিয়াতো উত্থাপন কৰিছিল বিধায়ক সঞ্জয় কিষাণে। তদুপৰি চাহ জনজাতি ছাত্ৰ সংগঠনৰ সহযোগত বিভিন্ন স্থানত লালীগুড়ৰ অবৈধ ব্যৱসায়ৰ বিৰুদ্ধে অভিযান চলোৱাৰ কথাও পোহৰলৈ আহিছিল। ইয়াৰ পাছতেই প্ৰশাসনে লালীগুড়ৰ ক্ৰয়-বিক্ৰয় আৰু ব্যৱহাৰৰ ক্ষেত্ৰত নীতি-নিৰ্দেশনা জাৰি কৰিছিল। কিন্তু বৰ্তমান সেই নিৰ্দেশনাসমূহৰ কাৰ্যকৰিতা সন্দৰ্ভত প্ৰশ্ন উত্থাপন হৈছে। স্থানীয় ৰাইজৰ অভিযোগ, গৰুৰ খাদ্যৰ নামত অনুজ্ঞাপত্ৰ লাভ কৰা ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা যদি চুলাই মদ প্ৰস্তুতকাৰীৰ ওচৰলৈ লালীগুড় সৰবৰাহ হৈ থাকে, তেন্তে সংশ্লিষ্ট প্ৰতিষ্ঠানসমূহৰ অনুজ্ঞাপত্ৰৰ চৰ্ত আৰু মজুত কৰা লালীগুড়ৰ ব্যৱহাৰো কঠোৰভাৱে পৰীক্ষা কৰাৰ প্ৰয়োজন আছে। ইফালে, লালীগুড়ৰ অবৈধ সৰবৰাহৰ অভিযোগৰ মাজতে জিলা আবকাৰী বিভাগৰ ভূমিকাক লৈও বিভিন্ন মহলত প্ৰশ্ন উত্থাপিত হৈছে। প্ৰশাসনৰ নিৰ্দেশনাৰ পাছতো যদি অবৈধ চুলাই মদৰ ঘাটীলৈ লালীগুড়ৰ যোগান অব্যাহত থাকে, তেন্তে এই সমগ্ৰ ব্যৱস্থাৰ ওপৰত কাৰ্যকৰী নজৰদাৰীৰ অভাৱ আছে নেকি বুলিও চৰ্চা চলিছে।





## সোণাৰি পৌৰসভাৰ কুইজ প্ৰতিযোগিতা সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**

**মাহমৰা, ৯ অক্টোবৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সুশাসনৰ ২৫ বছৰীয়া জয়ন্তী উপলক্ষে আয়োজিত সেৱা সংকল্প অভিযানৰ লগত সংগতি ৰাখি কালি চৰাইদেউ জিলা ভিত্তিত ঘৰ ঘৰ মোডী আৰু মোডী হ্যা তো মুমকিন হ্যা শীৰ্ষক ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে আৰু একাদশ শ্ৰেণীৰ পৰা স্নাতক পৰ্যায়লৈকে 'ক' আৰু 'খ' শাখাত দুখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। প্ৰতিযোগিতাৰ আৰম্ভণিতে সোণাৰি পৌৰসভাৰ পৌৰপতি তিলক চন্দ্ৰ নেওগে আঁত ধৰা অনুষ্ঠানটোত চৰাইদেউ জিলাৰ অতিৰিক্ত আয়ুক্ত সৰোজ সোণোৱাল আৰু চৰাইদেউ জিলাৰ স্কুলসমূহৰ পৰিদৰ্শক পলাশ কাকতি উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ভাষণ দিয়ে। ইয়াৰে পাছতে ঘৰ ঘৰ মোডী শীৰ্ষক ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে 'ক' শাখাৰ কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত জিলাখনৰ ১২টা দলে অংশগ্ৰহণ কৰে। ৫টো ৰাউণ্ডেৰে সমৃদ্ধ মূল প্ৰতিযোগিতাৰ অন্তত সোণাৰি জাতীয় বিদ্যালয়ৰ বৰ্ণিল গগৈ আৰু শিৰমজ্যোতি ওৰাঙে প্ৰথম স্থান, সোণাৰি ছেইণ্ট যোচেফ হাইস্কুলৰ উদ্দীপ্তা দুৱৰা আৰু য়াছিকা কুমাৰী গুপ্তাই দ্বিতীয় স্থান, সোণাৰি ছেইণ্ট যোচেফ হাইস্কুলৰ সংঘামিত্ৰা গগৈ আৰু আস্থাজিতা দিহিঙীয়াই তৃতীয় স্থান লাভ কৰে। ইয়াৰ পাছতে 'খ' শাখাৰ প্ৰতিযোগিতা একাদশ শ্ৰেণীৰ পৰা স্নাতক পৰ্যায়লৈ অনুষ্ঠিত মোডী হে তু মুমকিন হে শীৰ্ষক কুইজ প্ৰতিযোগিতাত মৰাণ কলেজৰ ৰক্তিম দিহিঙীয়া আৰু শৰৎজ্যোতি গগৈয়ে প্ৰথম স্থান, সোণাৰি কৰ্মাচ কলেজৰ বিবেক চৌধুৰী আৰু শংকৰাচাৰ্য গগৈয়ে দ্বিতীয় স্থান আৰু সোণাৰি কলেজৰ বিশ্বজিৎ লাহন আৰু নৱজ্যোতি হাজৰিকাই তৃতীয় স্থান লাভ কৰে। প্ৰতিযোগিতাখন সামগ্ৰিকভাৱে পৰিচালনা কৰে পেছাদাৰী কুইজ গ্ৰুপ ক্লিক অন কুইজৰ হৈ কুইজ মাষ্টাৰ নৱজ্যোতি ভৰালীয়ে। কাৰিকৰী দিশটো পৰিচালনা কৰে গ্ৰুপটোৰ কাৰিকৰী বিশেষজ্ঞ ৰবিজিত বৰুৱাই। ইয়াৰ পাছতেই অনুষ্ঠিত চমু বঁটা-বিতৰণী সভাত সোণাৰি মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ডঃ সুনীল দত্ত, চৰাইদেউ জিলাৰ বিজেপিৰ সভানেত্ৰী নিতুমণি প্ৰধান, সোণাৰি পৌৰসভাৰ পৌৰপতি তিলক চন্দ্ৰ নেওগ, সোণাৰি পৌৰসভাৰ উপ-পৌৰপতি স্বাক্ষৰজ্যোতি গগৈ আৰু কুইজ পৰিচালক নৱজ্যোতি ভৰালী উপস্থিত থাকি বিজয়ী প্ৰতিযোগীসকলৰ মাজত বঁটাসমূহ বিতৰণ কৰে।

## শিমলুগুৰি ৰংপুৰ ঔদ্যোগিক প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠা দিৱস সম্পন্ন



**দৈনিক অসমৰ প্ৰতিনিধি**

**লাকুৱা, ৯ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ শিমলুগুৰি ৰামুগাঁওস্থিত ৰংপুৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ ত্ৰয়োদশ প্ৰতিষ্ঠা দিৱস কালি উদ্‌যাপন কৰা হয়। শিমলুগুৰি ৰংপুৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী পুৱা পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা হয়। স্মৃতি তৰ্পণ কৰাৰ পাছতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এখন সভা অনুষ্ঠিত কৰা হয়। প্ৰতিষ্ঠানখনৰ অধ্যক্ষ অমৰজ্যোতি মহন্তই আঁত ধৰা অনুষ্ঠানত ৰংপুৰ আই টি আইৰ পৰিচালন সঞ্চালক নিৰ্মল লাহন, সঞ্চালক শশীধৰ হাজৰিকা, সাংবাদিক চৰিফ আলী, বিপিন হাজৰিকাৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অঞ্চলটোত কাৰিকৰী শিক্ষাৰ প্ৰসাৰতাৰ উদ্দেশ্যে প্ৰতিষ্ঠা কৰা ঔদ্যোগিক কাৰিকৰী প্ৰশিক্ষণ প্ৰতিষ্ঠানখন প্ৰতিষ্ঠা কৰা সন্দৰ্ভত আলোকপাত কৰে পৰিচালন সঞ্চালক নিৰ্মল লাহনে। অনুষ্ঠানত সাংবাদিক বিপিন হাজৰিকাই শৰতৰ এটি সুন্দৰ গীত, ত্ৰৈলোক্য গগৈ, প্ৰফুল্ল কোঁৱৰৰ বিহুগীত, দীপু পায়েঙে গীত পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে।

## গোলাঘাটৰ ৭ পঞ্চায়তক যক্ষ্মামুক্তৰ সন্মান

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**

**গোলাঘাট, ৯ অক্টোবৰ ঃ** গোলাঘাট জিলাত যক্ষ্মামুক্ত পঞ্চায়ত গঢ়াৰ ক্ষেত্ৰত গমাৰীগুৰি উন্নয়ন খণ্ডৰ অধীনত অৰুণাচল গাঁও পঞ্চায়ত, দৈয়াং গাঁও পঞ্চায়ত, কাছমাৰি গাঁও পঞ্চায়ত তথা কেন্দ্ৰীয় উন্নয়ন খণ্ডৰ অধীনত বেতিয়নি, ঢেকিয়াল, কচুপথাৰ আৰু মধ্য মিছামৰা গাঁও পঞ্চায়তক মানপত্ৰ প্ৰদান কৰি সন্মান জনোৱা হয়। গোলাঘাট জিলা সংহত আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত যক্ষ্মামুক্ত ভাৰত অভিযানৰ লগত যুৱশক্তিক সামৰি জোছ দলৰ আৰম্ভণি কাৰ্যসূচীত উক্ত সন্মান প্ৰদান কৰা হয়। শুভাৰম্ভণী অনুষ্ঠানত ডাঃ উৎপল বৰাই জোছ দল গঠনৰ তাৎপৰ্য ব্যাখ্যা কৰি যুৱশক্তিৰ সংযুক্তিৰে এই অভিযানে এক নতুন আৰু শক্তিশালী দিশ পাব বুলি মন্তব্য কৰে। দেশৰ পৰা যক্ষ্মা নিৰ্মূলৰ উদ্দেশ্যে পৰৱৰ্তী সময়ত প্ৰতিটো সমষ্টিৰ পৰা ৫জনকৈ নেচনেল কেডেট কৰ্প'ছৰ ৫জনকৈ মোৰ ভাৰত স্বেচ্ছাসেৱকৰ গোট গঠন কৰি যক্ষ্মা ৰোগৰ বাবে সজাগতা বৃদ্ধি আৰু জনসাধাৰণক বিশেষকৈ যুৱপ্ৰজন্মক এই অভিযানৰ লগত জড়িত হ'বলৈ প্ৰেৰণা যোগাব বুলি আশা কৰা হয়। জোছ দলৰ শুভাৰম্ভণি দেশৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী জগত প্ৰকাশ নড্ডাই নতুন দিল্লীৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়ত মুকলি কৰে আৰু গোলাঘাট জিলাৰ অনুষ্ঠানত এই কাৰ্যসূচীৰ সম্প্ৰচাৰ ভিডিঅ' কনফাৰেন্সৰ যোগেদি সভাত উপস্থিত সদস্যসকলে অংশগ্ৰহণ কৰে। এই সম্প্ৰসাৰণৰ পাছত জিলা পৰ্যায়ৰ অনুষ্ঠানত জোছ দলৰ শুভাৰম্ভণি অতিৰিক্ত আয়ুক্ত (স্বাস্থ্য) জিণ্টু বৰাই কৰে। অনুষ্ঠানত গমাৰীগুৰি উন্নয়ন খণ্ডৰ খণ্ড বিষয়া, গোলাঘাট কেন্দ্ৰীয় উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া, শ্ৰম পৰ্যবেক্ষক, মোৰ ভাৰত স্বেচ্ছাসেৱক, NCC কেডেট আৰু গোলাঘাট জিলাৰ ৰাষ্ট্ৰীয় যক্ষ্মা নিয়ন্ত্ৰণ কাৰ্যসূচীৰ সমূহ বিষয়া উপস্থিত থাকে।

### ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ বক্তৃতানুষ্ঠানত কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য

## ভাৰতীয় জ্ঞান-পৰম্পৰাৰ সৈতে আধুনিক বিজ্ঞানৰ গভীৰ সংযোগ আছে ঃ ডঃ ৰমেশ চন্দ্ৰ ডেকা



**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**

**ডিব্ৰুগড়, ৯ অক্টোবৰ ঃ** ভাৰতীয় জ্ঞান-পৰম্পৰাৰ সৈতে আধুনিক বিজ্ঞানৰ গভীৰ সংযোগ আছে। ভাৰতীয় জ্ঞান-পৰম্পৰা কোনো এটা নিৰ্দিষ্ট সময়, শাস্ত্ৰ বা বিষয়ৰ মাজতে সীমাবদ্ধ নহয়, ই ভাৰতীয় সভ্যতাৰ দীৰ্ঘদিনীয়া চিন্তা, অন্বেষণ, পৰ্যৱেক্ষণ আৰু অভিজ্ঞতাৰ এক সমৃদ্ধ ধাৰা। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ত ভাৰতীয় ইতিহাস সংকলন সমিতি, ডিব্ৰুগড় জিলা আৰু কানৈ মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগ, মনোবিজ্ঞান বিভাগ, পৰিৱেশ্য কলা বিভাগ তথা ভাৰতীয় জ্ঞান-পৰম্পৰা অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকি কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ ৰমেশ চন্দ্ৰ ডেকাই এইদৰে কয়। 'আধুনিক বিজ্ঞানৰ দৃষ্টিত ভাৰতীয় জ্ঞান-পৰম্পৰা' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি ডঃ ডেকাই কয়— 'প্ৰকৃতি, মানুহ আৰু বিশ্বব্ৰহ্মাণ্ডৰ মাজৰ আন্তঃসম্পৰ্কৰ বিষয়ে ভাৰতীয় চিন্তাধাৰাত অতীজৰে পৰা গভীৰ অনুসন্ধান চলি আহিছে।' তেওঁ কয়— 'আয়ুৰ্বেদ, যোগ, গণিত, জ্যোতিৰ্বিজ্ঞান, স্থাপত্য, কৃষি, ধাতুবিদ্যা, ভাষা-চিন্তা আদি বিভিন্ন ক্ষেত্ৰত ভাৰতীয় মনীষীসকলে আগবঢ়োৱা জ্ঞান আৰু অৱদানক আধুনিক বিজ্ঞানৰ যুক্তিবাদী আৰু পৰীক্ষণভিত্তিক দৃষ্টিভংগীৰে অধ্যয়ন কৰাটো সময়ৰ আহ্বান। কানৈ মহাবিদ্যালয়ৰ অধ্যাপিকা কৰিশ্মা জে কে বৈষ্ণৱীয়ে আঁত ধৰা অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষ ডঃ শইকীয়াই কয়— ভাৰতীয় জ্ঞান-পৰম্পৰাৰ বিশাল ভাণ্ডাৰক নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱা আৰু আধুনিক জ্ঞান-বিজ্ঞানৰ সৈতে ইয়াৰ সংযোগ স্থাপন কৰাটো উচ্চ শিক্ষানুষ্ঠানসমূহৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব। মহাবিদ্যালয় সংগীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানৰ আৰম্ভণিতে কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ ৰমেশ চন্দ্ৰ ডেকাই কানৈ মহাবিদ্যালয়ত অত্যাধুনিক ৰূপত পুনৰ নিৰ্মাণ কৰি উলিওৱা শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষৰ ভূমি মহলাটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডঃ পাৰ্থ গাংগুলী, প্ৰাক্তন অধ্যাপিকা ডঃ ভাৰতী দত্ত, ডঃ চুলতানা হাজৰিকা, ডিব্ৰুগড়ৰ ছল্ট ব্ৰুক একাডেমীৰ প্ৰাক্তন অধ্যক্ষ ৰঞ্জিৎ বৰুৱাই মননশীল বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত উপাচাৰ্য ডঃ ডেকাক ফুলাম গামোচা, সম্বৰ্দ্ধনাপত্ৰ, গ্ৰন্থৰ টোপোলা আৰু অনুষ্ঠানৰ স্মৃতি বিজড়িত স্থিৰচিত্ৰৰে উষ্ম সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। উল্লেখ্য যে বক্তৃতানুষ্ঠানটিৰ লগত সংগতি ৰাখি মুখ্য বক্তা উপাচাৰ্য ডঃ ডেকাই ছাত্ৰ-ছাত্ৰীসকলৰ লগত এক মত-বিনিময় অনুষ্ঠানতো ভাগ লয়।

### মৰাণৰ তিলৈত ব্লক পৰ্যায়ৰ সেৱা সংকল্প শিবিৰ

## ৰাইজক বিভিন্ন চৰকাৰী সেৱাৰ সুবিধা

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰাণ, ৯ অক্টোবৰ ঃ** এবাৰতে ৰাইজৰ দুৱাৰ-ডলিত বহু চৰকাৰী সেৱা আৰু কল্যাণমূলক আঁচনিৰ সুবিধা প্ৰদানৰ লক্ষ্যৰে ডিব্ৰুগড় জিলাৰ খোৱাং উন্নয়ন খণ্ডৰ মৰাণ তিলৈ গ্ৰাম্য বজাৰত আজি অনুষ্ঠিত হ'ল ব্লক পৰ্যায়ৰ 'সেৱা সংকল্প শিবিৰ'। 'সেৱা সেতু অভিযান'ৰ অধীনত অনুষ্ঠিত এই শিবিৰত ৫,০১৬গৰাকী লোকৰ পঞ্জীয়ন সম্পন্ন হোৱাৰ বিপৰীতে প্ৰায় ৫,৫০০ গৰাকী লোকৰ সমাগমে শিবিৰটোৰ প্ৰতি ৰাইজৰ ব্যাপক আগ্ৰহ আৰু সঁহাৰি প্ৰতিফলিত কৰে। মৰাণ তিলৈ গ্ৰাম্য বজাৰৰ মুকলি প্ৰেক্ষাগৃহত অনুষ্ঠিত শিবিৰত মন্ত্ৰী তথা টিংখাং বিধানসভা সমষ্টিৰ বিধায়ক বিমল বড়া, ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দিপু কুমাৰ ডেকা, ডিব্ৰুগড়ৰ সহকাৰী জিলা আয়ুক্ত কাৰ্তিকে কুমাৰ, খোৱাং সম-জিলা আয়ুক্ত শ্ৰৱণা সোণোৱালৰ লগতে বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী, জনপ্ৰতিনিধি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। শিবিৰটোৰ অন্যতম বিশেষত্ব আছিল—এটা স্থানতে একাধিক চৰকাৰী সেৱা লাভৰ সুযোগ। মাটিৰ পট্টা আৰু নামজাৰি, ৰেচন কাৰ্ড, জন্ম-মৃত্যু-বিবাহৰ প্ৰমাণপত্ৰ, বেংক একাউণ্ট, কিষাণ ক্ৰেডিট কাৰ্ড, চৰকাৰী পেন্সন, 'নিযুত মইনা' আৰু 'নিযুত বাবু' আদি সেৱা শিবিৰতে উপলব্ধ কৰা হয়। তদুপৰি আয়ুষ্মান ভাৰত, পিএম-কিষাণ, প্ৰধানমন্ত্ৰী জন ধন যোজনা, প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা, প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা আৰু পিএম সূৰ্য ঘৰ আদি বিভিন্ন কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ সুবিধাও ৰাইজৰ কাষলৈ লৈ যোৱা হয়। বিশেষকৈ গ্ৰামাঞ্চলৰ ৰাইজে চৰকাৰী আঁচনিৰ সুবিধা লাভৰ বাবে বিভিন্ন কাৰ্যালয়লৈ যাবলগীয়া হোৱা সমস্যাৰ পৰিৱৰ্তে শিবিৰস্থলীতে আবেদন, পঞ্জীয়ন, তথ্য আৰু সেৱা লাভৰ সুযোগ পোৱাটো এই উদ্যোগৰ উল্লেখযোগ্য দিশ হিচাপে পৰিগণিত হয়। বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে ৰাইজৰ সৈতে প্ৰত্যক্ষভাৱে মত-বিনিময় কৰি তেওঁলোকৰ সমস্যা, প্ৰশ্ন আৰু প্ৰয়োজনীয়তা সমাধানৰ ব্যৱস্থা কৰে। শিবিৰৰ অংশ হিচাপে স্বাস্থ্য শিবিৰো অনুষ্ঠিত কৰা হয়। ইয়াৰ জৰিয়তে স্থানীয় নাগৰিকসকলক অত্যাৱশ্যকীয় স্বাস্থ্যসেৱা আৰু পৰামৰ্শ প্ৰদান কৰা হয়।

## গোলাঘাটত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**

**গোলাঘাট, ৯ অক্টোবৰ ঃ** গোলাঘাট এমেচাৰ থিয়েটাৰ ছ'চাইটীৰ উদ্যোগত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ পঞ্চদশ মৃত্যু দিৱস অহা ৫ নৱেম্বৰত ছ'চাইটীৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। সেই উপলক্ষে গোলাঘাট জাতীয় বিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত হ'ব ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত পৰিৱেশন কৰিবলগীয়া গীতসমূহ ডঃ ভূপেন হাজৰিকাৰ দ্বাৰা ৰচিত আৰু সুৰাৰোপিত হ'ব লাগিব। প্ৰতিযোগিতা এটা শাখাত অনুষ্ঠিত হ'ব। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগিতাত প্ৰতিখন বিদ্যালয়ৰ পৰা ২জনকৈ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব পাৰিব। বাদ্যযন্ত্ৰী উদ্যোক্তাসকলৰ তৰফৰ পৰা যোগান ধৰা হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণৰ কোনো মাচুল নাই।

### আধুনিক পদ্ধতিৰে প্ৰাচীন পৰম্পৰা সংৰক্ষণৰ বিশেষ পদক্ষেপ 'আৰণ্যক'ৰ

## কাজিৰঙাৰ কাৰ্বি গাঁৱত এৰী শিল্পীৰ ব্যৱহাৰিক প্ৰশিক্ষণ সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**

**বোকাখাত, ৯ অক্টোবৰ ঃ** অগ্ৰণী জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ সংস্থা আৰণ্যকে ৩০ ছেপ্টেম্বৰৰ পৰা ৩ অক্টোবৰলৈকে কাজিৰঙাৰ সমীপৰ চন্দ্ৰসিং ৰংপী গাঁৱৰ সমূহীয়া সমল কেন্দ্ৰত যন্ত্ৰৰ জৰিয়তে এৰী ৰেচম সূতা কটাৰ এক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰে। এই প্ৰশিক্ষণত কাৰ্বি আংলং জিলাৰ ৰংমংৰে ব্লকৰ আঠগৰাকী খিলঞ্জীয়া কাৰ্বি মহিলাই অংশগ্ৰগণ কৰে। এৰী ৰেচম উৎপাদনৰ সৈতে কাৰ্বি সমাজৰ ঐতিহ্যৰ যুগ যুগ ধৰি সম্পৰ্ক আছে আৰু এৰী পলু পালন, সূতা কটা আৰু বয়ন কাৰ্য পৰম্পৰাগত জীৱনধাৰাৰ সৈতে ওতপ্ৰোতভাৱে জড়িত। কিন্তু বৰ্তমান এই পৰম্পৰাগত প্ৰথা ক্ৰমাৎ বিৰল হৈ পৰিছে। এৰী ৰেচমৰ এই পৰম্পৰা পুনৰুজ্জীৱিত কৰা তথা পলু পালনৰ পৰা আৰম্ভ কৰি বস্ত্ৰ প্ৰস্তুত কৰালৈকে বজাৰৰ সৈতে সংযোজিত মূল্য শৃংখল গঢ়ি তুলিব পাৰিলে নতুন জীৱিকাৰ সুযোগ সৃষ্টিৰ লগতে সাংস্কৃতিক ঐতিহ্যও সংৰক্ষিত কৰাৰ উদ্দেশ্যে এই কৰ্মশালাৰ আয়োজন কৰা বুলি আৰণ্যকে জনায়। চাৰিদিনীয়া এই প্ৰশিক্ষণত অংশগ্ৰহণকাৰী মহিলাসকলক এৰী খোলা প্ৰস্তুতকৰণ, যান্ত্ৰিক পদ্ধতিৰে সূতা উলিওৱা, সূতা যোৰ দিয়া, সূতা মেৰিওৱা, সূতাৰ যতন, গুণগত মান নিৰূপণ আৰু মূল্য সংযোজনৰ ব্যৱহাৰিক প্ৰশিক্ষণ দিয়া হয়। সূতাৰ সম-ঘনত্বৰ লগতে উৎপাদনৰ দক্ষতা আৰু সামঞ্জস্য বজাই ৰখাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ উপৰি মহিলাসকলক ভৱিষ্যতে ক্ষুদ্ৰ উদ্যোগ গঢ়ি তোলাৰ ক্ষেত্ৰত সহায় কৰিব পৰাকৈ উৎপাদিত সামগ্ৰীৰ মান উন্নত কৰা, ব্যয় আৰু মূল্য নিৰ্দ্ধাৰণৰ বিষয়েও প্ৰশিক্ষণ দিয়া হয়। কাৰ্বি সমাজৰ বাবে এৰী ৰেচম আৰু হাতে বোৱা এৰী বস্ত্ৰ কেৱল উপাৰ্জনৰ মাধ্যম নহয়। ইয়াৰ সৈতে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ চলি অহা পৰম্পৰাগত জ্ঞান, কাৰিকৰী দক্ষতা আৰু সাংস্কৃতিক পৰিচয় সম্পৃক্ত হৈ আছে। এই প্ৰশিক্ষণত এৰীভিত্তিক জীৱিকা, স্থানীয় প্ৰাকৃতিক সম্পদ আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ মাজৰ ঘনিষ্ঠ সম্পৰ্কৰ ওপৰতো আলোকপাত কৰা হয় বুলি আৰণ্যকে অৱগত কৰে।



# গছৰ কাঁইটৰ পৰাই শিল্পকৰ্ম

## সোণাই-ৰূপাই বনাঞ্চলত কাঁইটক শিল্পৰ ৰূপ দি স্বাৱলম্বিতাৰ নতুন পথ দেখুৱাইছে বন বিষয়া কৃষ্ণ দাসে



দৈনিক অসমৰ প্ৰতিনিধি

**ঢেকিয়াজুলি, ৯ অক্টোবৰ ঃ** সাধাৰণতে গছৰ কাঁইট বুলি ভাবি পেলাই দিয়া সামগ্ৰীৰ পৰাই সৃষ্টি হৈছে সূক্ষ্ম আৰু আকৰ্ষণীয় শিল্পকৰ্ম। অসমৰ বন বিভাগৰ উপ বনাঞ্চলিক এগৰাকী বিষয়াই ভাৰতীয় প্ৰিকলি এছ গছৰ সৰি পৰা কাঁইট ব্যৱহাৰ কৰি গঢ়ি তুলিছে এক ব্যতিক্ৰমী হস্তশিল্পৰ ধাৰা। 'পাল্মড হেণ্ডিক্ৰাফ্ট' নামেৰে পৰিচিত এই অভিনৱ প্ৰয়াসে এফালে পৰিৱেশ সংৰক্ষণৰ নতুন সম্ভাৱনা কঢ়িয়াই আনিছে, আনফালে বনাঞ্চলৰ দাঁতি-কাষৰীয়া অঞ্চলৰ লোকসকলৰ বাবে বিকল্প জীৱিকাৰ পথ মুকলি কৰাৰ সম্ভাৱনাও সৃষ্টি কৰিছে। শোণিতপুৰ জিলাৰ সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যত কৰ্মৰত ৩৭ বছৰীয়া ডেপুটী ৰেঞ্জাৰ কৃষ্ণ দাসে এই অভিনৱ শিল্পকৰ্মৰ জৰিয়তে প্ৰকৃতিৰ পেলনীয়া সামগ্ৰীৰো যে মূল্য আছে, সেয়া প্ৰমাণ কৰিবলৈ প্ৰয়াস কৰিছে। এই শিল্পক তেওঁ 'পাল্মড হেণ্ডিক্ৰাফ্ট' নাম দিছে। আকাৰত সৰু হ'লেও এই শিল্পকৰ্মসমূহৰ কাৰুকাৰ্য অতি সূক্ষ্ম আৰু আকৰ্ষণীয়। হাতৰ তলুৱাত ধৰি ৰাখিব পৰা এই শিল্পকৰ্মসমূহত মন্দিৰ, বন্যপ্ৰাণীৰ বিভিন্ন আকৃতি আৰু সাংস্কৃতিক প্ৰতীকৰ জৰিয়তে একো একোটা কাহিনী ফুটাই তোলা হৈছে। তেওঁৰ উল্লেখযোগ্য শিল্পকৰ্মসমূহৰ ভিতৰত এটা হৈছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে পৱিত্ৰ ধৰ্মগ্ৰন্থ 'গুণমালা' পাঠ কৰি থকাৰ দৃশ্যৰ প্ৰতিচ্ছবি। সৰুৰে পৰাই ছবি অঁকাৰ প্ৰতি বিশেষ আগ্ৰহ থকা কৃষ্ণ দাসে পেঞ্চিলেৰে ছবি আৰু ব্যক্তিৰ প্ৰতিকৃতি অঁকাৰ লগতে এসময়ত শিল্পী হিচাপে কেৰিয়াৰ গঢ়াৰ সপোন দেখিছিল। পৰৱৰ্তী সময়ত তেওঁ অসম বন বিভাগত যোগদান কৰিছিল। ২০১২ চনত ফৰেষ্টাৰ হিচাপে কৰ্মজীৱন আৰম্ভ কৰা দাসে চৰকাৰী দায়িত্ব পালনৰ সমান্তৰালভাৱে নিজৰ শিল্পচৰ্চাও অব্যাহত ৰাখিছিল। তাৰেই পৰিণতিত ২০১৯-২০ চনৰ সময়ছোৱাত ভাৰতীয় প্ৰিকলি এছ গছৰ সৈতে পৰিচিত হোৱাৰ পাছতে তেওঁৰ মনলৈ আহিছিল এনে ব্যতিক্ৰমী চিন্তা। গছৰ পৰা সৰি পৰা কাঁইটবোৰ পেলাই নিদি সেইবোৰক শিল্পকৰ্মৰ ৰূপ দিয়াৰ প্ৰয়াস আৰম্ভ কৰিছিল তেওঁ। তাৰ পৰাই আৰম্ভ হয় 'পাল্মড হেণ্ডিক্ৰাফ্ট'ৰ যাত্ৰা। এই হস্তশিল্পই কেৱল নান্দনিক সৌন্দৰ্যই নহয়, পৰম্পৰাগত, সামাজিক আৰু ধৰ্মীয় তাৎপৰ্যও বহন কৰিছে। কৃষ্ণ দাসৰ এই প্ৰয়াসৰ আন এটা উল্লেখযোগ্য দিশ হৈছে প্ৰকৃতি সংৰক্ষণৰ সৈতে জীৱিকাৰ সম্ভাৱনাক সংযুক্ত কৰা। তেওঁৰ মতে, বৈজ্ঞানিক পদ্ধতিৰে ভাৰতীয় প্ৰিকলি এছ গছৰ সংৰক্ষণ আৰু ৰোপণ কৰি কৃষিভূমি, চাহ বাগিচা, বাসগৃহৰ চৌহদ তথা সংৰক্ষিত বনাঞ্চলৰ সীমাত প্ৰাকৃতিক বেৰা হিচাপে ব্যৱহাৰ কৰাৰ সম্ভাৱনা আছে। সুপৰিকল্পিতভাৱে এনে গছ ৰোপণ কৰিলে বনাঞ্চল আৰু জনবসতিৰ মাজত প্ৰাকৃতিক সীমাৰেখা গঢ়ি তোলাতো সহায়ক হ'ব পাৰে। তদুপৰি অসমত মানুহ আৰু বনৰীয়া হাতীৰ মাজত সংঘাত এক গুৰুত্বপূৰ্ণ সমস্যা হিচাপে পৰিগণিত হৈ থকাৰ সময়তে বনাঞ্চলৰ সীমা সুৰক্ষিত কৰা আৰু বন্যপ্ৰাণীৰ চলাচলৰ পথ বৈজ্ঞানিকভাৱে পৰিচালনা কৰাৰ ক্ষেত্ৰত এনে উদ্ভিদৰ



সম্ভাৱ্য ভূমিকা সম্পৰ্কেও চৰ্চা কৰাটো উচিত। অৱশ্যে, এই ক্ষেত্ৰত ইয়াৰ কাৰ্যকাৰিতা নিশ্চিত কৰিবলৈ উপযুক্ত বৈজ্ঞানিক মূল্যায়ন আৰু পৰিকল্পনাৰ প্ৰয়োজন বুলি কৃষ্ণ দাসে 'দৈনিক অসম'ক জানিবলৈ দিছে।

## ■ বজাৰ, আৰক্ষী থানা, মহকুমা কৃষি কাৰ্যালয়, মহাবিদ্যালয়লৈ চৰম ভাবুকি ■

# বৰপেটাৰ মাজৰচৰত ব্ৰহ্মপুত্ৰৰ ভয়ংকৰ খহনীয়া

দৈনিক অসমৰ প্ৰতিনিধি

**নগৰবেৰা, ৯ অক্টোবৰ ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত মাজৰচৰ গাঁৱত ব্ৰহ্মপুত্ৰৰ সুঁতিৰ খহনীয়াই পুনৰ ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। চলিত বৰ্ষৰ খহনীয়াত ইতিমধ্যে কেইবাটাও পৰিয়াল গৃহহীন হোৱাৰ লগতে প্ৰায় দুশ বিঘা কৃষিভূমি জাহ গৈছে। শেহতীয়াকৈ উক্ত অঞ্চলৰ বৃহৎ পৰিমাণৰ কৃষিভূমি চপৰা-চপৰে খহাই নিয়াত মূৰে-কপালে হাত দিছে শতাধিক কৃষক পৰিয়ালে। একাংশ লোকে জনোৱা মতে, বিগত দুমাহত প্ৰায় দুশ বিঘা কৃষিভূমি জাহ গৈছে নদীত। ভুক্তভোগী লোকে ব্যক্ত কৰা মতে, বিগত প্ৰায় দহ বছৰ ধৰি মাজৰচৰ গাঁৱৰ পূৰ্বপাৰাত নদীৰ খহনীয়াই তাণ্ডৱ চলাই আহিছে। প্ৰতিবছৰে খহনীয়াত সৰ্বস্বান্ত হৈছে বহু পৰিয়াল। বিগত দুমাহত খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰাত শংকিত হৈ পৰিছে অঞ্চলবাসী। এনেদৰে ব্ৰহ্মপুত্ৰৰ সুঁতিৰ খহনীয়া অব্যাহত থাকিলে আলোপতি মাজৰচৰ বজাৰ, আলোপতিচৰ আৰক্ষী থানা, আলোপতি মাজৰচৰ কৃষি মহকুমা বিষয়াৰ কাৰ্যালয়, লুইতপৰীয়া মহাবিদ্যালয়ৰ লগতে প্ৰায় ১৫খন চৰকাৰী-বেচৰকাৰী বিদ্যালয়লৈ ভাবুকি আহিব। জানিব পৰা



মতে, বিগত দহ বছৰত ব্ৰহ্মপুত্ৰৰ সুঁতিৰ খহনীয়াত পূব মাজৰচৰ গাঁৱৰ আঢ়ৈ শতাধিক পৰিয়ালৰ ঘৰ-দুৱাৰ খহাই নিয়াত খহনীয়াগ্ৰস্ত পৰিয়ালসমূহ বিভিন্ন স্থানত অস্থায়ীভাৱে বসবাস কৰি আছে। কৃষিপ্ৰধান অঞ্চলটোৰ শ শ বিঘা মাটি খহনীয়াৰ কবলত পৰি জাহ যোৱাত সৰ্বস্বান্ত হৈছে বহু পৰিয়াল। খহনীয়াৰ ফলত পূব মাজৰচৰ গাঁৱৰ প্ৰায় ৯০ শতাংশ পৰিয়ালে ৪-৫ বাৰকৈ ভেটি সলাবলগীয়া হোৱাত আৰ্থিকভাৱে জুৰুলা হৈ পৰিছে গাঁওখনৰ প্ৰতিটো পৰিয়াল। গাঁওখনৰ অধিকাংশ পৰিয়াল বৰ্তমান দিন হাজিৰা কৰি পৰিয়াল চলাবলগীয়া হোৱাত নিৰাপদ স্থানত ভেটিমাটি ক্ৰয় কৰি ঘৰ সাজিব পৰা নাই। এনে পৰিস্থিতিত নতুনকৈ সৃষ্টি হোৱা চৰ অথবা আনৰ মাটিত আশ্ৰয় গ্ৰহণ কৰিবলগীয়া হৈছে একাংশ খহনীয়াগ্ৰস্ত পৰিয়ালে। বিগত সময়ছোৱাত আঢ়ৈ শতাধিক পৰিয়াল গৃহহীন হোৱাৰ লগতে সম্প্ৰতি গাঁওখনৰ আন দুই-তিনি শতাধিক পৰিয়ালৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানলৈ খহনীয়াই ভাবুকি কঢ়িয়াই অনাৰ পাছতো এনে খহনীয়া প্ৰতিৰোধৰ বাবে পূৰ্বৰ বাঘবৰ সমষ্টিৰ বিধায়ক শ্বেৰমান আলী আহমেদৰ লগতে জিলা প্ৰশাসন আৰু জলসম্পদ বিভাগে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় লোকে । শেহতীয়াকৈ সমষ্টিটোৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত আব্দুৰ ৰহিম আহমেদে দুমাহমান পূৰ্বে অঞ্চলটোৰ জ্বলন্ত সমস্যা খহনীয়াৰ চৰজমিন পৰিদৰ্শন কৰি খহনীয়া প্ৰতিৰোধৰ আশ্বাস প্ৰদান কৰে। অঞ্চলটোৰ ৰাইজে মাজৰচৰ গাঁৱৰ অৱশিষ্ট পৰিয়ালসমূহৰ ঘৰ-দুৱাৰ, কৃষিভূমি ৰক্ষাৰ্থে শীঘ্ৰে জিঅ'বেগৰ বান্ধ দিবলৈ জিলা আয়ুক্ত আৰু জলসম্পদ বিভাগক দাবী জনাইছে।

## জালাহত উপেন্দ্ৰ স্ক'লাৰ্ছ একাডেমীৰ প্ৰতিষ্ঠা দিৱস পালন

দৈনিক অসমৰ প্ৰতিনিধি

**জালাহ, ৯ অক্টোবৰ ঃ** বাক্‌সা জিলাৰ জালাহস্থিত ব্যক্তিগত খণ্ডৰ অগ্ৰণী ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠান 'উপেন্দ্ৰ স্ক'লাৰ্ছ একাডেমী'ৰ দশম প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি শিক্ষানুষ্ঠানখনে এক আড়ম্বৰপূৰ্ণ ভাগৱত শোভাযাত্ৰাৰ আয়োজন কৰে। একাডেমীৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰীসকলৰ উপৰি স্থানীয় বাপ-বান্ধৱ আৰু আই-মাতৃসকলে পৰম্পৰাগত ধৰ্মীয় সাজ-পাৰ পৰিধান কৰি এই শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। উখল-মাখল পৰিৱেশৰ মাজত উলিওৱা এই শোভাযাত্ৰাই সমগ্ৰ জালাহ অঞ্চললৈ এক গম্ভীৰ আধ্যাত্মিক পৰিৱেশ বোৱাই আনে। শোভাযাত্ৰা সামৰণিৰ পাছতে শিক্ষানুষ্ঠান প্ৰাংগনত ভাগৱত পাঠ আৰু বিশ্লেষণৰ কাৰ্যসূচী অনুষ্ঠিত হয়। ভাগৱত পাঠ কৰে বিশিষ্ট শাস্ত্ৰজ্ঞ শৰৎ চন্দ্ৰ নাথে। ইংৰাজী মাধ্যমৰ বিদ্যালয় হোৱা সত্ত্বেও শিক্ষাৰ্থীসকলক পুথিগত জ্ঞানৰ লগতে নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ শিক্ষা দিয়াৰ লক্ষ্যৰেই এই পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি মন্তব্য কৰে শিক্ষানুষ্ঠানখনৰ সঞ্চালক ডঃ ভৱেশ শৰ্মাই। ইফালে সন্ধিয়ালৈ প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি 'শৰতৰ সুৰীয়া আলাপ' শীৰ্ষক এক বিশেষ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত থমনা, পাঠশালা, জালাহ, অকয়া আৰু নলবাৰীকে ধৰি বিভিন্ন প্ৰান্তৰ বহুসংখ্যক বিশিষ্ট ব্যক্তি, সাহিত্যিক, গীতিকাৰ, গায়ক, সমাজসেৱক, শিক্ষাবিদ, কবি আৰু সাংবাদিকে অংশগ্ৰহণ কৰি কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তোলে।



### সৰভোগত বিকশিত ভাৰত সংকল্প সভাত ৰঞ্জিৎ কুমাৰ দাস

## প্ৰধানমন্ত্ৰী মোডীৰ নেতৃত্বত দেশ উন্নয়নৰ নতুন শিখৰত উপনীত হৈছে

দৈনিক অসমৰ প্ৰতিনিধি

**সৰভোগ, ৯ অক্টোবৰ ঃ** সৰভোগত পৰহি ভৱানীপুৰ-সৰভোগ সমষ্টি ভিত্তিক আয়োজিত বিকশিত ভাৰত সংকল্প সভা অনুষ্ঠিত হয়। এই অনুষ্ঠানত ভৱানীপুৰ-সৰভোগ সমষ্টিৰ বিধায়ক তথা বিধানসভাৰ অধ্যক্ষ ৰঞ্জিৎ কুমাৰ দাস উপস্থিত থাকে। এই সভাৰ সেৱা জ্যোতি কলহ যাত্ৰাত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীৰ সংকল্পৰ পৰা সিদ্ধিলৈ এই ২৫ বছৰীয়া যাত্ৰাৰ সফলতাৰ সন্দৰ্ভত দাসে বক্তব্য আগবঢ়ায়। তেওঁ কয় যে জনসেৱাক সৰ্বোচ্চ অগ্ৰাধিকাৰ প্ৰদানেৰে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে দেশৰ উন্নয়ন আৰু প্ৰগতিৰ ক্ষেত্ৰত যি ভূমিকা পালন কৰি আহিছে, সেয়া সমগ্ৰ দেশৰ বাবে অনুপ্ৰেৰণাদায়ক। তেওঁৰ সবল নেতৃত্বত দেশ আজি উন্নয়নৰ এক নতুন শিখৰ অভিমুখে ধাৱমান হৈছে। তেওঁ লগতে কয় যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম চৰকাৰেও উন্নয়ন আৰু জনকল্যাণক অগ্ৰাধিকাৰ প্ৰদান কৰি অসমৰ সৰ্বাংগীণ উন্নয়ন আৰু সম্ভাৱনাক বাস্তৱ ৰূপ দিয়াৰ বাবে নিৰন্তৰভাৱে মনোনিৱেশ কৰি আহিছে। তেওঁ কয় ঃ বিকশিত অসমৰ সংকল্পক অধিক শক্তিশালী কৰি উন্নয়নমুখী যাত্ৰাক আগুৱাই নিয়াৰ বাবে আমি সকলো বদ্ধপৰিকৰ। উক্ত অনুষ্ঠানত বিজেপিৰ বৰনগৰ মণ্ডলৰ সভাপতি বিপুল তালুকদাৰ, আঞ্চলিক পঞ্চায়তৰ সভাপতি অৰবিন্দ বৰ্মন, জিলা পৰিষদৰ সদস্যা কল্যাণী দাস, সৰভোগ পৌৰসভাৰ উপ-পৌৰপতি সম্পদ দাস, পাঠশালা নগৰ মণ্ডলৰ সভাপতি দিগন্ত তালুকদাৰ আৰু বৰপেটা জিলা অ' বি চি মৰ্চাৰ সভাপতি জয়গুৰু ঘোষ উপস্থিত থাকে।

### কলগাছিয়াত বেঁকী নদীৰ খহনীয়া

## জাহ গ'ল শ শ বিঘা খেতি



দৈনিক অসমৰ প্ৰতিনিধি

**কলগাছিয়া, ৯ অক্টোবৰ ঃ** বৰপেটা জিলাৰ নৱগঠিত মন্দিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত কলগাছিয়াৰ সোনাপুৰ ৰুভি গাঁৱত যোৱা কিছুদিন ধৰি বেঁকী নদীৰ খহনীয়াই ভয়াৱহ ৰূপ লৈছে। ইতিমধ্যে নদীৰ বুকুত বিলীন হৈছে হেজাৰ হেজাৰ বিঘা কৃষি ভূমি, ঘৰ-দুৱাৰ। কপালৰ ঘাম মাটিত পেলাই অধিক দৰত সাৰ ক্ৰয় কৰি সেউজীয়া কৰি গঢ়ি তোলা শালিধানৰ খেতি পথাৰলৈ নামি আহিছে খহনীয়াৰ ভাবুকি। যাৰ পৰিপ্ৰেক্ষিতত সোণাপুৰ, ৰুভি, চানপুৰ, ৰচুলপুৰ, কৈমাৰী, আলিপুৰক আদি কৰি প্ৰায় চাৰি-পাঁচখন গাঁৱৰ কৃষকসকলৰ মাজত হাহাকাৰৰ সৃষ্টি হৈছে। খহনীয়াৰ আতংকত ধান নুফুলাৰ আগতেই কাটি গৰুক খুৱাবলগীয়া হৈছে। তদুপৰি ৮০২ নং আলিপুৰ ৰৌফলা প্ৰাথমিক বিদ্যালয়খন বেঁকী নদীৰ বুকুত যিকোনো মুহূৰ্ততে জাহ যোৱাৰ আশংকাৰ সৃষ্টি হৈছে। উপায়ান্তৰ হৈ স্থানীয় ৰাইজে বিধায়ক শ্বেৰমান আলী আহমেদৰ জৰিয়তে অতি সোনকালে খহনীয়া প্ৰতিৰোধৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক ব্যৱস্থা ল'বলৈ আহ্বান জনাইছে।

# বি এইচ মহাবিদ্যালয়ৰ অধ্যক্ষৰ বিৰুদ্ধে ৰাজহুৱা সভাৰ সিদ্ধান্ত অমান্য কৰাৰ অভিযোগ

### হাউলীৰ ছাত্ৰ সমাজৰ প্ৰতিক্ৰিয়া

দৈনিক অসমৰ প্ৰতিনিধি

**হাউলী, ৯ অক্টোবৰ ঃ** ৰাজ্যৰ এখন অগ্ৰণী শিক্ষা অনুষ্ঠান হাউলীৰ বি এইচ মহাবিদ্যালয়ত যোৱা ৪ অক্টোবৰত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ বৰপেটা জিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত 'যুৱতী সন্মিলন'ৰ গইনা লৈ যোৱা কেইদিনমান ধৰি মহাবিদ্যালয়খনৰ লগতে হাউলী থানা চৌহদ উত্তাল হৈ থকাৰ সময়তে মহাবিদ্যালয়খনৰ লগত সংপৃক্ত হৈ থকা অঞ্চলসমূহত সৃষ্টি হোৱা অপ্ৰীতিকৰ পৰিস্থিতিক লৈ সদৌ অসম ছাত্ৰ সন্থাৰ স্থিতি আৰু মহাবিদ্যালয়খনৰ কৰ্তৃপক্ষৰ স্থিতিক লৈ সচেতন মহলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰাক্তন আছু নেতা যুগান্ত বায়নে এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এটা বিবৃতিত কয় যে মহাবিদ্যালয়খনৰ লগত যোৱা কেইবাদশক ধৰি শিক্ষা দান, শিক্ষা গ্ৰহণ আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ লগত জড়িত হৈ থকা একাংশ বিশিষ্ট লোকে সদৰি কৰা মতে ২০০৭ চনত ৰাজ্যখনত কংগ্ৰেছ দলৰ চৰকাৰ থকাৰ সময়ত, সেই সময়ৰ সৰভোগ বিধানসভা সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী প্ৰয়াত চামচুল হকৰ এগৰাকী পুত্ৰৰ নেতৃত্বত মহাবিদ্যালয়খনত সংঘটিত হোৱা এক অপ্ৰীতিকৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মহাবিদ্যালয়খনত অনুষ্ঠিত হোৱা এখন ৰাজহুৱা সভাত মহাবিদ্যালয় চৌহদত সদৌ অসম ছাত্ৰ সন্থাৰ বাহিৰে কোনো ৰাজনৈতিক দলৰ ভাতৃ সংগঠন আৰু অন্য সংগঠনক সভা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত বাধা-নিষেধ আৰোপ কৰি এক সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। আনকি সেই সময়ৰ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰাক্তন মন্ত্ৰী প্ৰয়াত ইছমাইল হুছেইনে ৰাজহুৱা সভাৰ এই সিদ্ধান্তৰ প্ৰতি সমমৰ্মিতা প্ৰকাশ কৰিছিল। কিন্তু অতি পৰিতাপৰ আৰু দুৰ্ভাগ্যৰ বিষয় যে মহাবিদ্যালয়খনৰ বৰ্তমানৰ অধ্যক্ষগৰাকীয়ে পূৰ্বৰ ৰাজহুৱা সভাৰ এনে সৰ্বসন্মত সিদ্ধান্তক অৱজ্ঞা আৰু অমান্য কৰি এটা ৰাজনৈতিক দলৰ ভাতৃ সংগঠনক এনে সভা অনুষ্ঠিত কৰাৰ বাবে অনুমতি প্ৰদান কৰি মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ উত্তেজনাময় কৰি তুলিছে। জন্ম লগ্নৰে পৰা মহাবিদ্যালয়খনে অসমৰ জাতীয় সমস্যাসমূহৰ সমাধানৰ বাবে হোৱা আন্দোলনসমূহত মহাবিদ্যালয়খনে গ্ৰহণ কৰি অহা সবল আৰু বলিষ্ঠ ভূমিকা অসমৰ জাতীয় জীৱন সমৃদ্ধ কৰি গৈছে। মহাবিদ্যালয়খনৰ এনে জাতীয় ঐতিহ্যক আঘাত কৰি মহাবিদ্যালয়খনক ৰাজনৈতিক চৰণীয়া পথাৰলৈ পৰিণত কৰাৰ এনে পদক্ষেপে সচেতন মহলক স্তম্ভিত আৰু ব্যথিত কৰিছে। কোনোবা পক্ষক সন্তুষ্ট কৰিবলৈ গৈ ছাত্ৰ সমাজৰ মাজত বিভাজনৰ পৰিৱেশ সৃষ্টি কৰাৰ এনে চেষ্টা অতি নিন্দনীয়। ভৱিষ্যতে ৰাজ্য শাসনৰ ভাৰ অন্য ৰাজনৈতিক দলৰ হাতত পৰিলে মহাবিদ্যালয়ৰ স্থিতি কি হ'ব, সেয়াও এক চিন্তাৰ বিষয়।

## নকুছিত শ্ৰীশ্ৰীদুৰ্গা পূজাৰ ব্যাপক প্ৰস্তুতি

দৈনিক অসমৰ প্ৰতিনিধি

**হাজো, ৯ অক্টোবৰ ঃ** ধৰ্মীয় সম্প্ৰীতি আৰু উৎসাহ-উদ্দীপনাৰে ৩০ সংখ্যক বাৰ্ষিক শাৰদীয় শ্ৰীশ্ৰীদুৰ্গা পূজা উদ্‌যাপনৰ বাবে নকুছি গাঁও উন্নয়ন সমিতি আৰু দুৰ্গা পূজা পৰিচালনা সমিতিৰ যৌথ উদ্যোগত ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। অহা ১৬ অক্টোবৰৰ পৰা ২১ অক্টোবৰলৈ বিভিন্ন ধৰ্মীয় আৰু সাংস্কৃতিক কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া এই পূজাৰ কাৰ্যসূচী অনুসৰি ১৬ অক্টোবৰ শুকুৰবাৰে সন্ধিয়া বোধন, আমন্ত্ৰণ আৰু অধিবাসৰ যোগেদি পূজাৰ আনুষ্ঠানিক আৰম্ভণি ঘটিব। ১৭ অক্টোবৰ (মহাসপ্তমী)ৰ পুৱা স্থানীয় চেঁচা নদীৰ পৰা কুমাৰীসকলৰ দ্বাৰা পানী তোলা অনুষ্ঠান আৰু নকুছি গাঁও উন্নয়ন সমিতিৰ প্ৰাক্তন সভাপতি তাৰিণীকান্ত শৰ্মাৰ দ্বাৰা ধৰ্মধ্বজা উত্তোলন কৰা হ'ব। ইয়াৰ পাছতে নৱপত্ৰিকা প্ৰৱেশ আৰু সপ্তমী বিহিত পূজা সম্পন্ন হ'ব। পূজাস্থলীত ভক্তসকলৰ মাজত মহাভোগ বিতৰণৰ উপৰি বিয়লি ছিপাঝাৰৰ কৰিশ্মা নাথৰ পৰিচালনাত মহিলাৰ নাগাৰা নাম প্ৰদৰ্শন কৰা হ'ব।

## বটীয়ামাৰীত শ্ৰীশ্ৰীলক্ষ্মী পূজাৰ লাইখুঁটা স্থাপন

দৈনিক অসমৰ প্ৰতিনিধি

**তামুলপুৰ, ৯ অক্টোবৰ ঃ** তামুলপুৰ জিলাৰ বটীয়ামাৰী বাৰোৱাৰী লক্ষ্মী পূজা উপলক্ষে ৭৮ সংখ্যক বাৰোৱাৰী শ্ৰীশ্ৰীলক্ষ্মী পূজা মহোৎসৱৰ লাইখুঁটা এক মাংগলিক পৰিৱেশত কালি স্থাপন কৰা হয়। ছয়দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া পূজাখনক কেন্দ্ৰ কৰি ইতিমধ্যে বটীয়ামাৰী আৰু ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলত উৎসৱমুখৰ পৰিৱেশ সৃষ্টি হৈছে। স্থানীয় ৰাইজৰ উপস্থিতিত অনুষ্ঠিত লাইখুঁটা স্থাপন কাৰ্যসূচীত তামুলপুৰ সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হস্থাইচুলা ব্ৰহ্মই আনুষ্ঠানিকভাৱে পূজাৰ লাইখুঁটা স্থাপন কৰে। অনুষ্ঠানত লক্ষ্মীপূজা উদ্‌যাপন সমিতিৰ সভাপতি মেঘৰাজ বসুমতাৰী, সম্পাদক স্বপন সিংহৰ লগতে লক্ষ্মী মন্দিৰ সমিতিৰ সভাপতি-সম্পাদক, স্থানীয় গণ্য-মান্য ব্যক্তি আৰু বৃহত্তৰ অঞ্চলটোৰ পুৰুষ-মহিলাসকলে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে প্ৰতিবছৰে অনুষ্ঠিত হৈ অহা এই লক্ষ্মী পূজাত এইবাৰো নাগাৰা নাম, ঢুলীয়া, আৱজ, সাংস্কৃতিক সন্ধিয়াৰ লগতে আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যদল থিয়েটাৰ কলাগুৰু তিনি নিশাৰ নাট প্ৰদৰ্শনৰ লগতে বাণিজ্য মেলা অনুষ্ঠিত হ'ব।

### 'বিকশিত অসম, অগ্ৰগামী অসম' শীৰ্ষক ৰীল প্ৰতিযোগিতা

## টিহুৰ ৰাহুল হকৰ প্ৰথম স্থান

দৈনিক অসমৰ প্ৰতিনিধি

**টিহু, ৯ অক্টোবৰ ঃ** বাল্য বিবাহৰ বিৰুদ্ধে সজাগতামূলক ৰীল প্ৰস্তুত কৰি অসম চৰকাৰৰ পৰা প্ৰথম পুৰস্কাৰ পাবলৈ সক্ষম হৈছে টিহুৰ ভোজকুছি গাঁৱৰ ৰাহুল হকে। তেওঁ অৱশ্যে চাইদুল আলী হিচাপেহে বেছি পৰিচিত। এই বঁটাৰে তেওঁ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। ৰাজ্য চৰকাৰে আয়োজন কৰা 'বিকশিত অসম, অগ্ৰগামী অসম' শীৰ্ষক ৰীল প্ৰতিযোগিতাত টিহুৰ ভোজকুছি গাঁৱৰ ৰাহুল হকে উৎকৃষ্ট প্ৰদৰ্শন দেখুৱাই ৰাজ্যৰ ভিতৰতে প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছে। এই প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ হিচাপে ৰাহুলে লাভ কৰিব নগদ ২ লাখ টকা। সামাজিক ব্যাধি বাল্য বিবাহ প্ৰতিৰোধৰ সজাগতামূলক বিষয় সামৰি ৰাহুল হকে প্ৰস্তুত কৰা চুটি ৰীলটোৱে প্ৰতিযোগিতাখনত বিচাৰকসকলৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰে। ৰাহুলৰ এই সফলতাত টিহু তথা মাখিবাহা, ভোজকুছি অঞ্চলৰ বহু লোকে শুভেচ্ছা যাচিছে।

## বি জি আৰ এইচ এছ বিদ্যালয়ৰ অধ্যক্ষক বিদায় সম্বৰ্দ্ধনা

দৈনিক অসমৰ প্ৰতিনিধি

**চিৰাং, ৯ অক্টোবৰ ঃ** চিৰাং জিলাৰ ঢালিগাঁওস্থিত বঙাইগাঁও হায়াৰ ছেকেণ্ডাৰী স্কুল চমুকৈ বি জি আৰ এইছ এছ স্কুলৰ অধ্যক্ষ বিজয় কুমাৰ শৰ্মাক কালি আনুষ্ঠানিক বিদায় সম্বৰ্দ্ধনা জনোৱা হয়। এই উপলক্ষে বিদ্যালয় প্ৰাংগনত নৱনিযুক্ত অধ্যক্ষ ডঃ দীপক শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বৰ্ণাঢ্য কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সুদীৰ্ঘ তেত্ৰিশ বছৰৰো অধিক সময় দক্ষতাৰে চাকৰি কৰা হৃদয়ৱান, সহানুভূতিশীল অধ্যক্ষগৰাকীৰ বিদায়-সম্বৰ্দ্ধনা অনুষ্ঠানত শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক আৱেগিক পৰিৱেশৰ সৃষ্টি হয়। উল্লেখ্য যে বিজয় কুমাৰ শৰ্মাই গুৱাহাটীস্থিত শ্ৰীমন্ত শংকৰ একাডেমীৰ দ্বাৰা পৰিচালিত বি জি আৰ এইছ এছ স্কুলত ১৯৯৩ চনৰ ৯ জুনত উপাধ্যক্ষ হিচাপে যোগদান কৰি উক্ত বছৰৰে ৩০ জুনৰ পৰা অৱসৰৰ সময়লৈকে অৰ্থাৎ যোৱা ৩০ ছেপ্টেম্বৰলৈকে অধ্যক্ষ হিচাপে সফলতাৰে কাৰ্যনিৰ্বাহ কৰে। অসমীয়া মাধ্যমৰ এই বিদ্যালয়খন এক অস্থিৰ অৱস্থাৰ পৰা এক সুস্থিৰ অৱস্থালৈ গতি প্ৰদান কৰাৰ ক্ষেত্ৰত তেওঁৰ অৱিহণা, ত্যাগ আৰু কষ্টৰ কথা বক্তাসকলে একমুখে স্বীকাৰ কৰে। অনুষ্ঠানত বক্তৃতা প্ৰদান কৰি শিক্ষক দুৰ্লভ তালুকদাৰ, সৌমিক দত্ত, শিক্ষয়িত্ৰী হিৰণমণি গগৈয়ে সুদক্ষ সহানুভূতিশীল অধ্যক্ষগৰাকীৰ অধীনত শিক্ষকতা কৰাৰ সুযোগ লাভ কৰাৰ বাবে নিজকে সৌভাগ্যৱান বুলি মন্তব্য কৰে ।

### পৰ্যটনৰ অপাৰ সম্ভাৱনাৰে লাওখোৱাৰ খৰনলি বিলৰ মনোমোহা ৰূপ

# উপযুক্ত আন্তঃগাঁথনি গঢ়ি তুলিবলৈ বনমন্ত্ৰীক আহ্বান



দৈনিক অসমৰ প্ৰতিনিধি

**ৰূপহীহাট, ৯ অক্টোবৰ ঃ** নগাঁও জিলা বন্যপ্ৰাণী সংমণ্ডলৰ অন্তৰ্গত লাওখোৱা অভয়াৰণ্য প্ৰাকৃতিক সৌন্দৰ্য আৰু জৈৱ-বৈচিত্ৰ্যৰে ভৰপূৰ। অভয়াৰণ্যখনৰ বিস্তীৰ্ণ সেউজীয়া বনাঞ্চল, বিভিন্ন প্ৰজাতিৰ বন্যপ্ৰাণী, চৰাই-চিৰিকটি, খাল-বিল আৰু জলাশয়সমূহে লাওখোৱাৰ প্ৰাকৃতিক সৌন্দৰ্যক অধিক আকৰ্ষণীয় কৰি তুলিছে। বিশেষকৈ অভয়াৰণ্যখনৰ ভিতৰত অৱস্থিত খৰনলি বিলৰ নৈসৰ্গিক পৰিৱেশে প্ৰকৃতিপ্ৰেমী লোকসকলক আকৰ্ষিত কৰি আহিছে। খৰনলি বিলৰ চৌপাশৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশ, নিৰ্মল জলৰাশি, সেউজীয়া বনাঞ্চল আৰু বিভিন্ন জলচৰ-চৰাইৰ বিচৰণে অঞ্চলটোক এক সম্ভাৱনাময় পৰ্যটনস্থলী হিচাপে গঢ়ি তোলাৰ যথেষ্ট সম্ভাৱনা আছে বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰিছে। বিশেষকৈ শীতকালত পৰিভ্ৰমী চৰাইৰ আগমনে বিলখনৰ সৌন্দৰ্য অধিক বৃদ্ধি কৰে বুলি প্ৰকৃতিপ্ৰেমীসকলে উল্লেখ কৰে। এই প্ৰাকৃতিক সম্পদক সঠিকভাৱে ব্যৱহাৰ কৰি পৰিৱেশৰ কোনো ক্ষতি নকৰাকৈ খৰনলি বিলৰ পাৰত পৰ্যটন আন্তঃগাঁথনি গঢ়ি তুলিলে নগাঁও জিলাৰ পৰ্যটন ক্ষেত্ৰলৈ নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি হ'ব পাৰে। স্থানীয় যুৱক-যুৱতীৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাৰ লগতে অভয়াৰণ্যখনৰ প্ৰাকৃতিক সৌন্দৰ্য দেশ-বিদেশৰ পৰ্যটকৰ মাজত পৰিচিত কৰাৰ ক্ষেত্ৰতো ই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। সেয়েহে লাওখোৱা অভয়াৰণ্যৰ পৰিৱেশ আৰু বন্যপ্ৰাণীৰ সুৰক্ষাক অগ্ৰাধিকাৰ দি খৰনলি বিলৰ পাৰত পৰিকল্পিতভাৱে পৰ্যটনথলী গঢ়ি তোলাৰ বাবে ৰাজ্যৰ বনমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ প্ৰকৃতিপ্ৰেমী ৰাইজে আহ্বান জনাইছে। তেওঁলোকে খৰনলি বিলক নগাঁও জিলাৰ এক অন্যতম আকৰ্ষণীয় প্ৰাকৃতিক পৰ্যটনস্থলী হিচাপে গঢ়ি তুলিবলৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছে।

মুখ্যমন্ত্ৰী অধিকাৰীৰ অভিলেখ ভংগ নন্দীগ্ৰামৰ প্ৰাৰ্থীৰ

# উপ-নিৰ্বাচন বংগত বিজেপি, তামিলনাডুত টি ভি কেৰ জয়

**নতুন দিল্লী, ৯ অক্টোবৰ ঃ** যোৱা ৬ অক্টোবৰত অনুষ্ঠিত উপ-নিৰ্বাচনৰ আজি ফলাফল ঘোষণা কৰিছে নিৰ্বাচন আয়োগে। উপ-নিৰ্বাচনত বিজেপিয়ে পশ্চিমবংগত বৃহৎ বিজয় সাব্যস্ত কৰাৰ বিপৰীতে তামিলনাডুৰ দুয়োটা সমষ্টি নিজৰ দখললৈ নিছে মুখ্যমন্ত্ৰী থালাপতি বিজয় নেতৃত্বাধীন টি ভি কে দলে। ঘোষিত ফলাফল অনুসৰি পশ্চিমবংগৰ নন্দীগ্ৰাম সমষ্টিত প্ৰতিদ্বন্দ্বীক ১,২২,৭৫৩টা ভোটৰ ব্যৱধানত পৰাস্ত কৰিছে বিজেপি প্ৰাৰ্থী হাসিৰাণী ৰথে। তেওঁ ১,৬৪,৪২৭টা ভোট লাভ কৰাৰ বিপৰীতে দ্বিতীয় স্থানত থকা কংগ্ৰেছ প্ৰাৰ্থী মিলন প্ৰধানে লাভ কৰিছে মাত্ৰ ৪১,৬৭৪টা ভোট। এই বৃহৎ জয়েৰে বিজেপি প্ৰাৰ্থীগৰাকীয়ে দলটোৰ নেতা তথা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীৰ নন্দীগ্ৰাম সমষ্টিত বিজয়ৰ অভিলেখ ভংগ কৰিছে। হাসিৰাণী ৰথ মুখ্যমন্ত্ৰী অধিকাৰীৰ প্ৰাক্তন ব্যক্তিগত সহায়ক চন্দ্ৰনাথ ৰথৰ মাতৃ। পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ পাছতেই চন্দ্ৰনাথ ৰথক দুৰ্বৃত্তই গুলীয়াই হত্যা কৰিছিল। আনহাতে, মুছলমান জনবসতিপ্ৰধান ৰেজিনগৰ সমষ্টিতো জয়ী হৈছে বিজেপি প্ৰাৰ্থী শংকৰৰৰ সৰকাৰ। তেওঁ নিকটতম প্ৰতিদ্বন্দ্বী আম জনতা উন্নয়ন পাৰ্টীৰ প্ৰাৰ্থী গুলাম নবী আজাদক ৭৫,৮১৬টা ভোটৰ ব্যৱধানত পৰাস্ত কৰিছে। ইফালে, উপ-নিৰ্বাচন হোৱা তামিলনাডুৰ দুয়োটা সমষ্টি দখল কৰিছে শাসকীয় দল টি ভি কেই। মদুৰন্তকম সমষ্টিত টি ভি কে প্ৰাৰ্থী মৰগথম কুমাৰৰেলে ডি এম কেৰ প্ৰাৰ্থী পৰন্থমনক ১৭,৫৫৪টা ভোটত পৰাস্ত কৰিছে।




একেদৰে ধৰপুৰম সমষ্টিতো শাসকীয় দলটোৰ প্ৰাৰ্থী সত্যবামাই ডি এম কেৰ সুকন্যাক ১০,১১৯৬টা ভোটত পৰাস্ত কৰিছে। তদুপৰি পুডুচেৰীত দলৰ প্ৰভাৱ অক্ষুণ্ণ ৰাখি থট্টনচাওৰি সমষ্টি নিজৰ দখলত ৰাখিবলৈ সক্ষম হৈছে মুখ্যমন্ত্ৰী এন ৰংগস্বামী নেতৃত্বাধীন শাসকীয় এ আই আৰ চি দল। দলটোৰ প্ৰাৰ্থী অশোক আনন্দই ১৩,৩৫৮টা ভোট লাভেৰে নিকটতম প্ৰাৰ্থী বিনয়গমক ৮,৪৮২টা ভোটত পৰাস্ত কৰিছে।

# ১৬০ ভাগত বিভাজিত হ'ব পাকিস্তান!

## গণতন্ত্ৰক পদানত কৰিবলৈ আছিম মুনীৰৰ পৰিকল্পনা

**ইছলামাবাদ, ৯ অক্টোবৰ ঃ** ক্ষুদ্ৰ ক্ষুদ্ৰ বহু ভাগত বিভাজিত হ'ব পাকিস্তান। দেশখন ১২ৰ পৰা ১৬০টা পৰ্যন্ত ভাগত বিভাজিত হ'ব পাৰে। ব্ৰিটিছৰ 'বিভাজন আৰু শাসন' নীতিৰে পাকিস্তানক বহুধাবিভক্ত কৰাৰ পৰিকল্পনা কৰিছে দেশখনৰ সেনাপ্ৰধান আছিম মুনীৰে। 'দ্য ইক'নমিষ্ট'ৰ এখন প্ৰতিবেদনত এই কথা উন্মোচিত হৈছে। প্ৰতিবেদনখনত প্ৰকাশ পোৱা মতে পাক সেনাপ্ৰধান ফিল্ড মাৰ্শ্বেল আছিম মুনীৰৰ ক্ষমতা দেশখনৰ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীতকৈ বহু বেছি। তেওঁ পাকিস্তানৰ চাৰিটা প্ৰান্তক বিভাজিত কৰি ১২টা বা তাতোকৈ বহু বেছি প্ৰান্ত গঠনৰ পৰিকল্পনা প্ৰস্তুত কৰিছে। পাকিস্তানত বৰ্তমান চাৰিটা প্ৰধান প্ৰান্ত ক্ৰমে পঞ্জাব, সিন্ধু, খৈবাৰ পখতুনখোৱা আৰু বেলুচিস্তান আছে। ১৯৪৭ চনত দেশ স্বাধীন হোৱাৰ সময়ৰে পৰা সেই চাৰিখন প্ৰদেশ বা প্ৰান্ত অস্তিত্বত আছে। ইয়াৰ পঞ্জাব প্ৰান্তত সৰ্বাধিক ১২ কোটি ৮০ লাখ লোকে বাস কৰে। বেলুচিস্তানৰ জনসংখ্যা মাত্ৰ ডেৰ কোটি। 'দ্য ইক'নমিষ্ট'ৰ প্ৰতিবেদনৰ তথ্য অনুসৰি আছিম মুনীৰে পাকিস্তানৰ মানচিত্ৰ সলনি কৰিব বিচাৰিছে। তেওঁৰ পৰিকল্পনা অনুসৰি পাকিস্তানৰ চাৰিটা প্ৰান্তক বিভাজিত কৰি ১২ৰ পৰা ১৬০টালৈ বৃদ্ধি কৰা হ'ব পাৰে। প্ৰতিবেদনত কোৱা হৈছে যে বিভাজনৰ পাছত ক্ষুদ্ৰ ক্ষুদ্ৰ প্ৰান্ত বা প্ৰদেশসমূহৰ শাসনভাৰ প্ৰান্তীয় বা জিলা এছেম্বলী অথবা চৰকাৰ বাছনি কৰা লোকৰ হাতত অৰ্পণৰ পৰিকল্পনা কৰা হৈছে। সীমাহীন ক্ষমতা লাভ কৰাৰ বাবে চৰকাৰৰ আঁৰ লৈ প্ৰান্তসমূহৰ শাসনৰ মুৰব্বী বাছনিৰ কাম সেনাপ্ৰধান মুনীৰেই কৰিব। মুনীৰে যুক্তি দিছে যে একোটা প্ৰান্তৰ পৰিসৰ বৃহৎ হোৱাৰ বাবে প্ৰশাসনিক কাম-কাজ চলোৱাত সমস্যাৰ সৃষ্টি হৈছে। যাৰ বাবে দেশৰ পৰিস্থিতি বেয়া হৈ পৰিছে। 'দ্য ইক'নমিষ্ট'ৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে পাকিস্তানৰ সেনাই কৰদাতাৰ টকাৰে বিলাস কৰে। সেনাই দেশখনৰ আটাইতকৈ মূল্যৱান ভূমিৰ এক বৃহৎ অংশৰ স্বত্ব ভোগ কৰে। সেনাই দেশখনত বেপাৰ কৰে আৰু ব্যৱসায়িক প্ৰতিদ্বন্দ্বীক ভয়-ভাবুকি প্ৰদান কৰে। প্ৰতিবেদনখনত আছিম মুনীৰৰ বিভাজনমুখী পৰিকল্পনাক লৈ সতৰ্ক হৈ থকাৰ প্ৰয়োজনীয়তাৰ কথা কোৱা হৈছে। তাত প্ৰকাশ পোৱা মতে পঞ্জাব আৰু সিন্ধু প্ৰান্তত দীৰ্ঘ সময় ধৰি পি এম এল (এন) আৰু পি পি পি নামৰ দলটোৰ অক্ষত দুৰ্গ ৰূপে চিহ্নিত হৈ আছে। পাকিস্তানত সামৰিক শাসনৰ সময়তো প্ৰান্ত দুটাত দল দুটাই সমান্তৰাল চৰকাৰ চলাই থাকিবলৈ সক্ষম হৈছিল। সেই দুৰ্গ ভেদৰ উদ্দেশ্যে সিন্ধু আৰু পঞ্জাবৰ ওপৰত আছিম মুনীৰৰ কুদৃষ্টি পৰিছে। তেওঁৰ পৰিকল্পনা সফল হ'লে সিন্ধু আৰু পঞ্জাব প্ৰান্তত অৰাজক পৰিস্থিতিৰ উদ্ভৱ হ'ব পাৰে। প্ৰতিবেদনত লগতে কোৱা হৈছে যে পাকিস্তানক ক্ষুদ্ৰ ক্ষুদ্ৰ ভাগত বিভাজিত কৰাৰ পৰিকল্পনাৰ উদ্দেশ্য দেশখনৰ প্ৰান্তীয় চৰকাৰক শক্তিশালী কৰি জনসাধাৰণক সহায় কৰা নহয়। বৰং এই কুটিল পৰিকল্পনাৰে পাকিস্তানৰ ক্ষুদ্ৰ ক্ষুদ্ৰ প্ৰাদেশিক চৰকাৰ গঠন কৰি ভয়-ভাবুকিৰে দুৰ্বল চৰকাৰসমূহক নিজৰ হাতৰ মুঠিত ৰখাৰ লক্ষ্য লৈছে আছিম মুনীৰে। ভাৰতৰ দৰে চুবুৰীয়া ৰাষ্ট্ৰৰ বাবেও মুনীৰৰ এই পৰিকল্পনা হ'ব পাৰে বিপজ্জনক।




## পালাকাতে




### নৰেন্দ্ৰ মোডীৰ নামেৰে পৰিচিত হ'ব নয়ডাৰ বিমানবন্দৰ

**লক্ষ্ণৌ ঃ** উত্তৰ প্ৰদেশৰ নয়ডাৰ জেৱৰ বিমানবন্দৰৰ নাম সলাই নৰেন্দ্ৰ মোডী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ কৰা হ'ব। ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকৰ পাছত এই কথা ঘোষণা কৰিছে মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে। তেওঁ জনোৱা মতে, চৰকাৰৰ মুৰব্বী ৰূপে প্ৰধানমন্ত্ৰী মোডীয়ে ২৫ বছৰ সম্পূৰ্ণ কৰা উপলক্ষে কেবিনেটত এটা অভিনন্দন প্ৰস্তাৱ লোৱা হৈছে। লগতে নয়ডাৰ জেৱৰ বিমানবন্দৰৰ নাম প্ৰধানমন্ত্ৰীগৰাকীৰ নামেৰে ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। চলিত বৰ্ষতে বিমানবন্দৰটো উদ্বোধন কৰিছিল প্ৰধানমন্ত্ৰী মোডীয়ে।

### প্ৰাক্তন মুখ্যমন্ত্ৰী পিনাৰাই বিজয়নৰ বিৰুদ্ধে গোচৰ



**তিৰুৱনন্তপুৰম ঃ** প্ৰবীণ বাঁওপন্থী নেতা তথা কেৰালামৰ প্ৰাক্তন মুখ্যমন্ত্ৰী পিনাৰাই বিজয়নৰ বিৰুদ্ধে দুৰ্নীতিৰ গোচৰ ৰুজু কৰা হৈছে। ইয়াকে লৈ উত্তপ্ত হৈছে ৰাজ্যখনৰ ৰাজনীতি। জানিব পৰা মতে, কেৰালা উচ্চ ন্যায়ালয়ে বিজয়ন, তেওঁৰ কন্যা টি বীণা আৰু জোঁৱাই পি এ মহম্মদ ৰিয়াছৰ বিৰুদ্ধে দুৰ্নীতি নিবাৰক আইনৰ অধীনত শীঘ্ৰে এজাহাৰ দাখিলৰ নিৰ্দেশ দিছিল। এটা ব্যক্তিগত খণ্ডৰ খনন কোম্পানী আৰু প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ কন্যা টি বীণাৰ আই টি কোম্পানী এক্সল'জীক ছলিউচন্‌ছৰ মাজত হোৱা বিতৰ্কিত লেনদেন সংক্ৰান্তত আৰক্ষীক গোচৰ ৰুজু কৰাৰ নিৰ্দেশ দিছিল ন্যায়ালয়ে।

### কচ্চত দুখন বাহনৰ মাজত মুখামুখি সংঘৰ্ষ, নিহত ৭ শ্ৰমিক

**আহমদাবাদ ঃ** গুজৰাটৰ কচ্চত এক শোকাৱহ দুৰ্ঘটনা সংঘটিত হৈছে। এখন কাৰ আৰু বলেৰ' বাহনৰ মাজত হোৱা মুখামুখি সংঘৰ্ষত নিহত হৈছে সাতজন শ্ৰমিক। বৃহস্পতিবাৰে গভীৰ নিশা খৱাৰা আৰ ই পাৰ্ক এলেকাত সংঘটিত হৈছে এই ঘটনা। জানিব পৰা মতে, দুৰ্ঘটনাগ্ৰস্ত এখন বাহনত ১৫জনৰো অধিক শ্ৰমিক আছিল। ঘটনাত আহত শ্ৰমিকসকলক উদ্ধাৰ কৰি চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

যৌন নিৰ্যাতনৰ অভিযোগ

## জে এন ইউৰ অধ্যাপকৰ চাকৰি গ'ল কংগ্ৰেছ সাংসদৰ

**নতুন দিল্লী, ৯ অক্টোবৰ ঃ** বিশ্ববিদ্যালয়ৰ একাধিক ছাত্ৰীৰ ওপৰত চলোৱা যৌন নিৰ্যাতনৰ অভিযোগত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ পৰা বৰ্খাস্ত হ'ল কংগ্ৰেছ সাংসদ আংগমছা বিমল আকইজাম। তেওঁ হেৰুৱাবলগীয়া হ'ল অধ্যাপকৰ চাকৰি। বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ তৰফৰ পৰা চলোৱা আভ্যন্তৰীণ তদন্তৰ পাছত মণিপুৰৰ পৰা কংগ্ৰেছৰ এই সাংসদজনক বৰ্খাস্ত কৰাৰ সিদ্ধান্ত লোৱা হয়। আজি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য সন্তিশ্ৰী ডি পণ্ডিতৰ দ্বাৰা স্বাক্ষৰিত এখন নিৰ্দেশিকাত জনোৱা হৈছে যে ইণ্টাৰনেল কমিটীয়ে আংগমছা বিমলৰ বিৰুদ্ধে তদন্তৰ পাছত কঠোৰ শাস্তিৰ আবেদন জনাইছিল। সকলো তথ্য আৰু কমিটীৰ প্ৰতিবেদন পৰ্যৱেক্ষণ কৰাৰ পাছত যথাযথ প্ৰক্ৰিয়া অনুসৰি এই সিদ্ধান্তগ্ৰহণ কৰা হৈছে। নিৰ্দেশনাত আৰু কোৱা হৈছে যে ইউ জি চি ৰেফাৰেন্স আৰু কেন্দ্ৰীয় চিভিল ছাৰ্ভিচ বিধিৰ ১১ নম্বৰ ধাৰা অনুযায়ী এই শাস্তি কাৰ্যকৰী কৰা হয়। অৱশ্যে নিজৰ বিৰুদ্ধে উঠা যাৱতীয় অভিযোগ অস্বীকাৰ কৰিছে কংগ্ৰেছ সাংসদ তথা জে এন ইউৰ এইগৰাকী প্ৰাক্তন অধ্যাপকে। জানিব পৰা মতে, সমগ্ৰ ঘটনাটোৰ সূত্ৰপাত হয় যোৱা মে' মাহত। জে এন ইউৰ ১১গৰাকী ছাত্ৰীয়ে বিশ্ববিদ্যালয়ৰ আই চিৰ ওচৰত অধ্যাপকগৰাকীৰ বিৰুদ্ধে যৌন নিৰ্যাতনৰ অভিযোগ দাখিল কৰে। ইয়াৰ পাছত এ বি ভি পিয়ে বিদ্যালয় চৌহদত তীব্ৰ বিক্ষোভ কাৰ্যসূচী গ্ৰহণ কৰে। অৱশেষত দিল্লী মহিলা আয়োগেও ছেপ্টেম্বৰত জে এন ইউৰ ওচৰত প্ৰতিবেদন বিচাৰিছিল।

এছ আই টিৰ তদন্তত ভয়ংকৰ তথ্য উন্মোচন

# তুৰস্ক-আজাৰবাইজানলৈ সক্ৰিয় দেশৰ ভুৱা ঔষধ প্ৰস্তুতকাৰী চক্ৰ

**বেংগালুৰু, ৯ অক্টোবৰ ঃ** দেশত চলি আছে নকল ঔষধৰ বৃহৎ ব্যৱসায়। নকল ঔষধৰ এই অসাধু ব্যৱসায়ী চক্ৰ তুৰস্কৰ পৰা আজাৰবাইজানলৈ বিয়পি আছে। বিশেষ তদন্তকাৰী গোট (এছ আই টি)ৰ তদন্তত এই তথ্য পোহৰলৈ আহিছে। কৰ্ণাটকত নকল ঔষধ প্ৰস্তুত কৰা চক্ৰৰ তদন্তৰ বাবে চৰকাৰে গঠন কৰি দিয়া এছ আই টিয়ে প্ৰকাশ কৰা মতে, চক্ৰটোৰ মুৰব্বী আৰ প্ৰশান্ত ৰঞ্জন বাবুক ফাইজাৰ কোম্পানীৰ ঔষধৰ লেবেল তুৰস্কৰ পৰা যোগান ধৰা হৈছিল। আনহাতে, আৰ প্ৰশান্ত ৰঞ্জন বাবুৱে আজাৰবাইজানৰ পৰা নকল ঔষধৰ ব্যৱসায় পৰিচালনা কৰিছিল। যোৱা ১৮ আগষ্টত বেংগালুৰুৰ বিদাদি আৰু দোড্ডেৰিত চলোৱা তালাচী অভিযানত প্ৰায় পাঁচ কোটি টকাৰ নকল ঔষধ জব্দ হৈছিল। সেই ঔষধ আৰু চিকিৎসা সামগ্ৰীত প্ৰতিষ্ঠিত ঔষধ কোম্পানীৰ নকল লেবেল লগোৱা আছিল। ঘটনা সন্দৰ্ভত এতিয়ালৈ সাতজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। নকল ঔষধৰ বিৰুদ্ধে ইণ্টাৰপ'লে চলোৱা 'অপাৰেচন পাঞ্জিয়া' শীৰ্ষক অভিযানতো পোহৰলৈ আহিছে যে প্ৰতিষ্ঠিত ঔষধ প্ৰস্তুতকাৰী কোম্পানীৰ নাম আৰু পেকেজিং নকল কৰি ভুৱা দৰবৰ আন্তঃৰাষ্ট্ৰীয় ব্যৱসায় চলি আছে। তেনে সময়তে দিল্লী-এন চি আৰত কৰ্কট ৰোগৰ নকল ঔষধ ব্যৱসায়ী চক্ৰ এটা উৎখাত কৰা হয়। সেই চক্ৰটোৰ সৈতে তুৰস্ক আৰু চীনৰ যোগসূত্ৰ লাভ কৰিছে তদন্তকাৰী সংস্থাই। তাৰ পাছত ইউৰোপ আৰু ব্ৰিটেইনতো তুৰস্ক-ডুবাইৰ মাজেৰে চলি থকা নকল ঔষধৰ ব্যৱসায় উৎখাত কৰাৰ বাবে তীব্ৰ অভিযান চলোৱা হৈছে। জানিব পৰা মতে, আজাৰবাইজানত থকা নকল ঔষধ ব্যৱসায়ী চক্ৰৰে জড়িত অপৰাধীক ভাৰতলৈ অনাৰ বাবে তদন্তকাৰী সংস্থাসমূহে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়, বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয় আৰু চি বি আইৰ জৰিয়তে আইনী প্ৰক্ৰিয়া আগবঢ়াইছে। সেই সন্দৰ্ভত কৰ্ণাটক আৰক্ষীয়েও ইণ্টাৰপ'লৰ সহায় বিচাৰিব পাৰে। এছ আই টিয়ে লাভ কৰা তথ্য অনুসৰি অপৰাধী চক্ৰই হাৱালা আৰু ক্ৰিপ্ট'-কাৰেন্সীৰ জৰিয়তে নকল ঔষধৰ ব্যৱসায়ত পুঁজি বিনিয়োগ কৰি আছে। এই দিশতো ইতিমধ্যে তদন্ত আৰম্ভ হৈছে। সম্প্ৰতি আজাৰবাইজানত বাহৰ পাতি থকা চক্ৰটোৰ মুৰব্বী আৰ প্ৰশান্তৰঞ্জন বাবুক ভাৰতলৈ অনাৰ বাবে আইনী প্ৰক্ৰিয়া চলাই থকা বুলি এছ আই টিয়ে জানিবলৈ দিছে।



কিশোৰৰ হাত ছিগি যোৱাৰ পাছত সিদ্ধান্ত ফ্ৰান্স চৰকাৰৰ

# ছাত্ৰ বিক্ষোভত নিষিদ্ধ ষ্টানগ্ৰেনেড

**পেৰিছ, ৯ অক্টোবৰ ঃ** ছাত্ৰ বিক্ষোভত আৰক্ষীৰ দমন-পীড়নক কেন্দ্ৰ কৰি প্ৰবল সমালোচনাৰ সৃষ্টি হোৱাৰ পাছত এইবাৰ কিছু পৰিমাণে পিছুৱাই আহিবলগীয়া হৈছে ফ্ৰান্স প্ৰশাসন। চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে যে বিক্ষোভৰত শিক্ষাৰ্থীসকলক বাধা প্ৰদান কৰিবলৈ সম্প্ৰতি 'ষ্টানগ্ৰেনেড' ব্যৱহাৰ কৰা নহ'ব। এই সম্পৰ্কে নিৰ্দেশনা জাৰি কৰিছে ফৰাচী কৰ্তৃপক্ষই। উল্লেখ্য যে চলিত সপ্তাহতে আৰক্ষী-ছাত্ৰৰ সংঘৰ্ষৰ সময়ত এজন কিশোৰৰ হাত ছিগি গৈছিল। ষ্টানগ্ৰেনেডৰ আঘাততে ঘটনাটো ঘটা বুলি অভিযোগ উত্থাপন হৈছিল। এই ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ ফ্ৰান্সত জনৰোষ বৃদ্ধি পাইছে। আৰক্ষীৰ বৰ্বৰতাৰ অভিযোগত চৌদিশে সমালোচনা আৰম্ভ হৈছে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰোৰ প্ৰশাসনৰ বিৰুদ্ধেও প্ৰশ্ন উত্থাপন হৈছে। উল্লেখ্য যে ফ্ৰান্সৰ শিক্ষানুষ্ঠানসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ দাবীত যোৱা দুসপ্তাহ ধৰি বিক্ষোভ অব্যাহত আছে। অভিযোগ অনুসৰি ন্যূনতম আন্তঃগাঁথনিও নাই বহু বিদ্যালয়ত। ছাত্ৰ বিক্ষোভৰ বাবে ফ্ৰান্সৰ বিভিন্ন প্ৰান্তত পাঁচ শতাধিক বিদ্যালয় বন্ধ ৰাখিবলগীয়া হৈছে। শিক্ষানুষ্ঠানসমূহৰ দুৰ্দশাক লৈ শিক্ষাৰ্থীসকলৰ ক্ষোভ প্ৰশমনৰ কোনো লক্ষণ বৰ্তমান দেখা নাই। ফ্ৰান্সৰ নিৰ্বাচনলৈ ছমাহ বাকী থকা সময়ত এই বিক্ষোভে অস্বস্তি বৃদ্ধি কৰিছে মেক্ৰোৰ প্ৰশাসনৰ। বৃহস্পতিবাৰে ফ্ৰান্সৰ বিভিন্ন স্কুলৰ শিক্ষাৰ্থী, শিক্ষক আৰু শিক্ষাকৰ্মীসকলৰ সংগঠনে মিছিলৰ আহ্বান জনাইছিল।




# ইণ্ডোনেছিয়াত প্ৰকল্প স্থাপন দেশৰ প্ৰথমটো কোম্পানীৰ

**মুম্বাই, ৯ অক্টোবৰ ঃ** দেশৰ লগতে বিদেশতো ব্যৱসায় সম্প্ৰসাৰণ কৰি একাংশ ভাৰতীয় কোম্পানীয়ে বিশ্ব বাণিজ্যৰ ক্ষেত্ৰখনত নিজৰ নাম উজলাইছে। এই কোম্পানীবোৰৰে অন্যতম এটা কোম্পানীয়ে ভাৰতৰ প্ৰথমটো কোম্পানী হিচাপে ইণ্ডোনেছিয়াত সামগ্ৰী উৎপাদন প্ৰকল্প স্থাপনৰ কৃতিত্ব অৰ্জন কৰিছে। ব্যৱসায়ৰ জৰিয়তে বিদেশতো দেশৰ নিচান উৰুওৱা কোম্পানীটোৰ নাম হৈছে গডৰেজ কনজিউমাৰ প্ৰডাক্টছ লিমিটেড (জি চি পি এল)। গডৰেজ কনজিউমাৰ প্ৰডাক্টছ লিমিটেডে ইণ্ডোনেছিয়াৰ কেন্দালত থকা বিশেষ অৰ্থনৈতিক অঞ্চলত এটা নতুন উৎপাদন প্ৰকল্পৰ প্ৰথমটো পৰ্যায় মুকলি কৰিছে। এই প্ৰকল্পটো ৫০০ বিলিয়ন ইণ্ডোনেছিয়ান ৰুপিয়া (প্ৰায় ২৫০ কোটি টকা) বিনিয়োগেৰে প্ৰতিষ্ঠা কৰা হৈছে। ২০১০ চনৰ পৰাই ইণ্ডোনেছিয়াত সক্ৰিয় হৈ থকা গডৰেজ কনজিউমাৰ প্ৰডাক্টছ ইণ্ডোনেছিয়া (জি চি পি আই)ই প্ৰকাশ কৰা অনুসৰি সম্প্ৰতি ইণ্ডোনেছিয়াত প্ৰতিষ্ঠানটোৰ ব্যৱসায় ৪.৫ গুণ বৃদ্ধি পাইছে। কোম্পানীটোৰ হিট, ষ্টেলা, মিটু আৰু এন ৱাই ইউৰ দৰে ব্ৰেণ্ডসমূহে ইণ্ডোনেছিয়াৰ প্ৰতি ৪টা পৰিয়ালৰ ভিতৰত এটা পৰিয়ালত স্থান লাভ কৰিবলৈ সক্ষম হৈছে। কেন্দালত থকা কোম্পানীটোৰ মুঠ



৫.৫ হেক্টৰ ভূমিৰ ২.৫ হেক্টৰত এই নতুন প্ৰকল্পটো নিৰ্মাণ কৰা হৈছে। ইয়াত ঘৰুৱা কীটনাশক উৎপাদনত বিশেষ গুৰুত্ব দিয়া হ'ব। ইয়াৰ জৰিয়তে স্থানীয় চাহিদা পূৰণৰ লগতে সামগ্ৰী ৰপ্তানিও কৰা হ'ব। এই নতুন বিনিয়োগৰ ফলত কোম্পানীটোৰ গৃহ আৰু ব্যক্তিগত যত্ন শাখাৰ উৎপাদন ক্ষমতা প্ৰায় ১৫ শতাংশ বৃদ্ধি হ'ব। সম্পূৰ্ণ অত্যাধুনিক প্ৰযুক্তি আৰু ডেটা সঁজুলিৰে সমৃদ্ধ এই কাৰখানাটো মাত্ৰ এবছৰৰ অলপ অধিক সময়ৰ ভিতৰতে নিৰ্মাণ কৰি উলিওৱা হৈছে। স্থানীয় কৰ্মসংস্থাপনত গুৰুত্ব দিয়াৰ লগতে প্ৰকল্পটোৰ মুঠ কৰ্মচাৰীৰ ৫০ শতাংশ মহিলা নিয়োগ আৰু দিব্যাংগ ব্যক্তিসকলকো কৰ্মসংস্থাপনৰ লক্ষ্য লৈছে গডৰেজ কনজিউমাৰ প্ৰডাক্টছ লিমিটেডে। দায়িত্বশীল উৎপাদন নীতিৰ আধাৰত ইয়াত সম্পদৰ সঠিক ব্যৱহাৰ, শক্তি সংৰক্ষণ, জৈৱ-বৈচিত্ৰ্য ৰক্ষা আৰু আৱৰ্জনা ব্যৱস্থাপনাৰ দৰে পৰিৱেশ অনুকূল পদক্ষেপ গ্ৰহণ কৰা হৈছে।



ফ্লাই ডুবাই বিমান-কাণ্ডৰ নায়ক

## ভাৰতীয় পাইলট স্মিত মচ্ছৰক ইজৰাইলে দিব বীৰত্বৰ সৰ্বোচ্চ সন্মান

**জেৰুজালেম, ৯ অক্টোবৰ ঃ** ফ্লাই ডুবাই বিমানৰ কক্‌পিটত সহযোগী পাইলটৰ আক্ৰমণৰে মোকাবিলা কৰি ১৭৪জন যাত্ৰী আৰু চালক দলৰ সদস্যৰ জীৱন ৰক্ষা কৰা ভাৰতীয় পাইলট কেপ্টেইন স্মিত মচ্ছৰক ইজৰাইলৰ সৰ্বোচ্চ অসামৰিক বীৰত্ব সন্মানেৰে সন্মানিত কৰা হ'ব। এই কথা ঘোষণা কৰিছে দেশখনৰ ৰাষ্ট্ৰপতি ইছাক হাৰ্জোগে। কেপ্টেইন স্মিত মচ্ছৰৰ দ্ৰুত আৰোগ্য কামনা কৰি ইজৰাইলী ৰাষ্ট্ৰপতিগৰাকীয়ে কৈছে যে অসাধাৰণ বীৰত্ব আৰু পেছাদাৰী কৌশলেৰে ভাৰতীয় পাইলটজনে এক বৃহৎ অঘটন ৰোধ কৰিছে। সম্প্ৰতি চিকিৎসাধীন হৈ থকা পাইলটজন সম্পূৰ্ণ সুস্থ হোৱাৰ পাছত তেওঁক ইজৰাইলৰ জনসাধাৰণৰ ফালৰ পৰা দেশৰ অসামৰিক বীৰত্ব বঁটাৰে সন্মানিত কৰা হ'ব। তেওঁক এই সন্মান প্ৰদান কৰিব পৰাটো গৌৰৱৰ কথা বুলিও প্ৰকাশ কৰিছে ৰাষ্ট্ৰপতিগৰাকীয়ে।

অইল পাম, কীটনাশক খণ্ডত সহযোগিতা

## মালয়ছিয়াৰ প্ৰতিনিধি দলৰ ভাৰত ভ্ৰমণ

**নতুন দিল্লী, ৯ অক্টোবৰ ঃ** তৈল খেজুৰ বা অইল পামৰ কৃষিত নতুন উদ্ভাৱন, গৱেষণা আৰু বাণিজ্য বিকাশৰ সম্ভাৱনাৰ সন্ধানৰ লগতে ঘৰুৱা কীটনাশক খণ্ডত মালয়ছিয়াৰে সহযোগিতা স্থাপন কৰিব ভাৰতে। এই সহযোগিতা স্থাপনৰ উদ্দেশ্যে মালয়ছিয়াৰ উদ্যান আৰু পণ্যমন্ত্ৰী ৰাই বি দাতুক ছেৰী, ডঃ নোৰাইনি আহমদৰ নেতৃত্বত এটা উচ্চপদস্থ প্ৰতিনিধি দলে অলপতে ভাৰত ভ্ৰমণ কৰে। প্ৰতিনিধি দলটোত মালয়ছিয়াৰ উদ্যান আৰু পণ্য মন্ত্ৰণালয়ৰ বিষয়াসকলৰ লগতে চেন্নাইস্থিত মালয়ছিয়াৰ কনছুল জেনেৰেল, মালয়ছিয়ান পাম অইল কাউন্সিল, মালয়ছিয়ান পাম অইল ব'ৰ্ড আৰু মালয়ছিয়ান ছাষ্টেইনেবল পাম অইলৰ প্ৰতিনিধি আছিল। ভাৰতলৈ অহা মালয়ছিয়াৰ প্ৰতিনিধি দলটোৱে গডৰেজ ইণ্ডাষ্ট্ৰীজ গ্ৰুপ আলোচনাত মিলিত হয়। গডৰেজ এগ্ৰ'ভেটৰ সৈতে মূলতঃ উন্নত গৱেষণা আৰু বৈজ্ঞানিক পদ্ধতি ব্যৱহাৰ কৰি ভাৰতৰ বিভিন্ন কৃষি-জলবায়ুগত পৰিস্থিতিৰ সৈতে খাপ খোৱা অধিক উৎপাদনক্ষম অইল পামৰ জাত বিকাশৰ বিষয়টো আলোচনাৰ কেন্দ্ৰবিন্দু হৈছিল। আলোচনাত ভাগ লোৱা দুয়ো পক্ষৰ মতে, এনে সহযোগিতাই ভাৰতৰ স্থানীয় পৰিৱেশ উপযোগী ৰোপণ সামগ্ৰীৰ বিকাশ, উৎপাদনশীলতা বৃদ্ধি আৰু জলবায়ু তথা অন্যান্য



প্ৰতিকূলতাৰ সৈতে মোকাবিলা কৰাৰ সক্ষমতা বৃদ্ধিত সহায় কৰিব পাৰে। ইয়াৰ ফলত দেশক প্ৰয়োজনীয় খোৱাতেলৰ চাহিদা পূৰণৰ পূৰ্ণ সম্ভাৱনা আছে। আনহাতে, গডৰেজ কনজিউমাৰ প্ৰডাক্টছৰ সৈতে হোৱা আন এলানি আলোচনাত ঘৰুৱা কীটনাশক খণ্ডৰ বাণিজ্য, উদ্ভাৱন আৰু বহনক্ষম ব্যৱসায়িক বিকাশৰ বাবে অনুকূল পৰিৱেশ শক্তিশালী কৰাৰ বিভিন্ন দিশ আলোচনা কৰা হয়। গুৱাহাটীত এই আলোচনা অনুষ্ঠিত হোৱা বাবেই অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত অইল পামৰ গৱেষণা আৰু উৎপাদনশীলতা বৃদ্ধিৰ বিষয়টো বিশেষকৈ তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে।

সন্ত্ৰাসবাদী বুৰহান ৱানীক শ্বহীদ আখ্যা

# জম্মু-কাশ্মীৰত গ্ৰেপ্তাৰ পি ডি পিৰ শীৰ্ষনেতা

**জম্মু, ৯ অক্টোবৰ ঃ** সন্ত্ৰাসবাদী সংগঠন হিজবুল মুজাহিদীনৰ কমাণ্ডাৰ সন্ত্ৰাসবাদী বুৰহান ৱানীক শ্বহীদৰ মৰ্যাদা। জম্মু আৰু কাশ্মীৰৰ কিস্তৱাৰত এখন জনসভাত বুৰহানক শ্বহীদ বুলি উল্লেখ কৰে মেহবুবা মুফতীৰ দল পি ডি পিৰ শীৰ্ষনেতা আব্দুল কবীৰে। তেওঁৰ মতে ভাইৰেল হ'লে বিতৰ্কই চৰম ৰূপ ধাৰণ কৰে। এই ঘটনাৰ বাবে পি ডি পি নেতা আব্দুলক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। দলীয় অনুষ্ঠানত বক্তব্য আগবঢ়াবলৈ গৈ বুৰহানৰ প্ৰশংসা কৰি আব্দুলে কয়— বুৰহান ৱানী শ্বহীদ হোৱাৰ পাছত বিজেপিৰ নেতাসকলে ক্ষতিপূৰণ লৈ তেওঁৰ ঘৰত উপস্থিত হৈছিল। নেতাজনৰ এই মন্তব্যক লৈ ব্যাপক চৰ্চা আৰম্ভ হৈছে। সাংবাদিকে নেতাজনক প্ৰশ্ন কৰে যে তেওঁ এজন সন্ত্ৰাসবাদীক কিয় শ্বহীদৰ আখ্যা দিলে। প্ৰত্যুত্তৰত নিজৰ অৱস্থানত অটল থকা আব্দুলে কয়- 'মই কাক কি ক'ম, সেয়া মোৰ নিজৰ পছন্দ। আমি গণতান্ত্ৰিক দেশত বাস কৰোঁ। গতিকে মোৰ যিটো সঠিক বুলি ধাৰণা হয় তাক স্বাধীনভাৱে কোৱাৰ অধিকাৰ আছে।' ইপিনে, এজন সন্ত্ৰাসবাদীক শ্বহীদৰ সন্মান দিয়া ঘটনাত ক্ষুব্ধ হৈ পৰিছে কাশ্মীৰী পণ্ডিতসকল। কাশ্মীৰী পণ্ডিতসকলৰ প্ৰতিনিধিত্বকাৰী সংগঠন ৰূট্‌ছ ইন কাশ্মীৰৰ মুখপাত্ৰ অমিত ৰাইনাই কয়- 'এজন সন্ত্ৰাসী কমাণ্ডাৰক শ্বহীদৰ সন্মান দি তেওঁ সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহতসকলৰ পৰিয়ালৰ কটা ঘাত নিমখ ছটিয়ালে।' এই মন্তব্যক লৈ ক্ষুব্ধ গেৰুৱা দলৰ নেতাসকলো। বিজেপিৰ ফালৰ পৰা কোৱা হৈছে যে পি ডি পিয়ে আচলতে সন্ত্ৰাসবাদক প্ৰশ্ৰয় দি তোষণৰ ৰাজনীতি কৰিছে। উল্লেখ্য যে হিজবুল মুজাহিদীনৰ পোষ্টাৰ বয় আছিল বুৰহান ৱানী। জম্মু আৰু কাশ্মীৰত তেওঁ ধাৰাবাহিকভাৱে ভাৰতবিৰোধী ভাষণ দিছিল। এটা সময়ত চৰকাৰৰ তৰফৰ পৰা তেওঁৰ মূৰৰ দাম দহ লাখ টকা ঘোষণা কৰা হৈছিল। ২০১৬ চনত সেনাৰ এনকাউণ্টাৰত নিহত হয় বুৰহান।

# এটা শতিকাৰ পাছত যুক্তৰাজ্যত প্ৰকাশ্যে মৃত্যুদণ্ড

ফায়াৰিং স্কোৱাডৰ পৰা পোনপটীয়া সম্প্ৰচাৰ কৰিব আমেৰিকাই



**নিউয়ৰ্ক, ৯ অক্টোবৰ ঃ** মাৰ্কিন সৈন্যবাহিনীৰ প্ৰাক্তন মেজৰ নিডাল মালিক হাছানৰ মৃত্যুদণ্ড ফায়াৰিং স্কোৱাডত কাৰ্যকৰী কৰা হ'ব। সাধাৰণ জনতাই এই মৃত্যুদণ্ডৰ দৃশ্য পোনপটীয়াকৈ চাব পাৰিব। মাৰ্কিন প্ৰতিৰক্ষা সচিব পীট হেগছেথে বৃহস্পতিবাৰে এই কথা আনুষ্ঠানিকভাৱে জনাইছে। উল্লেখ্য যে ২০০৯ চনত ফ'ৰ্ট হুডত তেৰজন নিৰস্ত্ৰ মাৰ্কিন সেনাক গুলীয়াই হত্যা কৰাৰ অপৰাধত দোষী সাব্যস্ত হাছানক এই চৰম মৃত্যুদণ্ড দিয়া হ'ব। মাৰ্কিন প্ৰতিৰক্ষা বিভাগৰ এজন বিষয়াই জনোৱা মতে প্ৰায় এটা শতিকাৰ পাছত আমেৰিকাত প্ৰথমবাৰৰ বাবে প্ৰকাশ্যে মৃত্যুদণ্ড দিয়া হ'ব। মঙলবাৰে মাৰ্কিন প্ৰতিৰক্ষা সচিবগৰাকীয়ে জনাইছে যে অহা ৩ ডিচেম্বৰত টেক্সাছৰ ফ'ৰ্ট হুডেইত এই মৃত্যুদণ্ড কাৰ্যকৰী হ'ব। বিগত ২৬ বছৰৰো অধিক সময়ৰ ভিতৰত এইটো আমেৰিকাৰ প্ৰথম সামৰিক মৃত্যুদণ্ড। হেগছেথে সংবাদ মাধ্যমৰ আগত কয়- 'হাছান সেনাৰ এটা দলৰ ফায়াৰিং স্কোৱাডৰ মুখামুখি হ'ব লাগিব আৰু এনে হোৱাই উচিত। এইধৰণৰ কামৰ যে মাৰাত্মক পৰিণতি হয় সেয়া নাগৰিকে বুজা উচিত।' হাছানৰ কোনো শেষ ইচ্ছা অথবা ট্ৰাম্পৰ ওচৰত আবেদনৰ বিষয়ে তেওঁ স্পষ্ট কৰি কয় যে তিনি ডিচেম্বৰত তেওঁৰ সৈতে দেখা হ'ব। সোমবাৰে পেণ্টাগনৰ মুখপাত্ৰই জনাইছিল যে প্ৰতিৰক্ষা সচিবৰ এই আবেদনত ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে সন্মতি জনাইছে।

# ঘগ্ৰাপাৰ-ওৰাঙত পথ দুৰ্ঘটনাত নিহত ২

**দৈনিক অসমৰ প্ৰতিনিধি**

**ঘগ্ৰাপাৰ, ৯ অক্টোবৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ হাইৰে চ'কৰ ওচৰতে কালি নিশা সংঘটিত এক পথ দুৰ্ঘটনাত এজন যুৱকৰ মৃত্যু হোৱাৰ লগতে দুজন যুৱক আহত হয়। জানিব পৰা মতে, বাক্সা জিলাৰ শিমলা থানাৰ অন্তৰ্গত জালাহৰ তিনি যুৱক গুৱাহাটীৰ পৰা এ এছ-১৫ এছ- ৯০১১ নম্বৰৰ চাৰিচকীয়া বাহনেৰে নিজগৃহ অভিমুখে গৈ থকা সময়তে ঘগ্ৰাপাৰ হাইৰে চ'কৰ ওচৰতে নিয়ন্ত্ৰণ হেৰুৱাই ডিভাইডাৰত প্ৰচণ্ড জোৰে খুন্দা মাৰে। এই দুৰ্ঘটনাত সৌৰভ শৰ্মা (২৪) নিহত হোৱাৰ বিপৰীতে বক্তিম নাথ (২৯) আৰু খাগ্ৰাবাৰীৰ ৰাহুল ঠাকুৰীয়া (৩০) আঘাতপ্ৰাপ্ত হয়।

**ওৰাঙৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** ওৰাঙৰ প্ৰাক্তন ব্যৱসায়ী বাপ্পী পালৰ (৪৭) কালি সন্ধিয়া প্ৰায় ৭ মান বজাত পথ দুৰ্ঘটনাত মৃত্যু হয়। জানিব পৰা মতে, কালি সন্ধিয়া ওৰাঙৰ পৰা গৰুবন্ধাৰ নিজৰ ঘৰলৈ এ এছ-১২-এ কে-৬৮৭৩ নম্বৰৰ বাইকেৰে গৈ থকা অৱস্থাত পিছফালৰ পৰা অহা এ এছ-০১-ডি এক্স-৫২১২ নম্বৰৰ অল্ট' গাড়ীখনে মহটিয়াই লৈ যায় পালক। স্থানীয় কিছু ব্যক্তিয়ে এই ঘটনা দেখি গাড়ীখন খেদি যোৱাত গাড়ী এৰি পলায়ন কৰে চালকে। পালক লগে লগে ওৰাং সামূহিক চিকিৎসালয়লৈ অনা হয় যদিও অৱস্থা সংকটজনক হোৱাত তেজপুৰ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। কিন্তু অৱশেষত পালৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ মাতৃ, পত্নী, কন্যাসহ বহু আত্মীয়ক এৰি যায়।

**ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উদ্যোগ**

## ১ নৱেম্বৰত সুধাকণ্ঠক লৈ 'লুইতৰ পৰা মিছিছিপি' শীৰ্ষক কুইজ প্ৰতিযোগিতা

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৯ অক্টোবৰ ঃ** ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উদ্যোগত আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সহযোগিতাত ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি ১ নৱেম্বৰৰ দিনা ১০ বজাৰ পৰা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ ডঃ বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত সদৌ অসম ভিত্তিত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাক লৈ 'লুইতৰ পৰা মিছিছিপি' শীৰ্ষক মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাখন পৰিচালনা কৰিব দীপাংকৰ কৌশিক আৰু অচিন্ত্য শৰ্মাই। কুইজ প্ৰতিযোগিতাত পুৰস্কাৰৰ বাবদ থাকিব প্ৰথম পুৰস্কাৰ নগদ ২০,০০০ টকা (অমৰ হাজৰিকাৰ সৌঁৱৰণত) ট্ৰফী আৰু প্ৰমাণপত্ৰ; দ্বিতীয় পুৰস্কাৰ নগদ ১৫,০০০ টকা (হেমচন্দ্ৰ হাজৰিকাৰ সৌঁৱৰণত); তৃতীয় পুৰস্কাৰ ১০,০০০ টকাৰ লগতে ট্ৰফী আৰু প্ৰমাণপত্ৰ। বাকী তিনিওটা ফাইনেলিষ্ট দললৈ থাকিব প্ৰমাণপত্ৰ, স্মাৰকসহ নগদ ৩,০০০ টকা। লগতে দশম শ্ৰেণীপৰ্যন্ত একক লিখিত স্কুল কুইজ প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব। লিখিত কুইজ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠতাৰ ভিত্তিত প্ৰথম ৫গৰাকীক পুৰস্কৃত কৰা হ'ব। দৰ্শকৰ বাবে থাকিব আকৰ্ষণীয় পুৰস্কাৰ। অনুষ্ঠানত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক প্ৰতিযোগীসকলে ৯৪৩৫১১০৯৪৫ আৰু ৭৫৭৫৯ ৪৪৬০৬ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# মঙলদৈ বন বিভাগৰ পৰা হেৰাল

বাধা দিয়া নাছিল। একেদৰে বাইপাছৰ দাঁতিত ৫৫১ জোপাৰ সলনি কেবাশ গছ ৰোপণৰ প্ৰাককলন প্ৰত্যক্ষ কৰি বিষয়টো সামৰণি মাৰিছিল। কিন্তু, কটা গছসমূহ মঙলদৈ খণ্ড বন বিষয়াৰ কাৰ্যালয়ৰ পৰা ৬ মাহ পূৰ্বে হৰলুকি হোৱাত বিষয়টো সন্দৰ্ভত গীতু ডেকা নামৰ এজনে তথ্য জনাৰ অধিকাৰ আইনযোগে চৰকাৰে লাভ কৰা ৰাজহ সন্দৰ্ভত তথ্য বিচাৰে। কেৱল ৫৫১ জোপা গছেই নহয়, বন বিষয়াৰ কাৰ্যালয়ত থকা পূৰ্বে বন বিভাগে জব্দ কৰা বিপুলসংখ্যক চেগুণ গছৰ কুন্দাও নোহোৱা হৈ পৰে। বাইজে ইতিমধ্যে বন বিভাগৰ জৰিয়তেই গছৰ কটা অংশ তথা কুন্দাবোৰৰ অন্তৰ্ধানৰ বিষয়ে অভিযোগ কৰি আহিছিল। কিন্তু তথ্য জনাৰ অধিকাৰ আইনে বিষয়টো স্পষ্ট কৰিলে। ইপিনে, কটা গছৰ তথ্য উত্তৰ কামৰূপ বন সংমণ্ডলৰ বিষয়াই তথ্য জনাৰ অধিকাৰ আইনযোগে কোনো উত্তৰ দিয়াৰ প্ৰয়োজন অনুভৱ নকৰিলে। পাছলৈ মুখ্য বন সংৰক্ষকৰ কাৰ্যালয়েহে ৫৫১ জোপা গছ কটাৰ তথ্য প্ৰদান কৰে। কিন্তু, কটা গছ বিক্ৰী কৰি লাভ কৰা ধনৰ কোনো তথ্য দিব নোৱাৰিলে। লক্ষণীয় যে এই সন্দৰ্ভত ৰাইজৰ অভিযোগৰ ভিত্তিত এখন তদন্ত সমিতি গঠন কৰা হৈছিল। কিন্তু মূৰকত গৈ সেই তদন্ত সমিতিয়েও হাবমনাৰ অভিযোগ উঠিছে।

# শিলনীজানৰ ৬,০৫০ বিঘা ভূমি

জড়িত উক্ত ভূমি লেনদেনৰ বাতৰিয়ে স্থানীয় ৰাইজৰ মাজত ভূমিৰ মালিকীস্বত্ব আৰু আইনী স্থিতি, প্ৰস্তাৱিত ভূমি ক্ৰয় কৰা কোম্পানীটোৰ পৰিচয়, ভূমি অধিগ্ৰহণৰ উদ্দেশ্য তথা ইমান বৃহৎ পৰিমাণৰ ভূমি হস্তান্তৰৰ ফলত স্থানীয় আৰু খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ ওপৰত পৰিব পৰা সম্ভাব্য প্ৰভাৱ সম্পৰ্কে উদ্বেগৰ সৃষ্টি কৰিছে। এক বৃহৎ পৰিমাণৰ ভূমিৰ লেনদেনৰ সৈতে জড়িত বুলি প্ৰকাশ পোৱাৰ পৰিপ্ৰেক্ষিতত বিষয়টো তদন্ত কৰি প্ৰযোজ্য আইন আৰু বিধি অনুসৰি উপযুক্ত ব্যৱস্থা গ্ৰহণৰ তেওঁলোকে অনুৰোধ জনায়। বিশেষকৈ জিলা প্ৰশাসনক কাৰ্বি আংলং জিলাৰ নিলিপ খণ্ডৰ শিলনীজান ৰাজহ চক্ৰৰ অধীনৰ কয়লামাটি অঞ্চলৰ মাইটিমুং এলেকাত থকা প্ৰায় ৬,০৫০ বিঘা ভূমি বিক্ৰী, লীজ, হস্তান্তৰ কৰা হৈছে নেকি অথবা বহুজাতিক কোম্পানী এটাক হস্তান্তৰ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে নেকি, উক্ত ভূমি ক্ৰয় কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰা বহুজাতিক কোম্পানীটোৰ পৰিচয় আৰু আইনী স্থিতি কি, সংশ্লিষ্ট ভূমিৰ বৰ্তমানৰ মালিকীস্বত্ব আৰু ভূমিৰ অভিলেখ, ভূমিৰ নথিভুক্ত খতিয়ানধাৰীসকলৰ নাম আৰু তেওঁলোকৰ মালিকীস্বত্বৰ ভিত্তিকে ধৰি সকলো তথ্য পৰীক্ষা কৰা, প্ৰস্তাৱিত ভূমি অধিগ্ৰহণৰ উদ্দেশ্য আৰু প্ৰকৃতি তথা উক্ত ভূমিত স্থাপন কৰিবলৈ পৰিকল্পনা কৰা প্ৰকল্পৰ বিষয়ে অনুসন্ধান কৰা, সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা সকলো প্ৰয়োজনীয় অনুমতি, অনুমোদন, আপত্তিবিহীন প্ৰমাণ পত্ৰ আৰু অন্যান্য বিধিগত প্ৰয়োজনীয়তা লাভ কৰা হৈছেনে নাই পৰীক্ষা কৰা, প্ৰস্তাৱিত বিক্ৰী বা হস্তান্তৰ প্ৰযোজ্য সাংবিধানিক বিধান, ভূমি আইন, নিয়মাৱলী আৰু কাৰ্বি আংলঙৰ ভূমি পৰিচালনাৰ ক্ষেত্ৰত প্ৰযোজ্য নিয়ম অনুসৰি আইনগতভাৱে অনুমোদিত হয়নে নহয়, বিশেষকৈ ষষ্ঠ অনুসূচীৰ অন্তৰ্গত অঞ্চলৰ ক্ষেত্ৰত প্ৰযোজ্য বিধানসমূহৰ সৈতে সংগতি ৰাখি পৰীক্ষা কৰা, ভূমিৰ মালিক আৰু কোম্পানীটোৰ মাজত ইতিমধ্যে কোনো বিক্ৰী চুক্তি, পট্টা দলিল, বুজাবুজিৰ চুক্তি, হস্তান্তৰ নথি বা আন কোনো চুক্তি সম্পাদন কৰা হৈছেনে নাই সেয়া পৰীক্ষা কৰা, প্ৰস্তাৱিত লেনদেনৰ ফলত অঞ্চলটোৰ স্থানীয় আৰু খিলঞ্জীয়া লোকৰ ভূমিৰ অধিকাৰ, জীৱিকা, প্ৰচলিত পৰম্পৰাগত অধিকাৰ আৰু স্বাৰ্থৰ ওপৰত কোনো বিৰূপ প্ৰভাৱ পৰিবনেকি সেয়া পৰীক্ষা কৰা আৰু কোনো অনিয়ম, আইন উলংঘা বা ভূমিৰ অবৈধ হস্তান্তৰ সংঘটিত হোৱা বুলি প্ৰমাণিত হ'লে জিলা প্ৰশাসনে সমগ্ৰ লেনদেনটোৰ ওপৰত নিৰপেক্ষ তদন্ত আৰু পৰীক্ষণ চলাই উপযুক্ত ব্যৱস্থা গ্ৰহণৰ দাবীৰে ৯ টা দাবী সম্বলিত এখন স্মাৰকপত্ৰ জিলা আয়ুক্তলৈ প্ৰেৰণ কৰে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দেওপানী আঞ্চলিকৰ সভাপতি ৰনছন তেৰাং আৰু সাধাৰণ সম্পাদক প্ৰদীপ ইংতি স্বাক্ষৰিত স্মাৰকপত্ৰৰ জৰিয়তে এইক্ষেত্ৰত শীঘ্ৰে জিলা আয়ুক্তগৰাকীৰ হস্তক্ষেপ কামনা কৰা হৈছে।

# নামেৰী ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চললৈ

চি এ টি এছ স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে অসমৰ নামেৰী ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলে। নামেৰীৰ ক্ষেত্ৰ সঞ্চালক পিৰাইশসুধন বি এই এই কথা জনাইছে। উল্লেখ্য যে কনজাৰ্ভেচন এছিউৰ্ড টাইগাৰ ষ্টেণ্ডাৰ্ড হৈছে আন্তঃৰাষ্ট্ৰীয় পটভূমিত স্বীকৃত এটা উচ্চমানৰ বিশেষ স্বীকৃতি, যাৰ দ্বাৰা বিশ্বৰ বাঘ সংৰক্ষিত বনাঞ্চলে ঢেকীয়াপতীয়া বাঘ সংৰক্ষণ আৰু সংৰক্ষিত বনাঞ্চল পৰিচালনাৰ ক্ষেত্ৰত আন্তৰ্জাতিকভাৱে স্বীকৃত ন্যূনতম মান পূৰণ কৰিছে বুলি প্ৰতীয়মান প্ৰমাণিত হয়। ই বিশ্বৰ শীৰ্ষস্থানীয় বাঘ সংৰক্ষণ বিশেষজ্ঞসকলৰ দ্বাৰা গঠিত এক আগশাৰীৰ মঞ্চই প্ৰস্তুত কৰা বৈজ্ঞানিক মান। এই স্বীকৃতি লাভৰ বাবে বাঘ আৰু বন্যপ্ৰাণী সংৰক্ষণৰ বাবে লোৱা শক্তিশালী সুৰক্ষা ব্যৱস্থা, বাঘ আৰু বাঘৰ খাদ্য প্ৰজাতিৰ বাবে উপযোগী বন পৰিৱেশ সংৰক্ষণ কৰা, বাঘ আৰু ইয়াৰ খাদ্য প্ৰজাতি আৰু এইবোৰৰ আৱাসৰ নিয়মিত বৈজ্ঞানিক নিৰীক্ষণ কৰা আৰু বাঘ সংৰক্ষণত স্থানীয় সমাজৰ অংশগ্ৰহণ আৰু সংঘাত নিয়ন্ত্ৰণ কৰাতো অপৰিহাৰ্য। মন কৰিবলগীয়া যে অসমৰ কাজিৰঙা, মানাহ আৰু ওৰাং ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলে ইতিমধ্যেই এই স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। নামেৰী ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলে আন্তঃৰাষ্ট্ৰীয় কনজাৰ্ভেচন এছিউৰ্ড টাইগাৰ ষ্টেণ্ডাৰ্ড বা চি এ টি এছ স্বীকৃতি লাভ কৰাৰ পাছত অসমত এই আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি পোৱা ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ সংখ্যা চাৰিখনলৈ বৃদ্ধি পালে।

# নাৰীৰ বিৰুদ্ধে হিংসাৰ বিৰোধিতাৰে

উদ্যোগত আজি চন্দ্ৰপ্ৰভা শইকীয়ানী ভৱনত মহিলা সংঘৰ পতাকা উত্তোলন, প্ৰতিষ্ঠাপকসকলৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ আৰু সাম্প্ৰতিক মহিলাসকলৰ নিৰাপত্তাহীনতাত বিপন্ন সামাজিক অৱস্থিতিৰ প্ৰেক্ষাপটত 'হিংসাৰ বিৰুদ্ধে নাৰীৰ সমতা, ন্যায় আৰু স্বাধীনতাৰ অধিকাৰ সুনিশ্চিত কৰাৰ হকে ঐক্যবদ্ধ হওঁ আহক' শীৰ্ষক আলোচনা অনুষ্ঠিত হয়। সংঘৰ গুৱাহাটীৰ সভানেত্ৰী ইয়াছমিন আৰা বেগমে আঁত ধৰা অনুষ্ঠানত পোনতে ৰাজ্যিক সভানেত্ৰী অসমী গগৈয়ে মহিলা সংঘৰ ঐতিহ্য আৰু সংগ্ৰামৰ বিষয়ে উল্লেখ কৰি কয় যে সংগঠনৰ লক্ষ্য আছিল নাৰীসমাজৰ মাজত ব্যাপকভাৱে স্বাধীনতা আৰু গণতন্ত্ৰৰ প্ৰকৃত অৰ্থ ব্যাখ্যা কৰা, নাৰীৰ সকলো প্ৰকাৰৰ অধিকাৰৰ হকে কৰিবলগীয়া সংগ্ৰামৰ প্ৰতি সচেতনতা সৃষ্টি কৰি নাৰী আন্দোলনত প্ৰাণ সঞ্চাৰ কৰা। এই ঈপ্সিত লক্ষ্যত আশীৰ দশকত শতাধিক স্বাক্ষৰতা কেন্দ্ৰ পৰিচালনা কৰাৰ উপৰি অন্ধবিশ্বাস, কু-সংস্কাৰৰ বিৰুদ্ধে সজাগতা, নাৰী নিৰ্যাতনৰ বিৰুদ্ধে শক্তিশালী পদক্ষেপ লোৱা হয়। আলোচনাৰ মূল বিষয়বস্তুৰ ওপৰত বিশিষ্ট সমাজকৰ্মী ৰাণী গোহাঁয়ে নাৰীৰ বিৰুদ্ধে সংঘটিত হিংসাৰ ঘটনাৰ ক্ষেত্ৰত ভোগবাদী অৰ্থ-সংস্কৃতিৰ কু-প্ৰভাৱৰ উপৰি নাৰীক অৱদমন কৰি ৰখা পিতৃতান্ত্ৰিক মানসিকতাক কাৰক হিচাপে চিহ্নিত কৰে। আনহাতে, নিচাযুক্ত দ্ৰব্য ড্ৰাগ্‌ছ, সুৰাৰ পয়োভৰে ইয়াত ইন্ধন যোগাই আহিছে বুলিও তেওঁ কয়। তেওঁ নাৰীৰ বিৰুদ্ধে বৰ্দ্ধিত হিংসাৰ বিৰোধিতাৰে নাৰী-পুৰুষ নিৰ্বিশেষে সকলোকে ঐক্যবদ্ধ হোৱাৰ আহ্বান জনায়। অনুষ্ঠানত উত্থাপন কৰা প্ৰস্তাৱত মহিলাৰ বিৰুদ্ধে হিংসা বন্ধ কৰা, মহিলাৰ ৩৩ শতাংশ আৰক্ষণ আইন ৰূপায়ণ কৰা, দাম বৃদ্ধি ৰোধ কৰা, উজনিৰ বানপীড়িতসকলক উচিত ক্ষতিপূৰণসহ পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা, মানৱ অধিকাৰ কৰ্মী প্ৰণৱ দলেৰ মুক্তিৰ দাবীও গৃহীত হয়।

# শুই থকা অৱস্থাত নিশা মাতৃ-কন্যাক

পৰা গৈছে। আক্ৰমণত আহত মহিলাগৰাকী আল্পনা বৰা আৰু তেওঁৰ কন্যা স্নেহা বৰা (প্ৰায় ১৮-১৯) বুলি জানিব পৰা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি, আল্পনা বৰাৰ অৱস্থা অতি সংকটজনক হোৱাত তেওঁক উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰা হৈছে। আনহাতে, তেওঁৰ কন্যা স্নেহা বৰাও আক্ৰমণত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ চিকিৎসাধীন হৈ আছে। পৰিয়ালটোৰ আন এজন সদস্য, প্ৰায় ১৩ বছৰীয়া পুত্ৰ জ্যোতিষ্মান বৰাই এই আক্ৰমণৰ পৰা কথমপি ৰক্ষা পৰা বুলি জানিব পৰা গৈছে। ঘটনাটোৰ আঁৰৰ কাৰণ এতিয়াও স্পষ্ট হোৱা নাই। কোনে, কি উদ্দেশ্যেৰে আৰু কেনেদৰে এই আক্ৰমণ সংঘটিত কৰিলে সেই সন্দৰ্ভত ৰহস্যৰ সৃষ্টি হৈছে। বাতৰি লিখা পৰলৈকে আক্ৰমণকাৰীক চিনাক্ত কৰাৰ বিষয়ে নিশ্চিত তথ্য লাভ কৰা হোৱা নাই। আৰক্ষীয়ে ঘটনাটোৰ তদন্ত অব্যাহত ৰাখিছে। ইফালে, স্থানীয় একাংশ লোকৰ অভিযোগ অনুসৰি, অঞ্চলটোত শেহতীয়াকৈ মদ, ড্ৰাগ্‌ছ আৰু অন্যান্য নিচাজাতীয় দ্ৰব্যৰ ব্যৱহাৰক কেন্দ্ৰ কৰি সামাজিক সমস্যাই দেখা দিছে। একাংশ যুৱক নিচাসক্ত হৈ বিপথে পৰিচালিত হোৱাৰ বিষয়েও উদ্বেগ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। অৱশ্যে, এই সামাজিক সমস্যাসমূহৰ সৈতে বৰ্তমানৰ আক্ৰমণৰ কোনো প্ৰত্যক্ষ সম্পৰ্ক আছে নে নাই, সেয়া তদন্তৰ জৰিয়তেহে স্পষ্ট হ'ব। এগৰাকী বিধৱা মহিলা আৰু তেওঁৰ পৰিয়ালৰ ওপৰত সংঘটিত এই আক্ৰমণক কেন্দ্ৰ কৰি অঞ্চলটোত নিৰাপত্তা ব্যৱস্থা অধিক শক্তিশালী কৰাৰ দাবী উত্থাপিত হৈছে। স্থানীয় ৰাইজে আৰক্ষী-প্ৰশাসনক ঘটনাটোৰ নিৰপেক্ষ আৰু ক্ষিপ্ৰ তদন্ত কৰি দোষীক চিনাক্ত কৰাৰ লগতে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

# এটকা প্ৰিমিয়ামত পলাশবাৰীত

চৰকাৰে ৭৬ দফীয়া প্ৰস্তাৱযোগে অভিনন্দন আৰু ধন্যবাদ জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত অসম কেবিনেটৰ বৈঠকত এই প্ৰস্তাৱত অনুমোদন জনোৱা হৈছে। লগতে কেবিনেটে সদ্যসমাপ্ত এছিয়ান গেমছত সোণৰ পদক আৰু পূৰ্বে অলিম্পিকত ব্ৰঞ্জৰ পদক বিজয়ী বক্সিং খেলুৱৈ লাভলীনা বৰগোহাঁইক 'বক্সিং একাডেমী' স্থাপনৰ বাবে পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ছয়ানী মৌজাৰ হুদুমপুৰ গাঁৱত এটকা প্ৰিমিয়ামত তিনি বিঘা মাটি আৱণ্টন দিয়াৰ প্ৰস্তাৱতো অনুমোদন জনায়। কেবিনেট বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সংবাদমেলত এই বিষয়ে সদৰি কৰি কয়— প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ৰাষ্ট্ৰসেৱাৰ ২৫টা নিৰৱচ্ছিন্ন বছৰ সমাপন কৰিছে। এই সময়ছোৱাত তেওঁ অসমৰ প্ৰতি সাগৰ সদৃশ বৰঙণি আগবঢ়াইছে। দেশৰ প্ৰতি প্ৰধানমন্ত্ৰীগৰাকীৰ অৱদানৰ লগতে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নত তেওঁৰ যুগান্তকাৰী ভূমিকাৰ বিষয়ে আজিৰ কেবিনেটে বিশদভাৱে আলোচনা কৰে। প্ৰধানমন্ত্ৰী মোডীৰ নেতৃত্বত আন্তঃগাঁথনি, যোগাযোগ ব্যৱস্থা, উদ্যোগ, শান্তি আৰু নিৰাপত্তা, সামাজিক উন্নয়ন আৰু অঞ্চলটোৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰসাৰ আদি বিভিন্ন ক্ষেত্ৰত হোৱা সুদূৰপ্ৰসাৰী পৰিৱৰ্তনকো কেবিনেটে কৃতজ্ঞচিত্তে স্বীকাৰ কৰে। জনসাধাৰণৰ কল্যাণ তথা ৰাষ্ট্ৰৰ প্ৰগতিৰ প্ৰতি প্ৰধানমন্ত্ৰীগৰাকীৰ অদম্য দায়বদ্ধতাৰ বাবে ৭৬ দফীয়া প্ৰস্তাৱযোগে কেবিনেটে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰে আৰু অনাগত সময়তো ৰাষ্ট্ৰ সেৱাৰ বাবে আগবাঢ়ি যাবলৈ আৰু অসমৰ উন্নয়নৰ বাবে আৰু অধিক কাম কৰিবলৈ যাতে ভগৱানে শক্তি দিয়ে তাৰ কামনাৰে প্ৰাৰ্থনা জনায়ো প্ৰস্তাৱ গ্ৰহণ কৰা হয়। অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নক ৰাষ্ট্ৰীয় প্ৰগতিৰ ধাৰাৰ সৈতে সংযুক্ত কৰি এক বিশেষ গতি প্ৰদানৰ ক্ষেত্ৰত লোৱা গুৰুত্বপূৰ্ণ পদক্ষেপকো এই প্ৰস্তাৱত সবিনয়ে স্বীকাৰ কৰা হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে ৰাজ্যিক কেবিনেটে ভাৰতীয় ক্ৰীড়াক্ষেত্ৰলৈ আগবঢ়োৱা অৱদান আৰু উদীয়মান খেলুৱৈসকলক অনুপ্ৰাণিত কৰাৰ স্বীকৃতিস্বৰূপে অলিম্পিক পদক বিজয়ী বক্সিং খেলুৱৈ লাভলীনা বৰগোহাঁইক 'লাভলীনা বক্সিং একাডেমী' স্থাপনৰ বাবে আবণ্টিত মাটিৰ বন্দৰস্তি প্ৰিমিয়াম ৰেহাইত অনুমোদন জনায়। সেই অনুসৰি পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ছয়ানী মৌজাৰ হুদুমপুৰ গাঁৱত অৱস্থিত ৩ বিঘাৰো অধিক মাটি মাথোঁ এটকাৰ নামমাত্ৰ মূল্যত এই বন্দৰস্তিত অনুমোদন জনোৱা হৈছে। তেওঁ কয় যে ক্ৰীড়া আন্তঃগাঁথনিৰ উন্নয়নত বৰঙণি আগবঢ়োৱাৰ লগতে অসমত বক্সিং আৰু অন্যান্য ক্ৰীড়াৰ বিকাশত উদগনি যোগোৱাৰ লক্ষ্যৰে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। লাভলীনা বৰগোহাঁয়ে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অৰ্জন কৰা সফলতাই ৰাজ্য আৰু দেশলৈ অসীম গৌৰৱ কঢ়িয়াই অনাৰ লগতে নৱপ্ৰজন্মক ক্ৰীড়াক্ষেত্ৰত উৎকৃষ্টতা অৰ্জনৰ বাবে অনুপ্ৰেৰণা যোগাই আহিছে বুলি কেবিনেটে মন্তব্য কৰে।

# পৱিত্ৰ ৰাভালৈ আদ্য শৰ্মা শিল্পী বঁটা

শৰ্মা শিল্পী বঁটা প্ৰদান কৰা হ'ব। অসম নাট্য সন্মিলনৰ নলবাৰী জিলা সমিতিৰ উদ্যোগত ৫, ৬ আৰু ৭ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া আদ্য শৰ্মা সদৌ অসম নাট প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি নাট্য মন্দিৰ, নলবাৰীত 'আদ্য শৰ্মা শিল্পী বঁটা' প্ৰদান কৰা হ'ব। টংলা নিৱাসী, নৱ-প্ৰজন্মৰ জনপ্ৰিয় অভিনেতা-পৰিচালক পৱিত্ৰ ৰাভা এগৰাকী ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়, দিল্লীৰ স্নাতক, লগতে বলীউডৰো এগৰাকী বিশিষ্ট শিল্পী। তেওঁ 'মিছন চাইনা', 'কাঞ্চনজংঘা, 'টেংগ চাৰ্লি', 'মেৰী কম'ৰ লগতে বহুকেইখন চিনেমাত অভিনয় কৰি সমাদৃত হৈছে। নাট্য সংগঠকৰূপে দায়বদ্ধতাৰ নিদৰ্শন দি টংলাত 'দাপোণ-দ্য মিৰ'ৰ' নামৰ নাটকৰ লগতে বিভিন্ন সাংস্কৃতিক দিশক সামৰি অনুষ্ঠানৰ জন্ম দিছে। সমাজত অনাদৃত বাওনাসকলৰ উত্তৰণৰ বাবে বিশেষভাৱে পৱিত্ৰ ৰাভাই কাম কৰি আছে। তেওঁ বাওনা শিল্পীসকলক লৈ নাটককে ধৰি বিভিন্ন অনুষ্ঠান আয়োজন কৰি আহিছে। সোণোৱালী কৰ্মৰাজিৰে নাট্য জগতৰ লগতে সাংস্কৃতিক ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতিস্বৰূপে শিল্পীগৰাকীক আদ্য শৰ্মা বঁটা প্ৰদান কৰা হ'ব বুলি নাট্য সন্মিলনৰ জিলা সমিতিৰ সভাপতি দিলজিৎ বৰ্মন, সাধাৰণ সম্পাদক বুবুল নায়ক আৰু নলবাৰী কলেজৰ অধ্যক্ষ ডঃ কমল নয়ন পাটোৱাৰীয়ে সদৰি কৰিছে।

# 'দৈনিক অসম'ৰ জ্যেষ্ঠ সাংবাদিক হেমাংগ

সদৌ অসম সত্ৰ মহাসভাই সংবাদ সেৱাৰ জগতখনলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ স্বীকৃতিস্বৰূপে 'সংবাদ জ্যোতি বঁটা' প্ৰদান কৰিব 'দৈনিক অসম' কাকতৰ জ্যেষ্ঠ সাংবাদিক হেমাংগ গোস্বামীক। এই বঁটা অহা ২৩ অক্টোবৰত যোৰহাটৰ কৰঙাৰ কাঠবাপু সত্ৰত অনুষ্ঠিত হ'বলগীয়া সদৌ অসম সত্ৰ মহাসভাৰ কেন্দ্ৰীয় সেতু বন্ধন সমাৰোহৰ উদ্বোধনী সভাত প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিছে প্ৰধান সম্পাদক প্ৰান্তিক গোস্বামী আৰু সভাপতি জনাৰ্দন গোস্বামীয়ে। উল্লেখযোগ্য যে ১৯৯৪ চনৰ পহিলা জানুৱাৰীৰ পৰা 'দৈনিক অসম' কাকতৰ টিহুৰ সংবাদদাতাৰূপে সাংবাদিক জীৱন আৰম্ভ কৰা গোস্বামীয়ে সুদীৰ্ঘ আঠবছৰ কাল মফচলীয় সাংবাদিকতা কৰে। ২০০২ চনত গুৱাহাটীৰ পৰা প্ৰকাশিত 'দেশৰ প্ৰতিনিধি' বাৰ্তালোচনীৰ সহকাৰী সম্পাদকৰূপে আৰু পাছত গুৱাহাটীত পূৰ্ণকালীন সাংবাদিকৰূপে কৰ্মজীৱন আৰম্ভ কৰে। ইয়াৰ পাছত ২০০৪ চনত 'আজিৰ অসম' দৈনিক কাকতত উপ-সম্পাদক হিচাপে যোগদান কৰে। ২০০৬ চনত 'অসমীয়া খবৰ' কাকতত জ্যেষ্ঠ উপ-সম্পাদকৰূপে যোগদান কৰি সুদীৰ্ঘ প্ৰায় দুটা দশককাল সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰে। ২০২৫ চনৰ নৱেম্বৰত 'দৈনিক অসম' কাকতত জ্যেষ্ঠ উপ-সম্পাদকৰূপে তেওঁ যোগদান কৰে। সাংবাদিকতাৰ ক্ষেত্ৰখনত তিনি দশকৰো অধিক কাল নিৰৱচ্ছিন্ন সেৱা আগবঢ়োৱাৰ সমান্তৰালকৈ শিল্প- সাহিত্য ক্ষেত্ৰতো গোস্বামীয়ে চৰ্চা অব্যাহত ৰাখিছে। ১৯৯১ চনত 'আকাশবাণী' আৰু সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ দ্বাৰা নিচাযুক্ত ড্ৰাগ্‌ছৰ বিৰুদ্ধে আয়োজিত সৰ্বভাৰতীয় প'ষ্টাৰ প্ৰতিযোগিতাত গোস্বামীয়ে প্ৰথম পুৰস্কাৰ লাভ কৰিছিল। ১৯৮৯ চনত মাদ্ৰাজত 'চান্দমামা' আলোচনীৰ ইণ্ডিয়ান হেৰিটেজ কম্পিটিচনত দ্বিতীয় পুৰস্কাৰ লাভ কৰিছিল তেওঁ।

# চলন্ত বাহনত বাগৰি পৰিল গছ, কথমপি ৰক্ষা

যথেষ্ট ক্ষতি হয় যদিও চালকজনৰ কথমপি প্ৰাণ ৰক্ষা পৰে। স্থানীয় ৰাইজে ততাতৈয়াকৈ উদ্ধাৰ কাৰ্য চলাই চালকজনক সুৰক্ষিতভাৱে উদ্ধাৰ কৰে। আনহাতে, প্ৰান্তে প্ৰান্তে গছ বাগৰি বিদ্যুতৰ তাঁৰ ছিগি পেলোৱাৰ ফলত সমগ্ৰ অঞ্চলটোতে কালি সন্ধিয়াৰে পৰা বিদ্যুৎ যোগান বন্ধ হৈ আছে। বিদ্যুৎ বিভাগৰ কৰ্মচাৰী ঘটনাস্থলীত উপস্থিত হৈ মেৰামতিৰ কাম আৰম্ভ কৰিছে যদিও এতিয়ালৈকে পৰিস্থিতি স্বাভাৱিক হোৱা নাই। এতিয়াও বৰষ্বে-দক্ষিণ কেতেকীবাৰী পথ, বৰষ্বে-উত্তৰ কেতেকীবাৰী পথ, বৰষ্বে-কএগুজেনী-হাজো পথৰ কেইবাঠাইতো প্ৰকাণ্ড প্ৰকাণ্ড গছ বাগৰি থকাৰ ফলত সৰ্বসাধাৰণ ৰাইজৰ যাতায়াতৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হৈছে। ইফালে, প্ৰচণ্ড ধুমুহা-বৰষুণৰ ফলত কৃষি পথাৰৰো ব্যাপক ক্ষতি হৈছে। বহু ঠাইত গেঁৰ ওলাবলৈ ধৰা ধান খেতি বাগৰি পৰাৰ লগতে শাক-পাচলিৰ খেতিৰো বিস্তৰ ক্ষতি হৈছে। যাৰ ফলত কৃষক ৰাইজে এতিয়া মূৰে-কপালে হাত দিবলগীয়া হৈছে। প্ৰচণ্ড ধুমুহাত বৰষ্বে আঞ্চলিক দুৰ্গা পূজাৰ নৱনিৰ্মিত পেণ্ডেলৰ লগতে বৰষ্বেত আমন্ত্ৰিত থিয়েটাৰ 'কলাগুৰু'ৰ তোৰণখনো বাগৰি পৰে।

**মাৰ্ঘেৰিটাৰ দৈনিক অসমৰ বিশেষ প্ৰতিনিধি ঃ** মাৰ্ঘেৰিটা সমজিলাৰ বিভিন্ন প্ৰান্তত প্ৰচণ্ড বতাহ-বৰষুণে বিস্তৰ ক্ষতিসাধন কৰিছে। মাৰ্ঘেৰিটা কালিবাড়ীত এঘৰৰ ওপৰত বাঁহ বাগৰি পৰাৰ বিপৰীতে লিডুৰ বিৰলা গেট অঞ্চলত গছৰ ডাল পৰি তিনিটাকৈ বাসগৃহ ক্ষতিগ্ৰস্ত হয়। অৱশ্যে, দুয়োটা ঘটনাতে সৌভাগ্যক্ৰমে কোনো লোক হতাহত হোৱা নাই। প্ৰাপ্ত তথ্য অনুসৰি, মাৰ্ঘেৰিটা কালিবাড়ীত প্ৰচণ্ড ধুমুহাত এঘৰৰ ওপৰত বাঁহ বাগৰি পৰাত বাসগৃহটোৰ বিস্তৰ ক্ষতিসাধন হয়। ঘটনাৰ খবৰ লাভ কৰি মাৰ্ঘেৰিটা পৌৰসভাৰ লোক উপস্থিত হৈ পৰিয়ালটোৰ খবৰ লোৱাৰ লগতে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰে। আনহাতে, মাৰ্ঘেৰিটা সমজিলাৰ অন্তৰ্গত লিডুৰ বিৰলা গেট অঞ্চলতো প্ৰচণ্ড বতাহ-বৰষুণত বিস্তৰ ক্ষয়-ক্ষতি হৈছে। দুপৰীয়াৰ ভাগত টিকক চাহ ফেক্টৰীৰ চৌহদত থকা এজোপা গছৰ ডাল ভাঙি কাষতে থকা কেইবাটাও বাসগৃহৰ ওপৰত পৰে। ফলত তিনিটা পৰিয়ালৰ বাসগৃহ ক্ষতিগ্ৰস্ত হয়। ঘটনাটোত কোনো লোক হতাহত হোৱা নাই যদিও বাসগৃহৰ ক্ষতিসাধন হোৱাত পৰিয়ালকেইটা সমস্যাৰ সন্মুখীন হৈছে। ইফালে, ক্ষতিগ্ৰস্ত পৰিয়ালকেইটাই টিকক চাহ ফেক্টৰী কৰ্তৃপক্ষৰ পৰা উপযুক্ত ক্ষতি পূৰণৰ দাবী জনাইছে। ধুমুহাৰ ফলত মাৰ্ঘেৰিটা, বৰগোলাই আৰু লিডু অঞ্চলৰ বিভিন্ন স্থানত ক্ষয়-ক্ষতি হোৱাৰ বাতৰি পোৱা গৈছে। অৱশ্যে, সমগ্ৰ অঞ্চলটোত হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ বৰ্তমানলৈকে নিৰ্দ্ধাৰণ হোৱা নাই।

# নলবাৰীত আজিৰে পৰা কৰ্মচাৰী পৰিষদৰ

কাৰ্যসূচীৰ আৰম্ভ কৰা হ'ব। ইয়াৰ পাছত মুকলি কুইজ প্ৰতিযোগিতা উদ্বোধন কৰিব নলবাৰী পৌৰসভাৰ পৌৰপতি জয়শ্ৰী তালুকদাৰে। আবেলি ৩.৩০ বজাত প্ৰতিনিধি পঞ্জীয়ন, ৪ বজাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা জিলা পুথিভৰাঁল প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। ৪.৩০ বজাত শিবিৰ মুকলি কৰিব জ্যেষ্ঠ আৰক্ষী অধীক্ষক বিবেকানন্দ দাসে। ৫.৩০ বজাত নাট্য মন্দিৰত সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰতিনিধি সভাৰ প্ৰথম বৈঠক উদ্বোধন কৰিব জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে। সন্ধিয়া ৬ বজাত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব বিশিষ্ট সমাজকৰ্মী মনোজ কুমাৰ চৌধুৰীয়ে। অতিথি হিচাপে উপস্থিত থাকিব অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ সদস্য অৰূপ বৰপূজাৰী। ১১ অক্টোবৰৰ পুৱা ৮.৩০ বজাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ পতাকা উত্তোলন কৰিব সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শৰ্মাই। ৯ বজাত শ্বহীদ তৰ্পণ আৰু স্মৃতি তৰ্পণ অনুষ্ঠান ৰূপায়ণ কৰিব সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদকপ্ৰধান পংকজ বৰ্মনে। ১০.৩০ বজাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰতিনিধি সভাৰ দ্বিতীয় বৈঠক আবেলি ৪ বজাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰতিনিধি সভাৰ তৃতীয় বৈঠক তথা বিষয় বাছনি সভা অনুষ্ঠিত হ'ব। ১২ অক্টোবৰৰ পুৱা ১১ বজাত স্মৃতিগ্ৰন্থ উন্মোচন আৰু মুকলি সভাত সভাপতিত্ব কৰিব সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শৰ্মাই। ইয়াত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বিত্তমন্ত্ৰী জয়ন্তমল্ল বৰুৱা। স্মৃতিগ্ৰন্থ উন্মোচন কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই। সন্মানীয় অতিথি হিচাপে বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পলাশ চাংমাই, টিহু সমষ্টিৰ বিধায়ক চন্দ্ৰমোহন পাটোৱাৰী, বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকা, সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সম্পাদকপ্ৰধান নগেন দাস, সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন উপ-সভাপতি অনুপ কুমাৰ বৰঠাকুৰ উপস্থিত থাকিব। আবেলি ৩.৩০ বজাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ প্ৰতিনিধি সভাৰ শেষ বৈঠক অনুষ্ঠিত হ'ব। সন্ধিয়া ৫.৩০ বজাত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব পুৰণা চামগুৰি সত্ৰ, মাজুলীৰ ডেকাসত্ৰীয়া হৰেণ মহন্তই, অতিথি হিচাপে উপস্থিত থাকিব বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্যৰ প্ৰেছ উপদেষ্টা অপূৰ্ব অধিকাৰীয়ে। এইবাৰ অধিৱেশনত ৰাজ্যৰ ৪৮খন জিলা সমিতিৰ পৰা ৮জনকৈ প্ৰতিনিধিয়ে যোগদান কৰাৰ লগতে অন্যান্য সংগঠনসমূহৰ পৰা তিনিজনকৈ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰাৰ কথা।

# সোণাপুৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ প্ৰতিবাদ

চৌহদ। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে এই ঘটনাৰ উচিত তদন্ত, প্ৰকৃত সত্য উদ্‌ঘাটন আৰু ন্যায় নিশ্চিত কৰাৰ দাবীৰে প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে যোৱা ৫ অক্টোবৰত বিশাখাপট্টনমৰ পৰা 'বিবেক এক্সপ্ৰেছ' নামৰ ৰে'লখনেৰে অসমলৈ উভতি অহাৰ সময়তে অন্ধ্ৰপ্ৰদেশত ৰে'লপথৰ দাঁতিত ৰহস্যজনক অৱস্থাত উদ্ধাৰ হৈছিল হিমাশ্ৰী বড়ো নামৰ ছাত্ৰীগৰাকীৰ মৃতদেহ। এই ঘটনাই স্বাভাৱিকতেই বিভিন্ন প্ৰশ্নৰ অৱতাৰণা কৰাৰ লগতে তেওঁৰ সৈতে প্ৰকৃততে কি ঘটিছিল, সেই কথা পোহৰলৈ অনাৰ দাবী উত্থাপন হৈছে। ঘটনাটোৰ আঁৰৰ প্ৰকৃত ঘটনা পোহৰলৈ আনিবলৈ আৰু ছাত্ৰীগৰাকীৰ ন্যায় সুনিশ্চিত কৰিবলৈ বিভিন্ন মহলৰ পৰা দাবী উত্থাপন হোৱাৰ সময়তে আজি সোণাপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদস্থলীত ছাত্ৰ-ছাত্ৰীসকলে ৰে'ল বিভাগৰ বিৰুদ্ধে ক্ষোভ উজাৰি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ৰে'লযাত্ৰীসকলৰ সুৰক্ষা, বিশেষকৈ মহিলা যাত্ৰীৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ৰে'ল কৰ্তৃপক্ষৰ দায়িত্ব আৰু ভূমিকা সম্পৰ্কেও প্ৰতিবাদকাৰীসকলে প্ৰশ্ন উত্থাপন কৰে। এগৰাকী ছাত্ৰীৰ সৈতে সংঘটিত এই ভয়ংকৰ ঘটনাৰ প্ৰকৃত সত্য পোহৰলৈ অহাটো অত্যন্ত জৰুৰী বুলি উল্লেখ কৰি প্ৰতিবাদকাৰীসকলে সংশ্লিষ্ট কৰ্তৃপক্ষক বিষয়টোক গুৰুত্বসহকাৰে গ্ৰহণ কৰিবলৈ দাবী জনায়। প্ৰতিবাদকাৰীসকলৰ মতে, ঘটনাটোৰ তদন্তত কোনোধৰণৰ গাফিলতি হ'ব নালাগে আৰু হিমাশ্ৰী বড়োৰ সৈতে প্ৰকৃততে কি ঘটিছিল, সেই কথা নিৰপেক্ষ তদন্তৰ জৰিয়তে স্পষ্ট হ'ব লাগে। লগতে ঘটনাটোৰ সৈতে কোনো লোক জড়িত থকাৰ তথ্য প্ৰমাণিত হ'লে দোষীৰ বিৰুদ্ধে আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰো দাবী উত্থাপন কৰে ছাত্ৰ-ছাত্ৰীসকলে। আনহাতে, দূৰ-দূৰণিৰ ৰে'লযাত্ৰাত মহিলা যাত্ৰীৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবে ৰে'ল কৰ্তৃপক্ষই অধিক দায়িত্বশীল ভূমিকা গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তাও প্ৰতিবাদকাৰীসকলে উল্লেখ কৰে।

**তদন্তৰ আহ্বানেৰে কেন্দ্ৰীয় ৰে'লমন্ত্ৰী, অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰীলৈ ডঃ শৰ্মাৰ পত্ৰ**

**গুৱাহাটীৰ দৈনিক অসমৰ বাতৰি ঃ** গুৱাহাটীৰ বোন্দা চপাইদঙৰ ধীৰেন বড়োৰ কন্যা, নৃত্যশিল্পী তথা বি বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰী হিমাশ্ৰী বড়ো (২০)ৰ ৰহস্যজনক মৃত্যুৱে সমগ্ৰ ৰাজ্য জোকাৰি যোৱাৰ সময়তে আজি এই ঘটনাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। এই ঘটনাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে মুখ্যমন্ত্ৰীয়ে। ইপিনে এই ঘটনাৰ প্ৰকৃত সত্য উদ্‌ঘাটন আৰু দোষীক চিনাক্ত কৰি শাস্তি বিহাৰ দাবীত আজি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুলৈ পৃথকে পৃথকে এক জৰুৰী পত্ৰ প্ৰেৰণ কৰে। তদুপৰি অন্ধ্ৰপ্ৰদেশৰ আৰক্ষী প্ৰশাসনৰ সৈতে সমন্বয় স্থাপনৰ বাবে অসম আৰক্ষীৰ এগৰাকী জ্যেষ্ঠ বিষয়াক তাত নিয়োগ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰী ডঃ শৰ্মাই সদৰি কৰে। পত্ৰত উল্লেখ কৰা অনুসৰি হিমাশ্ৰী বড়োৱে এটা নৃত্যদলৰ সৈতে বিশাখাপট্টনমলৈ গৈছিল আৰু তাৰ পৰা গুৱাহাটীলৈ উভতি আহিছিল। তেওঁ বিশাখাপট্টনমৰ পৰা ডিব্ৰুগড় অভিমুখী ২২৫০৩ নং কন্যাকুমাৰী-ডিব্ৰুগড় বিবেক এক্সপ্ৰেছৰ এছ-২ দবাত গুৱাহাটী অভিমুখে আহিছিল। ৬ অক্টোবৰত পৰিয়ালৰ লোকে তেওঁৰ পৰা এটা উদ্বেগজনক বাৰ্তা লাভ কৰে। বাৰ্তাটোত তেওঁৰ চাৰিওফালে বহু পুৰুষৰ উপস্থিতিৰ বাবে ভয় অনুভৱ কৰাৰ কথা প্ৰকাশ কৰা বুলি পত্ৰত উল্লেখ কৰা হৈছে। ইপিনে যোৱা ৭ অক্টোবৰত টিকুলামপুৰমৰ ৰে'লপথৰ দাঁতিত হিমাশ্ৰীৰ মৃতদেহ উদ্ধাৰ কৰাৰ পাছত ঘটনাটোক লৈ পৰিয়ালৰ মাজত সন্দেহৰ সৃষ্টি হৈছে। ফলত দুৰ্বৃত্তই যুৱতীগৰাকীক অকলে পাই নিৰ্যাতন চলাই হত্যা কৰি পেলাই দিয়াৰ অভিযোগ উত্থাপন হৈছে।

এই ঘটনাই ৰাজ্যজুৰি ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ প্ৰতিবাদ তথা হিমাশ্ৰীক ন্যায় প্ৰদানৰ দাবীত সন্ধিয়া বোন্দাৰ চোপাইদঙত সদৌ অসম ট্ৰাইবেল সংঘৰ গুৱাহাটী মহানগৰ সমিতিৰ উদ্যোগত মম জ্বলাই প্ৰতিবাদ সাব্যস্ত কৰে। কাৰ্যসূচীত সহযোগ কৰে বড়ো সাহিত্য সভাৰ প্ৰতিনিধি আৰু চপাইদংবাসী ৰাইজে। চপাইদঙৰ তিনিআলিলৈ উলিওৱা এটা সমদলত ভাগ লৈ প্ৰতিবাদকাৰীসকলে বহিঃৰাজ্যলৈ যোৱা উত্তৰ-পূবৰ যুৱতীৰ ওপৰত কিয় বাৰে বাৰে ৰে'লত এনেধৰণৰ ঘটনা সংঘটিত হয় বুলি প্ৰশ্ন উত্থাপন কৰে। লগতে এই ঘটনাৰ উচিত তদন্ত কৰি দোষীক উপযুক্ত শাস্তি বিহাৰ দাবী জনায় আৰু মৃত হিমাশ্ৰী বড়োৰ পৰিয়ালক ভাৰত চৰকাৰ, ৰে'ল বিভাগ আৰু অসম চৰকাৰক উপযুক্ত ক্ষতিপূৰণ দিয়াৰ বাবে দাবী জনায়। তদুপৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাক যথোপযুক্ত ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনায় প্ৰতিবাদকাৰীসকলে। আনহাতে ডিমৰীয়া সমষ্টিৰ বিধায়ক ডঃ তপন দাসে আজি বোন্দা চপাইদংস্থিত হিমাশ্ৰী বড়োৰ বাসগৃহত উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে।

**ন্যায়ৰ দাবীত বাক্সাৰ শালবাৰীত বন্তি প্ৰজ্বলন**

**শালবাৰীৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** তামিলনাডুৰ পৰা ৰে'লেৰে ঘৰলৈ উভতি অহাৰ পথত ৰহস্যজনকভাৱে প্ৰাণ হেৰুওৱা প্ৰতিভাশালী নৃত্যশিল্পী হিমাশ্ৰী বড়োৰ আকস্মিক মৃত্যুৰ উচিত তদন্ত আৰু ন্যায়ৰ দাবীত আজি সন্ধিয়া বাক্সাৰ শালবাৰীত বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বড়োলেণ্ড ষ্টুডেণ্ট ইউনিয়নৰ শালবাৰী জিলা সমিতিৰ উদ্যোগত আজি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়। দুদিন পূৰ্বে তামিলনাডুৰ পৰা ঘৰলৈ ওভতাৰ পথত সংঘটিত এই ৰহস্যজনক মৃত্যুক লৈ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আজি বি এছ ইউৰ শালবাৰী জিলা সমিতিয়ে এক উচ্চ পৰ্যায়ৰ ন্যায়িক তদন্তৰ দাবী উত্থাপন কৰাৰ লগতে হিমাশ্ৰী বড়োৰ চিৰশান্তি কামনা কৰি বন্তি প্ৰজ্বলন কৰে। ছাত্ৰ সংগঠনটোৱে স্পষ্টভাৱে কয়— এই মৃত্যুৰ ৰহস্য ফাদিল কৰি ইয়াৰ নেপথ্যত থকা প্ৰকৃত সত্য পোহৰলৈ আনিব লাগিব। দোষীক শীঘ্ৰেই কৰায়ত্ত কৰি শোকসন্তপ্ত পৰিয়ালটোক উচিত ন্যায় প্ৰদান কৰিবলৈ প্ৰশাসনৰ ওচৰত তীব্ৰ দাবী জনায়।

**কোকৰাঝাৰত এবছুৰ মমবাতি প্ৰজ্বলন, মৌন সমদল**

**কোকৰাঝাৰৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** অসমৰ বড়ো যুৱতীক অন্ধ্ৰপ্ৰদেশত নৃশংসভাৱে হত্যা কৰি শৱদেহ ৰে'লৰ পৰা পেলাই দিয়া ঘটনাৰ ন্যায় বিচাৰি আজি নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ 'এবছু'ই কোকৰাঝাৰ চহৰত সমূহীয়া মমবাতি প্ৰজ্বলন কৰি এক মৌন প্ৰতিবাদী সমদল উলিয়ায়। কোকৰাঝাৰ চহৰৰ বডোফা উদ্যানত তদুপলক্ষে আজি সন্ধিয়া প্ৰথমে এবছুই নৃত্যশিল্পী হিমাশ্ৰী বড়োৰ প্ৰতিচ্ছবিৰ সন্মুখত সমূহীয়া মমবাতি প্ৰজ্বলন কৰাৰ লগতে হত্যাকাণ্ডৰ ন্যায় বিচাৰি কোকৰাঝাৰ চহৰৰ ৰাজপথত এক মৌন প্ৰতিবাদী সমদল উলিয়ায়। সমদলত নেতৃত্ব দিয়া এবছুৰ কেন্দ্ৰীয় সভাপতি খৌৰমদাও ওৱাৰীয়ে অন্ধ্ৰপ্ৰদেশত বড়ো যুৱতী এগৰাকীক চলন্ত ৰে'লত হত্যা কৰি তেওঁৰ নিথৰ দেহ ৰে'লৰে লাইনত পেলাই থোৱা ঘটনাক কঠোৰ ভাষাৰে নিন্দা জনাইছে। মৌন প্ৰতিবাদস্থলীৰ পৰা হিমাশ্ৰী বড়োৰ ৰহস্যজনক মৃত্যুৰ ঘটনাক লৈ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী তোলে। এবছুই বহিঃৰাজ্যত নৃশংস হত্যাৰ বলি হোৱা অসমৰ যুৱতী হিমাশ্ৰী বড়োৰ পৰিয়ালক ন্যায় দিয়া আৰু সঠিক তদন্ত কৰি দোষীক কঠোৰতম শাস্তি বিহাৰ দাবী উত্থাপন কৰে। প্ৰতিবাদত আছুৰ উপ-সভাপতি নৱজ্যোতি ৰায় উপস্থিত থাকি বহিঃৰাজ্যত অসমৰ যুৱতীক হত্যা কৰা ঘটনা অতিকৈ গৰিহণাজনক আৰু এই ঘটনাক লৈ চৰকাৰে অনতিপলমে এক উচ্চ পৰ্যায়ৰ তদন্ত কৰি জড়িত দোষীক শীঘ্ৰে গ্ৰেপ্তাৰ কৰাৰ দাবী জনাইছে।

**GOVERNMENT OF ASSAM**
**OFFICE OF THE CHIEF ENGINEER :: PWD BUILDING :: ASSAM :: GUWAHATI-3.**

No. নিবিদা প্ৰসংগ নং. CE/TB-II (Bldg.)/43/2026/13

**PRESS NOTICE (RE TENDER)**
**(নিবিদা আহ্বান কৰা জাননী (পুনৰ নিবিদা)**

In cancellation to earlier DNIT issued vide this office No. CE/TB-II(Bldg.)/43/2026/2 dated. 20/07/2026, the Chief Engineer, PWD (Building), Assam, on behalf of the Governor of Assam, invites bids from eligible contractors/firms having requisite experience in similar nature of works for the following work. Details of the bid may be seen at e-procurement portal website i.e. www.assamtenders.gov.in. The Bidders must be enrolled in www.assamtenders.gov.in.
এই কাৰ্যালয়ৰ নং CE/TB-II(Bldg.)/43/2026/2, তাৰিখ ঃ ২০/০৭/২০২৬ যোগে জাৰী কৰা পূৰ্বৰ DNIT খন বাতিল কৰা হ'ল, মুখ্য অভিযন্তা, লোকনিৰ্মাণ (গৃহ) বিভাগ, অসম, চান্দমাৰি, গুৱাহাটী-০৩ এ অসমৰ ৰাজ্যপালৰ হৈ, তলত উল্লেখ কৰা কামৰ বাবে একে ধৰণৰ কামৰ প্ৰয়োজনীয় অভিজ্ঞতা থকা যোগ্য ঠিকাদাৰ /প্ৰতিষ্ঠানৰ পৰা নিবিদা আমন্ত্ৰণ জনাইছে। নিবিদাৰ বিৱৰণ ই-প্ৰকিউৰমেণ্ট প'ৰ্টেল ৱেবছাইট অৰ্থাৎ www.assamtenders.gov.inত চাব পাৰিব। নিবিদাকাৰীসকল www.assamtenders.gov.in ত পঞ্জীয়নভুক্ত হ'ব লাগিব।"

| SL. No. ক্ৰ. নং | Name of work কামৰ নাম | Approx. Value of work (in Rs) কামৰ আনুমানিক মূল্য (টকাত) | Bid Security নিবিদা পত্ৰ সুৰক্ষা | Bid Processing Fee নিবিদা প্ৰক্ৰিয়াকৰণ মূল্য (টকাত) | Completion period সম্পূৰ্ণ কৰাৰ সময়সীমা |
|---|---|---|---|---|---|
| 1. ১. | Construction of Six District Science Centre and Planetarium at 1. Majuli 2. Diphu 3. Kaliabar 4. Silchar 5. Amingaon and 6. Bongaigaon- at Diphu (Balance Work) " ১. মাজুলী ২. ডিফু ৩. কলিয়াবৰ ৪. শিলচৰ ৫. আমিনগাঁও আৰু ৬. বঙাইগাঁও - ছয়খন জিলা বিজ্ঞান কেন্দ্ৰ আৰু প্লেনেটেৰিয়ামৰ অন্তৰ্গত ডিফুত অৱস্থিত বিজ্ঞান কেন্দ্ৰ আৰু প্লেনেটেৰিয়ামৰ অৱশিষ্ট নিৰ্মাণ কাৰ্য | 11,80,36,802.00 ১১,৮০,৩৬,৮০২.০০ | 2% for General category or 1% for Reserved category on value of work সাধাৰণ শ্ৰেণীৰ বাবে কামৰ মূল্যৰ ২% আৰু সংৰক্ষিত শ্ৰেণীৰ বাবে ১% | Rs.20,000.00 ২০,০০০.০০ | 18(Eighteen) Months ১৮ (ওঠৰ) মাহ |

**Note টিপ্পনি ঃ**

(i) Value of work may vary according to the detail NIT. কামৰ মূল্য বিতংভাৱে আহ্বান কৰা নিবিদা জাননী অনুযায়ী পৰিৱৰ্তন হ'ব পাৰে।

(ii) All terms and conditions will be as per the Bidding Documents, সকলো চৰ্ত আৰু নিয়মাৱলী নিবিদা নথিপত্ৰ অনুযায়ী হ'ব।

(iii) The Press Notice will be a part of the Bidding Documents. নিবিদা আহ্বান কৰা জাননী নিবিদা নথিপত্ৰৰ অংশ হ'ব।

**Sd/-**
**Chief Engineer, PWD (Building)**
**Assam, Chandmari, Guwahati-3.**
**মুখ্য অভিযন্তা, লোকনিৰ্মাণ (গৃহ) বিভাগ, অসম, চান্দমাৰি, গুৱাহাটী-৩**

**DIPR/C/DA/405/10-Oct-26**

কাব্য মই, গান মই,
শব্দ মই, ছন্দ মই...
সুৰ মই, তাল মই,
নৃত্য মই, লয় মই...



# প্ৰাণৰ জুবিন



গুৱাহাটী, শনিবাৰ, ১০ অক্টোবৰ, ২০২৬
Guwahati, Saturday, October 10, 2026

## ঊনৈশ

**জয়ন্ত দাস**

উকা
ভয় লগাকৈ ক'লাও

বিষণ্ণ
মাত নোহোৱাকৈ বোবা

স্থৱিৰ
শুনিব নোৱৰাকৈ বধিৰ!

ফোন ঃ ৭০০২১৫৬৪১৩






# যুগজয়ী কণ্ঠশিল্পী জুবিন গাৰ্গ আৰু অসম

▷▶ **হিৰণ্য কুমাৰ শৰ্মা**

যুগদ্ৰষ্টা শিল্পী জুবিন গাৰ্গক আমি অকালতে হেৰুৱাবলগীয়া হ'ল। ৩৬৫ দিন পাৰ হ'ল আমাৰ মৰমৰ শিল্পীজন নোহোৱা হোৱা। আজিৰ তাৰিখলৈ দোষীয়ে উচিত শাস্তি পোৱা নাই। বিচাৰ প্ৰক্ৰিয়া চলি আছে। আৰু কিমান দিনলৈ চলিব এই প্ৰক্ৰিয়া? জুবিনে ন্যায় কেতিয়া পাব? পাৰিমনে আমি ন্যায় দিব? এই শত-সহস্ৰ প্ৰশ্নৰ মাজত আমি!

অসমৰ সাংস্কৃতিক জগতৰ মহীৰুহ জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা আৰু সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ পাছত অসমৰ সংগীত জগতক বিশ্বৰ দৰবাৰত জিলিকাই তুলি ধৰা এজনেই ব্যক্তি আছিল— যুগজয়ী কণ্ঠৰ অধিকাৰী, আমাৰ সকলোৰে হিয়াৰ আমঠু জুবিন গাৰ্গ। জুবিন গাৰ্গ কেৱল অসমৰ এগৰাকী জনপ্ৰিয় গায়ক, সংগীত পৰিচালক, অভিনেতা বা চলচ্চিত্ৰ ব্যক্তিত্ব নহয়; তেওঁ আধুনিক অসমৰ সাংস্কৃতিক পৰিচয়ৰ সৈতে গভীৰভাৱে জড়িত এগৰাকী শিল্পী। তেওঁৰ কণ্ঠ, সংগীত, গীতৰ ভাষা আৰু সৃষ্টিশীলতাই অসমৰ নৱ প্ৰজন্মৰ মনোজগতত বিশেষ প্ৰভাৱ পেলাইছে। সেয়েহে 'যুগজয়ী কণ্ঠশিল্পী জুবিন গাৰ্গ আৰু অসম' মূলতঃ এগৰাকী শিল্পী আৰু তেওঁৰ মাতৃভূমিৰ মাজৰ এক গভীৰ সাংস্কৃতিক সম্পৰ্ক।

জুবিন গাৰ্গে অসমীয়া সংগীতক পৰম্পৰাগত সীমাৰ ভিতৰত আবদ্ধ নাৰাখি আধুনিক সংগীতৰ বিভিন্ন ধাৰাৰ সৈতে সংযোগ স্থাপন কৰিছে। লোকসংগীতৰ সুৰ, আধুনিক বাদ্যযন্ত্ৰ, ৰক, পপ আদি বিভিন্ন সংগীতধাৰাৰ সমন্বয়েৰে তেওঁ এক স্বকীয় সংগীতভাষা গঢ়ি তুলিছে। তেওঁৰ গীতত অসমৰ মাটি, মানুহ, প্ৰেম, প্ৰকৃতি, জীৱন সংগ্ৰাম আৰু সামাজিক অনুভূতিৰ প্ৰতিফলন দেখা যায়। ফলত তেওঁৰ সংগীত কেৱল মনোৰঞ্জনৰ মাধ্যম হৈ নাথাকি বহু সময়ত অসমীয়া সমাজৰ অনুভূতি প্ৰকাশৰ এক শক্তিশালী মাধ্যমত পৰিণত হৈছে। অসমীয়া বোলছবিৰ গীতৰ লগতে হিন্দী বোলছবিৰ গীতৰ জৰিয়তে দেশত এক সুকীয়া পৰিচয় দি থৈ গ'ল। যাৰ বাবে বলীউডৰ শিল্পীসকলে এতিয়াও জুবিনৰ গীত আৰু সুৰৰ শলাগ লয়।

জুবিনৰ সৃষ্টিৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ হৈছে অসমীয়া ভাষাৰ প্ৰতি তেওঁৰ গভীৰ অনুৰাগ। তেওঁ অসমীয়া ভাষাত গীত গাই বৃহৎ শ্ৰোতা সমাজৰ মাজলৈ অসমীয়া সংগীতক লৈ গৈছে। তেওঁৰ জনপ্ৰিয়তাই অসমীয়া ভাষাৰ গীতৰ প্ৰতি নৱ প্ৰজন্মৰ আগ্ৰহ বৃদ্ধি কৰাতো সহায় কৰিছে। বিশেষকৈ বিশ্বায়নৰ সময়ত যেতিয়া যুৱ প্ৰজন্মৰ মাজত বিভিন্ন বহিৰাগত সাংস্কৃতিক প্ৰভাৱ বৃদ্ধি পাইছে, তেনে পৰিস্থিতিত অসমীয়া ভাষা আৰু সংস্কৃতিৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰাত তেওঁৰ ভূমিকা উল্লেখযোগ্য।

জুবিন গাৰ্গৰ অৱদান সংগীতৰ মাজতে সীমাবদ্ধ নহয়। অসমীয়া চলচ্চিত্ৰৰ সৈতে তেওঁৰ সম্পৰ্কও যথেষ্ট গভীৰ। অভিনয়, সংগীত পৰিচালনা, গীত আৰু অন্যান্য সৃষ্টিশীল কামৰ জৰিয়তে তেওঁ অসমীয়া চলচ্চিত্ৰ উদ্যোগক জনপ্ৰিয় কৰি তোলাত অৰিহণা যোগাইছে। তেওঁৰ সৈতে জড়িত বহু চলচ্চিত্ৰ আৰু সংগীতে অসমৰ বাহিৰতো অসমীয়া সংস্কৃতিৰ পৰিচয় দাঙি ধৰাৰ সুযোগ সৃষ্টি কৰিছে।

জুবিন গাৰ্গ অসমৰ যুৱ সমাজৰ মাজত বিশেষভাৱে জনপ্ৰিয়। তেওঁৰ গীতৰ মাজত থকা উদ্যম, আৱেগ, বিদ্ৰোহী মনোভাব আৰু স্বদেশ-অনুভূতিয়ে বহু যুৱক-যুৱতীক প্ৰভাৱিত কৰিছে। তেওঁৰ সংগীতে এটা গুৰুত্বপূৰ্ণ বাৰ্তা বহন কৰে— 'নিজৰ ভাষা, সংস্কৃতি আৰু মাটিৰ সৈতে সংযোগ বৰ্তাই ৰাখিও আধুনিক বিশ্বৰ সৈতে আগবাঢ়িব পাৰি।' জুবিন গাৰ্গৰ বহু গীতত অসমৰ প্ৰকৃতি আৰু মানুহৰ প্ৰতি গভীৰ ভালপোৱা প্ৰকাশ পায়। সেইবাবে তেওঁৰ গীত বহু সময়ত কেৱল ব্যক্তিগত অনুভূতিৰ প্ৰকাশ নহৈ সামূহিক অনুভূতিৰ প্ৰতিনিধিত্ব কৰে। উৎসৱ, সাংস্কৃতিক অনুষ্ঠান, সামাজিক সমাৱেশ আদিত তেওঁৰ গীতৰ জনপ্ৰিয়তা লক্ষ্য কৰা যায়। ইয়াৰ ফলত তেওঁৰ কণ্ঠ বহু অসমীয়াৰ বাবে এক পৰিচিত সাংস্কৃতিক প্ৰতীকৰ ৰূপ লৈছে। বিশেষকৈ অসমীয়া বিহুগীতত জুবিনৰ জনপ্ৰিয়তাই সমগ্ৰ অসমকে সংগীতৰ ক্ষেত্ৰখনত আন এক জনপ্ৰিয়তাৰ শিখৰত আৰোহণ কৰালে।

জুবিন গাৰ্গৰ জনপ্ৰিয়তা বিশাল হ'লেও তেওঁক লৈ বিভিন্ন মতামত আৰু সমালোচনাও আছে। কোনো শিল্পীৰ ক্ষেত্ৰত জনপ্ৰিয়তাৰ সৈতে প্ৰশংসা আৰু বিতৰ্ক দুয়োটাই থাকিব পাৰে। কিন্তু এইবোৰৰ ঊৰ্দ্ধত তেওঁৰ দীঘলীয়া সংগীত যাত্ৰা আৰু অসমীয়া সংস্কৃতিত সৃষ্টি কৰা প্ৰভাৱক মূল্যায়ন কৰাটো অধিক গুৰুত্বপূৰ্ণ। তেওঁৰ অৱদানক কেৱল 'জনপ্ৰিয় শিল্পী' হিচাপে চোৱাতকৈ অসমীয়া সংগীতৰ পৰিৱৰ্তন, আধুনিকীকৰণ আৰু জনপ্ৰিয়কৰণৰ বৃহত্তৰ প্ৰক্ৰিয়াৰ অংশ হিচাপে চোৱা অধিক যুক্তিসংগত।

সামগ্ৰিকভাৱে ক'ব পাৰি যে জুবিন গাৰ্গ আৰু অসমৰ সম্পৰ্ক কেৱল এগৰাকী গায়ক আৰু তেওঁৰ জন্মভূমিৰ সম্পৰ্ক নহয়; ই এগৰাকী শিল্পী, এখন সমাজ, এটা ভাষা আৰু এটা সাংস্কৃতিক পৰিচয়ৰ মাজৰ আন্তঃসম্পৰ্কৰ প্ৰতিফলন। তেওঁ অসমীয়া সংগীতক নতুন ৰূপ দিছে, নতুন প্ৰজন্মৰ মাজত অসমীয়া গীতৰ জনপ্ৰিয়তা বৃদ্ধি কৰিছে আৰু অসমৰ সংস্কৃতিক বৃহত্তৰ পৰিসৰত পৰিচিত কৰাত অৰিহণা যোগাইছে।

সেয়েহে জুবিন গাৰ্গক আধুনিক অসমীয়া সংগীতৰ এক উল্লেখযোগ্য কণ্ঠ হিচাপে মূল্যায়ন কৰিব পাৰি। তেওঁৰ সংগীতৰ মাজেৰে অসমৰ মাটি, মানুহ আৰু সংস্কৃতিৰ যি অনুভৱ প্ৰকাশ পাইছে, তাৰ জৰিয়তে জুবিন গাৰ্গে অসমক এক বিশেষ স্থান দিছে বুলি ভবাৰ থল আছে।

ফোন ঃ ৭০০২৫৬৮৩৪৬

জুবিন গাৰ্গ আৰু অসমৰ সম্পৰ্ক কেৱল এগৰাকী গায়ক আৰু তেওঁৰ জন্মভূমিৰ সম্পৰ্ক নহয়; ই এগৰাকী শিল্পী, এখন সমাজ, এটা ভাষা আৰু এটা সাংস্কৃতিক পৰিচয়ৰ মাজৰ আন্তঃসম্পৰ্কৰ প্ৰতিফলন।



# গানৰ জুবিন কবিতাৰ জুবিন

▷▶ **জয়ন্ত দাস**



গানে নিৰ্মাণ কৰা জুবিনক হয়তো সকলোৰে চিনি পায়। কণ্ঠই অলংকৃত কৰা জুবিনো আমাৰ চিৰপৰিচিত। গানৰ ভঁৰালত কণ্ঠৰ খেল খেলা জুবিন এটা সত্তা। সেই জুবিনকে বুকুত ধাৰণ কৰে কোটি কোটি মানুহে। কথা-সুৰ, কণ্ঠক সাৰোগত কৰি জুবিন সত্তাটো নিৰ্মাণ হোৱাটো ইমান সহজো নাছিল। উঠি উঠি পৰি যোৱা, পুনৰ উঠিবলৈ শিকা জুবিন নামৰ সেই বিশালতাক ঢুকি পোৱাৰ সামৰ্থ্য কাৰোৰে নাই। কাৰণ জুবিন কেৱল মানুহৰে নহয়, জুবিন প্ৰকৃতিৰ, জুবিন চৰাই-চিৰিকটিৰ, জুবিন জীৱ-জন্তুৰ। সেই জুবিন কিন্তু কবিতাৰো জুবিন আছিল। কবিতাক ধাৰণ কৰা, কবিতাক পান কৰা জুবিন অৱশ্যে সম্পূৰ্ণ পৃথক। কবিতাৰ জুবিন সাংঘাতিক ছিৰিয়াছ। কবিতাৰ জুবিনো যথেষ্ট ভাবুক। কবিতাৰ জুবিন ঠিক এনেকুৱা—

মোৰ উদং পথাৰত তোৰ বৰ উৎপাত
মই গছৰ সন্তান
মই পাহাৰৰ সন্তান
মই নদীৰ সন্তান...

জুবিনৰ 'বুহুম' শীৰ্ষক কবিতাৰ এয়া চাৰিটা শাৰী মাথোঁ। এই চাৰিটা শাৰীতেই জুবিনে কবিতাৰ ৰক্ত পান কৰি জীৱন উন্মোচন কৰিছে। আচলতে জুবিন কাৰনো? নিজকে গছৰ, পাহাৰৰ অথবা নদীৰ সন্তান বুলি কোৱা জুবিন নামৰ সত্তাটো যেন প্ৰকৃতিৰ বক্ষত মাতৃদুগ্ধ পান কৰি ডাঙৰ হোৱা এটা সত্তা। নিজক সম্পূৰ্ণ শূন্যৰ লগত তুলনা কৰি জীৱনৰ খলাবমাবোৰে অহৰহ আমনি কৰি থকা জুবিনে সেই কাৰণে নিজকে মানৱৰ ঊৰ্দ্ধত নিজকে প্ৰকৃতিৰ সন্তান বুলিও দাবী কৰিছে। যেন খন্তেকৰ কাৰণে হ'লেও জীৱনৰ আৱেগ-অনুভূতিক জলাঞ্জলি দি নিজকে মুক্ত কৰি ৰাখিব খোজে তেওঁ। সেয়াও যেন অন্য এজন জুবিন। কবিতাৰ জুবিন।

তুমি প্ৰতিবিম্ব
ছায়াৰ
নে পোহৰৰ
নে আৱেগৰ

প্ৰতিবিম্বৰ চকামকা প্ৰতিৰূপত কবিতাৰ জুবিন যেন কঁপি উঠিছিল। কাৰ প্ৰতিবিম্ব তেওঁ বুকুত ধাৰণ কৰিছিল? কাক তেওঁ ছাঁ-পোহৰ অথবা আৱেগৰ প্ৰতিবিম্বৰ ৰূপত চাবলৈ বিচাৰিছিল? হয়তো আপোনজনক হেৰুওৱাৰ পৰ্বতসম বেদনাত জৰ্জৰিত তেওঁ একোটা শূন্য প্ৰতিবিম্বকে সদায় বুকুত ধাৰণ কৰি থাকিল।

তুমি প্ৰতিবিম্ব
অদৃশ্য শব্দৰ
নে অস্ফুত আন্ধাৰৰ

সেই প্ৰতিবিম্ব কবিতাত পুনৰ তেওঁ অদৃশ্য অথবা অস্ফুত আন্ধাৰত নিজৰ আৱেগ ঢালি জীৱনৰ হুমুনিয়াহ কাঢ়িছে।

মোৰ প্ৰতিবাদী সত্তাৰ পৰিধি
তহঁতে বুজি নাপাবি
মই নদীৰ পৰা সাগৰলৈ যাব পাৰোঁ
সাগৰৰ পৰা নদীলৈ ঘূৰিও আহিব পাৰোঁ
মাথোঁ মোৰ ৰং সলনি হ'ব
পানীৰ সোৱাদ সলনি হ'ব

পানী হ'ব খোজা মানুহজনে যে পানীৰ তলতে অন্তিম শয়নত জিৰণি ল'ব, সেয়াও কবিতাৰ জুবিনে উপলব্ধি কৰিছিল হয়তো। মানুহজন একেবাৰে পানীৰ স্বভাৱৰে আছিল। য'তে থোৱা যায়, তাৰেই আকাৰ লয়। Water কবিতাটোত তেওঁ নিজকে পানীৰ দৰে বুলিয়ে উল্লেখ কৰিছে আৰু আনকো পানীৰ দৰে জীয়াই থাকিবলৈ কৈছে। তেওঁ পানী হৈ কেতিয়াবা নদীলৈ বৈ গৈছে। কেতিয়াবা সাগৰৰ বিশালতাকো স্পৰ্শ কৰিছে। শেষত তেওঁ কৈছে—
Be water Be shapeless.

গানৰ জুবিন কবিতাৰ জুবিনতকৈ হয়তো পৃথক নাছিল। গানৰ বিশালতাক তেওঁ কবিতাৰ মাজতো ঠাই দিছিল। জীৱনৰ উত্থান-পতন, সুখ-দুখ অথবা জীৱন সম্পৰ্কীয় কথাবোৰ প্ৰেম, প্ৰকৃতি আদি সকলো তেওঁ কবিতাৰ মাজলৈ আঁজুৰি আনিছিল। গানৰ জুবিনৰ সমান্তৰালকৈ আমি কবিতাৰ সেই জুবিনকো উন্মোচন কৰিব লাগে। জুবিনৰ বিশাল সত্তাক আবুৰ নিদিয়াকৈ গান, কবিতা, চিনেমা, অভিনয় আদি সকলো দিশতে উদ্ভাসিত কৰি ৰখাৰ দায়িত্ব আমি নিশ্চয় ল'ব লাগিব। জুবিনৰ কবিতাৰ চৰ্চা হওক। পাঠ্যপুথিত অন্তৰ্ভুক্ত হওক।

ফোন ঃ ৭৮৯৬৬৮১৭৩৯

# জুবিন চৰ্চা

▷▶ **মঞ্জু হাজৰিকা দাস**

২০০৭ চনৰ ৰাসৰ সময়ৰ কথা। শুনিবলৈ পালোঁ যে হাউলীৰ ৰাসলৈ জুবিন আহিব। মোৰ মনটো খু-দুৱাবলৈ ধৰিলে। জুবিনক বহুত বছৰৰ মূৰত চাবলৈ পাম বুলি উৎফুল্লিত হৈ উঠিলোঁ। নিৰ্দিষ্ট দিনটো আহি পালে। মাকৰ ঘৰলৈ জীয়েকে টোপোলা বান্ধি যোৱাৰ দৰে কেইপদমান ল'ৰা-ছোৱালীৰ বস্তু বান্ধি সময় মতে সোণগুটি বন্ধা এক আবেলিত ওলালোঁ।

মোৰ জন্মদাত্ৰী মাৰ ঘৰৰ একেবাৰে ওচৰতে জুবিনৰ চাবেক ঘৰ (দেউতাকৰ ঘৰ) বুলি জানো। আমি জনা হোৱাত কাকো দেখা নাছিলোঁ অৱশ্যে। অৱশ্যে প্ৰথম কেছেট ওলাওঁতে বৰ গৌৰৱত আমাৰ ওচৰৰ বুলি বুকু ফিন্দাই প্ৰচাৰ কৰিছিলোঁ। জুবিনে আমাৰ মাটিৰ সুৰ অৰ্থাৎ লোকসংগীতৰ লোকসুৰক একেলগে তুলি ধৰি বিশ্বৰ বুকুলৈ বোৱাই নিছিল। পপ সংগীত, ৰক সংগীতৰ ধাৰাক কঢ়িয়াই আনি গৰিমাময় ঐতিহ্যৰে ভৰপূৰ অসমীয়া লোকসংগীতৰ সৈতে অনন্য সংমিশ্ৰণ কৰি নতুন সৃষ্টিশীলতাৰে নিজৰ শিপাক চিৰযুগমীয়া কৰি থৈ গ'ল শিল্পীগৰাকীয়ে। বহু বছৰৰ পাছৰ কথা—বিয়া হোৱাৰ পাছত যিহেতু পাঠশালাত আছিলোঁ, সেই সূত্ৰে সুবিধা উলিয়াই ৰাসৰ সময়ত পাটাছাৰকুছি, হাউলীৰ ৰাস প্ৰায়েই চাবলৈ যাওঁ। এতিয়া আগৰ বকলা সামৰি জুবিনক চোৱাৰ হেঁপাহৰ কথা কওঁ। সেই বছৰ জুবিনৰ ফাংচন চোৱাৰ দুৰন্ত হেঁপাহ। হাউলীৰ ৰাসত জুবিন আহিব বুলি জানিব পাৰি পাঠশালাৰ পৰা খুব সোনকালে ওলালোঁ। ইতিমধ্যে জুবিন আহি পাইছে বুলি গম পাই গেটৰ ওচৰৰ পৰা মানুহ প্ৰবল ধুমুহা অহাৰ দৰে সোমাবলৈ ধৰিলে। আমি ল'ৰা-ছোৱালী দুটাক লৈ সেই মানুহৰ মাজত সোমাই পৰিলোঁ। মানুহে মানুহক এনে এটা ঠেলা মাৰি দিছিল যে কিছুমান মানুহ গৈ পেণ্ডেলৰ তলত পৰিছিল। চকীবোৰ উফৰি পৰিছিল। ইমান হুলস্থূল, ঠেলা-ঠেলিৰ মাজত জীৱনটো নাথাকিব বুলিয়েই ভাবিছিলোঁ। অথচ সকলোৱে জুবিনকে চাবলৈ আহিছে। এনে তথৈৱচ অৱস্থাত কিবা কৰি জুবিনক চোৱাতকৈ মোৰ ল'ৰা-ছোৱালী দুটাক লৈ বাচিব পৰাটোৱেই ডাঙৰ চিন্তা হ'ল। ভয়তে দুইধাৰে চকুৰ পানী বৈ গৈছিল। জুবিনৰ লগত মানুহৰ আৱেগৰ প্ৰচণ্ড ধুমুহাৰ কথা সেইদিনা প্ৰথম বুজিছিলোঁ। সি যি কি নহওক, আমি এঠাইত কিবাকৈ ৰ'ব পাৰিলোঁ। তেনেতে স্বামীৰ সহকৰ্মী দুজনে আমাক দেখা পাই আমাৰ অৱস্থাৰ বুজ লৈ ল'ৰা-ছোৱালী দুটাক কান্ধৰ ওপৰত তুলি লৈ আমাক কথমপি ৰাস্তালৈ উলিয়াই থৈ গ'লহি। সেই সময়ত জুবিনক চোৱাৰ হেঁপাহ বুকুতে সামৰি ভাবিলোঁ— জুবিনক চাবলৈ আৰু ক'লৈকো নাযাওঁ। মুঠতে শপত খোৱাৰ দৰে হ'ল। কিন্তু মনটোক সেও মনাব নোৱাৰি জুবিনক চাবলৈ যোৱা আৰু এটা দিন মনত আছে, সেই দিনটোৰ বিষয়ে আকৌ এদিন লিখিম। কায়িকভাৱে নোহোৱা হোৱাৰ পাছত জুবিনক লৈ অনুৰাগীৰ ধুমুহাৰ বিষয়েও এদিন লিখিম। কাৰণ জুবিনৰ ভাষাত— 'এশ বছৰলৈ কোনেও কৰিব নোৱাৰা কাম কৰি থৈ যাম বুলি কোৱা আৰু কৰি থৈ যোৱা'— জুবিন নামৰ মহান সত্তাটোক প্ৰজন্মৰ পৰা প্ৰজন্মলৈ কোনেও কোনোকালে পাহৰিব নোৱাৰে। গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী, বাদ্যযন্ত্ৰী, চলচ্চিত্ৰ নিৰ্মাতা, অভিনেতা, কবি, লেখক, মহানুভৱ জুবিন স্ব-মহিমাৰে এতিয়া নহয়, যুগ-যুগান্তৰলৈ চিৰজ্যোতিষ্মান, চিৰসেউজ হৈ থাকিব। জুবিন অমৰ। অৱতাৰী পুৰুষ জুবিনক পৰমেশ্বৰে ন্যায় দিয়ক।

ফোন ঃ ৬০০০০২৪৪৭৫





# মৃত্যুৰ সাক্ষীসকল মুকলি আকাশৰ তলত কিয়?

▷▶ **মিৰাজ জুলফিক্কাৰ ৰহমান**

জুবিন গাৰ্গৰ মৃত্যু কোনো সাধাৰণ মৃত্যু নহয়। ই অসমৰ হিয়াৰ স্পন্দন বৈ যোৱাৰ দৰে। কিন্তু এই মৃত্যুক লৈ যিমান দিন পাৰ হৈছে, সিমানেই ৰহস্য গভীৰ হৈছে। বিশেষকৈ ছিংগাপুৰৰ সেই অভিশপ্ত য়টৰ ঘটনাটোৱে প্ৰতিজন অসমীয়াৰ মনত এটাই প্ৰশ্নৰ জন্ম দিছে— য়টত থকা প্ৰৱাসী অসমীয়াকেইজনক গ্ৰেপ্তাৰ কৰা হোৱা নাই কিয়?

চৰকাৰে কৈছে, তদন্ত চলি আছে। এছ আই টি গঠন হৈছে। দুই-এজনক জেৰা কৰা হৈছে, ইতিমধ্যে ফাষ্ট ট্ৰেক আদালতো গঠন হৈছে; কিন্তু তাৰ মাজতে সকলোৱে প্ৰশ্ন কৰিছে যে য়টত থকা কেইজনমানক গ্ৰেপ্তাৰ কৰি প্ৰৱাসী অসমীয়াকেইজনক কিয় আজিও মুকলি আকাশৰ তলত বিচৰণ কৰিবলৈ দিয়া হৈছে? এইটোৱে ৰাইজৰ ক্ষোভ দুগুণে বঢ়াইছে। ৰাইজে সুধিছে— যদি তেওঁলোক দায়ী নহয়, তেন্তে সেইদিনা য়টত কি হৈছিল সত্য কথাটো কওক। আৰু যদি দায়ী হয়, তেন্তে আইন সকলোৰে বাবে সমান নহয় নেকি?

আটাইতকৈ হৃদয় বিদাৰক অভিযোগটো হ'ল অন্তিম সময়ত এগৰাকীয়ে ভিডিঅ' বনোৱাত ব্যস্ত আছিল। এজন মানুহ ছটফটাই আছে, যিজন মানুহ অসমৰ স্পন্দন, হিয়াৰ আমঠু, যাক এবাৰ চুই চাবলৈ কিমান যে হেঁপাহ মানুহৰ— সেইজন মানুহ পানীত জীৱন-মৰণৰ যুঁজত ছটফটাই আছিল, সেই মুহূৰ্তত এজন সহযাত্ৰী হিচাপে কৰ্তব্য আছিল তেওঁক বচোৱা, চিকিৎসাৰ ব্যৱস্থা কৰা। কিন্তু ভিডিঅ' বনোৱাৰ মানসিকতাই প্ৰমাণ কৰে মানৱতা কিমান তললৈ নামিছিল। এইসকলক ৰাইজে নৰপিশাচ বুলিও ক'বলৈ বাধ্য হৈছে।

ছিংগাপুৰ আৰক্ষীৰ ৰিপ'ৰ্ট, মৰণোত্তৰ পৰীক্ষাৰ ৰিপ'ৰ্ট, য়টৰ চি চি টিভি ফুটেজ— এই সকলোবোৰ ৰাজহুৱা কৰিব লাগে। কিয় লুকুৱাই ৰখা হৈছে? প্ৰৱাসী অসমীয়াৰ নামত যোৱা সেই দলটোৰ প্ৰতিজনৰ ভূমিকা কি আছিল, কোনে জুবিনক পানীলৈ যাবলৈ উদগনি দিছিল, সুৰক্ষাৰ ব্যৱস্থা কি আছিল, লাইফ জেকেট ক'ত আছিল— এই প্ৰশ্নবোৰৰ উত্তৰ অসমে বিচাৰে। আমি কাকো আগতীয়াকৈ দোষী সাব্যস্ত কৰা নাই। কিন্তু ন্যায়ৰ দাবী হ'ল সকলোকে সমানে সোধা-পোছা কৰা হওক। দুজনক গ্ৰেপ্তাৰ কৰি বাকীকেইজনক ৰক্ষণাৱেক্ষণ দিলে ৰাইজে মানি নলয়। জুবিন অসমৰ সম্পদ আছিল। তেওঁৰ মৃত্যুৰ তদন্তও অসমৰ আটাইতকৈ স্বচ্ছ তদন্ত হ'ব লাগিব।

যদি কোনোবাই এই তদন্তত নিৰ্দোষী হৈ ওলাই আহে, তেন্তে ইতিহাসে কেতিয়াও ক্ষমা নকৰিব। অসমে এতিয়া বিচাৰে সত্য। সম্পূৰ্ণ সত্য। আৰু দোষী যিয়েই নহওক, কঠোৰতম শাস্তি হ'ব লাগিব।

ফোন ঃ ৯১০১৮৫৪৭৭৬



পঞ্চম পৃষ্ঠাৰ পৰা

## আৰোহণ যাত্ৰা ঃ গুৱাহাটীৰ বিভিন্ন স্থান

কৰ্মজীৱনৰ পথ প্ৰশস্ত কৰাৰ উদ্দেশ্যে ৪ অক্টোবৰৰ পৰা ৮ অক্টোবৰলৈ ৰাজধানী গুৱাহাটী মহানগৰীত অৱস্থিত আগশাৰীৰ প্ৰতিষ্ঠানসমূহৰ ভিতৰত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, ভাৰতীয় তথ্য আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান, টেক চিটী, অসম ৰাজ্যিক চিৰিয়াখানা, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, নাৰেংগী মিলিটেৰী ষ্টেচন, ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰ, অসম প্ৰশাসনীয় ষ্টাফ কলেজ, গুৱাহাটী প্লেনেটেৰিয়াম আদি পৰিদৰ্শন কৰোৱা হয়। লগতে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, অসম প্ৰশাসনীয় ষ্টাফ কলেজ, নাৰেংগী মিলিটেৰী ষ্টেচন আৰু টেক চিটীৰ বিষয়ববীয়াসকলৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলে মত-বিনিময় কৰাৰ উপৰি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে দলীয় গীত, কবিতা আবৃত্তি, নৃত্য আদি পৰিৱেশন কৰে। 'আৰোহণ যাত্ৰা'ত ছাত্ৰ-ছাত্ৰীসকলে নিয়মানুৱৰ্তিতা আৰু সময়ানুৱৰ্তিতাৰ গুৰুত্বৰ লগতে নিজৰ ৰুচি আৰু আগ্ৰহ অনুসৰি ভৱিষ্যতে কেনেদৰে আগবাঢ়ি যাব লাগিব, সেই বিষয়ে জ্ঞান আহৰণ কৰে। ন'ডেল বিষয়া হিচাপে প্ৰশাসনিক বিষয়া তথা সহকাৰী আয়ুক্ত সুদীপ গগৈ আৰু সহকাৰী ন'ডেল বিষয়া হিচাপে সমগ্ৰ শিক্ষা, তিনিচুকীয়াৰ খণ্ড সমল ব্যক্তি দুৰ্জয় লোচন চেতিয়াৰ সহযোগত 'আৰোহণ যাত্ৰা' সম্পন্ন হয়। লগতে যান-বাহন পৰিদৰ্শক বিষয়া জিণ্টু ধাদুমীয়া, চিকিৎসা বিভাগৰ বিষয়া অংশুমান ভৰালী দেউৰী আৰু চিকিৎসা কৰ্মীসকলৰ লগতে অভিভাৱক-শিক্ষক হিচাপে ৰতনপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অপু দাস, পি এম শ্ৰী ফিল'বাৰী হাইস্কুলৰ কেশৱ শৰ্মা, কাকপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কস্তুৰী চুতীয়া, লাইপুলী উচ্চ মাধ্যমিক বিদ্যালয়ৰ মনালিছা নেওগ, জি বি চি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অপৰূপা দাস, চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নিবেদিতা চেতিয়া, জনতা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ত্ৰিৱেণী গগৈ, তালাপ বালিবজাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ জুবিতা গগৈ, তিৰাপ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৰ্চনা ছেত্ৰী আৰু পি এম শ্ৰী সৌমাৰ বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নন্দিনী গোস্বামী বৰঠাকুৰে সহযোগিতা আগবঢ়ায়। তিনিচুকীয়া জিলাৰ জিলা আয়ুক্ত সুমিত ছাত্তাৱানৰ তত্ত্বাৱধানত আৰু বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা মিছন সমন্বয়ক বিন্তী শৰ্মাৰ উদ্যোগত অনুষ্ঠিত এই 'আৰোহণ যাত্ৰা'ৰ সফল ৰূপায়ণত পি এম পোষণৰ জিলা প্ৰৱন্ধক ত্ৰিনয়নী হাজৰিকাই সহযোগিতা আগবঢ়ায়।

## ৰাজস্থান ভ্ৰমণ সামৰি স্বগৃহলৈ পি এম শ্ৰী

অংশগ্ৰহণ কৰি ভিতালী দাসে ১ অক্টোবৰত ৰাজস্থানলৈ ৰাওনা হৈছিল। সাদিনীয়া এই বিশেষ কাৰ্যসূচীত সমগ্ৰ অসমৰ পৰা মুঠ ২৫গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। জানিব পৰা মতে, ৰে'লযোগে যোৱা দলটো ২ অক্টোবৰত নিশা ৰাজস্থানত উপস্থিত হয়। ইয়াৰ পাছতে ৩-৪ অক্টোবৰত ছাত্ৰ-ছাত্ৰীসকলক ৰাজস্থানৰ বিখ্যাত ঐতিহাসিক আৰু প্ৰসিদ্ধ স্থানসমূহ বিশেষকৈ— চিটী পেলেচ, হাৱা মহল, যন্তৰ-মন্তৰ, আমেৰ ফ'ৰ্ট (আজমেৰ ফ'ৰ্ট) আৰু এলবাৰ্ট হল মিউজিয়াম আদি পৰিদৰ্শন কৰোৱায়। ৫ অক্টোবৰত শৈক্ষিক আৰু সাংস্কৃতিক বিনিময় কাৰ্যসূচীৰ অংশ হিচাপে দলটোক ৰাজস্থানৰ স্থানীয় বিদ্যালয় পৰিভ্ৰমণ কৰোৱা হয়। তাত ছাত্ৰ-ছাত্ৰীসকলে ৰাজস্থানৰ স্থানীয় শিক্ষাৰ্থীসকলৰ সৈতে শিক্ষা ব্যৱস্থাৰ বিষয়ে মত-বিনিময় কৰে। এই অনুষ্ঠানত ৰাজস্থানৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ লোক-সংস্কৃতি, গীত-নৃত্য পৰিৱেশনৰ বিপৰীতে অসমৰ প্ৰতিনিধি দলটোৱেও বিহু, বৰগীত, সত্ৰীয়া নৃত্য, খোলবাদন, বাগুৰুম্বা আৰু ঝুমুৰ (কুমুম) আদি পৰিৱেশন কৰি অসমৰ বৈচিত্ৰ্যময় সংস্কৃতিক সুন্দৰভাৱে তুলি ধৰে। তদুপৰি এই ভ্ৰমণৰ সময়ছোৱাত ভিতালী দাসে ছাত্ৰ-ছাত্ৰীসকলক ৰাজস্থানৰ থলুৱা জীৱন-যাত্ৰা আৰু ঐতিহ্যৰ সৈতে চিনাকি কৰাই দিয়াৰ উদ্দেশ্যে উটৰ পিঠিত উঠা, ৰাজস্থানৰ বিশেষ পদ্ধতিত ৰুটী সেকা, মাটিৰ পাত্ৰ নিৰ্মাণ কৰা আৰু হাতত মেহেন্দীৰ ছপা অঁকা আদি নানা ধৰণৰ অভিজ্ঞতামূলক কাম-কাজত অংশগ্ৰহণ কৰোৱা হয়। কম সময়ৰ ভিতৰতে ৰাজস্থানৰ সংস্কৃতি আৰু পৰম্পৰাক ওচৰৰ পৰা জনা আৰু বুজাৰ এই সুযোগে এক সুন্দৰ অভিজ্ঞতাৰে সমৃদ্ধ কৰা বুলি ছাত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। উল্লেখ্য যে সমগ্ৰ বৰপেটা জিলাৰ ভিতৰত একমাত্ৰ দহলাপাৰা পি এম শ্ৰী আদৰ্শ বিদ্যালয়ৰ পৰাই ভিতালী দাসে এই বিশেষ ভ্ৰমণৰ সুযোগ লাভ কৰিছিল। মন কৰিবলগীয়া যে এই 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত' আঁচনিৰ অধীনত দহলাপাৰা পি এম শ্ৰী আদৰ্শ বিদ্যালয়ৰ পৰা পূৰ্বেও পৰিণীতা দাস নামৰ এগৰাকী মেধাৱী ছাত্ৰীয়ে এই ভ্ৰমণৰ সুযোগ লাভ কৰিছিল। ছাত্ৰীগৰাকীৰ এই সফলতা আৰু সুৰক্ষিত প্ৰত্যাৱৰ্তনত পি এম শ্ৰী আদৰ্শ বিদ্যালয়, দহলাপাৰা পৰিয়ালৰ লগতে সমগ্ৰ অঞ্চলবাসী অতিকৈ আনন্দিত হৈ পৰিছে। কালি বিদ্যালয়ত উপস্থিত হোৱাৰ পাছতে কৰ্তৃপক্ষ, শিক্ষক-শিক্ষয়িত্ৰী আৰু স্থানীয় ৰাইজে ভিতালী দাসক আদৰণি জনায় আৰু তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰে।

## যোৰহাটত শতাধিকৰ ৰক্তদান

বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰা হয় যোৰহাটত। অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ বাৰ্ষিক মৃত্যুতিথিৰ লগত সংগতি ৰাখি তথা সংস্থাৰ বাৰ্ষিক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি যোৰহাটৰ 'যোৰহাট থিয়েটাৰ হল'ত অনুষ্ঠিত কৰা হয় এক বিশেষ ৰক্তদান অনুষ্ঠানৰ। এই ৰক্তদান অনুষ্ঠানত জাতি-ধৰ্ম নিৰ্বিশেষে দুই শতাধিক লোকে ৰক্তদান কৰে। বিশেষকৈ অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ আদৰ্শক সাৰোগত কৰি অসমৰ লগতে অসমত কৰ্মৰত বহিঃৰাজ্যৰ চি আৰ পি এফৰ বহুকেইগৰাকী জোৱান, যোৰহাটৰ সাংবাদিক, আৰক্ষীৰ লোক, প্ৰশাসনৰ লোককে আদি কৰি বহু চৰকাৰী কৰ্মচাৰী, সৰ্বসাধাৰণ লোকে ৰক্তদান কৰে। আনহাতে, আজিৰ অনুষ্ঠানৰ আৰম্ভণিতে নাহৰ পুলি ৰোপণ কৰাৰ লগতে সংস্থাৰ পতাকা উত্তোলন, স্মৃতিচাৰণ কৰা হয়। লগতে সমগ্ৰ অনুষ্ঠান সম্পৰ্কে উল্লেখ কৰি মায়াৰিনী ৰক্তদাতা সংস্থাৰ কেন্দ্ৰীয় সমিতিৰ বিতোপন শইকীয়াই কয় যে অসমীয়া জাতিৰ প্ৰাণৰ শিল্পী, যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ মহাপ্ৰয়াণৰ খবৰে অসমবাসীৰ হৃদয়ত যি গভীৰ শূন্যতাৰ সৃষ্টি কৰিলে, সেই বেদনা ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। কিন্তু, সেই বেদনাৰ মাজতেই তেওঁৰ মানৱদৰ্শী মন, অসহায় মানুহৰ প্ৰতি থকা তেওঁৰ গভীৰ সহমৰ্মিতা আৰু সমাজৰ বাবে কিবা এটা কৰাৰ প্ৰেৰণাক হৃদয়ত ধাৰণ কৰি যোৱা বৰ্ষৰ ৯ অক্টোবৰত যোৰহাট চিকিৎসা মহাবিদ্যালয়ত প্ৰতিষ্ঠা হৈছিল 'মায়াৰিনী ৰক্তদাতা সংস্থা'। ইতিমধ্যে সংস্থাটোৱে দুই শতাধিক ৰোগীক ৰক্তদান কৰি সংকটৰ সময়ত মানুহৰ কাষত থিয় দিছে। কেৱল ৰক্তদানতে সীমাবদ্ধ নাথাকি, প্ৰলয়ংকৰী বানে বিধ্বস্ত কৰা উজনিত বান সাহায্য বিতৰণৰ লগতে বিভিন্ন কৰ্ম সম্পাদন কৰিছে। প্ৰাণৰ শিল্পীগৰাকীৰ দৰেই কোনো বিনিময়ৰ আশা নকৰাকৈ, কেৱল সহায়ৰ হাত আগবঢ়োৱাটোৱেই একমাত্ৰ কৰ্ম 'মায়াৰিনী ৰক্তদাতা সংস্থা'ৰ।

## অভিযোগ-প্ৰতিঅভিযোগত উত্তাল চামতা

চহী কৰিবলৈহে নেকি অধ্যক্ষা?— এনেবোৰ প্ৰশ্নৰে এতিয়া অভিযোগ- প্ৰতি অভিযোগ অধ্যক্ষা, শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে কলেজ পৰিচালনা সমিতিৰ বিৰুদ্ধে। যেন বিতৰ্কই লগ নেৰা হৈছে চামতা বি এড কলেজক। শেহতীয়াভাৱে চামতা বি এড কলেজৰ অধ্যক্ষা ডঃ জয়শ্ৰী দাসৰ কলেজৰ পৰা পদত্যাগৰ পাছত তেতিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। ইতিমধ্যে সংবাদ মাধ্যমত কলেজখনৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ আনাৰ পাছত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। ২০২৫ চনৰ ৫ মে'ত অধ্যক্ষা হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল ডঃ জয়শ্ৰী দাসে। তেতিয়াৰে পৰা কলেজখনত বহুকেইটা গুৰুত্বপূৰ্ণ বিষয় দৃষ্টিগোচৰ হোৱাৰ অভিযোগ কৰিছিল অধ্যক্ষাগৰাকীয়ে। অধ্যক্ষা ডঃ জয়শ্ৰী দাসৰ কেতবোৰ অভিযোগ অনুসৰি, কলেজখনত নিৰাপত্তা ব্যৱস্থা নাই। আনকি পাঞ্চিং মেচিন বেয়া, চি চি কেমেৰা বিকল। অধ্যক্ষা হিচাপে দায়িত্ব পালনৰ ক্ষেত্ৰত পৰিচালনা সমিতিৰ কেইগৰাকীমান লোকে তেওঁৰ কামত হস্তক্ষেপ কৰি বাধা প্ৰদান কৰে। অধ্যক্ষাক দমন কৰা নীতি চলে কলেজখনত। চেকত চহী কৰিবলৈহে যেন কলেজখনত অধ্যক্ষাৰ প্ৰয়োজন। আনকি পৰিচালনা সমিতিৰ এগৰাকী লোকে অধ্যক্ষা ডঃ জয়শ্ৰী দাসক হত্যাৰ ভাবুকি দিয়াৰ গুৰুতৰ অভিযোগ কৰে। পৰিচালনা সমিতিৰ দুজনমান লোকে কলেজখন এতিয়া ধ্বংস কৰিবলৈ বিচাৰিছে বুলিও আন এক অভিযোগ কৰে। আনহাতে, অধ্যক্ষাগৰাকীয়ে কলেজখনৰ একাংশ শিক্ষক-শিক্ষয়িত্ৰীৰ বিৰুদ্ধেও অভিজ্ঞতা সন্দৰ্ভত প্ৰশ্ন তুলিছে। উক্ত কলেজখনত শিক্ষকৰ পৰ্যাপ্ত অভিজ্ঞতা থকা শিক্ষক-শিক্ষয়িত্ৰী নথকাৰ লগতে তেওঁলোকৰ এগৰাকীৰ বাহিৰে কোনো শিক্ষক-শিক্ষয়িত্ৰীৰ চৰকাৰী পি এইচ ডি নাই। টকা দি ব্যক্তিগত খণ্ডত পি এইচ ডি কৰা বুলি অভিযোগ কৰে। বহু শিক্ষক-শিক্ষয়িত্ৰীৰ নাই নেট-শ্লেট। কিন্তু, অধ্যক্ষা ডঃ জয়শ্ৰী দাসৰ মন্তব্যৰ পাছত জাতুৰ খাই উঠিছে বিদ্যালয়ৰ বহু শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী। চামতা বি এড কলেজত হিটলাৰী শাসন চলাইছে বুলি অধ্যক্ষাৰ বিৰুদ্ধে আজি কলেজ চৌহদত গুৰুতৰ অভিযোগ একাংশ ছাত্ৰীৰ। ইপিনে, কলেজৰ একাংশ শিক্ষক-শিক্ষয়িত্ৰীৰ বি এড কলেজত শিক্ষকতা কৰাৰ দক্ষতা নথকাৰ অভিযোগ কৰা অধ্যক্ষাৰ বিৰুদ্ধে অভিযোগ কৰি একাংশ শিক্ষয়িত্ৰীয়ে ক'লে, 'আমাৰ দক্ষতা নাথাকিলে, কেনেকৈ ইয়াত নিযুক্তি লাভ কৰিলোঁ।' ইয়াৰ প্ৰত্যুত্তৰত শিক্ষক-শিক্ষয়িত্ৰীয়ে পেপাৰত দিয়া বিজ্ঞাপনৰ ভিত্তিত, যোগ্যতাৰ ভিত্তিত চাকৰি পোৱা বুলি দৃঢ়তাৰে প্ৰকাশ কৰে। অধ্যক্ষাগৰাকীয়ে দিয়া সকলো অভিযোগ ভুৱা বুলি আজি কলেজ চৌহদত সাংবাদিকৰ আগত মন্তব্য কৰে কলেজখনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে। আনহাতে, অধ্যক্ষা ডঃ জয়শ্ৰী দাসে মাৰ্ক টেম্পাৰিং কৰা বিষয়টো সন্দৰ্ভত এগৰাকী প্ৰাক্তন ছাত্ৰীয়ে ক্ষোভ প্ৰকাশ কৰি কয় যে মাৰ্ক টেম্পাৰিঙৰ প্ৰমাণ দিব লাগিব। নহ'লে আদালতৰ দাৰস্থ হ'ব বুলি হুংকাৰ দিয়ে। তাৎপৰ্যপূৰ্ণ যে অধ্যক্ষাগৰাকীয়ে কলেজখনৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ অনাৰ পাছতো আজিও কিয় নীৰৱতা অৱলম্বন কৰিছে চামতা বি এড কলেজৰ পৰিচালনা সমিতিয়ে? সাংবাদিকৰ সন্মুখত কোনো মন্তব্য দিবৰ বাবে কিয় সদিচ্ছা হোৱা নাই কলেজ পৰিচালনা সিমিতিৰ? সেয়া লক্ষণীয় হৈ পৰিছে! বাৰে বাৰে বিতৰ্কত নাম সাঙোৰ খোৱা চামতা বি এড কলেজখনৰ পূৰ্বৰ গৰিমা ঘূৰি আহিবনে? সেই দায়িত্ব কিন্তু এতিয়া কলেজ পৰিচালনা সমিতি তথা কলেজ কৰ্তৃপক্ষৰ বুলি মন্তব্য কৰিছে সচেতন মহলে।

## জখলাবন্ধাত হাতে-লোটে ধৰা পৰিল চোৰ

পৰিৱেশৰ মাজতে জখলাবন্ধাত চুৰিকাৰ্য সংঘটিত কৰিবলৈ আহি প্ৰতিষ্ঠানখনৰ গৰাকীৰ সজাগতা আৰু সাহসিকতাৰ বাবে ব্যৰ্থ হয়। জখলাবন্ধা খাউণ্ড চুকৰ সমীপৰ ৭১৫ নং ৰাষ্ট্ৰীয় পথৰ কাষত অৱস্থিত এখন ব্যৱসায়িক প্ৰতিষ্ঠানত নিশা এই ঘটনাটো সংঘটিত হয়। ধৃত চোৰটো স্থানীয় গৰুবন্ধা গাঁৱৰ মুস্তাক শ্বেখ বুলি চিনাক্ত কৰা হৈছে। ঘটনাৰ বিৱৰণী অনুসৰি, পুৱতি নিশা গৰুবন্ধাৰ মুস্তাক শ্বেখে জখলাবন্ধাৰ উক্ত ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ তলা ভাঙি ভিতৰত প্ৰৱেশ কৰিছিল। প্ৰতিষ্ঠানখনৰ ভিতৰত সোমাই চোৰটোৱে বিভিন্ন মূল্যৱান সামগ্ৰী বান্ধি লৈ যোৱাৰ পূৰ্ণ প্ৰস্তুতি চলাই থকাৰ সময়তে তাত শুই থকা গৰাকীয়ে গম পায়। গৰাকীয়ে অতি সজাগতাৰে নিজৰ শোৱাপাটীৰ পৰা উঠি চোৰটোৰ ওপৰত জঁপিয়াই পৰে আৰু তাক থিতাতে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। পুৱা ঘটনাৰ খবৰ বিয়পি পৰাৰ লগে লগে সমগ্ৰ অঞ্চলটোৰ স্থানীয় ৰাইজ ঘটনাস্থলীত গোট খায়। ইয়াৰ পাছত উত্তেজিত ৰাইজ আৰু প্ৰতিষ্ঠানখনৰ গৰাকীয়ে মিলি চোৰটোক লৈ চুৰিকাৰ্যৰ দৃশ্য পুনৰ ৰূপায়ণ কৰে। গৰুবন্ধাৰ চোৰটোৱে কেনেকৈ ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ ভিতৰত সোমাইছিল আৰু চুৰিৰ পৰিকল্পনা কৰিছিল, সেয়া সি নিজেই স্থানীয় ৰাইজৰ সন্মুখত কৰি দেখুৱায়। স্থানীয় ৰাইজে ক্ষোভেৰে অভিযোগ কৰা মতে, কলিয়াবৰৰ জখলাবন্ধাত শেহতীয়াকৈ এটা সক্ৰিয় কাৰাৱী চক্ৰ গঢ়ি উঠিছে। এই চুৰিকাণ্ডৰে কাৰাৱী চক্ৰটো প্ৰত্যক্ষভাৱে জড়িত হৈ থকাৰ সন্দেহ প্ৰকাশ কৰে। ঘটনাৰ সময়ত মুস্তাক শ্বেখ ধৰা পৰে যদিও চুৰিৰ বয়-বস্তু লৈ যাবলৈ বাহিৰত বাহন লৈ সাজু হৈ থকা আনাৰ নামৰ আনটো সহযোগী চোৰ ঘটনাস্থলীৰ পৰা এন্ধাৰৰ সুযোগ লৈ পলায়ন কৰিবলৈ সক্ষম হয় বুলি প্ৰতিষ্ঠানটোৰ গৰাকীয়ে জানিবলৈ দিয়ে। ইতিমধ্যে স্থানীয় ৰাইজে ধৃত চোৰটোক জখলাবন্ধা আৰক্ষীৰ হাতত গতাই দিছে। আনহাতে, প্ৰতি নিশাই সংঘটিত হৈ থকা গৰু চুৰি, গৃহ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানৰ চুৰিকাণ্ড ৰোধ কৰিবলৈ আৰক্ষীৰ নৈশ টহলদাৰী ব্যৱস্থা অধিক কটকটীয়া কৰিবলৈ আৰু সমগ্ৰ কলিয়াবৰত শান্তিপূৰ্ণ পৰিৱেশ ঘূৰাই আনিবলৈ স্থানীয় সচেতন মহলে প্ৰশাসনক তীব্ৰ দাবী জনাইছে। বৰ্তমান আৰক্ষীয়ে পলায়ন কৰা আনটো চোৰ আনাৰ আৰু এই চক্ৰৰ সৈতে জড়িত কাৱাৰী ব্যৱসায়ীজনৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে।

# খোৱাঙত ২৮টা আত্মসহায়ক গোটক চেক বিতৰণ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ডিব্ৰুগড়, ৯ অক্টোবৰ ঃ** মহিলাসকলক স্বাৱলম্বী কৰি তোলাৰ লক্ষ্যৰে সোণোৱাল স্ব-নিয়োজন বহুমুখী যোজনা (২০২৫-২৬)ৰ অধীনত আজি ডিব্ৰুগড় জিলাৰ বুঢ়ীখোৱাঙত ২৮টা আত্মসহায়ক গোটক চেক বিতৰণ কৰা হয়। সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ খোৱাং পৰিষদীয় সমষ্টিৰ কাৰ্যবাহী সদস্য দিপুৰঞ্জন মাৰ্কাৰীয়ে প্ৰতিটো গোটকে ২০ হাজাৰ টকাকৈ চেক প্ৰদান কৰে। উক্ত আঁচনিৰ অধীনত আৰ্থিক সাহায্য লাভ কৰা আত্মসহায়ক গোটসমূহৰ মহিলাসকলক এই ধন স্ব-নিয়োজনমূলক কামত ব্যৱহাৰ কৰি আত্মনিৰ্ভৰশীল হ'বলৈ আহ্বান জনায় কাৰ্যবাহী সদস্য দিপুৰঞ্জন মাৰ্কাৰীয়ে। অনুষ্ঠানটোত বিজেপিৰ প্ৰাক্তন বিধায়ক ঋতুপৰ্ণ বৰুৱাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি দিপুৰঞ্জন মাৰ্কাৰীয়ে মহিলাসকলক চৰকাৰৰ পৰা লাভ কৰা আৰ্থিক সাহায্যৰ সদ্ব্যৱহাৰ কৰি উপাৰ্জনৰ পথ প্ৰশস্ত কৰিবলৈ আহ্বান জনায়। আত্মসহায়ক গোটসমূহে ক্ষুদ্ৰ ব্যৱসায় তথা বিভিন্ন স্ব-নিয়োজনমূলক কৰ্মৰ জৰিয়তে নিজৰ লগতে পৰিয়ালৰ আৰ্থিক অৱস্থা টনকিয়াল কৰাৰ সম্ভাৱনাৰ কথাও তেওঁ উল্লেখ কৰে। ইফালে, অনুষ্ঠানটোত দিপুৰঞ্জন মাৰ্কাৰীয়ে আগন্তুক সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা মুকলিকৈ ঘোষণা কৰে। তেওঁৰ এই ঘোষণাই অনুষ্ঠানটোত ৰাজনৈতিক দিশটোকো বিশেষ তাৎপৰ্য প্ৰদান কৰে। আনহাতে, প্ৰাক্তন বিধায়ক ঋতুপৰ্ণ বৰুৱাই ভাষণ প্ৰসংগত আত্মসহায়ক গোটৰ মহিলাসকলক লাভ কৰা ধন উৎপাদনমুখী কামত বিনিয়োগ কৰি আত্মসংস্থাপনৰ দিশত আগবাঢ়ি যাবলৈ আহ্বান জনায়। চৰকাৰী আঁচনিৰ সুবিধা গ্ৰহণ কৰি মহিলাসকলে আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ লগতে সমাজৰ অৰ্থনৈতিক বিকাশতো অৰিহণা যোগাব পাৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।




# তিনিচুকীয়াত দুৰ্গা পূজাত অসমীয়া ভাষা ব্যৱহাৰৰ আহ্বান আছুৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**তিনিচুকীয়া, ৯ অক্টোবৰ ঃ** তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থাই আগন্তুক শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে সমূহ তিনিচুকীয়াবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। এক প্ৰেছ বিবৃতিত ভাৰপ্ৰাপ্ত সভাপতি কৃষ্ণকান্ত গোহাঁই আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক সীমান্ত শইকীয়াই এই পৱিত্ৰ উৎসৱৰ প্ৰাক্‌ক্ষণত তিনিচুকীয়াৰ সমূহ দুৰ্গা পূজা সমিতিক অসমীয়া ভাষাৰ প্ৰতি অধিক দায়বদ্ধতা প্ৰদৰ্শন কৰিবলৈ আহ্বান জনায়। বিশেষকৈ পূজা সমিতিসমূহে পূজাস্থলীৰ বেনাৰ, শুভেচ্ছা বাৰ্তা, মঞ্চৰ নামফলক, প্ৰচাৰ পত্ৰিকা আৰু অন্যান্য ৰাজহুৱা প্ৰচাৰ তথা সামগ্ৰীসমূহত অসমীয়া ভাষাৰ ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে। লগতে তেওঁ কয়—'অসমীয়া ভাষা কেৱল যোগাযোগৰ মাধ্যম নহয়; ভাষাৰ সৈতে জড়িত হৈ আছে আমাৰ ইতিহাস, ঐতিহ্য, সংস্কৃতি আৰু জাতীয় পৰিচয়। সেয়েহে উৎসৱ-পাৰ্বণৰ দৰে জনসমাগম হোৱা অনুষ্ঠানসমূহত অসমীয়া ভাষাৰ সঠিক আৰু মৰ্যাদাপূৰ্ণ ব্যৱহাৰে সমাজত এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিব। আন ভাষাৰ প্ৰতি কোনো অসন্মান নহয়, বৰং নিজৰ ভাষাৰ প্ৰতি সন্মান আৰু দায়বদ্ধতাৰ পৰিচয় হিচাপেহে অসমীয়া ভাষাৰ ব্যৱহাৰ কৰিবলৈ অনুৰোধ জনালোঁ। তিনিচুকীয়াৰ প্ৰতিখন দুৰ্গা পূজা সমিতিয়ে এই আহ্বানক ইতিবাচকভাৱে গ্ৰহণ কৰি আগন্তুক দুৰ্গোৎসৱত অসমীয়া ভাষাৰ ব্যৱহাৰ কৰিব বুলি আশা প্ৰকাশ কৰিছোঁ।'

### বজালী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ সাফল্য

# ১০০ শতাংশ শিক্ষাৰ্থীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ

**দৈনিক অসমৰ প্ৰতিনিধি**

**পাটাছাৰকুছি, ৯ অক্টোবৰ ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত বি এড চূড়ান্ত পৰীক্ষাৰ সদ্য ঘোষিত ফলাফলত পাটাছাৰকুছিৰ বজালী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ে উল্লেখযোগ্য সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে। চলিত বৰ্ষত মহাবিদ্যালয়খনৰ পৰা পৰীক্ষাত অৱতীৰ্ণ মুঠ ১০০গৰাকী শিক্ষাৰ্থীৰ আটাইকেইগৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইয়াৰ ভিতৰত ৩৬গৰাকী শিক্ষাৰ্থীয়ে ৮০ শতাংশতকৈ অধিক নম্বৰ লাভ কৰি বিশেষ কৃতিত্ব অৰ্জন কৰিছে। উল্লেখ্য যে 'নাক'ৰ মূল্যায়নত বি+ গ্ৰেড লাভ কৰিবলৈ সক্ষম হোৱা মহাবিদ্যালয়খনে গুণগত শিক্ষা, মূল্যবোধৰ বিকাশ আৰু জীৱনমুখী শিক্ষণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে। মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ নিষ্ঠা, শিক্ষাদানৰ মান আৰু শিক্ষাৰ্থীসকলৰ একক প্ৰচেষ্টাৰ ফলতে এই উল্লেখযোগ্য সাফল্য লাভ কৰে। এই ফলাফলে মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ আৰু শিক্ষক প্ৰশিক্ষণৰ মানৰ প্ৰতি এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিছে। আটাইকেইগৰাকী শিক্ষাৰ্থীৰ এই সফলতাই মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু শুভাকাংক্ষীসকলৰ মাজত আনন্দৰ পৰিৱেশ সৃষ্টি কৰিছে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ কিশোৰ কুমাৰ ৰয় আৰু উপাধ্যক্ষ ডঃ চন্দনা দেৱীয়ে ফলাফলত সন্তুষ্টি প্ৰকাশ কৰি সফলতা অৰ্জন কৰা সকলো শিক্ষাৰ্থীকে আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। ভৱিষ্যতেও শিক্ষাৰ্থীসকলে নিষ্ঠা, সততা আৰু কৰ্মদক্ষতাৰে আগবাঢ়ি গৈ সমাজৰ এগৰাকী দায়িত্বশীল আৰু আদৰ্শ শিক্ষক হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰে।

# সুখচৰত ৫টা চোৰাং গৰু জব্দ

**দৈনিক অসমৰ প্ৰতিনিধি**

**হাটশিঙিমাৰী, ৯ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পাছতেই ৰাজ্যত চলিছে চোৰাং পশুধনৰ বিৰুদ্ধে মাৰাথন অভিযান। দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ সুখচৰ আৰক্ষীৰ অভিযানত উদ্ধাৰ হৈছে ৫টাকৈ চোৰাং পশুধন। সুখচৰ থানা এলেকাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চলত সুখচৰ আৰক্ষীয়ে আজি পুৱতি নিশা চোৰাং পশুধনৰ বিৰুদ্ধে অভিযান চলাই উদ্ধাৰ কৰে ৫টাকৈ চোৰাং পশুধন। উল্লেখ্য যে আৰক্ষী অহাৰ উমান পাই চোৰাং সৰবৰাহকাৰীসকলে এন্ধাৰৰ সুযোগ লৈ ঘটনাস্থলীৰ পৰা পলায়ন কৰিবলৈ সক্ষম হয় যদিও আৰক্ষীয়ে চোৰাং পশুধনসমূহ উদ্ধাৰ কৰি সুখচৰ থানালৈ লৈ যায়।

পঞ্চম পৃষ্ঠাৰ পৰা

## সমৰ্থন নিদিয়ে মেঘালয়ৰ

অন্তৰ্গত অসম-মেঘালয় সীমাৱৰ্তী উকিয়াম আৰু কিৰ্চাই গাঁৱৰ মাজেৰে বৈ যোৱা কুলশী নৈত প্ৰস্তাৱিত নদীবান্ধৰ প্ৰতিবাদত আজি চুবুৰীয়া ৰাজ্য দুখনৰ দুই সহস্ৰাধিক ৰাভা, বড়ো, গাৰো, খাছি জনজাতীয় লোক উকিয়ামৰ সমীপৱৰ্তী মেঘালয়ৰ কিৰ্চাই খেলপথাৰত উপস্থিত হয়। উল্লেখ্য যে প্ৰস্তাৱিত নদীবান্ধৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হোৱা ২০২৫ বৰ্ষত গঠিত অসম-মেঘালয় জইণ্ট প্ৰটেকচন কমিটীৰ উদ্যোগত অনুষ্ঠিত ৰাজহুৱা সভাত দুই ৰাজ্যৰ অঞ্চলটোৰ স্থানীয় ৰাইজৰ সৈতে মুখ্য অতিথি হিচাপে উপস্থিত থাকে মেঘালয়ৰ পশ্চিম খাছিপাহাৰ জিলাৰ তিনিগৰাকীকৈ ৰজা ক্ৰমে নংখ্লৌৰ ৰজা কেষ্টৰ মাণিক ছিয়েম ইচ, নংমাইৰছাওৰ ৰজা ফ্লোৰিং ছিয়েম নংবাক, ৰাম্বৰায়ৰ ৰজা অৰ্ডাৰ ছিয়েম ছাদ। অসম-মেঘালয় জইণ্ট প্ৰটেকচন কমিটীৰ সভাপতি এলবাৰ্ট নংলাঙে ৰাজহুৱা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰি কয়, নদীবান্ধ নিৰ্মাণ হ'লে ইয়াৰ সমীপৱৰ্তী অসম তথা মেঘালয়ৰ প্ৰায় ৪৬খন গাঁও বেয়াকৈ প্ৰভাৱিত হ'ব। ইয়াৰ বাবে হয়তো চৰকাৰে ক্ষতিপূৰণ দিব পাৰে, কিন্তু চিৰস্থায়ী সমাধান দিব নোৱাৰে। গতিকে প্ৰায় ৬২ মিটাৰ উচ্চতাৰ প্ৰস্তাৱিত নদীবান্ধে অসমৰ কামৰূপ জিলা তথা মেঘালয়ৰ পশ্চিম খাছিপাহাৰ জিলাত যথেষ্ট বিৰূপ প্ৰভাৱ পেলাব। আনহাতে অসম-মেঘালয় যুথ জইণ্ট প্ৰটেকচন কমিটীৰ সভাপতি বিশ্বজিৎ ৰাভাই কয়, যিহেতু মেঘালয়ৰ প্ৰত্যেকটো অঞ্চলেই ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত, গতিকে ৰাইজে এই নদীবান্ধৰ বাবে মান্তি নহ'লে চৰকাৰে বলপূৰ্বকভাৱে স্থাপন কৰিব নোৱাৰিব। এইক্ষেত্ৰত মেঘালয়ৰ তিনিগৰাকী ৰজাই ৰাইজৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা ল'ব। এই সন্দৰ্ভত মেঘালয়ৰ নংখ্লৌৰ ৰজা কেষ্টৰ মাণিক ছিয়েম ইচে সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে যে মেঘালয় ৰাজ্যত ভূমিকেন্দ্ৰিক যিকোনো কামৰ বাবে অঞ্চলটোৰ ৰজা তথা গাঁওবুঢ়াকে ধৰি বিভিন্ন সংগঠনৰ সন্মতি লাগে; গতিকে এইক্ষেত্ৰত কোনোধৰণৰ সন্মতি প্ৰদান কৰা হোৱা নাই আৰু আগলৈও প্ৰদান কৰা নহ'ব বুলি স্পষ্ট কৰি দিয়ে। তিনিও ৰজাই মন্তব্য কৰিছে যে কুলশী নদীবান্ধৰ বাবে তেওঁলোকে আজিপৰ্যন্ত এন অ' চি দিয়া নাই। তেওঁলোকে খাছি, গাৰো, ৰাভা, বড়ো ৰাইজৰ সৈতে থাকিব আৰু কেতিয়াও কুলশীত নদীবান্ধ স্থাপন কৰিব নিদিয়ে বুলিও দৃঢ় মত ব্যক্ত কৰে। উভয় ৰাজ্যক দুই ভাই বুলি আখ্যা প্ৰদান কৰি দুয়োকে সংঘবদ্ধভাৱে প্ৰতিবাদ কৰাৰ বাবে আহ্বান জনায়। নদীবান্ধ নিৰ্মাণ হ'লে অঞ্চলটোৰ ৰাইজে সন্মুখীন হ'ব লগা বিপৰ্যয়ৰ বিষয়ে আলোচনা কৰাৰ লগতে কোনোধৰণৰ চুক্তিৰে বান্ধটো হ'বলৈ দিব নালাগে বুলি ৰাইজক আহ্বান জনায়।

## আনোৱাৰ হুছেইনৰ মৃত্যু

এণ্ড টেকন'ল'জী বিশ্ববিদ্যালয়ৰ ইলেক্‌ট্ৰ'নিক্স এণ্ড কমিউনিকেচন ইঞ্জিনীয়াৰিং বিভাগৰ মুৰব্বী অধ্যাপক পদত দীৰ্ঘদিনে শিক্ষাদান কৰাৰ লগতে উক্ত বিশ্ববিদ্যালয়ৰ পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ ডীন হিচাপে অৱসৰগ্ৰহণ কৰিছিল। আনহাতে, তেওঁ অৱসৰগ্ৰহণৰ পাছতো মঙলদৈৰ অসম দক্ষতা বিশ্ববিদ্যালয়ৰ ইলেক্‌ট্ৰ'নিক্স এণ্ড কমিউনিকেচন ইঞ্জিনীয়াৰিং বিভাগৰ আমন্ত্ৰিত মুৰব্বী অধ্যাপক হিচাপে যোগদান কৰিছিল। আজি আবেলি মঙলদৈ কবৰস্থানত তেওঁৰ জানাজা সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত মঙলদৈত শোকৰ ছাঁ পৰে আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিবিশেষে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, তিনি পুত্ৰ, জ্যেষ্ঠ ভাতৃ, ভগ্নী তথা বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

## ২,৭০১গৰাকী ব্যক্তিৰ স্বাস্থ্য

আৰু কল্যাণ শিবিৰসমূহৰ কালিৰ দিনটোত গোলাঘাট জিলাত চাৰিটাকৈ স্বাস্থ্য আৰু কল্যাণ শিবিৰৰ আয়োজন কৰা হয়। ইয়াৰ ভিতৰত মৰঙি উন্নয়ন খণ্ড, গোলাঘাট পশ্চিম উন্নয়ন খণ্ড, বোকাখাত, দেৰগাঁও দক্ষিণ উন্নয়ন খণ্ড আৰু গোলাঘাট পৌৰসভাৰ কাৰ্যালয়ত গোলাঘাট নগৰবাসীৰ বাবে স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ অবিৰত জনসেৱাৰ ২৫ বছৰ সম্পূৰ্ণ হোৱাৰ এক উদ্‌যাপন আৰু ইয়াৰ প্ৰতি শ্ৰদ্ধা জনাই দেশজুৰি সেৱা সংকল্প অভিযান অব্যাহত আছে। কালি অনুষ্ঠিত স্বাস্থ্য আৰু কল্যাণ শিবিৰত আটাইকেইটা শিবিৰ মিলাই দুই সহস্ৰাধিক লোকে স্বাস্থ্যসেৱাৰ সুবিধা লাভ কৰে। ইয়াৰে মৰঙিত ৭৯০, দেৰগাঁও দক্ষিণ খণ্ডত ১,০৫৬, গোলাঘাট পশ্চিম খণ্ডত ৬৯২ আৰু গোলাঘাট পৌৰ নিগমৰ কাৰ্যালয়ত অনুষ্ঠিত স্বাস্থ্য আৰু কল্যাণ শিবিৰত ১৬৩কে ধৰি জিলাখনত সৰ্বমুঠ ২,৭০১গৰাকী লোকৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। সেৱা সংকল্প অভিযানৰ উদ্বোধনী অনুষ্ঠানত বোকাখাতত মন্ত্ৰী অতুল বৰা, মৰঙি খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ চৌহদত খুমটাইৰ বিধায়ক মৃণাল শইকীয়া আৰু দক্ষিণ দেৰগাঁও খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ চৌহদত দেৰগাঁৱৰ বিধায়ক মৃদুল কুমাৰ দত্তই স্বাস্থ্য আৰু কল্যাণ শিবিৰ মুকলি কৰে। সকলো চৰকাৰী বিভাগৰ সংহত অংশগ্ৰহণেৰে সেৱা সংকল্প অভিযান অনুষ্ঠিত হৈছে। বিশেষজ্ঞ চিকিৎসকৰ উপস্থিতিৰ উপৰি আয়ুস চিকিৎসক, মৌলিক স্বাস্থ্য পৰীক্ষা, অ-সংক্ৰামক ৰোগ চিনাক্তকৰণ, ৰোগ নিৰ্দ্ধাৰণ পৰীক্ষা, ঔষধ বিতৰণকে ধৰি যোগাসন, আভা নম্বৰ সৃষ্টি, আয়ুষ্মান ভাৰতৰ অধীনত ই-কে ৱাই চি, স্বাস্থ্যসন্মত জীৱনশৈলীৰ বিষয়ে সজাগতা সৃষ্টিৰ দৰে বিভিন্ন সেৱা গোলাঘাট স্বাস্থ্য বিভাগৰ তৰফৰ পৰা আগবঢ়োৱা হৈছে। স্বাস্থ্য শিবিৰত বিনামূলীয়াভাৱে এক্স-ৰে' আৰু ই চি জি সেৱাও উপলব্ধ থাকে। ৰাষ্ট্ৰীয় ম'বাইল ইউনিট, ১০৮ এম্বুলেন্স সেৱা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ স্বাস্থ্যকৰ্মীসকল, বহুমুখী স্বাস্থ্যকৰ্মী, ৰাষ্ট্ৰীয় এইড্‌ছ নিয়ন্ত্ৰণ কাৰ্যসূচীৰ বিষয়া-কৰ্মচাৰী, ৰাষ্ট্ৰীয় যক্ষ্মা নিয়ন্ত্ৰণ কাৰ্যসূচীৰ স্বাস্থ্যকৰ্মীসকল, সামূহিক স্বাস্থ্য বিষয়া, আশা ছুপাৰভাইজৰ, আশাকৰ্মীসকলকে আদি কৰি অন্যান্য স্বাস্থ্যকৰ্মীসকলে স্বাস্থ্যসেৱা আগবঢ়ায়।

## ১৩ নৱেম্বৰৰ পৰা যোৰহাটত অসম

আৰম্ভ হৈছে। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই এক বিজ্ঞপ্তিত জানিবলৈ দিয়া মতে উক্ত গ্ৰন্থমেলাত অংশগ্ৰহণ কৰিব বিচৰা প্ৰকাশক তথা বিক্ৰেতাসকলে অহা ২২ অক্টোবৰ ২০২৬ৰ ভিতৰত আবেদন পত্ৰ পূৰণ কৰাৰ প্ৰক্ৰিয়া সমাপন কৰিব লাগিব। আবেদন প্ৰ-পত্ৰ www.publicationboardassam.com ৱেবছাইটত উপলব্ধ বুলিও পৰিষদৰ সচিব কলিতাই জানিবলৈ দিয়ে।

## কৰ ফাঁকিৰে জীৰা মচলাৰ ক'লা বেহা

অব্যাহত আছে বিভাগটোৰ অভিযান। উল্লেখ্য যে এছ জি এছ টি বিভাগৰ অধীক্ষকৰ নেতৃত্বত গুৱাহাটীৰ পৰা ধুবুৰীত উপস্থিত হোৱা ১৫জনীয়া দলটোৱে ধুবুৰীৰ বিভাগৰ সহযোগত যোৱা বুধবাৰৰ পৰা জৈন ষ্টোৰ নামৰ প্ৰতিষ্ঠানটোৰ উপৰি ইয়াৰ সৈতে জড়িত ধুবুৰীৰ পাঁচটাকৈ গুদামতো দলটোৱে অভিযান চলায়। ইয়াৰ পাছতেই বুধবাৰে নিশাৰ পৰা বৰ্তমানলৈকে ধুবুৰী চহৰৰ দুই নং ৱাৰ্ডত অৱস্থিত প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰীৰ ধুবুৰীৰ বাসগৃহত অভিযান চলোৱা হৈছে। অভিযানকাৰী দলটোক নেতৃত্ব দিয়া এছ জি এছ টি অধীক্ষকগৰাকীয়ে উপস্থিত সংবাদ মাধ্যমৰ সন্মুখত এতিয়ালৈ সবিশেষ একো সদৰি কৰা নাই। ইপিনে, জৈন ষ্টোৰৰ ভিতৰৰ পৰা এটা ডেস্কটপ কম্পিউটাৰ আৰু কিছু নথি-পত্ৰ অভিযানকাৰী দলটোৱে ইতিমধ্যে জব্দ কৰি অনুসন্ধান আৰম্ভ কৰিছে। বৰ্তমানলৈকে অভিযানকাৰী দলটোৱে কি কি তথ্য লাভ কৰিছে, সেয়া স্পষ্ট হোৱা নাই যদিও কৰ ফাঁকিৰ এক বৃহৎ তথ্য লাভ কৰাৰ পূৰ্ণ সম্ভাৱনা আছে। উল্লেখ্য যে দীৰ্ঘ বছৰৰ পৰা জৈন ষ্টোৰ নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানটোৱে জীৰা-মচলাৰ লগতে বিভিন্ন ড্ৰাই ফুডৰ পাইকাৰী ব্যৱসায় কৰি আহিছে। কিন্তু, যোৱাকেইটা বছৰৰ পৰা জৈন ষ্টোৰৰ পৰা দৈনিক কুইণ্টলে কুইণ্টলে জীৰা বিক্ৰী কৰা হৈছে ধুবুৰীৰ দক্ষিণপাৰৰ লগতে ভাৰত-বাংলা সীমান্তৱৰ্তী বিভিন্ন অঞ্চলত। কিন্তু, ইয়াতেই বৃহৎ জি এছ টি ফাঁকি দিয়াৰ সন্দেহ কৰা হৈছে। ইপিনে, জৈন ষ্টোৰৰ পৰা যোৱা কুইণ্টলে কুইণ্টলে জীৰাৰ বস্তা চোৰাংভাৱে বাংলাদেশলৈ সৰবৰাহ কৰাৰ এক ভয়ংকৰ অভিযোগ উত্থাপন হৈছে। বাংলাদেশলৈ চোৰাংকৈ সৰবৰাহ কৰাৰ সময়তে বিভিন্ন সময়ত বি এছ এফে জব্দ কৰিছে বৃহৎ পৰিমাণৰ জীৰা। ধুবুৰীৰ পৰা বাংলাদেশলৈ জীৰাৰ চোৰাং কাৰবাৰ আৰু কৰ ফাঁকিৰ বিস্ফোৰক তথ্যৰ ভিত্তিতেই এছ জি এছ টি বিভাগে বৃহৎ অভিযান চলাইছে। এতিয়া অভিযানকাৰী দলটোৱে কেনে সফলতা লাভ কৰে, সেয়াই লক্ষণীয় বিষয়।

## পাভকাতিত ৩৮ গৰুসহ বাহন

পাভকাতিত ব্ৰহ্মপুত্ৰ নদীৰ পাৰত জমা কৰি ৰাখিছিল। গোপন সূত্ৰৰ পৰা পোৱা সেই খবৰৰ ভিত্তিত মায়ং আৰক্ষীৰ এটা দল গৈ উক্ত স্থানত উপস্থিত হয়। আৰক্ষীৰ উপস্থিতিৰ সম্ভেদ পাই গৰু সৰবৰাহকাৰীৰ দলটোৱে অন্ধকাৰৰ সুযোগ লৈ নদীৰ মাজেৰে নাৱেৰে পলায়ন কৰে। পাছত আৰক্ষীৰ দলটোৱে ঘটনাস্থলীৰ পৰা উক্ত গৰুকেইটা উদ্ধাৰ কৰে। তদপুৰি গৰুসমূহ কঢ়িয়াবলৈ ৰখাই থোৱা এ এছ ১৭ চি ৫৬২০ পঞ্জীয়ন নম্বৰৰ এখন নীলা ৰঙৰ টাটা আল্ট্ৰা পিক্‌আপ্ ভান জব্দ কৰে।

## মুখা দশম বাৰ্ষিক বিষ্ণু-জ্যোতি ৰাষ্ট্ৰীয় নাট

পাঁচদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা 'মুখা দশম বাৰ্ষিক বিষ্ণু-জ্যোতি ৰাষ্ট্ৰীয় নাট সমাৰোহ' আৰু 'সুদৰ্শন গৌৰ কলা সমাৰোহ'ৰ ৭ অক্টোবৰৰ নিশা সামৰণি পৰে। বৰপেটা জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত নাট উৎসৱ আৰু কলা সমাৰোহৰ অন্তিম কাৰ্যসূচী অনুসৰি, সন্ধিয়া প্ৰায় ৭.৩০ বজাত নাট সন্ধিয়া উদ্বোধন কৰে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ উত্তৰ অসম প্ৰান্তৰ প্ৰচাৰপ্ৰমুখ কিশোৰ শিৰমে। নাট সন্ধিয়া উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে বৰপেটাৰ সমাজকৰ্মী মুকুট ৰঞ্জন দাস। ইয়াৰ পাছতে অনুষ্ঠিত হয় বঁটা প্ৰদান অনুষ্ঠান। নাট সমাৰোহৰ লগত সংগতি ৰাখিয়েই অল ইণ্ডিয়া আৰ্টিষ্ট এছ'চিয়েচনে অসমৰ নাট্যজগতৰ এগৰাকী নাট্যকৰ্মীক 'সুদৰ্শন গৌৰ জীৱনজোৰা সাধনা বঁটা' প্ৰদান কৰাৰ লগতে দুগৰাকী নাট্যকৰ্মী, এগৰাকী নৃত্যশিল্পী আৰু এগৰাকী সত্ৰীয়া শিল্পীক 'সুদৰ্শন গৌৰ কলা সন্মান' প্ৰদান কৰে। 'মুখা'ৰ মুখ্য সম্পাদক নিৰ্মল দাসে আঁতধৰা অনুষ্ঠানটোত ৰাজ্যৰ বিশিষ্ট নাট্যকৰ্মী তথা প্ৰখ্যাত অভিনেতা প্ৰদীপ নিশিথক 'সুদৰ্শন গৌৰ জীৱনজোৰা সাধনা বঁটা' প্ৰদান কৰা হয়। আনহাতে, ৰাজ্যৰ বিশিষ্ট নাট্যকাৰ নৰেন পাটগিৰি, বিশিষ্ট নাট্যকৰ্মী মদন ৰাভা, বৰপেটাৰ সত্ৰীয়া শিল্পী ভূদেৱ দাস আৰু প্ৰখ্যাত নৃত্যশিল্পী ৰিঞ্জুমণি শইকীয়াক 'সুদৰ্শন গৌৰ কলা সন্মান' প্ৰদান কৰা হয়। এই বঁটা আৰু সন্মান প্ৰদান কৰে অল ইণ্ডিয়া আৰ্টিষ্ট এছ'চিয়েচনৰ হৈ দেশৰ প্ৰখ্যাত অভিনেতা ৰোহিতচ্ছভ গৌৰ আৰু তেওঁৰ পত্নী ৰেখা গৌৰে। একেদৰে 'মুখা'ই নাট সমাৰোহৰ লগত সংগতি ৰাখি প্ৰথমবাৰৰ বাবে প্ৰদান কৰা 'মুখা বঁটা' প্ৰখ্যাত অভিনেতা ৰোহিতচ্ছভ গৌৰ আৰু তেওঁৰ পত্নী ৰেখা গৌৰক যুটীয়াভাৱে প্ৰদান কৰা হয়। 'মুখা'ৰ হৈ এই বঁটা প্ৰদান কৰে বৰপেটাৰ প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাস আৰু অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া হেমেন দাসে। 'মুখা বঁটা' গ্ৰহণ কৰি ৰোহিতচ্ছভ গৌৰে নিজৰ অনুভৱ ব্যক্ত কৰি কয় যে বৰপেটা নাট্য সংস্কৃতিৰ এক উল্লেখযোগ্য স্থান। বৰপেটাত নাটকৰ বাবে সুন্দৰ আৰু ইতিবাচক পৰিৱেশ আছে বুলি উল্লেখ কৰে। তেওঁ 'মুখা বঁটা' লাভ কৰি নিজকে ধন্য মনা বুলি উল্লেখ কৰে। বঁটা প্ৰদান অনুষ্ঠানৰ পাছতে মধ্যপ্ৰদেশৰ 'অনবৰত থিয়েটাৰ গ্ৰুপ'-এ 'জহৰ' নাটক পৰিৱেশন কৰে। ইয়াৰ পূৰ্বে ৩ অক্টোবৰত সন্ধিয়া পশ্চিমবংগৰ নাট্যদল 'শান্তিপুৰ ৰংগপীঠ'-এ 'ক্ষীৰেৰ পুতুল' আৰু পুতলা নাটক 'বিচিত্ৰ সাধ' পৰিৱেশন কৰে। ৪ অক্টোবৰত জামছেদপুৰৰ নাট্যদল 'পথ'-এ 'কন্যাদান' আৰু পুৰণিগুদামৰ 'ৰংগালয়'-এ 'বৃন্দাৱন গাৰ্ডেনৰ ৰান্ধনী বেলি' পৰিৱেশন কৰে। ৫ অক্টোবৰত চত্তিছগড়ৰ নাট্যদল 'সত্য'ই 'মাই ডটাৰ্ছ বাৰ্থ ডে' আৰু বৰপেটাৰ 'পোহৰ'-এ 'চকমকা' নাটক পৰিৱেশন কৰে। ৬ অক্টোবৰৰ নাট্য সন্ধিয়াত অল ইণ্ডিয়া আৰ্টিষ্ট এছ'চিয়েচনৰ উদ্যোগত আৰু 'মুখা'ৰ সহযোগত এঘণ্টাজোৰা ইণ্ডিয়ান ক্লাছিকেল নৃত্য সন্ধিয়াৰ আয়োজন কৰা হয়। উক্ত দিনাই তিনিচুকীয়াৰ নাট্যদল 'সূৰ্যমুখী'য়ে 'জীয়া মানুহ' শীৰ্ষক নাট এখন মঞ্চস্থ কৰে। জ্যোতিপ্ৰসাদ আৰু বিষ্ণু ৰাভাৰ পৱিত্ৰ স্মৃতিত আয়োজিত এই সমাৰোহত তেজপুৰৰ স্বনামধন্য শিল্পী জ্ঞানেন্দ্ৰ নাথ বৰাৰ সৃষ্টিৰাজিৰে এখন কলা-বীথিকাৰ আয়োজন কৰা হয়।

## বিলাসীপাৰাত চিলনী চোৰে থপিয়াই নিলে

হিংসা, লুণ্ঠন, হত্যাই বিলাসীপাৰাবাসীক আতংকিত কৰি ৰাখিছে। নিশা বাদেই, দিন-দুপৰতে পথত নিৰাপদে খোজকাঢ়ি যাবলৈ ভাবিবলগীয়া হৈছে সৰ্বসাধাৰণ নাগৰিক। কোন মুহূৰ্তত চিলনী চোৰে ডিঙিৰ চেইন, ম'বাইল ফোন কাঢ়ি নিয়ে—তাৰ কোনো ঠিকনা নাই। বিলাসীপাৰাৰ স্মাৰ্ট আৰক্ষীৰ ফোঁপোলা স্বৰূপ উদঙাই টিঘিলঘিলাই ফুৰিছে চোৰ-ডকাইত। ইয়াৰ মাজতে বৃহস্পতিবাৰে দিন-দুপৰতে বিলাসীপাৰা চহৰৰ অতি ব্যস্ততাপূৰ্ণ তিনি নম্বৰ ৱাৰ্ডৰ চাচাপাৰা চ'কৰ পৰা দিনৰ পোহৰতে বাইকত অহা দুটা দুৰ্বৃত্তই কাঢ়ি লৈ যায় এজন যুৱকৰ সোণৰ চেইন। জানিব পৰা মতে, চহৰখনৰ তিনি নং ৱাৰ্ডৰ বাসিন্দা বাপন কলিতাই সন্মুখত থকা সুলভ মূল্যৰ দোকানৰ পৰা কালি পুৱা ১০ বজাত ৰেচনৰ সামগ্ৰী লৈ ঘৰলৈ যাবলৈ ধৰোঁতেই পিছফালৰ পৰা পালছাৰত অহা হেলমেট পৰিধান কৰা দুজন যুৱকে বাপন কলিতাৰ সোঁহাতত আঘাত কৰি ডিঙিৰ পৰা সোণৰ চেইনডাল লৈ পলকতে আঁতৰি যায়। ইমান ব্যস্ততাপূৰ্ণ এটা এলেকাত এনেদৰে চোৰে অপৰাধ সংঘটিত কৰি সহজে উধাও হ'বলৈ সক্ষম হোৱাটোৱে আৰক্ষীৰ নিৰাপত্তা ব্যৱস্থাক উদঙাই দিছে। পাছত ঘটনা সন্দৰ্ভত বাপন কলিতাই বিলাসীপাৰা থানাত এখন এজাহাৰ দাখিল কৰে।




দৈনিক অসম
# ক্ৰীড়াংগন





## মহাকাব্যিক অধ্যায়ৰ অন্ত

# মেছি

■ যশোৱন্ত শৰ্মা

**বু**য়েনছ আয়াৰ্ছৰ ঐতিহাসিক মনুমেণ্টেল ষ্টেডিয়ামত উপৱিষ্ট শত-সহস্ৰ লোকৰ চকু তেতিয়া উপচি পৰিছে লোতকেৰে। ৮৫ হাজাৰ দৰ্শকৰ প্ৰতিগৰাকীয়ে যেন বেদনাহত। সকলোতে এক বুজাব নোৱৰা স্তব্ধতা। দূৰ আকাশত ড্ৰোনেৰে অঁকা হৈছে মেছিৰ জীৱনৰ অপৰূপ ছবি। সকলোৰে হাতে হাতে মেছি বন্দনাৰ বেনাৰ। শব্দ-পোহৰৰ আলোকউজ্জ্বল লহৰ চৌপাশে! ক্ৰমে-অনুক্ৰমে ভাহি আহে সুৰ-সংগীতৰ মায়াজাল। বিশাল আৰু বৰ্ণাঢ্য এই আয়োজনৰ স্তব্ধতা ভাঙি এটা সময়ত প্ৰসাৰিত হৈ উঠে বহু প্ৰত্যাশিত মেছিৰ কণ্ঠ! আৱেগঘন এই মুহূৰ্তত সকলোকে কৃতজ্ঞতা জনোৱাৰ বাবে মোৰ একো মনলৈ অহা নাই। এই সময়ত প্ৰথমেই মোৰ মনলৈ আহিছে দেউতাৰ ছবি— যাৰ হাতত ধৰিয়েই মই আজি এই মঞ্চত উপৱিষ্ট হ'বলৈ সক্ষম হ'লোঁ।

আৰ্জেণ্টিনাৰ হৈ খেলাটোৱে মোৰ পৰম সৌভাগ্যৰ কথা। প্ৰতিগৰাকী সতীৰ্থৰ মৰম আৰু সহযোগিতা সদায়েই মনত থাকিব। এইবোৰ এৰিবৰ মোৰ মন নাছিল। প্ৰতিখন খেলতে দেশবাসীয়ে দেখুওৱা অপৰিসীম আগ্ৰহ, সমৰ্থন কেতিয়াও পাহৰিব পৰা নাযাব। এতিয়া এই সকলোবোৰৰ পৰাই বিদায় লোৱাৰ সময় সমাগত...! আৱেগবিহ্বল পিতৃক সাবটি পুত্ৰ






থিয়াগো উচুপি উঠে। ইয়াৰ পাছতে পত্নী এণ্ট'নেলা আৰু বাকী দুই পুত্ৰক লৈ প্ৰেম, ভালপোৱা আৰু কৃতজ্ঞতাবোধৰ অমলিন গাথা এৰি ক্ৰমে বিদায় লয় মেছিয়ে! লগে লগে অন্ত পৰিল ফুটবলৰ এক বৰ্ণময় অধ্যায়ৰ! ষ্টেডিয়ামত উপৱিষ্ট মেছিৰ সতীৰ্থ এমি মাৰ্টিনেজ, এঞ্জেল ডি মাৰিয়া, ডি প'লে হয়তো লোতক মচিবলৈ গৈয়ো ৰৈ যায়। কেনেকৈনো খেলপথাৰ এৰিবলৈ কয় এই যুগদ্ৰষ্টাক! বিশ্ব জয়ৰ পৰা জীৱন জিনালৈকে যাৰ উপস্থিতি আছিল একক আৰু অনন্য, সেই স্বপ্নদ্ৰষ্টাক কি সতেৰে বিদায় দিব পাৰি, পাহৰিব পৰা যায়। কেৱল মাৰ্টিনেজ বা ডি মাৰিয়াহঁতেই নহয়, কেৱল আৰ্জেণ্টিনাবাসীয়েই নহয় ফুটবল বিশ্বৰ সৰ্বকালৰ শ্ৰেষ্ঠ মেছিক কোনো ক্ৰীড়াপ্ৰেমীয়েই পাহৰিব নোৱাৰে। বাঁওভৰিৰ যাদুৰে ফুটবল বিশ্ব শাসন কৰা মেছিৰ স্মিত হাঁহিৰ সেই উজ্জীৱিত উপস্থিতি, পলকতে যি সলনি কৰি দিছিল খেলৰ ৰং, কেৱল খেলেই নহয়, যাৰ মানৱীয়তা আৰু বদান্যতাত মুগ্ধ হৈ পৰিছিল বিযুবৰ দুয়ো পাৰ— সেই লিঅ'নেল আন্দ্ৰেচ মেছি কুচ্চিত্তিনি অথবা আমাৰ সকলোৰে প্ৰিয় মেছি চিৰকাল সকলোৰে মাজত জিলিকি থাকিব! যেতিয়াই ফুটবলৰ কথা ওলাব, যেতিয়াই ফুটবলৰ সৌন্দৰ্যৰ কথা ওলাব তেতিয়া প্ৰথমেই স্মৰণ কৰা হ'ব মেছিক।




**বিশ্ব জয়ৰ পৰা জীৱন জিনালৈকে যাৰ উপস্থিতি আছিল একক আৰু অনন্য, সেই স্বপ্নদ্ৰষ্টাক কি সতেৰে বিদায় দিব পাৰি, পাহৰিব পৰা যায়।**

# ছন্দপতন

■ প্ৰণৱ কুমাৰ বায়ন

**তে**ওঁৰ প্ৰতিভা দেখি প্ৰশিক্ষক ৰমাকান্ত আচৰেকাৰেও তবধ মানিছিল আৰু কৈছিল যে প্ৰতিভাৰ ক্ষেত্ৰত শচীন তেণ্ডুলকাৰতকৈও তেওঁ এখোজ আগত। কিন্তু সফলতা ধৰি ৰখাত ব্যৰ্থ হয়। বেটৰ যাদুৰে ৯০ৰ দশকত অভিষেক ঘটা এইজন খেলুৱৈয়ে ক্ৰিকেট অনুৰাগীৰ মাজত 'হিৰো' হৈ পৰিছিল যদিও বেটাৰজনৰ আজিৰ অৱস্থা অত্যন্ত বেদনাদায়ক। তেওঁৰ নাম বিনোদ কাম্বলী। মুম্বাইৰ ভেন্দি বজাৰত ১৮ জানুৱাৰী, ১৯৭২ চনত জন্মগ্ৰহণ কৰা কাম্বলী শচীনৰ সৈতে একেখন স্কুলতে জীৱনৰ আদিপাঠ লৈছিল। ক্ৰিকেটৰ প্ৰতি দুৰ্বাৰ হেঁপাহে কাম্বলী-তেণ্ডুলকাৰৰ প্ৰখ্যাত প্ৰশিক্ষক ৰমাকান্ত আচৰেকাৰ ওচৰ চপাই নিছিল। প্ৰশিক্ষক আচৰেকাৰে দুয়োজনৰ মাজত অৰ্জুনৰ দৰে প্ৰতিভা দেখিছিল। সেয়া বিশ্বই প্ৰত্যক্ষ কৰিছিল ২৩ ফেব্ৰুৱাৰী, ১৯৮৮ চনত মুম্বাইৰ আজাদ ময়দানত অনুষ্ঠিত হেৰিছ শ্বিল্ডৰ ফাইনেলত। এই আন্তঃস্কুল টুৰ্ণামেণ্টত কাম্বলী-তেণ্ডুলকাৰৰ যুটীয়ে ৬৬৪ ৰান কৰি অভিলেখ গঢ়িছিল। কম্বালীয়ে ৩৪৯ ৰান আৰু তেণ্ডুলকাৰে ৩২৬ ৰান কৰিছিল। ইয়াৰ পাছতে দুয়োজনে বাতৰিৰ শিৰোনাম দখল কৰে। এই ঐতিহাসিক খেলৰ পাছতে যেন দুয়ো পুলিৰ পৰা বৃক্ষলৈ ৰূপান্তৰ হয়। ১৯৮৯ চনৰ ১৫ নৱেম্বৰ। পাকিস্তানৰ বিৰুদ্ধে কৰাচী টেষ্টত তেণ্ডুলকাৰৰ অভিষেক ঘটে। আনহাতে কাম্বলীৰ ভাৰতীয় দলত অভিষেক ঘটে ১৯৯১ চনৰ শ্বাৰজাহত হোৱা উইল্‌ছ ট্ৰফীত। এইখন খেলতে জাতীয় দলৰ জাৰ্ছী পিন্ধাৰ সৌভাগ্য হয় কাম্বলীৰ। অৱশ্যে প্ৰথম খেলখনত বেট ধৰিবলৈ সুবিধা নাপালে যদিও পাছৰ খেলখনত গুৰুত্বপূৰ্ণ ২৩ ৰান কৰে। ইয়াৰ পৰাই আৰম্ভ হয় কাম্বলীৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ যাত্ৰা। ১৯৯৩ চনত কলকাতাৰ ইডেন গাৰ্ডেনত ইংলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত টেষ্ট ছিৰিজত দলত স্থান লাভ কৰে কাম্বলীয়ে। এই টেষ্ট ছিৰিজৰ তৃতীয়খন মেচত তেওঁ ২২৪ ৰান কৰে। ২১ বছৰ ৩২ দিনতে ডাবল চেঞ্চুৰী কৰি কাম্বলীয়ে আটাইতকৈ কম বয়সত নিজৰ নাম ৰেকৰ্ড বুকত উজলাবলৈ সক্ষম হয়। তাৰ পাছত জিম্বাবৱেৰ বিৰুদ্ধে টেষ্টত ২২৭ ৰান কৰি ক্ৰিকেট জগতত চৰ্চিত হৈ পৰে কাম্বলী। ইয়াৰ পাছত শ্ৰীলংকাৰ বিৰুদ্ধে টেষ্ট ছিৰিজত ধাৰাবাহিকভাৱে দুটা শতকীয় ইনিংছ খেলে। প্ৰথম ৭খন টেষ্ট মেচত দুটা দ্বিশতক আৰু দুটা শতকেৰে ক্ৰিকেট অনুৰাগীৰ মাজত 'হিৰো' হৈ পৰিছিল তেওঁ। কেৰিয়াৰত কিন্তু মুঠ ১৭খন টেষ্ট মেচত ১০৮৪ ৰান কৰে। তাৰ পূৰ্বে মাত্ৰ ১৪খন টেষ্টত ১০০০ ৰান সম্পূৰ্ণ কৰি অভিলেখ গঢ়িছিল কাম্বলীয়ে। ইফালে, ১০৪খন এদিনীয়াত আন্তঃৰাষ্ট্ৰীয়ত ২৪৭৭ ৰান সংগ্ৰহ কৰিছিল কাম্বলীয়ে। নিয়মানুৱৰ্তিতা, অনুশাসনৰ খেল ক্ৰিকেটত কাম্বলীয়ে তেওঁৰ সফলতা ধৰি ৰাখিবলৈ সক্ষম নহ'ল। খেলৰ পাছতে নৈশ ক্লাবৰ পাৰ্টী, সুৰাই তেওঁৰ কেৰিয়াৰলৈ কাল অমানিশা নমাই আনে। উচ্ছৃংখল জীৱনশৈলীয়ে ষ্টাইলিছ বেটাৰজনক বিপথগামী কৰে। যাৰ বাবে তেওঁ দলৰ পৰা বাহিৰ হ'বলগীয়া হয়। অৱশ্যে ১৯৯৬ চনৰ বিশ্বকাপ ক্ৰিকেটত পুনৰ তেওঁ স্থান লাভ কৰে। সেইবাৰৰ বিশ্বকাপত ভাৰত-শ্ৰীলংকাৰ মাজত ইডেন গাৰ্ডেনত ছেমি ফাইনেলৰ মাজতে হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হৈছিল। শ্ৰীলংকাই ২৫২ ৰান লক্ষ্য বান্ধি দিয়াৰ পাছত ভাৰতে ৩৪.১ অভাৰত ৮ উইকেট হেৰুৱাই মাত্ৰ ১২০ ৰান সংগ্ৰহ কৰিছিল। শচীনৰ বাদে ভাৰতৰ শীৰ্ষ বেটাৰসকল বিফল হৈছিল। ক্ৰীজত আছিল বিনোদ কাম্বলী আৰু অনিল কুম্বলে। তেনেতে ভাৰতীয় অনুৰাগীসকলে ক্ষুণ্ণ হৈ ষ্টেডিয়ামৰ গেলেৰী জ্বলাই দিয়ে, খেলপথাৰলৈ সামগ্ৰী দলিয়াই অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰে। খেলুৱৈসকলক নিৰাপত্তা বেষ্টনীৰে পেভিলিয়নলৈ আঁতৰাই আনে। সেই মুহূৰ্তটো কাম্বলীৰ বাবে আছিল অত্যন্ত বিষাদপূৰ্ণ। তেওঁ কান্দি কান্দি খেলপথাৰ এৰিছিল। শেষত খেলখনত শ্ৰীলংকাক বিজয়ী ঘোষণা কৰা হৈছিল।



ইয়াতেই আৰম্ভ হৈছিল কাম্বলীৰ বিতৰ্ক। তেওঁ কৈছিল যে দলীয় বৈঠকত টছত জিকিলে প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত হৈছিল। মূৰকত অধিনায়কে ফিল্ডিং কৰিলে। ইয়াৰ বাবে অধিনায়ক মহম্মদ আজহাৰ উদ্দিনক তেওঁ দোষাৰোপ কৰিছিল। অৱশ্যে কাম্বলীৰ এই আৰোপ অধিনায়ক আজহাৰ আৰু টীম মেনেজাৰ অজিত ৱাডেকাৰে নস্যাৎ কৰে। এই বিতৰ্কৰ পাছতে কাম্বলী এদিনীয়া দলৰ পৰা বাহিৰ হ'বলগীয়া হয়। ২০০০ চনত আন এক সুযোগ আহিছিল তেওঁলৈ। শ্বাৰজাহত শ্ৰীলংকাৰ বিৰুদ্ধে ভাৰতীয় দলত স্থান পালে যদিও খেলত বিশেষ সফলতা দেখুওৱাব নোৱাৰিলে মিডল অৰ্ডাৰ বেটাৰজনে। সেই সময়ত তাৰকা হৈ উজলি উঠিছিল সৌৰভ গাংগুলী, ৰাহুল দ্ৰাৱিড়, ভি ভি এছ লক্ষ্মন, বীৰেন্দ্ৰ সেহৱাগ। এনেদৰে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট কেৰিয়াৰৰ অন্ত পৰিছিল যদিও কাম্বলীয়ে প্ৰথম শ্ৰেণীৰ ক্ৰিকেট খেলি গৈছিল। অৱশেষত ২০১১ চনত সকলোধৰণৰ ক্ৰিকেটৰ পৰা তেওঁ অৱসৰ ঘোষণা কৰিলে। তাৰ পাছত টেলিভিছন, ৰাজনীতি, চিনেমাতো মনোনিৱেশ কৰা কাম্বলীয়ে দুখন হিন্দী আৰু এখন কন্নড় চিনেমাত অভিনয় কৰিছিল। কিন্তু বিশেষ সফলতা নাপালে তেওঁ। ২০০৬ চনত কাম্বলী ছুপাৰ মডেল এণ্ড্ৰিয়া হেৱিটৰ সৈতে আৰু বিবাহপাশত আবদ্ধ হয়। দুটা সন্তানৰে সুখী পৰিয়াল আছিল যদিও কাম্বলীৰ হাতত কাম নোহোৱা হৈ পৰে। লাহে লাহে উপাৰ্জনৰ পথ সীমিত হ'বলৈ ধৰে। ক'ভিড মহামাৰীৰ পাছত কাম্বলীৰ আৰ্থিক অভাৱ আৰম্ভ হয়। এটা সময়ত ৯ কোটি টকা উপাৰ্জন কৰা ক্ৰিকেটাৰজন এতিয়া মাত্ৰ বি চি চি আইৰ মাহিলি পেন্সনেৰেহে চলিবলগীয়া হয়। কেইবাবাৰো ব্ৰেইন ষ্ট্ৰ'ক হৈ মগজুত তেওঁৰ তেজ জমা হয়, ফলত স্মৃতি শক্তি দুৰ্বল হয়। পৰিয়ালকেন্দ্ৰিক সংঘাতো আৰম্ভ হয়। কেইবাৰো ৰিহেব চেণ্টাৰলৈও যাব লগীয়া হৈছিল তেওঁ। শেহতীয়া এটা ভিডিঅ'ত কাম্বলীক এখন বৃদ্ধাশ্ৰমত দেখা গৈছে। তেওঁ কৈছিল, 'মই ইয়াত থাকি ভাল পাইছোঁ। ইয়াৰ পৰিচাৰিকাসকলে খুব যত্ন লয়। চাফ-চিকুণ, পৰিচ্ছন্নতা আছে।' এই ভিডিঅ'টো চাই ক্ৰিকেট অনুৰাগীৰ চকু সেমেকি উঠিছিল। এসময়ত বেটৰ যাদুৰে অনুৰাগীৰ মাজত 'হিৰো' হৈ পৰা ক্ৰিকেটাৰজনৰ আজি কিয় এনে হ'বলৈ পালে? অৱশ্যে খবৰ অনুসৰি পত্নীয়ে বৃদ্ধাশ্ৰমখনত কাম্বলীৰ চিকিৎসা আৰু থেৰাপীৰ বাবেহে সাময়িকভাৱে ৰাখিছিল আৰু পুনৰ তেওঁক ঘৰলৈ ওভতাই নিছে। প্ৰতিভা থকা সত্ত্বেও পৰিশীলিত জীৱনশৈলীৰ অভাৱত কেনেদৰে এজন 'নায়ক'ৰ পতন হয়, তাৰ উদাহৰণ বিনোদ কাম্বলী। দুৰ্দান্ত আৰম্ভণি ধৰি ৰাখিব নোৱাৰি তেওঁ হৈ পৰিল খহি পৰা নক্ষত্ৰ।



অনুশাসনৰ খেল ক্ৰিকেটত কাম্বলীয়ে তেওঁৰ সফলতা ধৰি ৰাখিবলৈ সক্ষম নহ'ল। খেলৰ পাছতে নৈশ ক্লাবৰ পাৰ্টী, সুৰাই তেওঁৰ কেৰিয়াৰলৈ কাল অমানিশা নমাই আনে। উচ্ছৃংখল জীৱনশৈলীয়ে ষ্টাইলিছ বেটাৰজনক বিপথগামী কৰে।

# আশা-নিৰাশাৰ দোমোজাত...

■ বিভূতি মহন

**স**দ্যসমাপ্ত আইচি-নাগোয়া এছিয়ান গেমছত ভাৰতীয় খেলুৱৈসকলৰ প্ৰদৰ্শন আশানুৰূপ নহয়। এছিয়াৰ অলিম্পিকখ্যাত ক্ৰীড়া মহোৎসৱখনত যোৱা কেইটামান সংস্কৰণৰ পৰা আৰম্ভ হোৱা ভাৰতৰ উৰ্ধ্বমুখী যাত্ৰা এইবাৰ যেন আকৌ নিম্নগামী হ'ল।




এইটো ঠিক যে বিগত সংস্কৰণসমূহৰ তুলনাত এইবাৰ ভাৰতীয় দলটোত সদস্যৰ সংখ্যা কম। কিন্তু ভাৰতক প্ৰতিনিধিত্ব কৰা খেলুৱৈৰ সংখ্যা কম হ'লেও, পূৰ্বৰে পৰা দখল থকা বহুকেইবিধ ক্ৰীড়া তথা ইভেণ্টত ভাৰতৰ পদকৰ সংখ্যা এইবাৰ তেনেই নগণ্য। প্ৰতিযোগিতাৰ ইতিহাসতে সৰ্বাধিক স্বৰ্ণ জয় কৰা এথলেটিকছত ভাৰতে এইবাৰ মাত্ৰ এটা স্বৰ্ণ পদকহে জয় কৰিবলৈ সক্ষম হ'ল। বেডমিণ্টনত ইমানবোৰ অভিজ্ঞ খেলুৱৈ থকাৰ পাছতো ভাৰতে লাভ কৰিলে মাত্ৰ এটা ব্ৰঞ্জ। ২০১৮ জাকাৰ্টা আৰু ২০২২ হাংঝৌত একাধিক পদক লাভ কৰা ইকুৱেষ্ট্ৰীয়ানত ভাৰত এইবাৰ পদকশূন্য। টেনিছত ভাৰতে ৩৬ বছৰত এই প্ৰথম পদকশূন্যভাৱে উভতিব লগা হ'ল। ২০০৬ চনৰ পৰা প্ৰতিটো সংস্কৰণতে ধাৰাবাহিকভাৱে ন্যূনতম ৩টাকৈ পদক লাভ কৰা ৰ'য়িঙতো এইবাৰ ভাৰতে জয় কৰিলে মাত্ৰ এটা ব্ৰঞ্জহে। স্কোৱাছত যোৱাবাৰ দুটা স্বৰ্ণ পোৱা দেশখনৰ এইবাৰ স্বৰ্ণ পদকৰ সংখ্যা শূন্য। শ্বুটিঙত ভাৰতীয় শ্বুটাৰৰ প্ৰদৰ্শন মোটামুটি ভালেই যদিও হাংঝৌত ভাৰতে লাভ কৰিছিল ৭টা স্বৰ্ণসহ মুঠ ২২টা পদক। পিছে এইবাৰ সেই সংখ্যা কমি হ'লগৈ ৩ আৰু ১৫। সামগ্ৰিকভাৱে আইচি-নাগোয়াত ভাৰতৰ প্ৰদৰ্শন আশানুৰূপ নহ'লেও ক্ৰীড়াবিশেষে দেশখনৰ খেলুৱৈসকলে দুই-এক লেখত ল'বলগীয়া ফলাফল দাঙি নধৰা নহয়। বক্সিঙত ২০১০ চনৰ পাছত এইবাৰ একাধিক বক্সাৰে ফাইনেলত প্ৰৱেশ কৰি তিনিগৰাকীয়ে স্বৰ্ণ জয় কৰিলে। মিশ্ৰিত সমৰকলাত সুচিকা তাৰিৱালে লাভ কৰা ব্ৰঞ্জটো এছিয়ান গেমছৰ ইতিহাসতে ভাৰতীয় ক্ৰীড়াবিদে লাভ কৰা প্ৰথমটো পদক। তেনেদৰে ছফ্‌ট টেনিছতো জয় মীনাই ব্ৰঞ্জ লাভেৰে চলিত সংস্কৰণত ৰচিলে উক্ত ক্ৰীড়াত পদক লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ হোৱাৰ অভিলেখ। আকৌ বাৰানিকা ইলাংগ'বানে পল ভ'ল্টত ব্ৰঞ্জ দখলেৰে সূচনা কৰিলে সেই খেলত পদক লাভ কৰা প্ৰথম ভাৰতীয় মহিলা হোৱাৰ ইতিহাস। ভাৰোত্তোলনত ১৯৯৮ চনত কৰ্ণম মালেশ্বৰীয়ে ৰূপ জয় কৰাৰ সুদীৰ্ঘ ২৮ বছৰৰ পাছত আইচি-নাগোয়াতে প্ৰথমবাৰলৈ মীৰাবাঈ চানুৱে জয় কৰিলে এটা পদক। মহিলা হকীতো সুদীৰ্ঘ ৪৪ বছৰৰ মূৰত ভাৰতে ওভোতাই পালে প্ৰতিযোগিতাৰ স্বৰ্ণ পদক। তেনেদৰে গ'ল্‌ফতো ২৪ বছৰৰ পাছত ভাৰতীয় খেলুৱৈয়ে জয় কৰিলে ইতিহাসৰ চতুৰ্থটো স্বৰ্ণ। কাবাডী আৰু ক্ৰিকেটতো আহিল উভয় শাখাতে স্বৰ্ণ পদক। সামগ্ৰিকভাৱে পদক তালিকাত চতুৰ্থ স্থান লাভ কৰিলে ভাৰতে। এছিয়াডৰ ইতিহাসত দ্বিতীয় শ্ৰেষ্ঠ প্ৰদৰ্শন। এইসমূহ কৃতিত্বই দেশবাসীক আহ্লাদিত কৰিছে ঠিকেই, কিন্তু এইটো ঠিক যে বিদেশত উচ্চ মানৰ প্ৰশিক্ষণ প্ৰদানৰ পৰা আৰম্ভ কৰি আন্তঃগাঁথনি উন্নয়নলৈকে ইমানবোৰ চেষ্টা হাতত লোৱাৰ পাছতো সৌ সিদিনা সামৰণি পৰা কুৰিসংখ্যক এছিয়াডত ভাৰতীয় খেলুৱৈৰ সামগ্ৰিক প্ৰদৰ্শন আশানুৰূপ তথা সন্তোষজনক নহয় বুলিয়ে ক'ব লাগিব।



# খোৱাঙত আফ্ৰিকান ছোৱাইন ফিভাৰ ঃ বহু লোক সৰ্বস্বান্ত

## গাহৰিৰ মৃত্যুৰ মিছিল, ৰোগ নিয়ন্ত্ৰণত জৰুৰী ব্যৱস্থা গ্ৰহণৰ দাবী

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰাণ, ৯ অক্টোবৰ ঃ** গাহৰি পালন কৰি পৰিয়াল পোহপাল দিয়াৰ লগতে বেংক আৰু বিভিন্ন বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ লৈ স্বাৱলম্বী হোৱাৰ সপোন দেখা খোৱাং অঞ্চলৰ বহু গাহৰি পালকৰ মূৰত এতিয়া নামি আহিছে বিপদ। ডিব্ৰুগড় জিলাৰ খোৱাঙৰ বিভিন্ন অঞ্চলত আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰাদুৰ্ভাৱৰ অভিযোগ উত্থাপিত হোৱাৰ পাছত গাহৰিৰ মৃত্যুৰ সংখ্যা বৃদ্ধি পোৱাত ঋণগ্ৰস্ত পালকসকল গভীৰ সংকটত পৰিছে। গাহৰিৰ মৃত্যু হ'লে মূলধন হেৰুওৱাৰ লগতে ঋণ পৰিশোধৰ বোজা অব্যাহত থকাৰ আশংকাই পালকসকলক অধিক চিন্তিত কৰি তুলিছে। খোৱাং সমষ্টিৰ লেজাই, কোটোহা, বোকাহোলা, বাঘতলি-বাঁহনিপথাৰ, সাৰুৱাছিগাকে ধৰি কেইবাটাও অঞ্চলত গাহৰি অসুস্থ হৈ পৰাৰ লগতে মৃত্যুমুখত পৰা বুলি জানিব পৰা গৈছে। স্থানীয় পালকসকলৰ মতে, আক্ৰান্ত গাহৰিয়ে দুই-তিনিদিন ধৰি খাদ্য গ্ৰহণ নকৰাৰ পাছত মৃত্যুমুখত পৰিছে। ৰোগৰ প্ৰকোপ বৃদ্ধি পোৱাৰ লগে লগে বহু পালকৰ গাহৰি পালনৰ খেতি-ব্যৱসায়লৈ অনিশ্চয়তা নামি আহিছে। বিশেষকৈ বেংকৰ ঋণ, আত্মসহায়ক গোটৰ ঋণ অথবা ব্যক্তিগতভাৱে ধন ধাৰে লৈ গাহৰি পালন আৰম্ভ কৰা ক্ষুদ্ৰ গাহৰি পালকসকলৰ অৱস্থা অধিক শোচনীয় হৈ পৰাৰ আশংকাই দেখা দিছে। গাহৰি বিক্ৰী কৰি ঋণৰ কিস্তি পৰিশোধ কৰাৰ পৰিকল্পনা কৰা পালকৰ বাবে হঠাৎ গাহৰিৰ মৃত্যু এক বৃহৎ আৰ্থিক আঘাত হিচাপে দেখা দিছে। সেয়ে কেৱল ৰোগ নিৰাময়ৰ ব্যৱস্থাই নহয়, আক্ৰান্ত আৰু ক্ষতিগ্ৰস্ত পালকসকলৰ আৰ্থিক ক্ষয়ক্ষতিৰ বিষয়টোও চৰকাৰে গুৰুত্বসহকাৰে বিবেচনা কৰাৰ দাবী উঠিছে। ৰোগ বিয়পাৰ পূৰ্বেই জৰুৰী ব্যৱস্থাৰ দাবী ইফালে, আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ অধিক অঞ্চললৈ বিয়পি পৰাৰ পূৰ্বেই পশু চিকিৎসা আৰু পশুপালন বিভাগে যুদ্ধকালীন তৎপৰতা গ্ৰহণ কৰাৰ দাবী জনাইছে সচেতন মহলে। আক্ৰান্ত গাহৰি আৰু সংক্ৰমণ হোৱা বুলি সন্দেহ কৰা গাহৰিৰ ক্ষেত্ৰত তৎকালীনভাৱে চৰকাৰীভাৱে ৰোগ নিৰ্ণয়ৰ পৰীক্ষা, আক্ৰান্ত এলেকা চিহ্নিত কৰি নিৰীক্ষণ, গাহৰিৰ চলাচল আৰু বিক্ৰী নিয়ন্ত্ৰণ, খেতিপথাৰ তথা গাহৰি পালনস্থলীত স্বাস্থ্যবিধি আৰু জৈৱ-নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰা আদি পদক্ষেপ গ্ৰহণৰ প্ৰয়োজনীয়তা আছে। লগতে গাঁওসমূহত পশু চিকিৎসকৰ দল প্ৰেৰণ কৰি পালকসকলক ৰোগৰ লক্ষণ, সংক্ৰমণ ৰোধৰ পদ্ধতি আৰু পালনস্থলীৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা সন্দৰ্ভত সজাগ কৰা, সন্দেহযুক্ত গাহৰিৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষাৰ ব্যৱস্থা কৰা আৰু প্ৰয়োজন অনুসৰি সংক্ৰমিত এলেকাত নিয়ন্ত্ৰণমূলক ব্যৱস্থা গ্ৰহণ কৰাটো জৰুৰী বুলি মত প্ৰকাশ কৰিছে সচেতন মহলে। ৰোগত আক্ৰান্ত বা সন্দেহযুক্ত গাহৰি মুকলিকৈ বজাৰলৈ নিয়া আৰু বিক্ৰী কৰাৰ অভিযোগে পৰিস্থিতি অধিক জটিল কৰি তুলিছে। এনে কাৰ্য বন্ধ কৰাৰ বাবে প্ৰশাসন আৰু সংশ্লিষ্ট বিভাগে তাৎক্ষণিকভাৱে ক্ষেত্ৰভিত্তিক নজৰদাৰী বৃদ্ধি কৰাৰ দাবী উঠিছে। অন্যথা এটা অঞ্চলৰ পৰা আন এটা অঞ্চললৈ ৰোগ বিয়পি গ'লে গাহৰি পালনৰ ওপৰত নিৰ্ভৰশীল বহু পৰিয়ালৰ জীৱিকালৈ গভীৰ সংকট নামি অহাৰ আশংকা কৰা হৈছে। খোৱাঙৰ পালকসকলৰ দাবী—ৰোগ অধিক বিয়পি পৰাৰ পাছত ব্যৱস্থা গ্ৰহণ কৰাৰ পৰিৱৰ্তে এতিয়াই ক্ষেত্ৰভিত্তিক চিকিৎসা, নিৰীক্ষণ আৰু নিয়ন্ত্ৰণ ব্যৱস্থা গ্ৰহণ কৰক চৰকাৰে। একে সময়তে ৰোগত গাহৰি হেৰুওৱা ঋণগ্ৰস্ত পালকসকলৰ ক্ষয়ক্ষতিৰ জৰীপ কৰি তেওঁলোকক চৰকাৰীভাৱে সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবেও দাবী জনোৱা হৈছে।

## তিনিচুকীয়াত সেৱা সংকল্প অভিযান উপলক্ষে সভা

# মধ্যাহ্ন ভোজনৰ ৰান্ধনী-সহায়িকাক চেক প্ৰদান



**দৈনিক অসমৰ প্ৰতিনিধি**

**তিনিচুকীয়া, ৯ অক্টোবৰ ঃ** তিনিচুকীয়া জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কালি তিনিচুকীয়া বিধানসভা সমষ্টিৰ বিধায়ক পুলক গোহাঁই, মাকুম বিধানসভা সমষ্টিৰ বিধায়ক সঞ্জয় কিষাণ, জিলা আয়ুক্ত সুমিত ছাত্তাৱান, অতিৰিক্ত জিলা আয়ুক্ত ডঃ মন্দিৰা বৰুৱা, জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা বিদ্যালয়সমূহৰ পৰিদৰ্শক (ভাৰপ্ৰাপ্ত) বিন্তী শৰ্মাৰ উপস্থিতিত 'সেৱা সংকল্প অভিযান'ৰ অংশ হিচাপে প্ৰধানমন্ত্ৰী পোষণ শক্তি নিৰ্মাণ (PM POSHAN) আঁচনিৰ অধীনত সমগ্ৰ শিক্ষা, তিনিচুকীয়াৰ অন্তৰ্গত বিদ্যালয়সমূহত কৰ্মৰত ৰান্ধনী-সহায়িকাসকলক চেক আৰু প্ৰশংসাপত্ৰ আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। বিদ্যালয়ৰ মধ্যাহ্ন ভোজন আঁচনিৰ সফল ৰূপায়ণত ৰান্ধনী-সহায়িকাসকলৰ অক্লান্ত সেৱা আৰু অৱদানক স্বীকৃতি জনাই এই সম্বৰ্দ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। উল্লেখ্য যে তিনিচুকীয়া জিলাৰ ৫টা শিক্ষাখণ্ড ক্ৰমে তিনিচুকীয়া নগৰ শিক্ষাখণ্ড, হাপজান শিক্ষাখণ্ড, মাৰ্ঘেৰিটা শিক্ষাখণ্ড, কাকপথাৰ শিক্ষাখণ্ড আৰু শদিয়া শিক্ষাখণ্ডৰ অধীনত মধ্যাহ্ন ভোজনৰ বাবে নিয়োজিত ৩,৫১৫ গৰাকী ৰান্ধনী-সহায়িকাই এই চেক আৰু প্ৰশংসাপত্ৰ লাভ কৰিছে।

# মৰঙিত সেৱা সংকল্প অভিযানৰ শুভাৰম্ভ



**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰঙি, ৯ অক্টোবৰ ঃ** গোলাঘাট জিলাৰ খুমটাই বিধানসভা সমষ্টিৰ অধীনৰ মৰঙি উন্নয়ন খণ্ডৰ চৌহদত ৰাইজৰ দুৱাৰডলিত চৰকাৰ শীৰ্ষক সেৱা সেতু কাৰ্যসূচীৰ কালি শুভাৰম্ভ কৰে খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ২৫ বছৰীয়া সেৱা সংকল্প অভিযান আৰু সেৱা সমৰ্পণৰ অংশ হিচাপে কালিৰে পৰা ৰাইজ তথা জনসাধাৰণৰ স্বাস্থ্য, পঞ্চায়ত, ভূমি, খাদ্য আৰু অসামৰিক যোগান বিভাগ, প্ৰধানমন্ত্ৰী সূৰ্যঘৰ আঁচনি, ৰেচন কাৰ্ড, অৰুণোদয় আচঁনি আদি সমস্যাসমূহ যাতে ঠাইতে সমাধান কৰি ৰাইজক উপকৃত কৰিব পাৰে সেই সংকল্প আগত ৰাখি এই কাৰ্যসূচী ৰূপায়ণ কৰা বুলি জানিবলৈ দিয়ে বিধায়ক মৃণাল শইকীয়াই। মৰঙিৰ দুটাকৈ জিলা পৰিষদ সমষ্টিৰ ১১খন গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়ত, ১১০খন গাঁওসভা সদস্যৰ উপস্থিতি তথা সহস্ৰাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত মৰঙি ৰাজহ চক্ৰ বিষয়া সতীশ প্ৰসাদ আৰু মৰঙি খণ্ড উন্নয়ন বিষয়া বিদ্যুত ৰঞ্জন ঘৰফলীয়া উপস্থিত থাকে।




# দুলীয়াজান ছোৱালী মহাবিদ্যালয়ত ৰক্তদান শিবিৰ সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**

**দুলীয়াজান, ৯ অক্টোবৰ ঃ** দুলীয়াজান ছোৱালী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত মহাবিদ্যালয়ৰ 'ৰাষ্ট্ৰীয় সেৱা আঁচনি'ৰ উদ্যোগত এটা ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। ভাৰতীয় ৰেডক্ৰছ ছ'চাইটীৰ ডিব্ৰুগড় শাখা আৰু ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ সহযোগত আয়োজিত এই শিবিৰত মহাবিদ্যালয়ৰ ছাত্ৰী, শিক্ষক, কৰ্মচাৰীৰ লগতে অন্য কেইবাগৰাকীও ব্যক্তিয়ে ৰক্তদান কৰে। ৰক্তদান শিবিৰৰ উদ্বোধনী অনুষ্ঠানটোত আদৰণী ভাষণ দিয়ে দুলীয়াজান ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ উৎপল সূতে। মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰকল্প বিষয়া অমৃত চন্দ্ৰ কলিতাই আঁত ধৰা অনুষ্ঠানটোত ৰেডক্ৰছ ছ'চাইটীৰ ডিব্ৰুগড় শাখাৰ সভাপতি ডাঃ পি কে শ্ৰুতিকৰ, উপ-সভাপতি ডাঃ মহেশ কুমাৰ জৈন, সম্পাদক অনুজ কুমাৰ বৰুৱা, ডিব্ৰুগড় মেডিকেল কলেজৰ চিকিৎসক ডাঃ জুপিতৰা ডেকা আৰু ডাঃ এংজ' ক্ৰ'পি উপস্থিত থাকে।

# জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ শাখা সাহিত্য সভা গঠন

**দৈনিক অসমৰ প্ৰতিনিধি**

**জাঁজী, ৯ অক্টোবৰ ঃ** শিৱসাগৰ জিলা সাহিত্য সভাৰ অন্তৰ্গত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ শাখা সাহিত্য সভা পুনৰ গঠন কৰা হয়। এই উপলক্ষে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত যোৱা ৭ অক্টোবৰত এখন সভা অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ মানজিৎ গগৈয়ে পৰিচালনা কৰা সভাত শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক মনোজ কুমাৰ গগৈয়ে শিৱসাগৰ জিলা সাহিত্য সভাৰ সাংগঠনিক দিশৰ বিষয়ে আৰু অসম সাহিত্য সভাৰ বিদেশ মৈত্ৰী উপ-সমিতিৰ সহঃ আহ্বায়ক ডঃ সীমান্ত বৰুৱাই মহাবিদ্যালয়ৰ পৰ্যায়ত শাখা সাহিত্য সভা গঠনৰ প্ৰাসংগিকতা বিষয়ে ভাষণ আগবঢ়ায়। সভাৰ আলোচনাৰ অন্তত ডঃ মানজিৎ গগৈক সভাপতি, মনোৰিমা ভাগৱতীক উপ-সভাপতি, ডঃ প্ৰিয়ংকা হাজৰিকাক সম্পাদক, ৰাতুল বড়াক সহকাৰী সম্পাদক, ডঃ মৃদুস্মিতা দেৱীক কোষাধ্যক্ষ, ডঃ ৰাজীৱ গগৈ, উপেন দাস, ডঃ ননী ৰাজখোৱা আৰু মিনতি গগৈক সদস্যৰূপে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ শাখা সাহিত্য সভাখন নতুনকৈ গঠন কৰে।

# কমলাবাৰী একাডেমীৰ 'গাঁৱলৈ যাওঁ ব'লক' কাৰ্যসূচী

**দৈনিক অসমৰ প্ৰতিনিধি**

**মাজুলী, ৯ অক্টোবৰ ঃ** আধাতে বিদ্যালয় এৰা, বাল্যবিবাহ আৰু শিশু শ্ৰমিক আদি সামাজিক ব্যাধিৰ পৰা সমাজক মুক্ত কৰাৰ প্ৰয়াসক সফল কাম কৰি তোলাৰ লক্ষ্যৰে 'গাঁৱলৈ যাওঁ ব'লক' শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে মাজুলীৰ কমলাবাৰী একাডেমীয়ে। কমলাবাৰী চাৰিআলিৰ উপকণ্ঠৰ দৰিয়াগাঁৱত অৱস্থিত বিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ সোণালী জয়ন্তী বৰ্ষত আৰম্ভ কৰা এই পদক্ষেপৰ তৃতীয়টো কাৰ্যসূচী ১৫ অক্টোবৰত ৰূপায়ণ হ'ব। সেই উদ্দেশ্যে বাঁহপৰা প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত এখন সাধাৰণ সভাত এখন অভ্যৰ্থনা সমিতি গঠন হয়। জয়ন্ত পায়েঙক সভাপতি, লিয়াৰ্ড ৰেগনক উপ-সভাপতি, শংকৰজ্যোতি ৰেগনক সম্পাদকৰূপে লৈ গঠন কৰা সমিতিত চি আৰ চি মনোজ্যোতি ৰেগন, অৰূপ ৰেগন, ঝাৰণি সোণোৱাল, বাঁহপৰা আৰু ৰান্ধনীচুক প্ৰাথমিক বিদ্যালয়ৰ তিনিওগৰাকী প্ৰধান শিক্ষকক উপদেষ্টাৰূপে মনোনীত কৰে। কমলাবাৰী একাডেমীৰ উদ্যোগত তিনিওখন প্ৰাথমিক বিদ্যালয়ৰ সহযোগত ৰান্ধনীচুক, বাঁহপৰা আৰু ঝাৰণি সোণোৱাল এই তিনিওখন গাঁৱে প্ৰথমবাৰলৈ এনে শৈক্ষিক সভা অনুষ্ঠিত কৰিব। সাধাৰণ সভাত কমলাবাৰী একাডেমীৰ প্ৰধান শিক্ষক কমল দত্ত, সহঃ শিক্ষয়িত্ৰী ফুলমতী দাস আৰু পম্পী হাজৰিকাই অংশগ্ৰহণ কৰে।

# লক্ষীবাৰীত ৰাস মহোৎসৱৰ উদ্‌যাপন সমিতি গঠন

## অংশগ্ৰহণ কৰিব গৰিমা শইকীয়া গাৰ্গে

**দৈনিক অসমৰ প্ৰতিনিধি**

**আঠখেলীয়া, ৯ অক্টোবৰ ঃ** গোলাঘাট জিলাৰ জামুগুৰি আৰক্ষী থানাৰ অন্তৰ্গত বৃহত্তৰ লক্ষীবাৰী অঞ্চলৰ ৩০খন গাঁৱৰ অন্যতম সাংস্কৃতিক আৰু সামাজিক অনুষ্ঠান শ্ৰীমন্ত শংকৰজ্যোতি আঞ্চলিক কলামঞ্চ, লক্ষীবাৰীৰ উদ্যোগত বিগত বছৰৰ দৰে এইবছৰো অহা ২৪, ২৫ আৰু ২৬ নৱেম্বৰত ৰাস মহোৎসৱ আয়োজন কৰিছে। এই উপলক্ষে কালি লক্ষীবাৰী কলামঞ্চৰ সভাপতি গোপাল শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাখন আঁত ধৰে মুখ্য সম্পাদক পলাশ শইকীয়াই। সভাত লক্ষীবাৰী কলামঞ্চৰ প্ৰাক্তন সভাপতি দীপক হাজৰিকা, গকুল বৰা, দীপক হাজৰিকা, প্ৰাক্তন সম্পাদক দিলীপ কাকতি, প্ৰাক্তন ছাত্ৰ নেতা ইমদাদুল হুছেইন, সমাজকৰ্মী ৰুদ্ৰ গগৈ, শিক্ষক পূৰ্বজ্যোতি বৰা, প্ৰকৃতিপ্ৰমী যুৱক বেদান্ত গগৈ, সুৰীয়া বাঁহী সাংস্কৃতিক সমিতি, লক্ষীবাৰীৰ সভাপতি আৰু সম্পাদককে প্ৰমুখ্য কৰি দুই শতাধিক লোকৰ উপস্থিতিত সভাৰ সৰ্বসন্মতি সিদ্ধান্তমৰ্মে টিকেন্দ্ৰজিৎ বৰাক সভাপতি, অজিত শইকীয়া, প্ৰণৱজ্যোতি চুতীয়াক উপ-সভাপতি, ফণীধৰ গগৈ আৰু ৰাজনীশ গগৈক যুটীয়া সম্পাদক, পাপুল গগৈ, হেমচন্দ্ৰ শইকীয়াক সহকাৰী সম্পাদক, ইমদাদুল হুছেইন, দুল বৰাক বিত্ত সম্পাদক, ৰূপান্তৰ শইকীয়া, বিক্ৰম বৰাক প্ৰচাৰ সম্পাদক, পিংকু বৰা, ময়ূৰী শইকীয়া, মুনমী বৰাক সাংস্কৃতিক সম্পাদক হিচাপে লৈ ২১জনীয়া শক্তিশালী সমিতি গঠন কৰাৰ লগতে ১৬খন উপ-সমিতি গঠন কৰি প্ৰস্তুতি তুংগত তুলিছে। ইফালে, উক্ত ৰাস মহোৎসৱত অংশগ্ৰহণ কৰিব গৰিমা গাৰ্গৰ লগতে অসমৰ কেইবাগৰাকী জনপ্ৰিয় অভিনেতা-অভিনেত্ৰীয়ে।

# লখিমপুৰত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশনৰ প্ৰস্তুতি তুংগত




**দৈনিক অসমৰ প্ৰতিনিধি**

**বান্দৰদেৱা, ৯ অক্টোবৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৬ সংখ্যক অধিৱেশনৰ প্ৰস্তুতি তুংগত উঠিছে। আধ্যাত্মিক পৰিৱেশৰ মাজেৰে অধিৱশনৰ শিবিৰসমূহ নিৰ্মাণৰ বাবে কঁহুৱা কটা আৰম্ভ কৰিছে ৰাইজ, ভকত-বৈষ্ণৱসকলে। জিলাখনৰ ৪৮খন আঞ্চলিকৰ আই-বাপ, ভকত-বৈষ্ণৱসকলে মুখত হৰিৰ গুণানুকীৰ্তনেৰে শ্ৰমদান কৰাটো লক্ষণীয় হৈ পৰিছে। লখিমপুৰৰ বড়িমুৰী পথাৰৰ বড়াৰপো মাধৱদেৱ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হ'ব ৯৬ সংখ্যক অধিৱেশন। উল্লেখ্য যে ২০২৭ চনৰ ৫ ফেব্ৰুৱাৰীৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ অধিৱেশনখন অনুষ্ঠিত হ'ব।

# টিংখাঙত সেৱা সংকল্প অভিযানৰ কাৰ্যসূচী সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**

**টিংখাং, ৯ অক্টোবৰ ঃ** অসম চৰকাৰে প্ৰশাসনক জনমুখী কৰি তোলাৰ লক্ষ্যৰে ৰূপায়ণ কৰা সেৱা সংকল্প অভিযানৰ অংশ হিচাপে কালি টিংখাং বিধানসভা সমষ্টিৰ ৰাজগড় ৰাজহুৱা প্ৰেক্ষাগৃহত 'সেৱা সংকল্প অভিযান'ৰ সংগতি ৰাখি আয়োজিত সেৱা সেতু অভিযান অনুষ্ঠিত হয়। সমষ্টিটোৰ বিধায়ক তথা মন্ত্ৰী বিমল বড়াই মুকলি কৰা অভিযান কাৰ্যসূচীত টিংখাং খণ্ড উন্নয়ন এলেকাৰ বিভিন্ন প্ৰান্তৰ ৰাইজে অংশগ্ৰহণ কৰে। অভিযানৰ জৰিয়তে অৰুণোদয় (দিব্যাংগ), মাটিৰ পট্টা, নামজাৰি/মিউটেচন, মাটি বিক্ৰীৰ অনুমতি, ৰেচন কাৰ্ড, জন্ম-মৃত্যু আৰু বিবাহ প্ৰমাণপত্ৰ, বেংক একাউণ্ট, চৰকাৰী পেন্সন, নিযুত মইনা আৰু নিযুত বাবু, আয়ুষ্মান ভাৰত আদি বিভিন্ন চৰকাৰী জনকল্যাণমূলক আঁচনিৰ বিষয়ে ৰাইজক অৱগত কৰে। তদুপৰি এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি এখন স্বাস্থ্য শিবিৰো অনুষ্ঠিত হয়। শিবিৰটোত অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল, ডিব্ৰুগড়ৰ বিশেষজ্ঞ চিকিৎসকৰ দলে মেডিচিন, নাক-কাণ-ডিঙি, চকু, স্ত্ৰী-ৰোগ, দন্ত, হাড় আৰু মানসিক ৰোগ বিভাগত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু পৰামৰ্শ প্ৰদান কৰে।

# বৰদলনিত দুৰ্গা পূজাৰ প্ৰস্তুতি

**দৈনিক অসমৰ প্ৰতিনিধি**

**ধেমাজি, ৯ অক্টোবৰ ঃ** ধমাজি জিলাৰ বৰদলনি চাৰিআলি ব্যৱসায়ী সন্থাৰ উদ্যোগত তৃতীয় বাৰ্ষিক বৰদলনি চাৰিআলিত শাৰদীয় শ্ৰীশ্ৰীদুৰ্গাপূজা উৎসৱটি অহা ১৬, ১৭, ১৮, ১৯, ২০ আৰু ২১ অক্টোবৰত আয়োজন কৰা হৈছে। এই উদ্দেশ্যে ইতিমধ্যে কিৰণ গোহাঁইক সভাপতি, প্ৰদীপ চুতীয়াক উপ-সভাপতি, কণ্ঠভূষণ বণিয়াক সম্পাদক, হেমন্ত চুতীয়াক সহকাৰী সম্পাদক আৰু বীৰেন্দ্ৰ দত্তক কোষাধ্যক্ষ হিচাপ লৈ এখন বৃহৎ উদ্‌যাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ১৬ অক্টোবৰত শ্ৰীশ্ৰীদুৰ্গা দেৱীৰ ষষ্ঠাদি কল্পাৰম্ভ। ১৭ অক্টোবৰত সামূহিক চাফাই। পুৱা, পৰিৱেশ শুদ্ধিকৰণ। সপ্তমী বিহিত শ্ৰীশ্ৰীনৱ পত্ৰিকা প্ৰৱেশ, স্নান আৰু পূজা আৰম্ভ। ১৮ অক্টোবৰত সপ্তমী পূজা। পুৱা শ্ৰীশ্ৰীদুৰ্গা দেৱীৰ মহাসপ্তমী বিহিত অধিক পূজা আৰম্ভ। ১৯ অক্টোবৰৰ পুৱা মহাঅষ্টমী বিহিত পূজা আৰু শ্ৰীশ্ৰী দুৰ্গা দেৱীৰ সন্ধি পূজা। ২০ অক্টোবৰৰ পুৱা শ্ৰীশ্ৰীদুৰ্গা দেৱীৰ নৱমী বিহিত আৰম্ভ। দুপৰীয়া কুমাৰী পূজা আৰম্ভ। ২১ অক্টোবৰত পুৱা শ্ৰীশ্ৰীদুৰ্গা দেৱীৰ দশমী বিহিত পূজা। দিনৰ ১১ বজাত শ্ৰীশ্ৰী দুৰ্গা দেৱীৰ নৱপত্ৰিকা বিসৰ্জন।

# বিহপুৰীয়া নামঘৰত চুৰি

**দৈনিক অসমৰ প্ৰতিনিধি**

**বিহপুৰীয়া, ৯ অক্টোবৰ ঃ** বিহপুৰীয়াৰ বামুণ গাঁৱত ১৯৮২ চনতে প্ৰতিষ্ঠা কৰা নামঘৰটো লাহে লাহে ৰাইজ আৰু চৰকাৰৰ অনুদানেৰে আটকধুনীয়াকৈ সজাই তুলিছিল। দীৰ্ঘ দিন ধৰি ৰাইজে সেৱাৰ থলী হিচাপে পালন কৰি অহা এই নামঘৰটোত চোৰে ৭ অক্টোবৰত তলা ভাঙি প্ৰৱেশ কৰি দানপাত্ৰত থকা সমগ্ৰ টকা লুটি লৈ যায়। বিহপুৰীয়া আৰক্ষী থানাৰ পৰা নশ মিটাৰ দূৰৈত অৱস্থিত নামঘৰটোত চোৰে প্ৰৱেশ কৰি চৌৰ্য বৃত্তি সম্পাদন কৰাৰ কথা জানিব পাৰি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে যদিও চোৰৰ কোনো শুংসূত্ৰ উলিয়াব পৰা নাই।

# দেৰগাঁৱত সেৱা সংকল্প অভিযান, স্বাস্থ্য-কল্যাণ শিবিৰ

## কেইবা সহস্ৰ লোকৰ অংশগ্ৰহণ

**দৈনিক অসমৰ প্ৰতিনিধি**

**দেৰগাঁও, ৯ অক্টোবৰ ঃ** চৰকাৰী সেৱা জনসাধাৰণৰ দুৱাৰডলিত উপলব্ধ কৰোৱাৰ উদ্দেশ্যে অসম চৰকাৰৰ বিশেষ প্ৰচেষ্টা 'সেৱা সংকল্প অভিযান'ৰ অংশ হিচাপে দেৰগাঁও দক্ষিণ উন্নয়ন খণ্ড চৌহদতো পুৱা ৯ বজাৰ পৰা সেৱা সংকল্প অভিযান আয়োজন কৰা হয়। কালি এই সেৱা সংকল্প অভিযান উদ্বোধন কৰে দেৰগাঁৱৰ বিধায়ক ডঃ মৃদুল কুমাৰ দত্তই। এই উপলক্ষে অনুষ্ঠিত সভাত উপস্থিত ৰাইজক উদ্দেশ্যি বিধায়কগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে যোৱা ২৫টা বছৰত দেশৰ প্ৰতি আগবঢ়োৱা নিস্বাৰ্থ সেৱাৰ বিষয়ে উল্লেখ কৰি সেৱা সংকল্প অভিযানৰ লক্ষ্য আৰু সমগ্ৰ প্ৰক্ৰিয়াৰ বিষয়ে বিতংকৈ ব্যাখ্যা কৰে। উল্লেখ্য এই সেৱা সংকল্প অভিযানত ৯টা চৰকাৰী বিভাগ আৰু প্ৰায় ২৪টা বিভিন্ন চৰকাৰী আঁচনিৰ সুবিধা প্ৰদান তথা ৰাইজৰ অভাৱ-অভিযোগ গ্ৰহণৰ দিনজোৰা ব্যৱস্থাৰ আয়োজন কৰা হয়। ইয়াত স্বাস্থ্য, শিক্ষা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, কৃষি, খাদ্য-অসামৰিক যোগান গ্ৰাহক পৰিক্ৰমা, ৰেচন কাৰ্ড, বিত্ত, অৰুণোদয়, নগৰ উন্নয়ন আৰু গৃহ নিৰ্মাণ, সৌৰশক্তি, ৰাজহ আৰু দুৰ্যোগ প্ৰশমন, পেন্সন, আত্মসহায়ক গোট আদি বিভাগৰ জৰিয়তে বিভিন্ন আঁচনিৰ সুবিধা লাভ, আবেদন জমা, অভাৱ-অভিযোগ দাখিল, নামভৰ্তিৰ আবেদন আদিৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ লগতে আয়োজিত বিনামূলীয়া স্বাস্থ্য শিবিৰত আয়ুষ্মান কাৰ্ড, জন্ম-মৃত্যুৰ প্ৰমাণপত্ৰ আদিৰ সুবিধাৰ লগতে ৮ গৰাকী বিশেষজ্ঞ চিকিৎসকৰ আৰু কেইবাগৰাকীও অন্যান্য চিকিৎসকৰ দ্বাৰা বিভিন্ন বিভাগৰ চিকিৎসা প্ৰদান, ৰোগৰ চিকিৎসা, বিভিন্ন পৰীক্ষা-নিৰীক্ষা, এক্স-ৰে, ইচিজিকে ধৰি বিভিন্ন দৰৱ যোগান, যোগাসন, পুষ্টিকৰ খাদ্যৰ ওপৰত আলোকপাত, আভা আইডি, আয়ুষ্মান কাৰ্ড, ই কে ৱাই চিৰ ব্যৱস্থা আদিও উপলব্ধ কৰা হয়।

# পিথুবৰ মহাবিদ্যালয়ত গৱেষণা পদ্ধতিৰ কৰ্মশালা




**দৈনিক অসমৰ প্ৰতিনিধি**

**খোৱাং, ৯ অক্টোবৰ ঃ** খোৱাং অঞ্চলৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান পিথুবৰ মহাবিদ্যালয়ত ৭ আৰু ৮ অক্টোবৰত দুদিনীয়া কাৰ্যসূচীৰে 'গৱেষণা পদ্ধতি' শীৰ্ষক এখন কৰ্মশালা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষ আৰু গৱেষণা বিকাশ কোষৰ উদ্যোগত কৰ্মশালাখনৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সুৰভি গোহাঁই দুৱৰাই বন্তি প্ৰজ্বলনেৰে কৰ্মশালাখনৰ শুভাৰম্ভ কৰে। উদ্বোধনী ভাষণত তেওঁ গৱেষণা কৰ্মৰ গুৰুত্ব আৰু সফল গৱেষণাৰ বাবে পৰিকল্পিত আঁচনিৰে আগবঢ়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে মত প্ৰকাশ কৰে। অধ্যাপক যুগল চন্দ্ৰ সোণোৱালে আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ডঃ সুধীৰ কুমাৰ দাসে গৱেষণা কৰ্মৰ পদ্ধতি, নৈতিক দায়বদ্ধতা আৰু সমাজলৈ গঠনমূলক অৱদান আগবঢ়োৱাত গৱেষণাৰ ভূমিকা সম্পৰ্কে বিস্তৃত আলোচনা আগবঢ়ায়। কৰ্মশালাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ যোগেন চন্দ্ৰ কলিতা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজশাস্ত্ৰ বিভাগৰ অধ্যাপক ডঃ বিকাশ ডেকা, ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ডঃ বৰুণ দে আৰু নিতাইপুখুৰী হেমচন্দ্ৰ গোস্বামী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক ডঃ সুধীৰ কুমাৰ দাসে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি গৱেষণাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা আগবঢ়ায়। অনলাইন কাৰ্যসূচীৰ কাৰিকৰী দিশত অধ্যাপিকা মনমিকা চাংমাই আৰু গ্ৰন্থাগাৰিক মাইলিনা গগৈয়ে সহযোগিতা আগবঢ়ায়। পিথুবৰ মহাবিদ্যালয়ৰ লগতে মৰাণ মহিলা মহাবিদ্যালয়, মৰিঢল মহাবিদ্যালয় আৰু ডিমৌ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মিশ্ৰিত পদ্ধতিৰে কৰ্মশালাত অংশগ্ৰহণ কৰে। কৰ্মশালাৰ সামৰণিত অংশগ্ৰহণকাৰীসকলক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। আয়োজক সমিতিৰ হৈ সমন্বয়ক টুটুমণি চুতীয়া, ডঃ ৰীতা চেতিয়া, সহঃসমন্বয়ক অৰ্চনা শইকীয়া আৰু সদস্য নৱনীতা ফুকনে সকলো অংশগ্ৰহণকাৰী আৰু সহযোগীক শলাগ জ্ঞাপন কৰে।

# জোনাই আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিনিধি সভা সম্পন্ন

## অভিজিত দাস সভাপতি, অৰুণ পেগু সাধাৰণ সম্পাদক



**দৈনিক অসমৰ প্ৰতিনিধি**

**জোনাই, ৯ অক্টোবৰ ঃ** জোনাই আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিনিধি সভাখন ৭ অক্টোবৰত কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পুৱা সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। পতাকা উত্তোলন কৰে জোনাই আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি অভিজিত দাসে। শ্বহীদ তৰ্পণ কৰে আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক অৰুণ পেগুৱে। ইয়াৰ পাছতে অভিজিত দাসৰ সভাপতিত্বত প্ৰতিনিধি সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক অৰুণ পেগুৱে। আনহাতে, আদৰণী ভাষণ দিয়ে সদৌ ধেমাজি জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক লোহিত গজমেৰে। প্ৰতিনিধি সভাখন উদ্বোধন কৰে অসম উন্নতি সভাৰ ধেমাজি জিলা সমিতিৰ উপ-সভাপতি প্ৰদীপ গগৈয়ে। সভাত সদৌ অসম ছাত্ৰ সন্থাৰ দৃষ্টিভংগী আৰু সাংগঠনিক স্থিতি সম্পৰ্কে ব্যাখ্যা আগবঢ়ায় সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য আলোকজ্যোতি দত্তই। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে সদৌ ধেমাজি জিলা ছাত্ৰ সন্থাৰ সভাপতি সঞ্জীৱ দাস আৰু সাধাৰণ সম্পাদক জয়ন্ত বৰগোহাঁই। তদুপৰি সভাত আমন্ত্ৰিত অতিথি হিচাপে দেৱ কলিতা, ৰঞ্জিত বসুমতাৰী, ৰিতুপৰ্ণ কোচ, সদৌ ধেমাজি জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি দেবেন ডেকা আৰু কৈলাস গগৈ, সহকাৰী সাধাৰণ সম্পাদক লক্ষ্যজিৎ শৰণীয়া, প্ৰচাৰ সম্পাদক মেদিনী দলে, সাংস্কৃতিক সম্পাদক সোণমইনা শইকীয়া, তথ্য সম্পাদক পাপলু গগৈ, ক্ৰীড়া সম্পাদক সৌৰভ বৰুৱা আৰু সাংগঠনিক সম্পাদক ব্ৰজেন কলিতাৰ লগতে কাৰ্যনিৰ্বাহক সদস্য বিজয় শইকীয়া আৰু মহাদেৱ গগৈ উপস্থিত থাকে। লগতে সদৌ ধেমাজি জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত বিভিন্ন আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা, সভাপতি আৰু সাধাৰণ সম্পাদকসকলেও সভাত অংশগ্ৰহণ কৰে। সভাত জোনাই অঞ্চলৰ বিভিন্ন শাখা ছাত্ৰ সন্থাৰ প্ৰতিনিধিৰ লগতে মহাবিদ্যালয় আৰু বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীয়েও অংশগ্ৰহণ কৰে। প্ৰতিনিধি সভাৰ পাছত কৈলাস গগৈৰ সভাপতিত্বত বিষয় বাছনি সভা অনুষ্ঠিত হয়। প্ৰতিনিধি সভাই সৰ্বসন্মতিক্ৰমে অভিজিত দাসক জোনাই আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি আৰু অৰুণ পেগুক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি দায়িত্ব অৰ্পণ কৰা হয়। সভাই মুঠ ৩১জনীয়া নতুন সমিতি গঠন কৰে।

# কাহিলিপাৰাৰ স্প'ৰ্টছ শ্যুটিং ৰেঞ্জৰ জৰাজীৰ্ণ ৰূপ

## নিৰ্লিপ্ত ৰাজ্যৰ ক্ৰীড়া বিভাগ






**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৯ অক্টোবৰ ঃ** অসমৰ শ্যুটিং ক্ৰীড়াৰ অন্যতম পীঠস্থান কাহিলিপাৰা স্প'ৰ্টছ শ্যুটিং ৰেঞ্জৰ অৱস্থা এতিয়া জৰাজীৰ্ণ। অসমত ২০০৭ চনত অনুষ্ঠিত ৩৩সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ আলমতে ৰাজ্যৰ প্ৰথম আৰু একমাত্ৰ এই অত্যাধুনিক পৰিকাঠামো গঢ় লৈ উঠিছিল। কাহিলিপাৰাৰ চতুৰ্থ এ পি বি এন কমপ্লেক্সত অৱস্থিত ৰেঞ্জটোৰ নিৰ্মাণত ব্যয় হৈছিল প্ৰায় ৪ কোটি ২৯ লাখ টকা। ৫০০ আসনযুক্ত শ্যুটিং ৰেঞ্জটোত আছে ১০, ২৫ আৰু ৫০ মিটাৰ এয়াৰ ৰাইফল, স্মল ব'ৰ পিষ্টল, ৰাইফল আৰু শ্বটগান অনুশীলনৰ লগতে প্ৰতিযোগিতা আয়োজনৰ সুবিধা। ৰাষ্ট্ৰীয় ক্ৰীড়া আয়োজনৰ পাছৰে পৰা ক্ৰীড়া প্ৰকল্পটোত অনুশীলন কৰিয়েই হৃদয় হাজৰিকাই বিশ্ব জুনিয়ৰ শ্যুটিং চেম্পিয়নশ্বিপত ৰেকৰ্ডসহ স্বৰ্ণ পদক জয় কৰিছিল। বিষয়া সিন্হা, শ্ৰেয়াশ্ৰী মজুমদাৰ, জ্যোতিষ প্ৰতিম কোঁৱৰৰ লগতে বহু খেলুৱৈয়ে এই ৰেঞ্জৰ পৰাই ৰাষ্ট্ৰীয় তথা উত্তৰ-পূব মণ্ডল প্ৰতিযোগিতাত পদক জয়েৰে ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছিল। তদুপৰি ভৰ কলিতা, ৰাজেন সিং, ঋতুৰাজ ভাগৱতী, অসীম বৰুৱা, দেৱজিৎ গগৈ, সপোন সন্ধ্যা, নিশা বৈশ্যৰ দৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আই এছ এছ এফ বিচাৰকো এই ৰেঞ্জৰ আলমতে ওলাইছে। শেহতীয়াকৈ অসম ক্ৰীড়া প্ৰাধিকৰণ আৰু ৰাজ্যৰ ঊৰ্দ্ধতম আৰক্ষী কৰ্তৃপক্ষৰ কেতবোৰ হঠকাৰী কৰ্মকাণ্ডৰ বাবে কাহিলিপাৰা স্প'ৰ্টছ শ্যুটিং ৰেঞ্জলৈ নামি আহিছে অমানিশা। উভয় পক্ষই মিলি ২০২৩ চনৰ পৰাই ৰেঞ্জটোৰ ধ্বংস যজ্ঞত নামি পৰে। ২০০৮ চনৰ পৰা ৰেঞ্জটো অসম শ্যুটিং সন্থাই সুন্দৰভাৱে চোৱা-চিতা, পৰিচালনা কৰাৰ উপৰি খেলুৱৈৰ প্ৰশিক্ষণৰ ব্যৱস্থা সুন্দৰভাৱে চলাই নিছিল। ২০২৩ চনত ৰাজ্যিক সন্থাৰ সৈতে কোনো আনুষ্ঠানিক আলোচনা নকৰাকৈ ৰেঞ্জটো অসম ক্ৰীড়া প্ৰাধিকৰণে নিজৰ দখললৈ নিয়ে। ২০২৫ চনত তাতে প্ৰতিষ্ঠা কৰা হয় খেলো ইণ্ডিয়া ষ্টেট চেণ্টাৰ অৱ এক্সেলেন্স। প্ৰশিক্ষকৰূপে নিযুক্তি দিয়া হ'ল জ্যোতিষ প্ৰতিম কোঁৱৰক। একাষৰীয়া কৰা হ'ল অসম শ্যুটিং সন্থাক। অসম ক্ৰীড়া প্ৰাধিকৰণ ৰেঞ্জটোৰ হৰ্তাকৰ্তা হৈ পৰাৰ পাছৰে পৰা নিয়মীয়া প্ৰশিক্ষাৰ্থীৰ অনুশীলন মাচুলো বৃদ্ধি কৰা হ'ল। খেলুৱৈৰ সংখ্যাৰ লগতে প্ৰশিক্ষণৰ মানো কমি আহিল। ৰেঞ্জটোও ক্ৰমাৎ জহিখহি যাবলৈ ধৰিছে। ৰেঞ্জটোৰ বাবে প্ৰয়োজনীয় শীতাতপ নিয়ন্ত্ৰণ ব্যৱস্থাও জৰাজীৰ্ণ। ইলেক্ট্ৰ'নিক স্ক'ৰিং ব্যৱস্থা, ইউ পি এছ, জেনেৰেটৰ বিকলপ্ৰায় হৈছে। ৬৫ লাখটকীয়া লিফ্‌টটোও অচল। এনে অৱস্থাৰ মাজতে ৰাজ্যিক সন্থাই জোৰা-টাপলি মাৰি যোৱা আগষ্টত উত্তৰ-পূব মণ্ডল শ্যুটিং প্ৰতিযোগিতাখনৰ আয়োজন কৰে। ৰেঞ্জটোৰ দুৰৱস্থা দেখিও গা লৰা নাই ৰাজ্য চৰকাৰৰ বিয়াগোম ক্ৰীড়া বিভাগৰ। একপ্ৰকাৰ ধৃতৰাষ্ট্ৰৰ ভাৱত অৱতীৰ্ণ হৈছে। ইয়াৰ মাজতে ভূতৰ ওপৰত দানহ পৰাদি ৰাজ্যৰ ঊৰ্দ্ধতম আৰক্ষী কৰ্তৃপক্ষই শ্যুটিং ৰেঞ্জটোৰ ভূ-খণ্ডতে খান্দিলে ২৫ মিটাৰ দৈৰ্ঘ্যৰ এটা ছুইমিং পুল। অথচ এইখিনি ঠাইতে ২০১৭ চনৰ ১০ মাৰ্চত অসম চৰকাৰৰ তদানীন্তন মুখ্য সচিব ভি কে পিপাৰছেনিয়াই স্কৰ্ট ফায়াৰিং ৰেঞ্জ এটাৰ আধাৰশিলা স্থাপন কৰিছিল। তাত উপস্থিত আছিল সেই সময়ৰ অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান মুকেশ সাহাই। প্ৰস্তাৱিত প্ৰকল্পলৈ অংগুষ্ঠ প্ৰদৰ্শন কৰি সেই স্থানত এতিয়া ছুইমিং পুল সজা হ'ল। এই কাৰ্যত ক্ষুব্ধ হৈ পৰিছে শ্যুটিং খেলুৱৈসকলৰ লগতে অনুৰাগীসকল। ছুইমিং পুলৰ নিৰ্মাণকাৰ্যৰ বাবে ৰেঞ্জটোৰ উত্তৰ দিশে সংস্থাপিত বিদ্যুতৰ আৰ্থিং ব্যৱস্থাও তচনচ হৈ পৰে। তদুপৰি ছুইমিং পুলটো নিৰ্মাণৰ ফলত ভৱিষ্যতে শ্যুটিং ৰেঞ্জটো আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ উন্নীত কৰাৰ বাবে প্ৰয়োজনীয় ঠাইৰো মুদা মৰিল। ৰাজ্যৰ প্ৰতিভাৱান শ্যুটিং খেলুৱৈ গঢ়াৰ অন্যতম পীঠস্থান ৰেঞ্জটো ৰক্ষাৰ স্বাৰ্থত ক্ৰীড়া হিতৈষী মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কেনে পদক্ষেপ গ্ৰহণ কৰে, সেয়াহে লক্ষণীয় হ'ব।



*চাইনা অ'পেনৰ কোৱাৰ্টাৰত ইগা শ্বিয়াটেকক হৰুৱাই বেলজিয়ামৰ এলিছ মাৰ্টেন্সৰ উল্লাস, শুকুৰবাৰে।*

## চেপমেন, ফ'কছ বাহিৰ

**ৱেলিংটন, ৯ অক্টোবৰ ঃ** ভাৰতৰ বিৰুদ্ধে হ'বলগীয়া পাঁচখন মেচৰ টী-২০ ছিৰিজৰ পূৰ্বে নিউজিলেণ্ডৰ দুজন খেলুৱৈ আঘাতৰ পৰিপ্ৰেক্ষিতত ছিৰিজৰ পৰা বাহিৰ হ'বলগীয়া হৈছে। খেলুৱৈ দুজন হৈছে মাৰ্ক চেপমেন আৰু জেক ফ'কছ। দুয়োৰে স্থানত অলৰাউণ্ডাৰ জ'ছ ক্লাৰ্কছন আৰু বেগী বলাৰ ব্লেয়াৰ টিকনাৰক দলত লোৱা হৈছে। উল্লেখ্য যে ২২ অক্টোবৰৰ পৰা আৰম্ভ হ'ব টী-২০ ছিৰিজ। চেপমেনে ইউৰোপিয়ান টী-২০ প্ৰিমিয়াৰ লীগত খেলাৰ সময়ত হেমষ্ট্ৰিঙত আঘাত পাইছিল। পাঁচখন মেচৰ এদিনীয়া ছিৰিজলৈ তেওঁৰ প্ৰত্যাৱৰ্তন হ'ব পাৰে। এদিনীয়া ছিৰিজ আৰম্ভ হ'ব ৪ নৱেম্বৰৰ পৰা।

## বিষ্ণুজ্যোতি ফুটবল

**দৈনিক অসমৰ প্ৰতিনিধি**

**সৰ্থেবাৰী, ৯ অক্টোবৰ ঃ** নসত্ৰৰ কৃষ্ণগুৰু স্প'ৰ্টছ ক্লাবৰ উদ্যোগত কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয় খেলপথাৰত অনুষ্ঠিত বিষ্ণুজ্যোতি ট্ৰফী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত গোসাইগাঁৱৰ শালবাগান এফ চিয়ে ডুমনি এফ চিক ৭-১ গ'লৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে।

## মেগানৰ কৃতিত্ব



**ব্ৰীছবেন, ৯ অক্টোবৰ ঃ** অষ্ট্ৰেলিয়াৰ বেগী বলাৰ মেগান শ্বটে এদিনীয়া আন্তঃৰাষ্ট্ৰীয়ত ১৫০টা উইকেট দখলৰ মাইলৰ খুঁটিত উপনীত হৈছে। বাংলাদেশৰ বিৰুদ্ধে ব্ৰীছবেনৰ এলান ব'ৰ্ডাৰ ষ্টেডিয়ামত অনুষ্ঠিত ছিৰিজৰ প্ৰথমখন এদিনীয়াত তেওঁ এই কৃতিত্বৰ অধিকাৰী হয়। এদিনীয়া ক্ৰিকেটত ১৫০ বা ততোধিক উইকেট দখল কৰা অষ্ট্ৰেলিয়াৰ তৃতীয়গৰাকী মহিলা ক্ৰিকেটাৰৰূপে পৰিগণিত হয় মেগান। তেওঁৰ পূৰ্বে এলিচী পেৰী আৰু কেথৰিন ফিটজপেট্ৰিকে এই কৃতিত্বৰ অধিকাৰী হৈছে। ৩৩ বছৰীয়া মেগানক আজিৰ মেচখনৰ পূৰ্বে ১৫০টা উইকেট সম্পূৰ্ণ কৰিবলৈ মাত্ৰ দুটা উইকেটৰ প্ৰয়োজন আছিল। মেচখনত তেওঁ দুটা উইকেট দখল কৰে।

### ■ দ্বিতীয় টী-২০ত কোহলীৰ অভিলেখ স্পৰ্শ সঞ্জু ছেমছনৰ ■

# হোপৰ চেঞ্চুৰীৰে ৱেষ্ট ইণ্ডিজৰ জয়

**ৰাঁচী, ৯ অক্টোবৰ ঃ** বিগত চাৰিটা ইনিংছৰ ব্যৰ্থতা আঁতৰাই আজি ভাৰতৰ উইকেটকীপাৰ বেটাৰ সঞ্জু ছেমছনে বিস্ফোৰক অৰ্দ্ধশতকীয় ইনিংছ খেলে। ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ছিৰিজৰ দ্বিতীয়খন মেচত তেওঁ ২১টা বলতে অৰ্দ্ধশতক অৰ্জন কৰে। এনেদৰে কেৰিবিয়ান দলটোৰ বিৰুদ্ধে দ্ৰুততম হাফ চেঞ্চুৰীৰ ক্ষেত্ৰত সঞ্জুৱে স্পৰ্শ কৰে বিৰাট কোহলীৰ নামত থকা অভিলেখ। ২০১৯ চনত ৰাংখাড়েত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে কোহলীয়ে ২১টা বলত অৰ্দ্ধশতক সম্পূৰ্ণ কৰিছিল। লক্ষ্ণৌত অনুষ্ঠিত প্ৰথমখন টী-২০ত সঞ্জুৱে মাত্ৰ ১১ ৰান কৰিছিল। আজি তেওঁ ৪১টা বলত ৮২ ৰান কৰে। ৯টা বাউণ্ডেৰী আৰু ৪টা ছিক্সাৰেৰে সঞ্জুৱে ইনিংছটো সজায়। ভাৰতৰ আনজন অ'পেনাৰ অভিষেক শৰ্মা আজি ২০ ৰানত আউট হয়। ঈশান কিষাণে কৰে ২২টা বলত ৪৩ ৰান। শিৱম ডুবে ৭ ৰানত আউট হয় যদিও অধিনায়ক শ্ৰেয়াছ আয়াৰ আৰু তিলক বাৰ্মাই সংহাৰী ইনিংছ খেলে। শ্ৰেয়াছে ১৮টা বলত ৪০ ৰান আৰু তিলকে ১৮টা বলত ৪৪ ৰান কৰে। আলহী দলটোৱে টছত জয়ী হৈ আজি ভাৰতক বেটিং কৰিবলৈ আমন্ত্ৰণ জনাইছিল। নিৰ্দ্ধাৰিত ২০ অভাৰত ৫ উইকেটত ভাৰতে ২৪৯ ৰান কৰে। প্ৰত্যুত্তৰত আলহী দলটোৱে ৯টা বল বাকী থকা অৱস্থাতে চাৰিটা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। দলটোৰ হৈ অধিনায়ক শ্বাই হোপে ৪৫টা বলত ১০২ ৰান কৰে। শ্বেৰ্ফেন ৰাডাৰফ'ৰ্ডে কৰে ৩৭টা বলত ৮৪ ৰান।



## ১৯ বছৰ অনূৰ্দ্ধ এছিয়া কাপ
## ৮ নৱেম্বৰত ভাৰতৰ সন্মুখত পাকিস্তান

**নতুন দিল্লী, ৯ অক্টোবৰ ঃ** ১৯ বছৰ অনূৰ্দ্ধ এছিয়া কাপৰ সূচী ঘোষণা কৰিছে এছিয়ান ক্ৰিকেট পৰিষদে। সেই অনুসৰি ওমানত আৰম্ভ হ'ব টুৰ্ণামেণ্টখন। ফাইনেল মেচখন অনুষ্ঠিত হ'ব ১৪ নৱেম্বৰত। ৬ নৱেম্বৰত ভাৰতে নেপালৰ বিৰুদ্ধে খেলি অভিযান আৰম্ভ কৰিব। ৮ নৱেম্বৰত পাকিস্তানৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব ভাৰতৰ জুনিয়ৰ দলটোৱে। গ্ৰুপ পৰ্যায়ত ভাৰতৰ অন্তিমখন মেচ ১০ নৱেম্বৰত ইউ এ ইৰ বিৰুদ্ধে অনুষ্ঠিত হ'ব। ৫০ অভাৰৰ টুৰ্ণামেণ্টখনত মুঠতে ১৫খন মেচ হ'ব। উল্লেখ্য যে ১৯ বছৰ অনূৰ্দ্ধ এছিয়া কাপত ৮ বাৰ খিতাপ জয় কৰিছে ভাৰতে। বিগত বৰ্ষত ভাৰত ফাইনেলত পাকিস্তানৰ হাতত পৰাস্ত হৈছিল।

### ৱৰ্ল্ড বলছ চেম্পিয়ন অৱ চেম্পিয়নছ

## পদক নিশ্চিত পুতুল সোণোৱালৰ



**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৯ অক্টোবৰ ঃ** অসমৰ তাৰকা লন বল খেলুৱৈ পুতুল সোণোৱালে চমকপ্ৰদ প্ৰদৰ্শনেৰে অষ্ট্ৰেলিয়াত চলি থকা বিশ্ব লন বলছ চেম্পিয়ন অৱ চেম্পিয়নছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰি ব্ৰঞ্জৰ পদক নিশ্চিত কৰিছে। দেশৰ শীৰ্ষস্থানৰ লন বল খেলুৱৈ পুতুল হ'ল বিশ্বৰ আগশাৰীৰ প্ৰতিযোগিতাখনত পদক নিশ্চিত কৰা ভাৰতৰ প্ৰথমজন খেলুৱৈ। ছেমি ফাইনেলত পুতুল সোণোৱাল স্কটলেণ্ডৰ লেইন মেকলীনৰ মুখামুখি হ'ব। ইয়াৰ পূৰ্বে ৪৩ বছৰীয়া পুতুলে কোৱাৰ্টাৰ ফাইনেলত ছিংগাপুৰৰ হেৰীমেন যুয়েনক পৰাস্ত কৰি কমেও ব্ৰঞ্জৰ পদক নিশ্চিত কৰে। ৩৪খন দেশে প্ৰতিনিধিত্ব কৰা প্ৰতিযোগিতাখনত অসমৰ বনগীতা হাজৰিকায়ো প্ৰতিনিধিত্ব কৰে। উল্লেখ্য যে পুতুলে গ্লাছগো কমনৱেল্‌থ গেমছত বিশ্ব চেম্পিয়ন ৰায়ান বেষ্টাৰক হৰুৱাই বৃহৎ অঘটন ঘটাইছিল। শেহতীয়া সফলতাৰ বাবে পুতুল সোণোৱাললৈ লন বল সন্থা, অসমে আন্তৰিক অভিনন্দন জনোৱাৰ লগতে পৰৱৰ্তী মেচৰ বাবে শুভকামনা জনাইছে।

## পাকিস্তানৰ নাম প্ৰত্যাহাৰ, খেলিব বাংলাদেশে

**নতুন দিল্লী, ৯ অক্টোবৰ ঃ** ভাৰতত ২৭ অক্টোবৰৰ পৰা অনুষ্ঠিত হ'ব এছিয়ান হকী চেম্পিয়নছ ট্ৰফী। প্ৰতিযোগিতাখনৰ পৰা পাকিস্তানে নাম প্ৰত্যাহাৰ কৰিছে। দুয়ো দেশৰ মাজত অব্যাহত থকা ৰাজনৈতিক সংঘাতৰ পৰিপ্ৰেক্ষিততে পাকিস্তান হকী ফেডাৰেচনে এই সিদ্ধান্ত লৈছে। প্ৰতিযোগিতাখন অন্য দেশত অনুষ্ঠিত কৰাৰো দাবী জনাইছিল পাকিস্তানে। সেই দাবী ভাৰতে অগ্ৰাহ্য কৰে। এতিয়া পাকিস্তানৰ স্থানত বাংলাদেশে টুৰ্ণামেণ্টখনত খেলিব। ছটা দলৰ মাজত হ'বলগীয়া হকী টুৰ্ণামেণ্টখন ৫ নৱেম্বৰলৈ জলন্ধৰ আৰু মোহালিত অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে ভাৰতত অনুষ্ঠিত এছিয়া কাপ আৰু জুনিয়ৰ বিশ্বকাপতো পাকিস্তানে অংশ লোৱা নাছিল।

### এছিয়ান হকী চেম্পিয়নছ ট্ৰফী



### আই ইউ কে এল কেটলবেল স্প'ৰ্টছ ৱৰ্ল্ড গেমছ

## দীপান্বিতাৰ স্বৰ্ণসহ ৩টা পদক অৰ্জন



**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৯ অক্টোবৰ ঃ** অসমৰ দীপান্বিতা দাসে নতুন দিল্লীৰ তালকোটৰা ষ্টেডিয়ামত ৪-৯ অক্টোবৰত অনুষ্ঠিত আই ইউ কে এল কেটলবেল স্প'ৰ্টছ ৱৰ্ল্ড গেমছত দেশক প্ৰতিনিধিত্ব কৰি ২টা স্বৰ্ণ আৰু এটা ৰূপৰ পদক জয়েৰে উজলি উঠিছে। দীপান্বিতাই প্ৰতিযোগিতাখনৰ ডাবল আৰ্ম লং চাইকেল/ক্লীন এণ্ড জাৰ্ক শাখা আৰু ৰীলে লং চাইকেলত একোটাকৈ স্বৰ্ণ পদক জয় কৰে। আনহাতে খেলুৱৈগৰাকীয়ে ৱান আৰ্ম লং চাইকেল শাখাত ৰূপৰ পদক অৰ্জন কৰে। ৰীলে লং চাইকেল শাখাত ভাৰতীয় দলে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ বিপৰীতে অষ্ট্ৰেলিয়াই দ্বিতীয় স্থান অধিকাৰ কৰে। ৱান আৰ্ম লং চাইকেল শাখাত অষ্ট্ৰেলিয়াই প্ৰথম আৰু ছিংগাপুৰে তৃতীয় স্থান লাভ কৰে। ডাবল আৰ্ম লং চাইকেল শাখাত ভাৰত শীৰ্ষত থকাৰ বিপৰীতে অষ্ট্ৰেলিয়াই দ্বিতীয় স্থান পায়।

## হৰিশিঙা টাউন ক্লাব ফাইনেলত

### বড়োলেণ্ড গেলেণ্ট গ'ল্ড কাপ ফুটবল



**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**

**ওদালগুৰি, ৯ অক্টোবৰ ঃ** হৰিশিঙা টাউন ক্লাবে ডিমাকুছিৰ জেমছ বেংগা খেলপথাৰত স্থানীয় বড়ো ছাত্ৰ সন্থা আৰু আঞ্চলিক ক্ৰীড়া সন্থাৰ যৌথ উদ্যোগত চলি থকা ২৯ সংখ্যক বড়োলেণ্ড গেলেণ্ট গ'ল্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজিৰ উত্তেজনাপূৰ্ণ শেষৰখন ছেমি ফাইনেলত হৰিশিঙাৰ দলটোৱে এছ এছ বি চেণ্ট্ৰেল ফুটবল দল, শিলিগুৰিক ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। হৰিশিঙাৰ হৈ কৌশিক দৈমাৰী, সুকুমাৰ হেমৰাম আৰু যতীন চুতীয়াই একোটাকৈ গ'ল দিয়ে। আনহাতে এছ এছ বিৰ হৈ গ'ল দুটা পৰিশোধ কৰে ৰোহিতে। এতিয়া ১১ অক্টোবৰত হ'বলগীয়া চূড়ান্ত খেলখনত মাইনাও ক্লাব বঙাইগাঁৱৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব হৰিশিঙা টাউন ক্লাব। চূড়ান্ত খেলখনত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

## ডেকা ব্ৰাদাৰ্ছ ফাইনেলত

**দৈনিক অসমৰ প্ৰতিনিধি**

**বাইহাটা চাৰিআলি, ৯ অক্টোবৰ ঃ** কামৰূপ জিলাৰ কৰৰা যুথ এথলেটিক্‌ছ ক্লাবৰ উদ্যোগত চলি থকা শিক্ষাবিদ তৰুণ চন্দ্ৰ ডেকা আৰু সমাজকৰ্মী কেশৱ চন্দ্ৰ চৌধুৰী সোঁৱৰণী চলন্ত ট্ৰফী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত ফাইনেলত প্ৰৱেশ কৰিছে ডেকা ব্ৰাদাৰ্ছে। কৰৰা মিনি ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ আজিৰ দ্বিতীয়খন ছেমি ফাইনেলত অংশগ্ৰহণ কৰে বাৰ্ছু এফ চি আৰু ডেকা ব্ৰাদাৰ্ছে। তীব্ৰ উত্তেজনাপূৰ্ণ খেলখন নিৰ্দ্ধাৰিত সময়ত ২-২ গ'লত অমীমাংসিতভাৱে সামৰণি পৰে। টাইব্ৰেকাৰত ডেকা ব্ৰাদাৰ্ছে জয়ী হৈ ফাইনেলত প্ৰৱেশ কৰে। প্ৰতিযোগিতাৰ ফাইনেল খেলখন ১১ অক্টোবৰত ৱাৰিয়ৰ এফ চি আৰু ডেকা ব্ৰাদাৰ্ছৰ মাজত অনুষ্ঠিত হ'ব। আজিৰ খেলখন উদ্বোধন কৰে বাইহাটা চাৰিআলি প্ৰেছক্লাবৰ সভাপতি লক্ষী ডেকা আৰু সমাজসেৱিকা চয়নিকা কাশ্যপে।

## গ্ৰাম্য প্ৰাইজমানি ফুটবল

**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**

**নলবাৰী, ৯ অক্টোবৰ ঃ** নৱজ্যোতি সংঘৰ সৌজন্যত আজিৰে পৰা বিষ্ণুৰাম মেধি উচ্চতৰ মাধ্যমিক বিদ্যালয় বড়িদতৰা খেলপথাৰত অনুষ্ঠিত গ্ৰাম্য প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত পূব নলবাৰী এফ চি, পাইকাৰকুছিয়ে মিলিজুলি এফ চি, দোদোতিয়াক ৩-০ গ'লত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডত কৰে। খেলখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক অৰনী বৰ্মনে। কাইলৈ অন্য এখন খেলত অংশগ্ৰহণ কৰিব বাৰদৈ এফ চি, পীতাম্বৰ, ৰঙিয়া আৰু কালাগ এফ চি দলে।

## লাৰকুছি ছেমি ফাইনেলত

**দৈনিক অসমৰ প্ৰতিনিধি**

**মুকালমুৱা, ৯ অক্টোবৰ ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ অন্তৰ্গত বামুণবড়ীত অনুষ্ঠিত ৩০ সংখ্যক শ্বহীদ সোঁৱৰণী আমন্ত্ৰণমূলক নৈশ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত লাৰকুছি আঞ্চলিক ক্ৰীড়া সন্থাই ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। মূলাঘাটা সংঘৰ দ্বাৰা পৰিচালিত অসম ফুটবল সন্থাৰ স্বীকৃতিপ্ৰাপ্ত ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত ইলেভেন ষ্টাৰ ক্লাব, বঙাইগাঁও আৰু লাৰকুছি আঞ্চলিক ক্ৰীড়া সন্থাৰ মাজত অনুষ্ঠিত হয়। নিৰ্দ্ধাৰিত সময়ত কোনো দলে গ'ল কৰিব নোৱাৰাত ৰেফাৰীয়ে টাইব্ৰেকাৰৰ সহায় লয়। টাইব্ৰেকাৰত লাৰকুছি আঞ্চলিক ক্ৰীড়া সন্থাই জয়লাভ কৰে। প্ৰতিযোগিতাখনত ৰাজ্যৰ মুঠ ১২টাকৈ আগশাৰীৰ ফুটবল দলে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাৰ তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব সোণাপুৰ প্ৰগতি সংঘ আৰু ডি বি আই দলে।

## গাড়োৱাল হিৰ'জ ছেমিত

**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**

**ওদালগুৰি, ৯ অক্টোবৰ ঃ** ওদালগুৰিত অনুষ্ঠিত ৩২ সংখ্যক বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্ম স্বৰ্ণকাপ ফুটবল প্ৰতিযোগিতাত গাড়োৱাল হিৰ'জ এফ চি, দিল্লী ছেমি ফাইনেলত উপনীত হৈছে। ওদালগুৰি জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত হোৱা প্ৰতিযোগিতাৰ স্থানীয় ষ্টেডিয়ামত আজি অনুষ্ঠিত অন্তিমখন ছেমি ফাইনেলত দিল্লীৰ গাড়োৱাল হিৰ'জ দলটোৱে শ্বিলঙৰ ৰংদাজিয়েদ ইউনাইটেড এফ চিক ২-১ গ'লত পৰাস্ত কৰে। গাড়োৱাল হিৰ'জ এফ চিয়ে খেলৰ আৰম্ভণিৰে পৰা ৰংদাজিয়েদ ইউনাইটেড এফ চিক চাপত ৰাখি খেলৰ ১০ মিনিটত নীলিম কুমাৰে এটা আৰু লালবিয়াকদিকাই ৬২ মিনিটত এটা গ'ল দি দলক ২-০ৰ অগ্ৰগতি দিয়ে। অৱশ্যে গাড়োৱাল দলৰ ৰক্ষণ বিভাগৰ খেলুৱৈসকলৰ বেহু ভেদি ৰংদাজিয়েদৰ মেনাংপাইডপে ৮৪ মিনিটত এটা গ'ল পৰিশোধ কৰি ব্যৱধান ২-১ কৰিবলৈ সক্ষম হয়।

## ভলীবল প্ৰশিক্ষণ শিবিৰ

**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**

**নলবাৰী, ৯ অক্টোবৰ ঃ** কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ উদ্যোগত বিশ্ববিদ্যালয় চৌহদৰ খেলপথাৰত কালিৰে পৰা আৰম্ভ হৈছে ৭ দিনীয়া ভলীবল প্ৰশিক্ষণ শিবিৰ। ক্ৰীড়া সম্পাদিকা মমী শৰ্মাই আঁত ধৰা প্ৰশিক্ষণ শিবিৰটো উদ্বোধন কৰে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰহ্লাদ যোশীয়ে। উপস্থিত থাকে বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ডঃ মনোজ কুমাৰ শৰ্মা, ক্ৰীড়া সঞ্চালিকা ডঃ নন্দিতা খাখলাৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকল। বিশ্ববিদ্যালয়ৰ সহকাৰী শাৰীৰিক শিক্ষা সঞ্চালক বৰুণ তেৰাঙৰ তত্ত্বাৱধানত প্ৰশিক্ষণ শিবিৰটোত প্ৰশিক্ষক হিচাপে উপস্থিত আছে জ্যেষ্ঠ ভলীবল প্ৰশিক্ষক দীপক কুমাৰ দাস। শিবিৰটোত বিশ্ববিদ্যালয়ৰ ৩০গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে। এই শিবিৰৰ সামৰণিৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কাবাডী, খো খো, ফুটবল, এথলেটিক্‌ছ আদিৰ প্ৰশিক্ষণ দিয়া হ'ব বুলি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য প্ৰহ্লাদ যোশীয়ে জনাইছে।

### মহিলাৰ অনূৰ্দ্ধ ১৯ টী-২০ ক্ৰিকেট টুৰ্ণামেণ্ট

## হায়দৰাবাদে হৰুৱালে অসমক

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ৯ অক্টোবৰ ঃ** অসমে তিৰুৱনন্তপুৰমত আজিৰে পৰা আৰম্ভ হোৱা মহিলাৰ অনূৰ্দ্ধ ১৯ টী-২০ ক্ৰিকেট টুৰ্ণামেণ্টৰ প্ৰথমখন খেলত হায়দৰাবাদৰ হাতত ১৮ ৰানত পৰাস্ত হয়। মেচখনত হায়দৰাবাদে বিজয়ৰ বাবে নিৰ্দ্ধাৰণ কৰি দিয়া ১২২ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ গৈ অসমে ১৫ অভাৰত ৫ উইকেটত ৬৪ ৰান কৰা অৱস্থাত বৰষুণে বাধা দিয়াত ভি জে ডি পদ্ধতিৰ আধাৰত হায়দৰাবাদ জয়ী হয়। অসমৰ ইনিংছত গ্ৰীতিক্ষা শইকীয়াই ২২, পয়নিধি দাসে অপৰাজিত ১৫ ৰান কৰাৰ বাহিৰে ডলী কাৰ্ডং (৫), বৈভৱী দাস (৬), অধিনায়ক জাগৃতি কলিতা (১) আৰু ৰেশ্মি সিন্‌হা (৯) ব্যৰ্থ হয়। হায়দৰাবাদৰ কাট্ৰা তেজস্বিনীয়ে দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে হায়দৰাবাদে প্ৰতীকা কাঞ্চাৰ্লাৰ ৩৪ আৰু গুগুলোথু কাব্যশ্ৰীৰ ২৭ ৰানৰ সহায়ত নিৰ্দ্ধাৰিত ২০ অভাৰত ৯ উইকেটত ১২১ ৰান কৰে। অসমৰ কাকু বৰ্মনে তিনিটা আৰু ৰেশ্মি সিন্‌হাই দুটা উইকেট দখল কৰে।

## গোলাঘাটত ১৭ বছৰ অনূৰ্দ্ধ আন্তঃজিলা বাস্কেটবল আৰম্ভ



**দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি**

**গোলাঘাট, ৯ অক্টোবৰ ঃ** গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ আতিথ্যত ক্ৰীড়া সন্থাৰ বাস্কেটবল ক'ৰ্টত আজিৰ পৰা আৰম্ভ হৈছে ১৭ বছৰ অনূৰ্দ্ধ আন্তঃজিলা বাস্কেটবল প্ৰতিযোগিতা। অসম বাস্কেটবলৰ সন্থা আৰু গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ পতাকা উত্তোলন কৰে ক্ৰমে অসম বাস্কেটবল সন্থাৰ সাধাৰণ সম্পাদক ছাজিদ ৰহমান আৰু জিলা ক্ৰীড়া সন্থাৰ সভাপতি ডাঃ অজিত বৰুৱাই। ২১খন জিলাৰ তিনি শতাধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে প্ৰতিযোগিতাখনত। উদ্বোধনী অনুষ্ঠানত সকলোকে আদৰণি জনায় জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক সঞ্জীৱ সন্দিকৈয়ে। প্ৰতিযোগিতাখন উদ্বোধন কৰে অসম বাস্কেটবল সন্থাৰ মুখ্য পৃষ্ঠপোষক ৰিণিকি ভূঞা শৰ্মাই।

দৈনিক অসম প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক কিশোৰ বৰাৰ হৈ জ্যোতিষ পৱন বৰদলৈৰ দ্বাৰা আৰ্কন আৰ্কেড, ২-এ, দ্বিতীয় মহলা, ডাঃ বি বৰুৱা ৰোড, গুৱাহাটী, অসম, পিন-৭৮১০০৭ৰপৰা প্ৰকাশিত আৰু জি এল পাব্লিকেচন্‌ছ লিমিটেড, সাতগাঁও, গুৱাহাটী-২৭ত মুদ্ৰিত। টেলিফোন ঃ ৮৮১১৮-৮১০২৪, ০৩৬১-৩২৪৪৬৩৩। ই-মেইল ঃ dainikasam@gmail.com, dainikasam.marketing@gmail.com
কাৰ্যবাহী সম্পাদক ঃ শংকৰ লস্কৰ